# বাজেট অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী
## তাৰিখ ঃ ৬/০৪/২০২৩ বৃহস্পতিবাৰ

আজি ইংৰাজী ০৬-০৪-২০২৩ তাৰিখে মাননীয় অধ্যক্ষ মহোদয়ৰ অধ্যক্ষতাত পূৰ্ব নিৰ্দ্ধাৰিত কাৰ্য্যসূচী মতে অসম বিধান সভাৰ অধিবেশন ৰাতিপূৰা ৯.৩০ বজাত অনুষ্ঠিত হয়।

**মাননীয় অধ্যক্ষ ঃ** Question No- 201 শ্ৰী পৃথ্বিৰাজ ৰাভা।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**শ্ৰী পৃথ্বিৰাজ ৰাভা, (তেজপুৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ মন্ত্ৰী আৰু মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক মই এটা প্ৰশ্ন কৰিছিলো। সেই প্ৰশ্নৰ উত্তৰ ইতিমধ্যে দাখিল কৰা হৈছে। যিখিনি মই প্ৰশ্ন কৰিছিলো তাৰ উত্তৰ পাইছিলো। মোৰ পৰিপূৰক প্ৰশ্নটো হৈছে যে যিসকল খেলুৱৈয়ে নিজৰ অৰ্হতাত ACS ৰ পৰা আৰম্ভ অন্য বিভাগত চাকৰি পাইছে, তেওঁলোকে চাকৰি পোৱাৰ পিছতো খেলি আছে আৰু অসমৰ সুনাম অৰ্জন কৰি আছে। তেখেত সকলৰ promotion ৰ কিবা ব্যৱস্থা কৰিব নেকি? অসমত বেচ বল খেলা, ল'ন বল খেলা বিভিন্ন খেলুৱৈ আছে, যিসকলে নিজৰ অৰ্হতাত চাকৰি পাইছে আৰু অসমৰ বাবে অৱদান আগবঢ়াই আছে। মই আশা কৰিছো যিসকল খেলুৱৈয়ে খেলি চাকৰি পালে যেনে- লভলিনা বৰগোঁহাঞিৰ পৰা আৰম্ভ কৰি হিমা দাস, যমুনা বড়ো প্ৰমুখ্যে যিসকলে নিজৰ খেলাৰ অৰ্হতাত চাকৰি পাইছে, তেওঁলোকৰ বাহিৰেও যিসকল খেলুৱৈয়ে চাকৰি পোৱাৰ পিছতো খেলি আছে আৰু ৰাষ্ট্ৰীয় -আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ত মেডেল লাভ কৰি অসমৰ সুনাম অৰ্জন কৰি আছে, তেখেত সকলক পদোন্নতি দিয়াৰ কিবা ব্যৱস্থা কৰিব নেকি?

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী মহোদয়।

**শ্ৰী পীযুষ হাজৰিকা(মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সেইসকল খেলুৱৈক যিসকলে খেলুৱৈয়ে খুব ভালদৰে খেল প্ৰদৰ্শন কৰাৰ পাছত বা আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ত মেডেল লাভ কৰাৰ পাছত, তেওঁলোকক আমাৰ চৰকাৰে বিভিন্ন পদবীত মকৰল কৰাৰ ব্যৱস্থা কৰিছে। হিমা দাস ডাঙৰীয়ানী, লভলিনা বৰগোঁহাই ডাঙৰীয়ানী শেহতীয়াকৈ নয়নমণি শইকীয়া ডাঙৰীয়ানীক আমি অসম পুলিচৰ উপ আৰক্ষী পদত নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিছো আৰু সঞ্জয় বড়ো আৰু যমুনা বড়ো ডাঙৰীয়ানীক আমি Excise Department ৰ Inspector হিচাপে নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিছো। অধ্যক্ষ ডাঙৰীয়া, Sports Policy 2008 ৰ মতে আমি এই কামটো কৰি আছো। কিন্তু অধ্যক্ষ ডাঙৰীয়া, promotion ৰ কামটো ক্ৰীড়া বিভাগে নকৰে। যিহেতু তেওঁলোকক এটা বিভাগত মকৰল কৰা হ'ল, গতিকে সেই বিভাগৰ যিটো Service Rule, তাৰ মাধ্যমেৰে তেওঁলোকৰ promotion ৰ ব্যৱস্থা নিশ্চয়কৈ কৰা হ'ব।

**শ্ৰী পৃথিৰাজ ৰাভা(তেজপুৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ক মই এটা অনুৰোধ কৰিব খুজিছো। আমাৰ যিটো সংহত ক্ৰীড়া নীতি ২০১৮ তাৰ ম্যাদ ইতিমধ্যে উকলি গৈছে আৰু নতুন ক্ৰীড়া নীতি প্ৰস্তুত হৈ আছে। নতুন ক্ৰীড়া নীতিত হিমা দাস, লভলিনা বৰগোহাঁই, সঞ্জয় বড়ো, যমুনা বড়ো , নয়নমণি শইকীয়া প্ৰমুখ্যে কেইবাগৰাকীয়েও চাকৰি পাইছে। কিন্তু নিজৰ শিক্ষাগত অৰ্হতাৰ দ্বাৰা চাকৰি পাইছে। কিন্তু যিসকল খেলুৱৈয়ে শিক্ষাগত অৰ্হতাৰ দ্বাৰা চাকৰি পাইছে তেওঁলোকৰ পদোন্নতিৰ ব্যৱস্থাটো যাতে চৰকাৰে এই নতুন ক্ৰীড়া নীতিত অন্তৰ্ভুক্ত কৰে। বা পদোন্নতি নহ'লেও তেওঁলোকক এটা incentive দিয়াৰ ব্যৱস্থা ৰাখিলে ভাল হয়।

**শ্ৰী পীযুষ হাজৰিকা(মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি particularly Medal পোৱাৰ পিছত বা champion হোৱাৰ পাছত চাকৰি দিয়াৰ কথাটো কৈছো। কিন্তু তেখেতে কৈছেযে যিসকলে নিজৰ শিক্ষাগত অৰ্হতাৰ দ্বাৰা চাকৰি পাইছে, কিন্তু তেওঁলোকে খেলতো পাৰদৰ্শিতা দেখুৱাইছে, তেওঁলোকৰ বাবে incentive ৰ ব্যৱস্থাৰ যিটো পৰামৰ্শ আগবঢ়াইছে, সেইটো বেয়া নহয়। কিন্তু মই এটা কথা ক'ব বিচাৰিছো, মই যিহেতু Parliamentary Affairs Minister হে হয় আৰু এতিয়া মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ হৈ উত্তৰ দিছো। কিছুদিন আগতে মই এখন সভাত un officially উপস্থিত আছিলো। মুখ্যমন্ত্ৰী মহোদয়ে Sports Department ৰ বিষয়া কৰ্মচাৰী সকলক লৈ এখন সভা অনুষ্ঠিত কৰিছিল। মই তাত তেখেতক নিৰ্দেশ দিয়া শুনিছিলো যে আমাৰ সংহত ক্ৰীড়া নীতি ২০১৮ ৰ ম্যাদ ইতিমধ্যে উকলি গৈছে আৰু নতুনকৈ তেখেতে এখন ক্ৰীড়া নীতি অনাৰ ব্যৱস্থা কৰিছে। তেখেতে বিষয়াসকলক নিৰ্দেশ দিছিলে যে হাৰিয়ানা আৰু উৰিষ্যাৰ নিচিনা একেধৰণৰ বা পাৰিলে তাতকৈও ভাল ক্ৰীড়া নীতি আনিব লাগে। আমাৰ বিভাগে এই নীতিখন বনাই আছে। মই আপোনাৰ পৰামৰ্শ বিভাগীয় বিষয়া সকলক জনাম আৰু কৰিবলৈ চেষ্টা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী দুৰ্গা দাস বড়ো।

**শ্ৰী দূৰ্গা দাস বড়ো(কলাইগাঁও)ঃ** মাননীয় অধ্যক্ষ মহোদয়, Parliamentary Affairs Minister ৰে হিমা দাস, লভলিনা বৰগোহাঁই, সঞ্জয় বড়ো, যমুনা বড়ো , নয়নমণি শইকীয়া প্ৰমুখ্যে কেইবাগৰাকীৰো নিযুক্তিৰ কথা কৈছে, সেইটো হয়। চৰকাৰে কেইবাগৰাকীকো নিযুক্তি দিছে আৰু এইটো এটা milestone হৈছে। তাৰবাবে আমি ৰাজ্য চৰকাৰ, ক্ৰীড়া বিভাগ আৰু মুখ্যমন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জ্ঞাপন কৰিছো। মোৰ প্ৰশ্নটো হ'ল -এই একেখন সদনত মুখ্যমন্ত্ৰী ডাঙৰীয়াই এটা ঘোষণা কৰিছিলে যে National Games, Commonwealth Games, World Championship বা Olympic ত যিসকলে মেডেল লাভ কৰিব তেখেতসকলক চাকৰি প্ৰদান কৰা হ'ব আৰু সেইমতে বিভাগে ৰেকৰ্ড বিলাক বিভিন্ন Association ৰ পৰা বিচাৰিছিল। Association ৰ head সকলে এই তথ্য পঠিয়াইছিল। সেইটো বৰ্তমান কি পৰ্য্যায়ত আছে? যদি তেওঁলোকৰ এটা শতাংশকো এইবাৰ চাকৰি দিব পৰা যায়, ভাল হ'ব। শেহতীয়াকৈ গুজৰাট National Games ত পদক প্ৰাপ্ত খেলুৱৈসকল বাকী আছে, বাকীসকলেতো পাইছে।

**শ্ৰী পীযুষ হাজৰিকা(মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিমানখিনি মই জানো, চাকৰি দিয়াৰ ক্ষেত্ৰত বা আমি যি ৫০ লাখ টকা খেলুৱৈ সকলক দিওঁ তাৰবাবে তেওঁলোক International Level ৰ খেলুৱৈ হ'ব লাগে বা Asian Games,Commonwealth Games বা Olympic ত পদক প্ৰাপ্ত হ'ব লাগে। National Games ৰ ক্ষেত্ৰত মই যোৱা দুবছৰত দেখিছো যে এতিয়া লৈকে যিমান সংখ্যকে National Games ত পদক পাইছে, মই যোৱা গুজৰাট National Games ৰ কথা কোৱা নাই, কিন্তু ১৯৯০ -৯১ ৰ পৰা দেখিছো যে সকলোকে Sports Pension দিয়াৰ ব্যৱস্থা কৰা হৈছে। এতিয়া মাননীয় সদস্য গৰাকীয়ে যি পৰামৰ্শ আগবঢ়াইছে সেইটো আমি ক্ৰীড়া বিভাগক নিশ্চয়কৈ জনাম।

**মাননীয় অধ্যক্ষ ঃ** Question No-202, শ্ৰী ফনীধৰ তালুকদাৰ, তেখেত অনুপস্থিত। এতিয়া প্ৰশ্ন নং- ২০৩, শ্ৰী ৰূপজ্যোতি কুৰ্মী ।

**শ্ৰী পীযুষ হাজৰিকা(মন্ত্ৰী) ঃ** উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী(মৰিয়নী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই উত্তৰ পাইছো। মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাইছো আমাৰ মৰিয়নী ক্ৰীড়া ক্ষেত্ৰত বিশেষভাৱে বিভিন্ন ক্ষেত্ৰত পাৰদৰ্শিতা দেখুৱাবলৈ সক্ষম হৈছে। গতিকে অসম পুলিচ আৰু অসম পুলিচ বেটেলিয়নত প্ৰায় ২২ জনমান খেলৰ ল'ৰাই ইতিমধ্যে নিযুক্তি লাভ কৰিছে। এই সাফল্য দেখি মই আৰু উৎসাহিত হৈছো আৰু বিধায়ক হিচাপে আহ্বান জনাম যে ভৱিষ্যতৰ দিনত আমাৰ মৰিয়নীত যি ক্ৰীড়া বিশ্ববিদ্যালয় নিৰ্মীয়মান অৱস্থাত আছে, তাৰে এটা কেম্পাচ ফুটবলে হওঁক বা আৰ্চাৰীয়ে হওঁক তেনেকুৱা এটা কেম্পাচ দিয়াৰ ব্যৱস্থা চৰকাৰে কৰিব নেকি?

**শ্ৰী পীযুষ হাজৰিকা(মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য গৰাকীয়ে যিটো প্ৰস্তাৱ আগবঢ়াইছে সেইটো আমি নিশ্চয়কৈ বিবেচনা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী কমলাক্ষ দে পুৰকায়স্থ।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ(উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে আমাৰ চৰকাৰে গুণোৎসৱ পাতিছে, স্বাস্থ্য উৎসৱ পাতিছে। লগতে আমি বিভিন্ন ৰাজ্যৰ খেলৰ বাজেটখিনি চালো। বেলেগ ৰাজ্যত যেনেকুৱা খেলৰ বাজেট আছে আমাৰ ৰাজ্যত তেনেকুৱা নাই। সেইকাৰণে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাম যে স্বাস্থ্য উৎসৱো হওঁক লগতে প্ৰতিখন গাওঁ ত আমাৰ যিবিলাক জিপি আছে তাত এটা খেল উৎসৱ পাতিব লাগে । খেলটো হৈছে আমাৰ জাতিৰ পৰিচয় । আমাৰ ভিতৰুৱা অঞ্চলৰ যিবিলাক প্লেয়াৰ তেওঁলোকক উলিয়াই অনাৰ বাবে খেল উৎসৱ পাতি তেওঁলোকক আগবঢ়াই লৈ যাব লাগিব। এইটো লৈ কোনো পলিটিক্স নাই । মই কিবা ক'লেতো আপোনালোকে পলিটিক্স থকা বুলিয়েই ভাবি লয় । মই কোনো পলিটিকেল লাইনত কোৱা নাই । গতিকে মই এইটো মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাইছো ।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া ।

**শ্ৰীপীযুষ হাজৰিকা( মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি) ঃ** সন্মানীয় অধ্যক্ষ ডাঙৰীয়া, সন্মানীয় সদস্য কমলাক্ষ দে পুৰকায়স্থ ডাঙৰীয়াই বহু দিনৰ পিচত এটা ভাল পৰামৰ্শ আগবঢ়াইছে । অধ্যক্ষ ডাঙৰীয়া দুটা বাজেটত এইখন চৰকাৰে প্ৰায় এক হাজাৰ কোটি টকা স্পৰ্টছ ইনফ্ৰাচষ্ট্ৰাকচাৰৰ বাবে দিছে । আমাৰ জিলা সদৰত পঞ্চাশ কোটি টকাৰ একোটাকৈ ষ্টেডিয়াম আৰু তাৰ বাহিৰতConslituency ৰুৰেলত বাৰ কোটি টকাৰ এটাকৈ ষ্টেডিয়াম দিবলৈ লোৱা হৈছে এইটো নিশ্চয়কৈ উল্লেখযোগ্য ঘটনা । আগতে কেতিয়াও এটা বছৰ বা দুটা বছৰত এক হাজাৰ কোটি টকা স্পৰ্টছ ইনফ্ৰাচষ্ট্ৰাকচাৰৰ বাবে দিয়া নাছিল । অধ্যক্ষ ডাঙৰীয়া যোৱা চৰকাৰত আমি নিয়ম কৰিছিলো তাতে আমি কৈছিলো যে ইন্টাৰনেশ্যনেল ইভেন্টত যদি কোনোৱাই মেডেল পায় আমি পঞ্চাশ লাখ টকা দিম । লগতে আমি **ACS- APS** চাকৰি তেওঁলোকক দিয়াৰ ব্যৱস্থা কৰিম । এতিয়ালৈকে তিনি গৰাকীয়ে পাইছে । তিনিগৰাকীক **APS** চাকৰি চাকৰি দিয়া হৈছে । দুগৰাকীক আমি এক্সচাইজ ইন্সপেক্টৰ দিছো । আমি কিয় দিছো অধ্যক্ষ ডাঙৰীয়া যাতে ল'ৰা - ছোৱালীখিনি উৎসাহিত হৈ খেলিব বিচাৰে । যোৱাবাৰ আমাৰ অসমত প্ৰথমবাৰ **IPL** ৰ খেল হৈছে , অহা পৰহিও **IPL** ৰ খেল হ'ব। অধ্যক্ষ ডাঙৰীয়া আমি আশা ৰাখিছো এইবাৰ ৱৰ্ল্ড কাপ ক্ৰিকেট যেতিয়া ভাৰতত হ'ব তেতিয়া অসমেও এখন খেল পাব লাগিব। অসমৰ পৰিবেশ ভাল হৈছে । আমি আৰু উন্নত কৰিবলৈ চেষ্টা কৰিম । অধ্যক্ষ মহোদয়, খেল মহোৎসৱৰ বাবে আমি ত্ৰিশ কোটি টকা বাজেটত ইতিমধ্যে দিছো আৰু প্ৰতিখন গাওঁতে খেল অনুষ্ঠিত কৰা হ'ব ।

মাননীয় অধ্যক্ষ ঃ চাপ্লিমেন্টৰী ।

**শ্ৰীৰূপজ্যোতি কুৰ্মী (মৰিয়নী ) ঃ** অধ্যক্ষ মহোদয়, আমাৰ যিটো ক্ৰীড়া নীতি আছে তাত আঠটা খেল অন্তৰ্ভুক্ত হৈ আছে যেনে এথেলেটিকচ, বক্সিং, বেডমিনটন, আচাৰ্যী, ফুটবল, টাইকোৱাণ্ডো, টেবুল টেনিছ আৰু ৱেইটলিফটিং। অধ্যক্ষ মহোদয় মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰীৰ পৰা জানিব বিচাৰিছো যে, এই আঠটা ইভেন্টৰ লগত আৰু খেল সন্নিবিষ্ট কৰাৰ ব্যৱস্থা কৰিব নেকি ? মই কেৰাটেৰ লগত জড়িত , এই কেৰাটে খেলটো অন্তৰ্ভুক্ত কৰাৰ বাবে বিবেচনা কৰিব নেকি ?

**শ্ৰীপীযুষ হাজৰিকা, (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, একচুৱেলী অলিম্পিক গেইমত কি কি খেল অৰ্ন্তভূক্ত হ'ব এইটো আমি সিদ্ধান্ত নলওঁ , এইটো অলিম্পিক এচোচিয়েশ্যনে লয় । এইটো তেওঁলোকে ডিচাইড কৰে কিন্তু এটা কথা ঠিক যে, কাৰাটে খেলটো আমাৰ শৰীৰৰ গঠনৰ কাৰণে ভাল আৰু আত্মৰক্ষাৰ কাৰণে জৰুৰী। তেখেতৰ যিটো পৰামৰ্শ আমি গ্ৰহণ কৰিবলৈ চেষ্টা কৰিম ।

**মাননীয় অধ্যক্ষ ঃ** কোৱেশ্চন নং-২০৪ খলিল উদ্দিন মজুমদাৰ ।

**শ্ৰীপীযুষ হাজৰিকা, (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি) ঃ** অধ্যক্ষ ডাঙৰীয়া উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে ।

**শ্ৰীখলিল উদ্দিন মজুমদার, (কাটিগড়া)ঃ-** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ের কাছে অনুরোধ যে আমাদের বরাক ভ্যালিতে বদরপুরঘাট রেলগেটে যেভাবে ট্ৰাফিক জ্যাম হয় সেই জায়গাটি বিশেষ করে আমাদের কাছাড় জেলা, হাইলাকান্দি এবং করিমগঞ্জের মিডিল পয়েন্ট। সেই জায়গায় মানুষ যাওয়া আসার যে সমস্যা হয় তা রই মধ্যে এম্বুল্যান্স, স্কুলের ছাত্ৰ-ছাত্ৰী এবং অফিস আদালত সব ধরনের সমস্যা থাকে। মাননীয় মুখ্যমন্ত্ৰীর কাছে এটাই দাবি যে মানুষ যদি শিলচর থেকে করিমগঞ্জ যেতে হয় এই ট্ৰাফিক জ্যামের মধ্যে ২-৩ ঘন্টা থাকতে হয়। প্ৰত্যেক ঘন্টায় ঘন্টায় ট্ৰাফিক জ্যাম হয়। গুয়াহাটি থেকে করিমগঞ্জ যেতে এই জ্যামে কখন রাত্ৰিও থাকতে

হয়, এই পরিস্থিতি থাকে ।

**শ্রীবিজয় মালাকার, (রাতাবাড়ী)ঃ-** মাননীয় অধ্যক্ষ মহোদয় এটি খুব গুরুত্বপূর্ণ বিষয়।পুরো বরাক ভ্যালির সমস্যা এটি।

**শ্রীখলিল উদ্দিন মজুমদার(কাটিগড়া)ঃ-**মাননীয় অধ্যক্ষ মহোদয় বরাকের এই সমস্যার জন্য আপনারা ব্যবস্থা করে দিন।

**শ্রীপীযুষ হাজৰিকা, (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, সকলোৰে সমৰ্থন থাকিলে আমিও ভাল উত্তৰ দিম । অধ্যক্ষ ডাঙৰীয়া বদৰপুৰ ঘাট ৰেল ক্ৰছিঙৰ যিটো ৰাস্তা সেইটো আচলতে

**NHDCL** ৰ ।এইটো **PWD** যে নাচায় কিন্তু এটা ভাল খৱৰ আছে **NHDCL** য়ে এই মুহূৰ্ত্তত **FLY OVER** ৰ পৰিকল্পনা কৰা নাই কিন্তু সেই ঠাইৰ পৰা ভিৰখিনি আঁতৰাই অলপ দূৰত বাই পাচৰ কাৰণে ইতিমধ্যে ব্যৱস্থা কৰিছে। বাইপাচটো **already grant** হৈ গ'ল। লগতে **Land requisition** কাম প্ৰায় শেষ হোৱাৰ পথত। গতিকে যেতিয়া বাই পাচ হৈ যাব তাত আৰু ভিৰ নাথাকে ।

মাননীয় অধ্যক্ষ ঃ প্ৰশ্ন নং- ২০৫ ।

**শ্রীখলিল উদ্দিন মজুমদার(রাতাবাড়ী)ঃ-** ছাৰ বাইপাছ হৈতে ক'ত টাইম লাগবে?

**শ্রীপীযুষ হাজৰিকা(মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি) ঃ** অধ্যক্ষ মহোদয়, বাইপাচটো হ'বলৈ মিনিমাম আঢ়ৈ বছৰ লাগিব।

মাননীয় অধ্যক্ষ ঃ প্ৰশ্ন নং- ২০৫ আব্দুচ চোৱাহান আলি চৰকাৰ।

**শ্রীপীযুষ হাজৰিকা, (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি) ঃ** অধ্যক্ষ ডাঙৰীয়া উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে ।

**শ্রীআব্দুচ চোৱাহান আলি চৰকাৰ, ( গোলকগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই সদনত ২০৫ নম্বৰ যিটো প্ৰশ্ন ৰাখিছো তাৰে (গ)ৰ উত্তৰটো বিভাগে দিয়া নাই । তাত আৰু সময় বিচৰা হৈছে । মোৰ চাপ্লিমেন্টৰী কোৱেশ্বনটো হ'ল যে, ইয়াত সময় বিচৰাৰ বাবে এনেকুৱা একো কথা নাছিল । আচলতে এইটো প্ৰশ্নৰ উত্তৰ আজি দিয়া হেতেঁন বিধান সভাত জোলোঙাৰ মেকুৰী ওলাই পৰিলহেঁতেন । সোনাহাট আৰ্ন্তজাতিক বাণিজ্য কেন্দ্ৰৰ জৰিয়তে অসমৰ শিৱসাগৰ, মাৰ্ঘেৰিটা , দুধনৈ, যোগীঘোপা আৰু বেলতলাৰ পৰা কয়লা গৈ আছে কিন্তু ইয়াৰ চালানটো দেখুৱা হৈছে ঝাৰখণ্ডৰ । আৰু ঝাৰখণ্ডৰ পৰা ইয়ালৈ কোনো এখন গাড়ী ঘুৰি নাহে ইয়াৰ ফলত অসম চৰকাৰে কোটি কোটি টকা হেৰুৱাব লগা হৈছে । গতিকে ইয়াৰ এটা **CBI, CID** নহলেও কমপক্ষেও **CM VIGILANCE** জৰিয়তে **enquiry** হ'ব লাগে । আৰু মোৰ দ্বিতীয় প্ৰশ্নটো হৈছে, ইয়াৰ লগত জড়িত থকা ফাৰ্মৰ যিবিলাক মালিক আছে তেওঁলোকে ইয়াৰ পৰা কোটি কোটি টকা **income** কৰি আছে । তেওঁলোকৰ ওপৰতো একশ্যন হ'ব লাগে। কাৰণ তেওলোকে টকাৰ জৰিয়তে ৰাষ্ট্ৰদ্ৰোহীৰ লগত মিলি আছে । ইয়াৰো এটা এনকোৱাৰী হ'ব লাগে । বিশেষকৈ সোনাহাট বাণিজ্য কেন্দ্ৰৰ **custom superintendent** আৰু **Assistant Commissioner** এই দুইজন ব্যক্তিয়ে হয়তো নিজা পৃষ্টপোষকতাৰ জৰিয়তে এটা অবৈধ চিণ্ডিকেট চলাই আছে । গতিকে মই ইয়াৰ এটা সদুত্তৰ মন্ত্ৰী মহোদয়ৰ পৰা পাম বুলি ভাবিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ , এতিয়া **Hon'ble Minister.**

**শ্রীপীযুষ হাজৰিকা, (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আচলতে

এই প্ৰশ্নটো অসম চৰকাৰৰ **Industry Department** ৰ **related** নহয়। তথাপি মই এটা উত্তৰ দিয়াৰ যত্ন কৰিছো । আপুনি নিশ্চয় উত্তৰত পঢ়িছে যে এইটো **Land Custom Department** ৰ **Govt. of India.** দ্বাৰা পৰিচালিত। এই বিষয়ে অসম চৰকাৰে উত্তৰ দিবলৈ কোনো ৰাস্তা নাই । তথাপিতো যিহেতু আপুনি প্ৰশ্নটো আনিছে -আমি তেখেতসকলক ক'লো আৰু তেওঁলোকে উত্তৰ দিছে যে, ২০২১ চনৰ পৰা ২০২৩ চনৰ আজিৰ তাৰিখলৈ মুঠ ৯৫৫৬ খন কয়লা ভৰ্তি ট্ৰাক সেই ৰাস্তাৰে বাংলাদেশলৈ গৈছে । এই বিষয়ে আপোনালোকে যদি বিচাৰে **RTI** মাৰে তেওঁলোকে তথ্য দিব । গতিকে মই আকৌ কৈছো এইটো অসম চৰকাৰৰ বিষয় নহয়।

মাননীয় অধ্যক্ষ ঃ ধন্যবাদ--- এতিয়া নৰুল হুদা ।

**শ্ৰীপীযুষ হাজৰিকা, (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি) ঃ** অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**শ্ৰীনুৰুল হুদা, ( ৰূপহীহাট)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নৰ উত্তৰ চৰকাৰে দিছে। কিন্তু উত্তৰটো সত্যৰ ওপৰত প্ৰতিষ্ঠিত নহয় যেন লাগিছে। মোৰ বিধান সভা সমষ্টিত তেৰটা চিকনী ফেক্টৰী আছে বুলি কৈছে ।সমষ্টিতে প্ৰায় কেইবাহাজাৰ দুখীয়া দৰিদ্ৰ লোকে চিকনী ফেক্টৰীত কাম কৰি জীৱন নিৰ্বাহ কৰি আছে। ফেক্টৰীৰ সংখ্যা বহুত বেছি, কিন্তু ইয়াত মাত্ৰ ১৩ টা দিছে। যিটো এচ জি এচ টি, চি জি এচ টি, আই জি এচ টি ৰ পৰিমান নাই বুলি কৈছে ১২১,৮৯,১৯,৮৫২ টকা, বৃহৎ সংখ্যক ৰাজহ চৰকাৰে ইয়াৰ পৰা পাই আছে। কিন্তু দুখৰ বিষয় হৈছে কি এই যে আমাৰ যিখিনি ক্ষুদ্ৰ ফেক্টৰী আছে সেই সৰু সৰু ফেক্টৰীৰ মালিক বিলাকে তামোল উজনি অসমৰ পৰা আনে, উজনি অসমৰ পৰা সকলে তামোল ৰূপহীলৈ আহে। সেইখিনি আনোতেও মাজত বাটত অসুবিধা আছে। তেওঁলোকে মাজ বাটত পইচা দিব লাগে। গতিকে মাজত যাতে সেই পইচাটো ভৰিব নালাগে আৰু এই চুপাৰি বোৰ বিক্ৰী কৰোতে বাহিৰত যেতিয়া যায় এচ জি এচ টি, চি জি এচ টি, আই জি এচ টি এইখিনি নিয়মমতে দিয়াৰ উপৰিও অনিয়মত কিছু টকা ভৰিব লাগে। অতিৰিক্ত ভাৱে কিছু টকা ভৰিব লাগে। যাৰ কাৰণে ক্ষুদ্ৰ ক্ষুদ্ৰ ফেক্টৰীৰৰ যি মালিক আছে তেওঁলোকে ফেক্টৰীবোৰ বন্ধ কৰি দিছে। এই ফেক্টৰী বোৰ বন্ধ কৰাৰ কাৰণে এই দুখীয়া লোকসকলে যে কাম কৰি জীৱন নিৰ্বাহ কৰিছিল, এইটোত সংকট সৃষ্টি হৈছে, গতিকে এই অসুবিধাটো কেনেকৈ দূৰ হ'ব তাৰ কাৰণে মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছোঁ।

**মাননীয় অধ্যক্ষ ঃ** হ'ব। মাননীয় মন্ত্ৰী ।

**শ্ৰীপিযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** অধ্যক্ষ ডাঙৰীয়া, তেখেতে এটা গুৰুত্বপূৰ্ণ কথা কৈছে, যে তেখেতৰ সমষ্টিত ১৩ টা নাই বেছি আছে। তেতিয়াহ'লে বহুত মানুহে উদ্যোগ বিভাগক register নকৰাকৈ factory চলাই আছে। যাৰ কাৰণে চৰকাৰৰ ৰাজহ লোকচান হৈ আছে। গতিকে মই Industry Department ক আহ্বান জনাম তেখেতসকলক ক'ম, মন্ত্ৰী ডাঙৰীয়া সন্মানীয় মহামহীম ৰাষ্ট্ৰপতি ডাঙৰীয়ানীৰ কাৰ্য্যসূচীত ব্যস্ত থকাৰ কাৰণে থাকিব পৰা নাই। মই মন্ত্ৰী ডাঙৰীয়াক ক'ম যাতে অলপ strict হয়, particularly in Rupohi area যাতে আৰু মানুহে restriction কৰে আৰু Governmentয়ে GST IGST পায়।

**শ্ৰীনুৰুল হুদা, (ৰূপহীহাট) ঃ** অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটোৰ উত্তৰটো পোৱা নাই। মাজত যে অতিৰিক্ত পইচা ভৰিব লাগে আৰু উজনি অসমৰ পৰা গাড়ীবোৰ আহোতে যে মাজত ক'ৰবাত ক'ৰবাত পইচা দিব লাগে এইখিনি অসুবিধা নাইকিয়া কেতিয়া হ'ব?

**माननीय অধ্যক্ষ ঃ** माननीय मন্ত্রী ।

**শ্ৰীপিয়ুষ হাজৰিকা, (মন্ত্ৰী) ঃ** অধ্যক্ষ ডাঙৰীয়া, তেনেকুৱা আমাৰ লগত তথ্য নাই, যদি তেনে কিবা থাকে আমি আপোনাৰ পৰামৰ্শটো গ্ৰহণ কৰিম।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। এতিয়া প্ৰশ্ন নং ২০৭। শ্ৰীভাস্কৰ জ্যোতি বৰুৱা। মাননীয় মন্ত্ৰী ।

**শ্ৰীপিয়ুষ হাজৰিকা, (মন্ত্ৰী) ঃ** অধ্যক্ষ ডাঙৰীয়া, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰীভাস্কৰ জ্যোতি বৰুৱা, (তিতাবৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰশ্নৰ উত্তৰটো পাইছো। কিন্তু ইয়াত মোৰ আৰু প্ৰশ্ন আছে যে আমি সকলোৱে জানো যে আমাৰ যিবিলাক খেলুৱৈ আজি ওলাই আহিছে বেছিভাগে আমাৰ গ্ৰাম্য অঞ্চলৰ পৰা ওলাই আহিছে। মই আজি বহু বছৰ ধৰি এজন ক্ৰীড়া সমৰ্থক হিচাপে বিগত ৩০-৩৫ বছৰ তিতাবৰত লাগি আছো, কিন্তু এটা কথা মই সদায় উপলব্ধি কৰো আৰু নিজে দেখিছোঁ যেতিয়া track and field ত আমাৰ ল'ৰা-ছোৱালীবোৰে দৌৰিব যায় competition পাতো, তেতিয়া প্ৰায়বিলাকে ভৰিত দুখ পাই আৰু আমাক অভিযোগ কৰে যে field বোৰ বেয়া। এতিয়া মোৰ কথাটো হৈছে যে ৫০০ কোটি টকা দিছে এইটো আমি welcome কৰিছোঁ। ১০০০ কোটিৰ কথা কৈছে welcome কৰিছোঁ, কিন্তু মই এইটো বিচাৰো যে আমি ইয়াত আজি নিৰ্বাচিত হৈ আহিলো আমি যিবোৰ পইচা খৰচ কৰো মানে it should have a logical in আমি গছজোপা লগাইছো তাত ফলটো লাগিব লাগে। কিন্তু আমি যদি ধৰক পইচটো দি থাকো এইটো continuously আমি পইচা দিয়ে থাকিব লাগিব কিন্তু এখন আমি stadium নেদেখো। এতিয়া যদি আমি ডিফুলৈ যাঁও আমাৰ তুলিৰাম ৰংহাং ডাঙৰীয়াক মই ধন্যবাদ দিম এনেকুৱা এখন সুন্দৰ field বনাই থৈছে তাত দেখিলেই ভাল লাগে ডিফু চহৰখন। ঠিক তেনেকুৱা ধৰণৰ হ'ব লাগে, কাৰণ কিয় ১০০০ কোটি টকা দিছে ১২৬০ কোটি টকা দি দিয়ক। ১০ কোটিকৈ এখন stadiumত দিয়ক আৰু এই ষ্টেডিয়াম বিলাক ভাল agency ৰ দ্বাৰা বনাওক। PWD Building Department য়ে বনাই আছে বনাওক আৰু অকল বনালে নহ'ব ইয়াৰ লগতে প্ৰত্যেক বছৰে তাৰ কাৰণে maintenance ৰ কাৰণে এটা পইচা, লগতে এটা monitoring agency লাগে, যাতে চিৰদিন সেইটো চলি থাকে field খন ভাল হয়। গতিকে মন্ত্ৰী মহোদয়ক মোৰ এইটোৱে প্ৰশ্ন যে আপোনালোকে আমাৰ ল'ৰা-ছোৱালীখিনি গঢ়িবৰ কাৰণে track and fieldৰ কাৰণে প্ৰত্যেকটো সমষ্টিত একোখনকৈ ফিল্ড একেবাৰে শেষ হৈ যোৱাকৈ বনাই দিব নেকি?

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ।

**শ্ৰীপিয়ুষ হাজৰিকা, (মন্ত্ৰী) ঃ** অধ্যক্ষ ডাঙৰীয়া, মাননীয় সদস্য ভাস্কৰ জ্যোতি বৰুৱা ডাঙৰীয়াই এটা ভাল পৰামৰ্শ আগবঢ়াইছে, ময়ো উপলব্ধি কৰো মই খেলৰ লগত জড়িত, Olympic Associationৰ লগত জড়িত, tennis ৰ লগত জড়িত, Wrestlingৰ লগত জড়িত, গতিকে stadium সমূহলৈ যোৱাৰ মোৰ বহুত experience আছে। আমি দেখা পাঁও বহুত সময়ত আমাৰ ষ্টেডিয়াম সমূহ লেতেৰা হৈ থাকে, maintenance ৰ অভাৱ, মই অস্বীকাৰ নকৰো, সচাঁ কথা, তেখেতে ভাল উদাহৰণ দিছে। এইটো এটা ভাল তেখেতে পৰামৰ্শ দিছে আমি maintenance কৰাৰ কাৰণে নিশ্চয়কৈ ব্যৱস্থা ল'ব লাগে। অধ্যক্ষ ডাঙৰীয়া, আমি আমাৰ মুখ্যমন্ত্ৰী সমগ্ৰ গাঁও উন্নয়ন যোজনাৰ জৰিয়তে সমগ্ৰ ৰাজ্যত ৫০০ খন খেল পথাৰৰ বাবে ২০ লাখকৈ টকা দিছিলো। আমাৰ যোৱা চৰকাৰৰ দিনত, মোৰ সমষ্টিতো দুখন আছিল, দুয়োখনৰে কাম ভালদৰে সম্পূৰ্ণ হৈছে। তেখেতৰ সমষ্টিটো দুখনৰ কাম হৈছে। তেখেতেৰ দুখনৰ নাম মই কৈ দিও এখন গড়াজান ক্ৰীড়া

সন্থাৰ খেল পথাৰ আৰু এখন পদ্মৰাম শৰ্মা হায়াৰ চেকেণ্ডাৰী স্কুলৰ খেল পথাৰ। গড়াজান খনৰ কাম সম্পূৰ্ণ হোৱা বুলি আমাক report ত দিছে আৰু পদ্মৰাম শৰ্মা খন চলি থকা বুলি আমাক reportত কোৱা হৈছে। গতিকে আমি ৫০০ খনত ইতিমধ্যে দিছো। আৰু আকৌ কৈছো এইবাৰ কোনো দিনে নোহোৱা ৫০ খন stadium আমি বনাইছো। এইবাৰ ষ্টেডিয়াম সমূহ আৰু ভাল হ'ব সেইটোত আপুনি নিচিন্ত থাকিব পাৰে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ) ঃ** আমাৰ কাৰণে দিব নেকি?

**শ্ৰীপিয়ুষ হাজৰিকা, (মন্ত্ৰী) ঃ** পুঁজি সাপেক্ষে ভৱিষ্যতে দিম। গতিকে এইবাৰ পি ডব্লিউ ডিৰ ভালকৈ হৈছে, কাৰণ যিখন মোৰ সমষ্টিত হৈছে মই দুই তিনিবাৰ গৈছো ভালদৰে কাম চলি আছে কামত কোনো compromise কৰা নহ'ব আৰু sports infrastructure অসমত ভাল হ'ব।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্ন আৰু আছে supplement.

**শ্ৰীভাস্কৰ জ্যোতি বৰুৱা, (তিতাবৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়ৰ যোগেদি মই দৃষ্টি আকৰ্ষণ কৰিব খুজিছো এতিয়া আমাৰ স্কুল দুখনত দিছে, সেই স্কুল দুখন হৈছে individual school. এতিয়া বেলেগ এখন স্কুলৰ ল'ৰা-ছোৱালীয়ে বেলেগ স্কুললৈ নাযায়। গতিকে আমি ৰাজহুৱা খেলপথাৰ বিলাকত যদি পইচাটো দিওঁ আমি স্কুলত দিয়াৰ কাৰণে মই গম নাপালো, কিন্তু ৰাজহুৱা খেল পথাৰত দিব লাগে যাতে সমূহীয়াকৈ প্ৰত্যেক ল'ৰা-ছোৱালীয়ে তাত খেলিবলৈ যাব পাৰে আৰু এটা কথা কওঁ আমাৰ অধ্যক্ষ মহোদয়ে খুব প্ৰত্যয়হৈ তেখেতে যিটো আমাৰ Speaker's Initiativeত drugs ৰ কথা কৈছিল মই যিহেতু তিতাবৰত এটা যোগাচেন্টাৰ খুলিবলৈ গৈ আছো মই চৰকাৰৰ ফালৰপৰা এইটোৰ কাৰণে বিচাৰিছো যে প্ৰত্যেক সমষ্টিত এটাকৈ যোগাচেন্টাৰ দিয়ক আৰু মই সেইদিনা এটা কৈছিলো demand and supply গতিকে ডিমাণ্ডটো কম হ'বলৈ হলে drugs খোৱা মানুহৰ সংখ্যা কমিব লাগিব। ড্ৰাগছ খোৱা মানুহৰ সংখ্যা কমাবলৈ হ'লে যোগা চেন্টাৰ খোলাৰ প্ৰয়োজনীয়তা আছে। দ্বিতীয়তে মন্ত্ৰী মহোদয়ক মই আন এটা অনুৰোধ কৰিছো যে, আমাৰ ল'ৰা-ছোৱালীৰ ক্ষেত্ৰত যিটো self defense ৰ কথা কৈছে taekwondo ত আপোনালোকে চাব আমাৰ বহুত medal আহিছে। গতিকে মই প্ৰত্যেকটো সমষ্টিত আপোনালোকে taekwondo mat দিবৰ কাৰণে অন্ততঃ ৫ টা ৫ টা club ক taekwondo mat দিব নেকি? মোক এইটো কওক, কাৰণ আপোনালোক সব উদীয়মান যুৱক এতিয়া মন্ত্ৰী হৈ আছে গতিকে আমাৰ ল'ৰা-ছোৱালীখিনিৰ মোৰ ওপৰত বহুত প্ৰেচাৰ আছে মইটো দি থাকো কিন্তু কিমান দিম, সেই কাৰণে আপোনালোকে প্ৰত্যেকটো সমষ্টিত দিয়ক মই সবৰ কাৰণে কৈছো ৫ টা ৫ টা club ক আপোনালোকে taekwondo mat দিয়ক।

**মাননীয় অধ্যক্ষ ঃ** এইটো ভাল কথা। মাননীয় মন্ত্ৰী।

**শ্ৰীপিয়ুষ হাজৰিকা, (মন্ত্ৰী) ঃ** অধ্যক্ষ ডাঙৰীয়া, সন্মানীয় ভাস্কৰ জ্যোতি বৰুৱা ডাঙৰীয়াক মই ধন্যবাদ জ্ঞাপন কৰিছোঁ, প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই Yoga টো কলৈকে লৈ গৈছে তাৰ কাৰণে পৃথিৱীত এতিয়া যোগা প্ৰচলিত হ'ল আৰু popular হ'ল সেইটোৰ কংগ্ৰেছ দলৰ বিধায়ক এজনেও কোৱাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিবলৈ আমাক আহ্বান জনাইছে, মই স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম অতি সোনকালে যাতে অসমত কৰিব পাৰে। অধ্যক্ষ ডাঙৰীয়া, মই জাগীৰোড সমষ্টিৰ দুখন খেল পথাৰৰ কথা কৈছিলো, সেইদুখন আমি public field য়ে দিছিলো। সেই মৰাণ আঞ্চলিক ক্ৰীড়া সন্থাৰ ফিল্ড আৰু এখন জাগীৰোড ভকত গাঁও ক্ৰীড়া সন্থাৰ ফিল্ড।

তেখেতৰ selection ৰ সময়ত কিবা খেলিমেলি, কোনে দিলে নাজানো মই, প্ৰকৃততে প্ৰথমে কোৰা হৈছিল public field দিবলৈ। তেখেতৰ সমষ্টিত কেনেকৈ স্কুল ফিল্ড হ'ল, বাৰু ঠিক আছে ভৱিষ্যতে তেখেতৰ সমষ্টিত আমি এনেকুৱা ৰাজহুৱা খেল পথাৰত আৰু ধনৰ আৱন্টন দিবলৈ চেষ্টা কৰিম আৰু তেখেতে যিটো কৈছে taekwondo mat, সেইটোও যাতে কৰিব পাৰো।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া শ্ৰীজাকিৰ হুছেইন।

**শ্ৰী জাকিৰ হুছেইন লস্কৰ, (হাইলাকান্দি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, যোৱাবাৰ মোৰ উপায়ুক্তৰ তাত এটা চিঠি গৈছিল মই আৰু উপায়ুক্তই মিলি ১২ বিঘা মাটিৰ ব্যৱস্থা কৰিছিলো হাইলাকান্দিত। কিন্তু এতিয়ালৈ পইচাখিনি পোৱা নাই। এইবাৰ যাতে এইটো হয়।

**শ্ৰী পীযুষ হাজৰিকা (সংসদীয় পৰিক্ৰমা মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি গোটেইখিনি পৰ্য্যায়ক্ৰমে কৰাৰ ব্যৱস্থা কৰিম।

**মাননীয় অধ্যক্ষ** ঃ মাননীয় সদস্য শ্ৰী জাকিৰ হুছেইন শিকদাৰ।

**শ্ৰী জাকিৰ হুছেইন শিকদাৰ, (সৰুক্ষেত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ক্ৰীয়া আৰু যুৱ কল্যাণ মন্ত্ৰী ডাঙৰীয়াৰ হৈ সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে উত্তৰ দি আছে। অসমত ইতিমধ্যে ৫০০ খন খেল পথাৰ উন্নয়নৰ কথা তেখেত সকলে কৈছে আৰু কামো হৈছে। কিছুদিন আগতে অধ্যক্ষ মহোদয় আপোনাৰ উদ্যোগত নিচাযুক্ত দ্ৰব্যৰ বাবে আমি ইয়াত কথা পাতিছিলো, নিচামুক্ত সমাজ এখন গঢ়াৰ কথা পাতিছিলো। আমি যদি ছাত্ৰ-ছাত্ৰী সকলক নিচাৰ পৰা আতৰত ৰাখিব লাগে অন্যতম এটা উপায় হৈছে ক্ৰীড়াৰ লগত জড়িত কৰা। কিন্তু অসমত গাওঁ আছে ২৬,০০০ খন। গ্ৰাম্য ক্ৰীড়াক উন্নয়ন কৰিবলৈ হ'লে প্ৰতিটো গাওঁত খেল পথাৰ লাগিব। প্ৰতিখন গাওঁত খেল-পথাৰ নিৰ্মাণ কৰিবৰ বাবে বিভাগে কি ধৰণে পৰিকল্পনা ল'ব। ক্ৰীয়া আৰু যুৱ কল্যাণ মন্ত্ৰী ডাঙৰীয়াই সকলো সন্মানীয় বিধায়ক এখনকৈ পত্ৰ দিছিল এখনকৈ ষ্টেডিয়াম বনোৱাৰ ক্ষেত্ৰত যি ধৰণে মাটি বিচৰা যায়, সেই ধৰণে মাটি পোৱা নাযায়। মাটিৰ পৰিমাণ কম হলেও সৰু ষ্টেডিয়াম হ'লেও বিভাগে বনাব নেকি মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**শ্ৰী পীযুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি আগতকৈ বহু বেছি পৰিমাণে পুঁজি আৱন্টন দিছো। একেদিনাইটো গোটেই কাম কৰা সহজ নহয়। মই কেইদিন মান আগত ক্ৰীড়া বিভাগৰ সভা এখনত উপস্থিত আছিলো তাত আমাৰ মাননীয় মুখ্যমন্ত্ৰীও উপস্থিত আছিল আৰু মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই অতিৰিক্ত মুখ্য সচিবক নিৰ্দেশ দিছিল যে অতি সোনকালে আমাৰ হাৰিয়ানা আৰু উৰিষ্যাৰ নিচিনা আমাৰ অসমতো খেলৰ আন্তঃগাঁথনি নিৰ্মাণ কৰাৰ ব্যৱস্থা কৰিব লাগে।

**মাননীয় অধ্যক্ষ** ঃ প্ৰশ্ন নম্বৰ ২০৮। মাননীয় সদস্য শ্ৰী অখিল গগৈৰ হৈ মাননীয় সদস্য শ্ৰী মনোৰঞ্জন তালুকদাৰ।

**শ্ৰী পীযুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, (সৰভোগ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, ইয়াতে ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আইন বাধ্যবাধকতা নোহোৱা সত্বেও তেওঁলোকে কিছু তদন্তৰ ব্যৱস্থা কৰিছে। পুলিচৰ জিম্মাত যেতিয়া আচামী এজন থাকে, আচামীজনক লৈ পেলাই পুলিচে বিভিন্ন সময়ত তদন্তৰ কাৰণে এইফালে সেইফালে নিবলগীয়া হয়। এই আচামীসকল কেনেকৈ জিম্মাৰ পৰা পলাই যায়, এইটো এটা আচৰিত কথা। তেওঁলোকৰ হাতত হেণ্ডকাপো নাথাকে। যদি দুধৰ্ষ আচামি হয় তেতিয়া

হ'লে হেণ্ডকাপ লগাব পাৰে। এই যে মৃত্যু ২৬ জনৰ হৈছে এই ২৬ জনৰ মৃত্যুটোত এনেধৰণে সন্দেহজনকভাবে আৰক্ষী বিভাগে এইটো অসমৰ ৰাইজক বুজাব পৰা নাই বা চৰকাৰখনে বুজাব পৰা নাই। তেখেত সকলক কেনেধৰণে লৈ যোৱা হৈছিল। মাত্ৰ ১৬ জন পুলিচ কৰ্মচাৰী শাস্তিপ্ৰাপ্ত হৈছে। কিছু তদন্ত চলি আছে। এটা সময়ত আমি গুপ্তহত্যাৰ বিভীষিকাৰ পৰিস্থিতিৰ মুখামুখি হৈছিলো কিন্তু এই পৰিস্থিতিৰ শাম কাটিছে। মুকলিভাবে মুক্ত হত্যা এনেদৰে যদি চলি থাকে আৰু যিমানখিনি মানুহ মৃত্যুমুখত পৰিল এই কাৰ্য্যক্ৰমণিকা প্লান পৰিছে যদিও আমাৰ ৰাজ্যখনৰ ভালৰ কাৰণে এনেধৰণে আইন বহিঃভূৰ্তভাবে পুলিচে কাৰ্য্যগ্ৰহণ কৰিছে। এনে ধৰণৰ কাৰ্য্যকলাপ বন্ধ কৰা হ'ব নেকি?

**শ্ৰী পীযুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা মন্ত্ৰী)**ঃ মাননীয় অধ্যক্ষ মহোদয়, মই কেইবাৰো এই প্ৰশ্নৰ উত্তৰ দিছো মাননীয় মুখ্যমন্ত্ৰী হৈ। কোনো এজন ব্যক্তি ভুৱা এনকাউন্টাৰত নিহত হোৱা নাই। বাৰে বাৰে আমি কিয় অসম পুলিচৰ মানুহক সমলোচনা কৰো। সেই অসম পুলিচৰ এজন PSO আমি চৰকাৰে উঠাই দিওঁ আমি কিন্তু সকলোৰে বেয়া পাওঁ সেই শাসক বা বিৰোধী পক্ষই হওঁক। পুলিচে মৃত্যুৰ মুখৰ পৰা বাচিবলৈ কোনোৱা বেয়া মানুহক যদি মাৰিবলগীয়া হৈছে, তেতিয়া হ'লেটো পুলিচে মাৰিবই লাগিব। অসম পুলিচৰ manual ত লিখা আছে যে নিজৰ জীৱন বচাবলৈ তেখেত সকলে মাৰিব পাৰে, এনেই মাৰিব নোৱাৰে। কোনো নিৰীহ মানুহক পুলিচে মৰা নাই যোৱা সময়ছোৱাত। এইখন বিধান সভাতে আমি আলোচনা কৰো যে, ড্ৰাগছ বন্ধ হ'ব লাগে, যদি ড্ৰাগছ বেপাৰীক আমাৰ নিজৰ জীৱন বচাবলৈ গৈ পুলিচে মাৰিবলগীয়া হৈছে সেই পুলিচক আনি আমি কাঠগৰাত থিয় কৰোৱাইছো। এই গোটেই ঘটনাটোৰ বিষয়ে মহম্মদ ইয়াছিন জুৱাদ্দাৰ নামৰ এজন আবেদন কাৰীয়ে মাহামান্য গুৱাহাটী উচ্চ ন্যায়ালয়ত Case No. PIL/86/2021 ৰ মতে ১৭১ টা পুলিচ Action ৰ লগত জড়িত কেচৰ ক্ষেত্ৰত ভুৱা এনকাউন্টাৰ বুলি দাবী কৰি PIL দাখিল কৰিছে। আদালতে যোৱা ২৭-০১-২০২৩ ৰ আদেশ মৰ্মে এই PIL খন নাকচ কৰে। আপোনালোকে কেতিয়াবা কয় অসমত ডকাইতৰ ঘটনা বাঢ়িছে, অসমত অপহৰণৰ ঘটনা বাঢ়িছে, অসমত নাৰী নিৰ্যাতনৰ ঘটনা বাঢ়িছে। এই যে ২৬ জন মানুহৰ মৃত্যু ঘটিছে পুলিচে বাচিবলৈ গুলিয়াবলগীয়া হৈছে। এই ২৬ জনৰ যদি ইতিহাস চায় তেতিয়া হ'লে কনোৱা নহয় কনোৱা দুধৰ্ষ অপৰাধী। এইখন বিধান সভাত দুৰ্ধৰ্ষ অপৰাধীৰ বিৰুদ্ধে মাত মাতো নে সমৰ্থনত মাতো সেইটো এটা চিন্তনীয় বিষয়।

**মাননীয় অধ্যক্ষ**ঃ সন্মানীয় বিৰোধী দলৰ দলপতি।

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি)**ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো, উত্তৰতো দিয়াৰ বাবে, কিন্তু মহোদয় এটা কথাত চৰকাৰে আৰু লক্ষ্য দিলে ভাল পাম আৰু এনেকুৱা ঘটনা ন'হবৰ বাবে। যদি আৰক্ষীক আৰু ভাল ট্ৰেনিং দিব পাৰে, কাৰণ দেখা যায় ৫,৬ জন মানুহে লৈ যায়, তেওঁলোকক হেণ্ডকাফত লৈ যায়। কেতিয়াবা place of occurrence লৈ নি থাকোতে হয় বেছি ভাগ ক্ষেত্ৰত। সেই কাৰণে এনেকুৱা ঘটনা যাতে নহয় তাৰ বাবে পুলিচক যাতে আৰু উচ্চ প্ৰশিক্ষণ দিয়ে সেইটো ভাল হ'ব। বিগত ২, ৪ টা ঘটনা সন্দেহ এই কাৰণে হয় মহোদয়, কৰিমগঞ্জ জিলাত খুব সম্ভৱ এজন চাইকেল দোকানিয়ে এটা চুৰি মোবাইল কিনিছিল। সেই চুৰি মোবাইলটো তেওঁ ক'ৰ পৰা কিনিছিল সেইটো দেখুৱাবলৈ নিওঁতে এজনক আৰক্ষীৰ encounter ত killed in action হ'ল। যিটোৰ ওপৰত এতিয়া human right য়ে চিন্তা কৰি আছে। ঠিক তেনেকৈ যোৱা কেইদিনমান আগত কেনাৰাম বসুমতাৰী আৰু

ডিম্বেশ্বৰ মুছাহাৰীৰ যিটো ঘটনা হ'ল তাত পৰিয়ালৰ লোকে ক্লেইম কৰিলে কাৰণে বডিটো দি দিয়া হ'ল। তাৰ পাছত DNA test ৰ ক্ষেত্ৰত বহুত খেলিমেলি হ'ল। প্ৰকৃততে এনেকুৱা ঘটনা হ'লে লগে লগে Sub Devisional বা District Magistrate ৰ পৰা মানুহ যায়। Magistrate য়ে চাইচিতি চিন্নাক্তকৰণ কৰাটো তেওঁলোকৰ দায়িত্ব তাৰ পিছতহে পৰিয়ালক চমজাই দিব লাগে। এই গতিকে এনেকুৱা ধৰণৰ গাফিলতি বিলাকৰ প্ৰতিও চকু দিব লাগে। নিশ্চিতভাবে এই বিলাকৰ ফলত এনেকুৱা কথা বিলাক আহিছে। নিশ্চিত ভাবে কেতিয়াবা দুৰ্ধৰ্ষ অপৰাধী হলে তেওঁ যদি আক্ৰমণ কৰিবলৈ উদ্যত হয় তেতিয়া হলে, পুলিচৰ IPC 46 ত একশ্যন ল'ব পাৰে। কিন্তু সকলো ক্ষেত্ৰত, সাধাৰণ ক্ষেত্ৰত হোৱা বুলি ওলাইছে যি বিলাক, সেই বিলাক যাতে নহয় তাৰ বাবে অনুৰোধ কৰিছো।

**মাননীয় অধ্যক্ষ** ঃ মাননীয় মন্ত্ৰী।

**শ্ৰীপীযুষ হাজৰিকা, (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ ডাঙৰীয়া, বিৰোধী দলৰ দলপতিয়ে আমাক গুৰুত্বপুৰ্ণ পৰামৰ্শ আগবঢ়াইছে, সেইখিনি গ্ৰহণ কৰাৰ ব্যৱস্থা কৰিম। পুলিচক ট্ৰেইনিং দিব লাগে, পুলিচক আৰু peoples friendly হ'ব লাগে বুলি নিশ্চয়কৈ তেওঁলোকক আমি কওঁ আৰু ভৱিষ্যতেওঁ কম অধ্যক্ষ ডাঙৰীয়া এইটো নহয় যে পুলিচৰ ওপৰত একো ব্যৱস্থা হোৱা নাই। ক'ৰবাত ক'ৰবাত lecuna থাকিব পাৰে ১ টা ২ টা কেচত। তাৰ কাৰণে অধ্যক্ষ ডাঙৰীয়া ১৬ জন পুলিচৰ ওপৰত ব্যৱস্থাও গ্ৰহণ কৰা হৈছে। একেবাৰে cleansheet পুলিচকো দিয়া নাই। ১৬ জন পুলিচৰ ওপৰত ব্যৱস্থা গ্ৰহণ কৰা হৈছে। কিন্তু একেবাৰে পুলিচ দোষী, বাকী সকল নিৰ্দোষী সেইটো কথা কলে অলপ কষ্ট হয়। যিকি নহওঁক এখেতে এটা ভাল পৰামৰ্শ দিছে। পুলিচক আমি আৰু অলপ উন্নত প্ৰশিক্ষণ দিব পাৰো নেকি। আৰু এটা কথা তেখেতে যিটো কলে, মই পৰহি ইয়াৰ উত্তৰ দিছো কেনাৰাম বসুমতাৰীৰ ঘটনাটো, identification ৰ সময়ত ইছু হৈছে। তেখেতৰ পৰিয়ালে কৈ দিলে, ঠিক আছে এইটোও হয় যে তেখেতৰ পৰিয়ালে কৈ দিলে বুলিয়েই দি দিব নালাগে। অধ্যক্ষ ডাঙৰীয়া যি গৰাকী ব্যক্তি ঢুকাল, তেওঁ এগৰাকী দুৰ্ধৰ্ষ অপৰাধী বুলি আমাৰ পুলিচৰ যিখন record, সেই record ত আছে। স্থানীয় ৰাইজেও সেইটোয়েই কয়। গতিকে এইটো নহয় যে একেবাৰে নিৰিহ ব্যক্তি এজনক সেই ব্যক্তিজনেও আহি পুলিচক আক্ৰমণ কৰিছিল। এখন নাম্বাৰ প্লেট নথকা বাইকত দুজন আহি পুলিচক গুলিয়াইছে। গতিকে সেই গৰাকী ব্যক্তিও অপৰাধীয়েই হয়। গতিকে অধ্যক্ষ ডাঙৰীয়া এনেকুৱা নহয় যে নিৰপৰাধী মানুহক পুলিচে মাৰি আছে পুলিচে ১০০ শতাংশই শুদ্ধ হয়, এইটোও নহয়। যাৰ কাৰণে আমি ১৬ জন পুলিচৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিছো।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ এতিয়া প্ৰশ্ন নং ২০৯ শ্ৰী মতী শিৰামণি বৰা।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী)** ঃ অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**শ্ৰী মতী শিৰামণি বৰা, (বটদ্ৰবা)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই যি প্ৰশ্ন কৰিছিলো তাৰ উত্তৰ পাইছো। তাৰ উত্তৰত দিছে যে মই untied fund ৰ ওপৰত প্ৰশ্ন কৰিছিলো। untied fund ৰ মোৰ উত্তৰত কৈছে যে সমষ্টি ভিত্তিত দিয়া নহয় বুলি কৈছে। কিন্তু মোৰ প্ৰশ্নটো এইটো যে আমাৰ চৰকাৰৰ বিভিন্ন বিভাগে ঢুকি নোপোৱা আঁচনি সমূহ untied fund ৰ যোগেদি কৰা হয়। এতিয়া কথাটো হ'ল যোৱাবাৰ ২০২১-২২ চনত যি untied fund দিছিল, আমাৰ বিৰোধী সকলক ১০ লাখ টকাকৈ untied fund ৰ কাৰণে দিয়া হৈছিল। তাৰ পৰা মোৰ বটদ্ৰৱা সমষ্টিত মই জনাত untied fund আৰু দিছে, কিন্তু মই গম নাপাওঁ। সেই কাৰণে কৈছো যে untied fund যিহেতু সমষ্টি ভিত্তিক দিয়া নহয়, আঁচনি ভিত্তিত দিয়া হয়। আঁচনিখিনিকে আমাক জানিবলৈ

দিব লাগে। যিহেতু আমাৰ সমষ্টি untied fund মই নজনাকৈ হৈ আছে। কাৰণ ৰাইজে আমাক সোধে গতিকে অস্বস্তিত পৰো, আমি জনাটো উচিত। সেই কাৰণে মই কৈছো যে untied fund টো কোনে ৰিক'মেণ্ডেশ্যন কৰে বা আমাৰ বিধায়ক সকলৰ ৰিক'মেণ্ডেশ্যনৰ প্ৰয়োজন নাই নেকি?

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, আচলতে ৰিক'মেণ্ডেশ্যনৰ প্ৰয়োজন নাই যদি লিগেলি চাওঁ। ন্যায়পালিকা, কাৰ্য্যপালিকা আৰু আইন প্ৰণেতা। আমি আইন প্ৰণেতা অধ্যক্ষ ডাঙৰীয়া, আমি ল' মেকাৰ, আমি কাৰ্য্যপালিকা নহয়। যিটো ৰুল মতে মই কৈছো, সংবিধান মতে কৈছো। আমি এম এল এ সকল বা সাংসদ সকল আমি কাৰ্য্যপালিকা নহয়। কাৰ্য্যপালিকা কোনে কৰিব, আমাৰ অফিচাৰে কৰিব। এম এল এ সকল আচলতে ৰিক'মেণ্ডেশ্যনৰ প্ৰয়োজন নহয় বুলি মই জানো, তাৰ পাছত আমি ৰিক'মেণ্ডেশ্যন লওঁ। আপুনিয়েই কলে যে আমি যোৱাবাৰ ১০ লাখ টকা আপোনাৰ পৰা লৈছো। এইবাৰো চাগে ১০ লাখ টকা আপোনাৰ পৰা নতুন স্কীম লৈছো। অধ্যক্ষ ডাঙৰীয়া, মুখ্যমন্ত্ৰী ডাঙৰীয়া বৰদোৱালৈ গৈ তাত যদি কোনো এটা স্কীমৰ কথা মানুহে কয়, মুখ্যমন্ত্ৰী ডাঙৰীয়াক যদি বৰদোৱাত সোধে বা বৰদোৱাৰ কোনোবা এটা ঠাইত কপাহাৰাতে হওঁক বা দলংঘাটতেই কওঁক, মুখ্যমন্ত্ৰী ডাঙৰীয়া যদি যায়, আৰু কেতিয়াবা যদি মুখ্যমন্ত্ৰী ডাঙৰীয়াক আহি কোনোবা সত্ৰৰ মানুহে অনুৰোধ কৰে, তেতিয়াটো অধ্যক্ষ ডাঙৰীয়া ক'ৰবাত নহয় ক'ৰবাত দিবই লাগিব। কুজিকটা সত্ৰত গৈছে নেকি ৫ লাখ টকা? সত্ৰৰ মানুহখিনি আহি মুখ্যমন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিছে। তাত দিয়াৰ কিবা অপৰাধ হ'ব পাৰে নেকি? গতিকে মই আকৌ কৈছো যে বিধায়ক সকলৰ পৰা লওঁ, বিধায়ক সকলৰ পৰা চৰকাৰে লয়। যদিও কাৰ্য্যপালিকা আৰু আইনপ্ৰণেতা বেলেগ বস্তু, ন্যায়পালিকা বেলেগ বেলেগ বস্তু, তথাপিটো বিধায়ক সকলকে মানুহে সোধে। সেইটো মই অস্বীকাৰ নকৰো। কাৰণ মই নিজেও বিধায়ক উন্নয়নৰ কাৰণে মানুহে মোকে কয়। সকলোকে কয়, গতিকে চৰকাৰে বা মন্ত্ৰী সকলে বিধায়ক সকলৰ পৰা বিভিন্ন স্কীম লয়। কিন্তু এইটো নিয়ম নহয়, মই যিমানখিনি জানো। তথাপিটো কৈছো যে তেখেতৰ পৰাও লোৱা হয় আৰু মুখ্যমন্ত্ৰী ডাঙৰীয়া যেতিয়া ক'ৰবাত যায় গলে যদি কোনোবা মানুহে অনুৰোধ কৰে, জৰুৰী হয় তাত দিয়াত, কোনো অপৰাধ থাকিব নোৱাৰে বুলি মই অনুভৱ কৰো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া দ্বিতীয় চাপ্লিমেন্টৰী।

**শ্ৰী মতী শিৱামণি বৰা, (বটদ্ৰবা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, হয়, মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে মুখ্যমন্ত্ৰী মহোদয় গলে untied fund ৰ আঁচনি দিয়ে হয় আমিও জানো সেইটো যে বিভিন্ন ঠাইত দিব লাগে, আৰু দিয়াটো উচিতো। আৰু যিখিনি দিছে, মই জানো যে অত্যন্ত গুৰুত্বপুৰ্ণ ঠাইত তেখেতে দিছে। কিন্তু আমি বিধায়ক সকলে জনাটো কোনো অপৰাধ হ'ব নোৱাৰে। সেইটোৰ কাৰণে কৈছো আৰু দ্বিতীয়তে আমি এনেকুৱা আঁচনিবোৰ untied fund ত ধৰো, যিখিনি চৰকাৰৰ বিভিন্ন আঁচনিয়ে ঢুকি নাপায়। সেইখিনিকে আমি লওঁ, মই উদাহৰণ স্বৰূপে কৈছো, মোৰ সমষ্টিত untied fund বহুতকেইটা চৰকাৰ পাৰ হৈ গ'ল কিন্তু সেই untied fund ইতিমধ্যে ১ কোটি টকা খৰচো হৈ গ'ল আৰু এতিয়া ৪০ লাখ দৰকাৰ হৈছে সেই কামটো সম্পুৰ্ণ কৰিবৰ কাৰণে। মই ইতিমধ্যে মুখ্যমন্ত্ৰী মহোদয়ক তাৰ কাৰণে দিয়াও আছে, যে যিটো আমাৰ গান্ধী মণ্ডপ অডিটৰিয়াম বুলি কয়, নিজ হাটিচোংত আছে। সেইটো বহুত গুৰুত্বপুৰ্ণ। তাত ইতিমধ্যে ১ কোটি টকা খৰচ হৈছিল, কিন্তু এতিয়ালৈকে সেইটো সম্পুৰ্ণ হোৱা নাই। সেই কা ৰণে সুযোগ পাই মই কৈছো যে সেইটো চাই দিব লাগে। দ্বিতীয়তে মাননীয় মুখ্যমন্ত্ৰী মহোদয় গৈছিল যিটো বটদ্ৰৱাৰ শ্ৰী শ্ৰী

শংকৰদেৱ গৱেষণা প্ৰতিষ্ঠান যিটো আছে, তাৰ যিটো বাউণ্ডেৰী ৱাল, তেতিয়া তেখেতে সেইটো চাইয়ো আহিছিল, কৰি দিম বুলি প্ৰতিশ্ৰুতি দি ময়ো আছিলো আৰু সেইটোত প্ৰায় ২০, ২৫ লাখ টকাৰ বাউণ্ডেৰী ৱালটো লাগিব। সেইটোও এই আঁচনিতে ধৰি দিলে সুবিধা হ'ব।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ, মন্ত্ৰী মহোদয়।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, মাননীয় সদস্যা শিৰামণি বৰা ডাঙৰীয়ানীয়ে আৰু যি যি নতুন ফাণ্ডৰ কথা কৈছে মই মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিম তেখেতে যাতে দিয়াৰ ব্যৱস্থা কৰে।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া প্ৰশ্ন নং ২০১, শ্ৰী কমলাক্ষ দেই পুৰকায়স্থ ।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী কমলাক্ষ দেই পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী ডাঙৰীয়া মন্ত্ৰী হয়, তেখেত প্ৰথমতে বিধায়ক হয়। এইটো পাহৰি গ'লে ন'হব, এক নং কথা। ২নং কথা হ'ল যে, মোৰ প্ৰশ্নৰ উত্তৰটো যিটো পালো, প্ৰথমতে ৯৫ লাখ ৰিলিজ কৰা হৈছে, পিছতহে ৫ লাখ ৰিলিজ কৰা হৈছে। উত্তৰটো মই পাই গলো। মই জানিব বিচাৰিছো যে টকাৰ কিবা নাটনি হৈছে নেকি? এইটো ৫ লাখ পিছলৈ যোৱাৰ কাৰণ টো কি? এইটো হ'ল প্ৰথম কথা। ২য় কথা যোৱা কালি আমাৰ মাননীয় বিধায়ক জাকিৰ হুছেইন ডাঙৰীয়াই এটা প্ৰস্তাৱ আনিছিল, আপুনি কৈছিল যে পিছতহে এইটো চিন্তা চৰ্চা কৰিব লাগিব। কিন্তু কথাটো হৈছে যে আমি law বনাইছিলো যে অসমত SUHRID Scheme ত ৫০ লাখ দিয়া হ'ব, আমাৰ Untied Fund ত ৫০ লাখ দিয়া হ'ব। এইখন বিধান সভাতে আমি Law বনাইছিলো। বাজেটত আপোনালোকে দিলে এইটো ভাল কথা। আমি ভাল পাইছিলো। গোটেই ভাৰতবৰ্ষৰ সৰু সৰু ৰাজ্যই MLA fund ৪ কোটি, ৫ কোটি দিছে। আমি অসমত দিব পৰা নাই এইটো ১ নম্বৰ কথা। দ্বিতীয় কথাটো হৈছে, এই যে আমি Law বনাইছিলো, আপোনালোকে যে উইদ্ৰ কৰি দিলে তেতিয়াহ'লে কিছুমান ক্ষেত্ৰত আমি Law maker হিচাপে আমি গৰ্ববোধ কৰো। কিন্তু উইদ্ৰ কৰি যে ক'লে SUHRID fund দিয়া নহ'ব, Untied Fund দিয়া নহ'ব। আপুনিটো আমাক সোধা নাই। এইটো চলি আছে যে ১০ লাখ আপুনি দিয়ক, ৫০ লাখ আপোনালোকে দিব। এইটোৰে চলি আছে। আইন প্ৰত্যেকৰ কাৰণে সমান। মাননীয় মন্ত্ৰী শ্ৰী পীযুষ হাজৰিকা ডাঙৰীয়াৰ কাৰণে এটা Law হ'ব, মোৰ কাৰণে বেলেগ এটা আইন, এনেকৈ যদি আপুনি ভাৱে সেইটো দুখৰ কথা হ'ব। যদি Law maker হয়, তেনেহ'লে আইন প্ৰত্যেকৰ কাৰণে সমান হ'ব লাগিব। আপুনি কওঁকচোন এই SUHRID fund বা Untied Fund কিয় উইদ্ৰ কৰা হ'ল? আপোনালোকৰ টকাৰ নাটনি হৈছিল নেকি?

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৬ মাহ মই আচলতে opposition ত বহিছিলো। গতিকে মোৰ ইমান opposition experience নাই। আমাৰ ইয়াত opposition ত থকা মানুহ বহুত আছে। তেওঁলোকে বেলেগ বেলেগ কৈ কয়। ২০০১ ৰ পৰা ২০১৬ লৈকে বহুত opposition ত থকা বিধায়ক ইয়াত আছে। তেখেতসকলৰ অভিজ্ঞতা বেলেগ বেলেগ। মোৰ অভিজ্ঞতা অলপ কম। মোৰ অভিজ্ঞতাখিনি কিন্তু অলপ বেয়া অভিজ্ঞতা। সেইদিনা মই unofficially কৈছিলো। মই বিতৰ্কলৈ নাযাঁও। বিতৰ্কলৈ নোযোৱাকৈ ক'ব পাৰো যদি কৈ দিওঁ। ৬ মাহ থাকোতে মোক disqualify কৰা হ'ল। BJP ত join কৰাৰ বাবে আমি dis-

qualification ত গ'লো। মাননীয় অধ্যক্ষ মহোদয়, কি এনেকুৱা ডাঙৰ ঘটনা হৈছিল যে এক সপ্তাহত আমাৰ বিধায়ক আবাসত থকা আবাস গৃহ কেইটা এৰি দিবলৈ নিৰ্দ্দেশ দিয়া হ'ল। Was it not a discrimination? Discrimination আছিল নেকি ? মাননীয় অধ্যক্ষ মহোদয়, কি এনেকুৱা হ'ল যে মোৰ ঘৰৰ পৰা চিকিউৰিটি কেইজনক উইদ্ৰ কৰি দিয়া হ'ল। গতিকে মাননীয় অধ্যক্ষ মহোদয়, কিছুমান কথা opposition ত থাকিলে কোৱা যায়। মই opposition ত থাকোতে এইখিনি মোৰ বেদনা, আপুনি opposition থকাৰ কাৰণে আপোনাৰ এইখিনি বেদনা হৈছে। তাৰ মাজেৰে বহুত কৰিবলৈ চেষ্টা কৰিছো। ইয়াত opposition ৰ এনেকুৱা বিধায়কো আছে তেওঁলোকে কয় যে আমি ৫০ লাখ টকাও পোৱা নাছিলো। আপুনি এতিয়া ৫০ কোটি টকা ৰাস্তাৰ কাৰণে পাইছে। আপুনি এইটো অস্বীকাৰ কৰিব নোৱাৰে। আপোনাৰ সমষ্টিত মই জলসম্পদ বিভাগৰ গাৰ্ড ওৱাল বনাই আছো। Opposition ত থকাৰ সময়ত মাননীয় শ্ৰী পৰিমল শুক্লবৈদ্য ডাঙৰীয়াৰ সমষ্টিত ১৯৯১ চনত এইটো হৈছিল জানো। গতিকে বিৰোধীত থাকিলে অভিজ্ঞতা থাকিব, কিন্তু আগতকৈ এই বেয়া অভিজ্ঞতাবোৰ আমি যিমান পাৰো কমাবলৈ চেষ্টা কৰিছো। মাননীয় অধ্যক্ষ মহোদয়, পইচাৰ কোনো নাটনি হোৱা নাই। SUHRID fund ৰ কিছু সমস্যা হৈছিল। কিছুমান বিধায়কে, মই কাৰো নাম নকওঁ opposition ৰ কথাও কোৱা নাই মই মই শাসকৰো কথা কোৱা নাই। এনেকুৱা কিছুমান অভিযোগ আহিল যে কিছু বিধায়কে কি কৰে ২০ হাজাৰ টকা ফৰ্ম খন লিখি দিয়ে ১০ হাজাৰ টকা লয় বুলি অভিযোগ আছে। মই কাৰো নাম কাঢ়ি কোৱা নাই। সেই অভিযোগত A.G য়ে ধৰিব। তাৰ কাৰণে SUHRID Suhrid বন্ধ কৰিবলৈ বাধ্য হৈছো আৰু Untied Fund ৰ এইবাৰ ১০ লাখ টকা আপোনালোকে সকলোৱে পাইছে। ভৱিষ্যতে আৰু দিবলৈ চেষ্টা কৰিম। মাননীয় অধ্যক্ষ মহোদয়, বহুত বেছি MLA Fund ৰ কথা কৈ থাকিলে মানুহে ভালদৰে বুজি নাপায়। MLA Fund ৰ পইচাটো 100% development ৰ পইচা। কিন্তু মানুহে ভাৱে MLA Fund টো MLA ৰ কিবা হয়। দৰমহা বঢ়ালে যেনেকৈ মানুহে বেয়া পায়, MLA Fund ৰ কথা বেছিকৈ আলোচনা কৰি থাকিলে মানুহে বেয়া পায়। তথাপিতো মাননীয় অধ্যক্ষ মহোদয়, ভৱিষ্যতে MLA Fund বঢ়াবলৈ যত্ন কৰা হ'ব।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি execution নকৰো। আমি signatory authority নহয়। Authority আপোনালোক হয়। আপোনোলোকৰ চৰকাৰ হয়। আপোনালোকৰ চৰকাৰৰ অধিকাৰ আছে। মই ভাবো আজিৰ আৰু আগৰ কোনো পৰিবৰ্তন হোৱা নাই। আপোনালোকে পৰিবৰ্তনৰ শ্লোগান লৈ আহিছে। আপোনালোক এই SUHRID ৰ কথা যিবিলাক ক'লে এই বিলাকৰ execution আমি নকৰো, আমাৰ বিধায়ক সকলে তাত signature নিদিয়ে। মাননীয় অধ্যক্ষ মহোদয়, আমি proposal দিওঁ।

**শ্ৰী পীযুষ হাজৰিকা(মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, SUHRID Form খন বিধায়কে ৰিক'মেণ্ড কৰিলেহে পায়। আপুনি ইমান সোনকালে কথা পাহৰে। বিধায়কে ৰিক'মেণ্ড কৰোতেই গণ্ডগোল কৰে। এইটো অভিযোগ আছে। আমি এই অভিযোগটো অস্বীকাৰ কিয় কৰো। মইটো কাৰো নাম কোৱা নাই। মই opposition ৰ বিধায়কে কৰা বুলি কোৱা নাই। সকলোৱে কৰা বুলি অভিযোগ আছে বুলি কৈছো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় বিধায়ক শ্ৰী আবুল কালাম ৰছিদ আলম।

**শ্ৰী আবুল কালাম ৰছিদ আলম, (গোৱালপাৰা পূব) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ অনুৰোধ

থাকিব যে আমাৰ বিধায়ক পুঁজিটো বিত্তীয় বৰ্ষৰ আৰম্ভণীতে দিয়ে, একেবাৰে শেষত যাতে নিদিয়ে। ইয়াৰ উপৰিও SUHRID Scheme ৰ ফাণ্ডটো আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই interest ৰ যিখিনি টকা আছিল সেইখিনি আমাক খৰচ কৰিবলৈ দিছিল। কিন্তু উপায়ুক্তৰ কাৰ্য্যালয়ৰ পৰা যিখিন টকা আছে সেইখিনি আকৌ বন্ধ কৰি দিয়া হৈছে নেকি? যদি বন্ধ কৰি দিয়া হৈছে, তেতিয়াহ'লে সেইখিনি মুকলি কৰি দিয়াৰ ব্যৱস্থা কৰিব লাগে।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ তাত interest fund নাই কাৰণে মই নাজানো। কিয় ইমান দীঘলীয়া হ'ল, কিয় interest লাগিব লগীয়া হ'ল মই নাজানো। আমি এতিয়ালৈ সেইবোৰ শেষ কৰি দিছিলো। আপুনি যিটো কথা কৈছে, সেইখিনি মই বিভাগৰ লগত আলোচনা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্ন নং ২১১। মাননীয় সদস্য শ্ৰী আমিনুল ইছলাম(জ্যেষ্ঠ) ডাঙৰীয়া।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী আমিনুল ইছলাম, (জ্যেষ্ঠ, ধিং)ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত পাইছো কাৰণে মই মোৰ পৰিপূৰক প্ৰশ্নটো কৰিব বিচাৰিছো। মোৰ খ নং প্ৰশ্নৰ উত্তৰ দিছে যে ৪১৪ গৰাকী প্ৰাৰ্থীৰ যি সকলে ইণ্টাৰভিউ দি UB, AB পদৰ কাৰণে বাচনি হৈছিল, তেওঁলোকে যি কম্পিউটাৰ চাৰ্টিফিকেট জমা দিছিল তাৰ বিৰুদ্ধে সেইবোৰ ভুৱা চাৰ্টিফিকেট বুলি ৪১৪ গৰাকী প্ৰাৰ্থীৰ এফেয়াৰ দিয়াৰ বাবে তেওঁলোকে পদত যোগদান কৰিব নোৱাৰিলে। পিছত দেখা গ'ল যে এই ৪১৪ গৰাকী নহয়, ৩৮৬ গৰাকীহে। এতিয়া তেওঁলোকৰ মাজত বহুত আছে যিসকলে ভুৱা কম্পিউটাৰৰ প্ৰমাণপত্ৰ দিয়া নাই আৰু CID য়ে তদন্ত কৰি কি পালে তাৰ ৰিপোৰ্টটো এতিয়ালৈকে দিয়া নাই। যদি তেওঁলোকে কম্পিউটাৰৰ ভুৱা প্ৰমাণ পত্ৰ দিয়া নাই, তেতিয়াহ'লে তেওঁলোকক তদন্তৰ ৰিপোৰ্টমতে চাকৰিত যোগদান কৰিব দিব লাগিছিল। কিন্তু তেওঁলোক এতিয়ালৈকে চাকৰিত যোগদান কৰিব পৰা নাই। সেয়েহে এই বিষয়টো pending হৈ আছে আৰু চাকৰিত যোগদান কৰা সময়ো পাৰ হৈ গ'ল। গতিকে এই বিষয়টোৰ ওপৰত মই চৰকাৰৰ পৰা জানিব বিচাৰিছো যে যিসকলৰ তদন্তৰ ৰিপোৰ্টত নাম আহিল আৰু যিসকলে কম্পিউটাৰৰ ভুৱা প্ৰমাণ পত্ৰ দিয়া নাই তেওঁলোকক সোনকালে চাকৰিত যোগদান কৰিব দিব নেকি, নহ'লে তেওঁলোকে চিলেকশ্যন পাইও চাকৰিত যোগদান কৰাৰ পৰা বঞ্চিত হৈ পৰিব।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়টোৰ ওপৰত তদন্ত প্ৰক্ৰিয়া শেষ হোৱা নাই আৰু তদন্তটো চলি আছে। এই গোটেই বিষয়টো মহামান্য মুখ্য ন্যায়াধীশ দণ্ডাধীশৰ আদালত কামৰূপত চলি আছে। যিহেতু এই বিষয়টো sub-judice হৈ আছে গতিকে তাৎক্ষণিকভাৱে এই বিষয়টোৰ ওপৰত কোৱাটো সম্ভৱপৰ নহয়।

**শ্ৰী আমিনুল ইছলাম, (জ্যেষ্ঠ, ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ ঘ নং প্ৰশ্নৰ উত্তৰত মই সুধিছিলো যে চলিত বছৰত ধিং থানাৰ এলেকাৰ কোন কোন স্থানত মহ যুঁজৰ নামত জুৱাৰ মেলা অনুষ্ঠিত হৈছিল? ইয়াত দিছে যে ধিং থানাৰ এলেকাৰ কোনো স্থানত মহ যুঁজ বা অন্য কোনো জুৱাৰ মেলা অনুষ্ঠিত হোৱা নাই। কিন্তু বিগত মাহটোত একেলগে ৭-৮ টা স্থানত এই জুৱাৰ মেলা চলি আছিল। এইবোৰৰ ভিডিঅ' ৰেকৰ্ডিং ও মোৰ লগত আছে। তাৰ জনসাধাৰণে ভিডিঅ' কৰি মোলৈ পঠাইছে। থানাৰ অ'চি ক ফোন কৰিলে কয় যে ইয়াত এইবোৰ চলি থকা নাই। মই শুনামতে থানাৰ অ' চিয়ে ২-৩ লাখ টকা লৈ informally কৈ এই কামবোৰ চলিব দিয়ে আৰু ইয়াৰ এটাৰো পাৰমিশ্যন নাই। কিন্তু মোৰ প্ৰশ্নৰ উত্তৰত ভুল বুলি তথ্য দিছে। গতিকে মই চৰকাৰক

দাবী জনাম যে তাত এই বিষয়টোৰ ওপৰত তদন্ত কৰি যাতে অ' চি আৰু এচ পি ৰ ওপৰত প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰে। একেলগে ৭-৮ টা স্থানত এখেত সকলে জুৱাৰ আড্ডা চলিব দিয়ে, কিন্তু সদনত দিব যে এটাও চলি থকা নাই। এনেধৰণৰ কথাবোৰ যদি চলি থাকে, তেতিয়াহ'লে অসমখনত দুর্নীতি বন্ধ নহ'ব।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়টোৰ ওপৰত case register নোহোৱাৰ কাৰণে তেওঁলোকৰ হাতত তথ্য নাই। কিন্তু যদি case register কৰে তেতিয়াহ'লে আমি নিশ্চয় প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিম। মোৰ সমষ্টিত এইবোৰ আগতে চলিছিল আৰু এইবোৰ মই কঠোৰ হাতেৰে বন্ধ কৰিছো। আমাৰ তাত ৰাস উৎসৱ আদিত জুৱা চলে। সেইবোৰ মই সম্পূৰ্ণ বন্ধ কৰিছো। আপুনি কেচ দিয়াৰ ব্যৱস্থা কৰক। যেতিয়া জুৱা চলি থাকে তেতিয়া পুলিচে ক'ৰবাত ক'ৰবাত গণ্ডগোল কৰে। কিন্তু সকলোৰে নকৰে, সেইটো মই অস্বীকাৰ নকৰো। case register নোহোৱাৰ কাৰণে তথ্যবোৰ পোৱা নাযায়। আপুনি কেচ দিয়াৰ ব্যৱস্থা কৰিব আৰু কেচ হ'লে আপুনি মাননীয় মুখ্যমন্ত্ৰীক জনাব আৰু Parlimentary Affairs Minister হিচাপে মোকো জনাব। তেনেকুৱা যদি specific কিবা থাকে মোক জনাব, আমি নিশ্চয়কৈ ব্যৱস্থা গ্ৰহণ কৰিম।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নকালীন শিতানৰ সময় শেষ হ'ল। এতিয়া Zero hour. মাননীয় সদস্য শ্ৰী ৰমেন্দ্ৰ নাৰয়ণ কলিতা।

**শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী, (যোৰহাট)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এটা point of order আছিল। আজি মোৰ মৌখিক প্ৰশ্নটো ২১৩ ত আছিল, সময়ৰ অভাৱত উত্থাপন কৰিব নোৱাৰিলো। সেইটো লৈ কোনো কথা নাই। কিন্তু প্ৰশ্নটোৰ লিখিত উত্তৰত কৈছে যে অসম চৰকাৰ হাতত Lalit Kala Academy, ১৯৫৯ চনত ৰাজ্য চৰকাৰৰ পৃষ্ঠ পোষকতাত প্ৰতিষ্ঠা হোৱাৰ কোনো তথ্য পোৱা নাই।

তথ্যটো যিহেতু মোৰ হাতত আছে, মই সদনত মোৰ হাতত থকা চৰকাৰী তথ্য পাঠ কৰি দিব বিচাৰো। ১৯৫৯ চনৰ ১৩ মাৰ্চত অসমত ললিত কলা একাডেমী প্ৰতিষ্ঠা কৰাৰ বাবে চৰকাৰে লোৱা প্ৰস্তাৱ " Where as it is considered expediency to establish an organisation in the State to foster and co-ordinate activities in the sphere of visual and plastic Art, it is hereby resolved as follows :-

An Akademi of Art. to be called "The Assam Lalit Kala Academi" shall be constituted."

মোৰ হাতত এই পুৰণা তথ্য আছিল আৰু সেই সময়ৰ শিক্ষামন্ত্ৰী প্ৰয়াত দেৱেশ্বৰ শৰ্মা ডাঙৰীয়াই Lalit Kala Academy ৰ সভাপতি আছিল। মই আপোনাক এইটো দি দিম যাতে ভৱিষ্যতলৈ প্ৰশ্নটোৰ এটা শুদ্ধ উত্তৰ পাওঁ।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ । এতিয়া সন্মানীয় সদস্য শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা। (Zero Hour)

(মাননীয় উপাধ্যক্ষ মহোদয়ে সদন পৰিচালনা কৰে)

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা , (পশ্চিম গুৱাহাটী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই গণস্তম্ভ, প্ৰতিদিন, আমাৰ অসম বা নিয়মীয়া বাৰ্তা আদিত প্ৰকাশিত এটি বিষয় আপোনাৰ জৰিয়তে মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছোঁ।

বিষয়টো হৈছে, "এপিডিচিএলৰ ঠিকা কৰি বিপদত ঠিকাদাৰ" "সৌভাগ্যই হৈ গ'ল দুৰ্ভাগ্য"।

মাননীয় উপাধ্যক্ষ মহোদয়, ভাৰতবৰ্ষৰ মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই দৰিদ্ৰ সীমা ৰেখাৰ তলত থকা যিসকল পৰিয়াল, সেই পৰিয়ালসকলৰ বাবে বিভিন্ন জনকল্যাণমুলক আঁচনি গ্ৰহণ কৰিছিল। সেই অনুসৰি দেশৰ প্ৰত্যেকটো পৰিয়ালে যাতে বিনামুলীয়াকৈ বিদ্যুৎ সংযোগ প্ৰদান কৰিব পাৰে, তাৰ বাবে এটা সুন্দৰ সৌভাগ্য আঁচনি ২০১৭ চনত গ্ৰহণ কৰিছিল। সেই আঁচনি অনুযায়ী প্ৰথমতে বিহাৰ, উত্তৰ প্ৰদেশ, উৰিষ্যা, ৰাজস্থান, ঝাৰখণ্ড আৰু উত্তৰ পূৰ্বৰ ৰাজ্যসমূহৰ বাবেও ৰূপায়ণ কৰাৰ ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰিছিল। আমাৰ অসমত কেন্দ্ৰীয় চৰকাৰে সৌভাগ্য আৰু প্ৰধানমন্ত্ৰী গ্ৰাম্য বৈদ্যুতিক আঁচনি গ্ৰহণ কৰিছিল। সেই আঁচনিৰ বাবে অসম চৰকাৰৰ সংস্থা APDCL ক দায়িত্ব অৰ্পণ কৰা হৈছিল। আৰু ভাৰত চৰকাৰৰ REC Ltd. তে সেই আঁচনি ৰূপায়ণৰ ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰিছিল। আৰু APDCL এটা আঁচনি আমাৰ REC Ltd. লৈ প্ৰেৰণ কৰিছিল। REC Ltd. ৰ কৰ্তৃপক্ষ আৰু নিৰীক্ষণ সমিতিয়ে ২০২১ চনৰ ১৩ জুলাই তাৰিখে এই আঁচনিটো অনুমোদন কৰিছিল। এই আঁচনিটো ২০২১ চনৰ জুলাই মাহত অনুমোদন কৰি আমাৰ চৰকাৰলৈ প্ৰেৰণ কৰিছিল। এই আঁচনিৰ বাবদ ১১১৮.১৮ কোটি টকা কেন্দ্ৰীয় চৰকাৰে অনুমোদন কৰিছিল। ইয়াৰ উদ্দেশ্য আছিল যে অসমৰ প্ৰতিটো পৰিয়ালে যাতে বিনামূলীয়াকৈ বিদ্যুৎ সংযোগৰ ব্যৱস্থাটো পাব পাৰে। তাৰ পৰিপ্ৰেক্ষিতত APDCL য়ে নিবিদা আহ্বান কৰিছিল। নিবিদা অনুযায়ী অসমৰ বিভিন্ন ঠিকাদাৰে নিবিদা দিছিল। নিবিদা দিয়াৰ পিছত work order দিয়া হ'ল। কিন্তু ২০২১ চনৰ পৰা যিসকল ঠিকাদাৰে কাম পাইছিল, তেওঁলোকে loan ত টকা লৈ, ধাৰত লৈ তেওঁলোকক ২০২১ চনৰ নৱেম্বৰ মাহত এই ঠিকাৰ আৰন্ট দিয়া হৈছিল আৰু ডিচেম্বৰ মাহত সম্পূৰ্ণ কৰাৰ কাৰণে নিৰ্দেশ দিয়া হৈছিল। তেওঁলোকে ডিচেম্বৰত সম্পূৰ্ণ কৰি গোটেই হিচাপ পত্ৰ APDCL ক জমা দিছিল। কিন্তু এতিয়ালৈকে এই টকাখিনি ঠিকাদাৰ সকলে পোৱা নাই। মই জানিব পৰা মতে, ৩১ জুলাই তাৰিখে কেন্দ্ৰীয় চৰকাৰে ৫১৪ কোটি টকা ৰাজ্য চৰকাৰলৈ পঠিয়াছিল। কিন্তু কি কাৰণে এই ৫১৪ কোটি টকা আকৌ কেন্দ্ৰীয় চৰকাৰলৈ উভতি গ'ল। এই সত্য হয় নে নহয় মই নাজানো। মই এটা বিশিষ্ট সুত্ৰে জানিব পাৰিছো। গতিকে মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী ডাঙৰীয়ানীক ক'ব বিচাৰিছো যে ঠিকাদাৰ সকলৰ এই টকাতো অতি সোনকালে দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিবনে আৰু লগতে ৫১৪ কোটি টকা কি কাৰণত কেন্দ্ৰীয় চৰকাৰলৈ উভতি যাব লগা হ'ল, এই কথাখিনি মই মাননীয়া মন্ত্ৰী ডাঙৰীয়ানীৰ পৰা জানিব বিচাৰিছোঁ।

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ। মাননীয়া মন্ত্ৰী ডাঙৰীয়ানী।

**শ্ৰী নন্দিতা গৰ্লোছা, (শক্তি বিভাগৰ মন্ত্ৰী)** ঃ Hon'ble Deputy Speaker Sir, the amount that has been sanctioned by the government in 31st of March but due to traffic congestion of the bank and all it could not reach here because of revalidation, once it's revalidated it will be done. But at the same time the contractors who were working for the past two years and then in 22nd December it was supposed to be over then after that there needs to be complete checking of whatever it has to be done by the empanelled agencies also. The empanelled Agency is referred as WAPCOS & RECPDCL they had to completely go for an inspection that was ruled by Government of India under the Ministry of Power so took a little bit of time. Last year it could not be done

because of the many of the flood areas were being done. But, we will say that once the contractors payable amount is disbursed then there will be nothing to worry and as has been written in newspapers and we have also seen that in Media saying that Officers and mentally tortured the Contractors, I do not think the Officers will mentally torture the Contractors but the contractors were frustrated may be because of the payment that they had not received. It is not the Power Department's fault, but then there are things which needs to be done correctly it takes a little bit of time. So, that is it, I am sure it will be given once we receive the amount. Thank you.

Hon'ble Deputy Speaker : Thank you, Now Hon'ble Member, Shri Durga Das Boro.

**শ্ৰী দুৰ্গা দাস বড়ো, (কলাইগাঁও)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, একেৰাহে প্ৰায় ১৫ দিন এই বিষয়টো বাতৰি কাকতত ৰাভা হাছং সম্পৰ্কে ৰাভা ছাত্ৰ সংস্থাকে ধৰি তেওঁলোকৰ সংগঠনসমূহে আন্দোলন কৰি আছে। দুধনৈত বিশাল গণ সমাবেশ আছুৰ নেতৃত্বত হুংকাৰ দিছে যে “শীঘ্ৰে ষষ্ঠ অনুসূচী নিদিলে পুনৰ উত্তপ্ত হ’ব ৰাভা হাছাং এলেকা” এনেকুৰা ধৰণৰ বাতৰি পৰিবেশন হৈছে। তেওঁলোকে সংগ্ৰাম continue কৰি আছে। মই জানিবলগীয়া বিষয়টো হৈছে, ইতিমধ্যে ৰাভা হাছং বিষয়টো প্ৰয়াত মুখ্যমন্ত্ৰী মহোদয় হিতেশ্বৰ শইকীয়াৰ দিনৰ পৰা আৰম্ভ কৰি আজিলৈকে এই সংগ্ৰামটো চলি আহিছে। কিন্তু বৰ্তমানৰ চৰকাৰখনে ৰাভা হাছং সম্পৰ্কে details খৰছি মাৰি এটা সিদ্ধান্ত যাতে দিব পাৰে, তাৰ কাৰণে এখন উপ-সমিতি বনোৱা বুলি জানিব পাৰিছো। এই উপ-সমিতিৰ সভাপতি হিচাপে শ্ৰী ৰণোজ পেগু ডাঙৰীয়া আছে আৰু সদস্য হিচাপে মাননীয় মন্ত্ৰী শ্ৰী অতুল বৰা ডাঙৰীয়া আৰু মাননীয় মন্ত্ৰী ৰঞ্জিৎ কুমাৰ দাস ডাঙৰীয়া সমিতিখনত আছে । এতিয়া তেওঁলোকৰ এই সংগ্ৰামত কেইবাটাও বিষয় উপস্থাপন কৰিছে। বিশেষকৈ তেওঁলোকৰ যিটো জনগাঁথনি আছে সেই সম্পৰ্কেও বিভিন্ন বাতৰি কাকতত ওলাইছে । তেওঁলোকৰ মুঠ গাঁৰৰ সংখ্যা হৈছে ৭৭৯ আৰু মুঠ জনসংখ্যা হৈছে ৫,৪৩,১৯২। ইয়াৰ ভিতৰত ২০০১ চনৰ চেনচাচ অনুসৰি এছ. টি. পপুলেশ্যন ২,৩৪,৬২৮ । ইয়াৰ ভিতৰত উপায়ুক্তৰ প্ৰতিবেদন অনুসৰি গাৰো-হাজং পপুলেশ্যন হৈছে ৬২,২২৮ মুঠ জনসংখ্যা ৩,০৪৫৬। ইয়াৰ ভিতৰত এছ. টি আছে ৫৬ শতাংশ । গতিকে তেওঁলোকৰ গাওঁ সমূহৰ যিটো গাঁথনি আছে সেই মতে তেওঁলোকে যেতিয়া বি টি চি মডিফাইড ছিক্স ছিডিউল পালে তাৰ পিছত ৰাভাকে ধৰি আমাৰ অসমত থকা বিভিন্ন জনগোষ্ঠীৰ লোক সকলে স্ব-শাসন পাবৰ কাৰণে সংগ্ৰাম কৰি আহিছিল । গতিকে মই চৰকাৰৰ পৰা জানিব বিচাৰিছো ৰাভা হাজঙৰ এই সংগ্ৰামটো তেওঁলোকে অৱগত হয় নে নহয় আৰু ইয়াৰ ওপৰত কিবা সিদ্ধান্ত লৈছে নেকি মই জানিব বিচাৰিছো ।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়া ।

**ডাঃ ৰণোজ পেগু, (শিক্ষামন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, ১৯৯৫ চনত তিনিখন স্বায়ত্ব পৰিষদ গঠন হৈছিল- ৰাভা হাচাও স্বায়ত্ব শাসিত পৰিষদ, মিচিং স্বায়ত্ব শাসিত পৰিষদ আৰু টিৱা স্বায়ত্ব শাসিত পৰিষদ। সেই সময়ত আইনখনত কোৱা হৈছিল যে যি সমূহ গাঁৰত সেই নিৰ্দিষ্ট জনগোষ্ঠীৰ ৫০ শতাংশ বসবাস কৰে কেৱল সেই গাঁওসমূহক লৈ স্বায়ত্ব শাসিত পৰিষদ গঠন কৰা হ’ব ।

এইটো জনাগোষ্ঠীয় সংগঠন সমূহে মানি লোৱা নাছিল । আন্দোলন অব্যাহত ৰাখিছিল আৰু তাৰ লগত চৰকাৰে সময়ে সময়ে আলোচনা কৰাৰ পিছত ২০০৫ চনত এক ধৰণৰ বুজাবুজিত উপনীত হয় যে এই স্বায়ত্ব শাসিত পৰিষদ বিলাকৰ কাৰণে এটা ক'ৰ এৰিয়া আৰু চেটেলাইট এৰিয়া থাকিব । ক'ৰ এৰিয়াৰ ধাৰণাটো হ'ল যে তাত অঞ্চলটোত জনজাতিৰ বসতি থাকিব লাগিব । Core area is defined as compact and conotiguos area having 50 % ST population as a whole in the area not necessarily in individual villages. চেটেলাইটত ভিলেজ ডিফাইন কৰা হ'ল। ইয়াৰ ভিত্তিত ৰাভাহাচাও স্বায়ত্ব পৰিষদৰ ক্ষেত্ৰত সিদ্ধান্ত গ্ৰহণ কৰা হ'ল যে ৰাভা হাচাও স্বায়ত্ব পৰিষদৰ এটাই ক'ৰ এৰিয়া থাকিব আৰু কোনো চেটেলাইট এৰিয়া নাথাকে । কিন্তু মিচিং স্বায়ত্ব পৰিষদ আৰু টিৱা স্বায়ত্ব পৰিষদৰ ক্ষেত্ৰত সিদ্ধান্ত হ'ল যে ইয়াৰ ক'ৰ এৰিয়াও থাকিব আৰু চেটেলাইট এৰিয়াও থাকিব । এতিয়া আটাইকেইখন স্বায়ত্ব পৰিষদৰ পৰা ষষ্ঠ অনুসূচীত অন্তৰ্ভুক্তিৰ দাবী আহিল আৰু তাৰ লগে লগে ৰাভা সকলৰ পৰা আৰু এটা দাবি আহিল যে এই ক'ৰ এৰিয়াৰ বাহিৰত থকা যিখিনি গাঁও আছে তেওঁলোকৰ কাৰণে দক্ষিণ পাৰ আৰু উত্তৰ পাৰেও বি টিচিৰ অন্তৰ্ভুক্ত গাঁও আছে, এই গাঁওসমূহক লৈ এখন উন্নয়ন পৰিষদ গঠন কৰাৰ দাবিও আমাৰ হাতত আহি পৰিল আৰু অসম চৰকাৰে এই গোটেই দাবিখিনি পৰীক্ষা কৰিবৰ কাৰণে এখন কেবিনেট উপ সমিতি গঠন কৰি দিলে আৰু কেবিনেট উপ সমিতিয়ে গোটেই বিষয়টো পৰ্য্যালোচনা কৰি চাই কেইটামান সিদ্ধান্তত ইতিমধ্যে লাহে লাহে আহিছে যে ষষ্ঠ অনুসূচীত অন্তৰ্ভুক্ত হ'বলৈ হ'লে এটা compact and conutiguous area থাকিব লাগিব যাৰ প্ৰশাসনিক ইউনিটতো এখন জিলা হ'ব । ৰাভা হাচাও ৰ ক্ষেত্ৰত compact and conutiguous area এটা আছে । কিন্তু মিচিং স্বায়ত্ব পৰিষদ আৰু টিৱা স্বায়ত্ব পৰিষদৰ ক্ষেত্ৰত compact and conutiguous area নাই । ইয়াৰ লগে লগে এই কমিটিখনে এইটোও পৰ্য্যালোচনা কৰি আছে যে য'ত ষষ্ঠ অনুসূচী সম্ভৱপৰ, পৰ্য্যাপ্ত তাৰ মতে এটা single administrative unit লৈ এখন কাউঞ্চিল গঠন কৰিব পৰা যায় । ই এক ধৰণৰ প্ৰস্তাৱ থাকিব আৰু য'ত এইটো গঠন কৰিব পৰা নাযায় তাত ষষ্ঠ অনুসূচীৰ বিকল্প কি হ'ব পাৰে। চৰকাৰে কাউঞ্চিল বিলাকক শক্তিশালী কৰিছে আৰু এই কাউঞ্চিলক সাংবিধানিক স্বীকৃতি দিয়াৰ ক্ষেত্ৰত চৰকাৰখনে ইতিমধ্যে ইয়াক ৰাজহুৱা ভাবে ঘোষণা ও কৰিছে । কিন্তু বিকল্প কি হ'ব পাৰে তাৰ কাৰণে সংবিধানৰ অন্যান্য দফা সমূহো আমি অধ্যয়ণ কৰিছো আৰু দফা সমূহৰ ভিতৰত ষষ্ঠ অনুসূচীৰ লগতে অনুচ্ছেদ ৩৭১ ত থকা বিশেষ ব্যৱস্থাৱলীৰ বিষয়ে আলোচনা আৰু অধ্যয়ন কৰি থকা হৈছে । কেবিনেটৰ এই উপ-সমিতিখনে অহা দুমাহৰ ভিতৰত চূড়ান্ত প্ৰতিবেদন দাখিল কৰিব বুলি মই সদনত ঘোষণা কৰিছো আৰু তেতিয়া এই সমস্যাটোৰ এটা স্থায়ী সমাধান কৰিব পৰা যাব। ধন্যবাদ।

**माननीয় উপাধ্যক্ষ ঃ** মাননীয় সদস্য জাকিৰ হুছেইন সিকদাৰ।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, যোৱা ৫ এপ্ৰিল তাৰিখে অসমীয়া প্ৰতিদিন কাকতত প্ৰকাশিত 'মুখ্যমন্ত্ৰীৰ কঠোৰ নিৰ্দেশনাৰ পিছতো আৰক্ষী প্ৰশাসনৰ চত্ৰ চায়াত ভূ-মাফিয়াৰ দপদপনি, দিশপুৰত বিধৱা মহিলাৰ মাটি বে-দখল' শীৰ্ষক বাতৰিটোৰ প্ৰতি মাননীয় ৰাজহ মন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰিলো । মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, দিশপুৰ ৰাজহ চক্ৰৰ অন্তৰ্গত চুপাৰ মাৰ্কেট অঞ্চলত ৰিণি ভূএগ্ৰা নামৰ এগৰাকী বিধৱা মহিলাৰ নামত থকা তিনি কঠা চৈধ্য লেচা মাটি যাৰ দাগ নং হ'ল- ৬৫২ আৰু পট্টা নং- ৮২। এজন ভূ-মাফিয়াই এখন ভুৱা দলিল প্ৰস্তুত কৰি উপৰোক্ত দাগ নং আৰু পট্টা নংৰ মাটিখিনি দখল কৰাৰ চেষ্টা চলাই আছে

আৰু তেওঁক সহায় কৰিছে এজন উচ্চ পদস্থ আৰক্ষী বিষয়া আৰু উপায়ুক্তৰ কাৰ্য্যালয়ত কৰ্মৰত এজন এ ডি চি পৰ্য্যায়ৰ বিষয়াই । পিছত দাগ নং- ৬৫২ আৰু পট্টা নং- ৮২ ৰ অধীনস্থ মাটিখিনি বিক্ৰী কৰা হোৱা নাই বুলি বাতৰি কাকতত বিজ্ঞাপন দিয়া হৈছিল । কিন্তু ইয়াৰ পিছতো ভূ-মাফিয়াজনে ভুৱা দলিল প্ৰস্তুত কৰি এটা অসাধু চক্ৰৰ লগ লাগি বিভিন্ন সময়ত মাটিখিনি দখল কৰাৰ কাৰণে চক্ৰান্ত কৰি আছে। ইয়াৰ পিছত ভুক্তভোগী গৰাকীয়ে চক্ৰ বিষয়াক বিষয়টো অৱগত কৰে আৰু চক্ৰ বিষয়াই নিষ্পত্তি কৰাৰ বাবে আশ্বাস প্ৰদান কৰে যদিও বৰ্তমানলৈ কোনো ধৰণৰ নিষ্পত্তি নকৰি কামৰূপ মহানগৰ জিলাৰ অতিৰিক্ত উপায়ুক্তলৈ মাটি খিনিৰ সমস্যাৰ বিষয়টোৰ ফাইলটো ঠেলি দিয়ে। ফাইলটোৰ নং হ'ল - KRC(M) 830/2022 ফাইল নং টো এতিয়াও আছে। কিন্তু উপাধ্যক্ষ ডাঙৰীয়া কথা হ'ল দীৰ্ঘদিন ধৰি ঘুৰি আছে কিন্তু এতিয়াও নিষ্পত্তি হোৱা নাই। কি কাৰণে এজন ভূ-মাফিয়াক যিজনে ভূৱা দলিল প্ৰস্তুত কৰিছে আৰু অভিযোগ দিয়াৰ পিছতো চক্ৰ বিষয়াই, অতিৰিক্ত উপায়ুক্তই এই বিষয়ে বিহীত ব্যৱস্থা নল'লে তাৰ কাৰণে নিশ্চিতভাৱে ৰাজহ মন্ত্ৰী ডাঙৰীয়াই ইয়াৰ ওপৰত বিহীত ব্যৱস্থা লোৱাৰ কাৰণে অনুৰোধ জনাইছো । আমি সকলোৱে জানো উপাধ্যক্ষ মহোদয়, কিছুদিন আগতে সমগ্ৰ অসমতে মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নিৰ্দেশত চক্ৰ বিষয়াৰে মাটি বাৰীত জড়িত যি সকল ভূ-মাফিয়া, যাক দালাল বুলি কোৱা হৈছিল নিশাটোৰ ভিতৰত অসমত হাজাৰ হাজাৰ গ্ৰেপ্তাৰ কৰিছিল । কিন্তু মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নিৰ্দেশৰ পিছতো যদি মহানগৰী দিশপুৰৰ কাষতে এনেকুৱা ভূ-মাফিয়াৰ দপদপনি থাকে তেনেহ'লে আহি থকা দিনত আমাৰ ৰাজ্যখন কোন দিশত গতি কৰিব নিশ্চিতভাৱে সকলোৱে অনুমান কৰিব পাৰে আৰু আমি সকলোৱে জানো মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই এটা নিৰ্দেশ দিছিল যে সকলো ফাইল সাত দিনৰ ভিতৰত নিষ্পত্তি হ'ব লাগে। কিন্তু ২০২২ চনৰ ফাইল আজিৰ তাৰিখতো কিয় নিষ্পত্তি নহ'ল, ইয়াৰ কাৰণে কোনজন পুলিচ বিষয়া জড়িত, চক্ৰ বিষয়াৰ কি ইন্টাৰেষ্ট আছে। এই কথাবিলাক নিশ্চিতভাৱে মাননীয় ৰাজহ মন্ত্ৰী ডাঙৰীয়াক দৃষ্টিগোচৰ কৰিলো। অতি সোনকালে ইয়াৰ ওপৰত ব্যৱস্থা গ্ৰহণ কৰি দোষীক উপযুক্ত শাস্তি দিয়াৰ দাবী জনালো।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰীযোগেন মহন, (ৰাজহ মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, এই কথা স্পষ্ট যে এই চৰকাৰ অহাৰ লগে লগে বিশেষকৈ ভূ-মাফিয়া বা মধ্যভোগী বা মাটিৰ দালাল আমি যি বুলিয়েই নকওঁ তেখেত সকলক আইন সংগত ব্যৱস্থা ল'বৰ কাৰণে চৰকাৰখনে দায়িত্বভাৰ লোৱাৰ দিনতে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কঠোৰ নিৰ্দেশ দিছে।¯ নিশাটোৰ ভিতৰতে আমি সকলোৱে জানো যে প্ৰায় ৭৭২ জনৰ ওপৰৰ অসমত বিভিন্ন প্ৰান্তত গ্ৰেপ্তাৰ কৰা হৈছে। ইয়াৰ পিছতো বাৰে বাৰে সকিয়নি দিয়া আছে যে কোনো ভূ-মাফিয়াৰ দপদপনি নচলিব। মাজে সময়ে চৰকাৰী বিষয়া যদি কৰোবাত জড়িত থাকে, লাট মণ্ডলেই হওঁক তেওঁলোকে হাত দাঙি আছে আপোনালোকে দেখিছে। Circle officer,A.D.C যি বিষয়াই নহওঁক এই মাটিৰ ভূ-মাফিয়াৰ লগত জড়িত, উচটনি দিয়া বা অন্যান্য দিশত যদি সহায় কৰে তেওঁলোকৰ ওপৰত আইনসংগত ব্যৱস্থা ল'বৰ কাৰণে ইতিমধ্যে জিলা উপায়ুক্ত আদি সকলো ধৰণৰ নিৰ্দেশ দিয়া আছে আৰু লগতে Land Grabbing Act এখনো আছে 2010 ৰ এই আইনখন যাতে আমি অধিক কাৰ্য্যকৰী কৰিব পাৰো তাৰ কাৰণেও চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰি আছে। শেহতীয়াকৈ মাননীয় সদস্য শ্ৰী জকিৰ হুছেইন সিকদাৰ ডাঙৰীয়াই বিষয়টো আনিছে আমাৰো দৃষ্টিগোচৰ হৈছে। ইতিমধ্যে এই বিষয়টো যোগাযোগ কৰাত আমি যি গৰাকী ৰিণি কাকতি, তেখেতৰ যিটো ডাগ নং, পট্টা নং যিটো ইয়াত দেখুৱাইছে, কোনো rela-

tion নাই। তেওঁৰ নামত বেলেগ এটা ডাগ আছে আৰু তেখেতৰ তাত ইতিমধ্যে ৬৫২ নং ডাগ পট্টা নং ৮২ এই file টো ইতিমধ্যে জয়দেৱ দে আৰু ইয়াৰ file টো ইতিমধ্যে এনেকুৱা ধৰণৰ মাটি grabbing হৈ থাকিলে, যেতিয়া পট্টাদাৰে আবেদন জনাই কোনোবাই দফল কৰিছে লগে লগে circle officer ক আবেদন জনাই, পুলিচ প্ৰশাসনকো জনাই। লগে লগে তেখেতসকলে ইয়াত hearing দিয়ে। Circle office তো দিয়ে hearing আৰু ADC level ত hearing দিয়ে। ইতিমধ্যে ইয়াৰ hearing হৈ গ'ল এই কেচটোৰ মই মাননীয় বিধায়ক ডাঙৰীয়াক জনাব বিচাৰিছো ২৮ ফেব্ৰুৱাৰী ২০২৩, ৩০ মাৰ্চ ২০২৩ ত এই ১১৩ নং ডাগ আৰু ২৩৩ নং পট্টা দুটা hearing হৈ গৈছে। কিন্তু এতিয়ালৈকে final decision দিয়া নাই। মই আপোনালোকক স্পষ্টভাৱে কৈছো এই কেছটো specially verification কৰিবৰ কৰাণে আমাৰ ৰাজহ বিভাগৰ এজন Joint Secretary বা Secretary level ৰ এজন বিষয়াক দি specially এই কেচটোৰ কাৰণে মই নিযুক্তি দিম আৰু যাতে খুৱ সোনকালে ইয়াৰ এটা report দি এই দুখীয়া, দুৰ্ভগীয়া বিধবা মহিলা গৰাকীয়ে যাতে ন্যায় পায়। কোন কি প্ৰকাৰেৰে জড়িত আছে গোটেই খিনি কথা আমাৰ বিভাগক জমা দিব লাগিব নহ'লে যিমানেই আইন ব্যৱস্থা নহওঁক লাগিলে, মাননীয় মুখ্যমন্ত্ৰী মহোদয়, আমি যিমানেই দালালৰ কথা কৈ নাথাকো দপদপনি থকাটো হয়। নিশাৰ ভিতৰতে মানুহে কেনেধৰণে ম্যাদি পট্টাৰ মাটি দখল কৰে নিঠৰুৱা মানুহৰ, এইটো সঠিক ন্যায় দিবৰ কাৰণে আমাৰ চৰকাৰ বদ্ধ পৰিকৰ। আমাৰ Circle Officer সকলৰ মই ভাৱো যে বিশেষকৈ এই লাট মণ্ডল সকলৰ ওপৰত বেছি নিৰ্ভৰ কৰিবলীয়া হয়। সেই কাৰণে আমাৰ circle officer সকলক অলপ knowledgeable কৰিব লাগিব। আমি যেনেধৰণে কৈ আছো capacity building আহিব লাগিব যাতে field ত গৈ verification কৰিহে settlement বিলাক হয়। এনেধৰণে কেৱল dependent হ'ব নালাগে কিছু ক্ষেত্ৰত। এই কথাখিনিও আমাৰ বিভাগে খুৱ ধুনীয়াকৈ চিন্তা কৰি আছো। এই ভূমি সংক্ৰান্তিয় সকলো জটিলতা এইবিলাক দুৰ কৰিবৰ কাৰণে হয়তো আমি মিছন বসুন্ধৰা first phase, second phase এনেকৈ আনি আছো। ৰাইজে বহুত ন্যায় পাইছে। আমি ভাৱো, আপোনালোক সকলোৱে সহযোগ ৰাখিলে এই দালাল চক্ৰৰ তথ্য সহকাৰে প্ৰমাণ দিয়ক আৰু লগে লগে এইবিলাক আইন সংগত ব্যৱস্থা হবই। ইয়াত কোনো ধৰণৰ চৰকাৰে compromise নকৰে। আমি আজি এই পবিত্ৰ বিধান সভাৰ মজিয়াৰ পৰা কৈছো এনেকুৱা মানসিকতা হ'ব নালাগে মানুহৰ বিশেষকৈ কৰ্মচাৰী সকলে ৰাইজৰ সেৱা কৰাৰ সুবিধা পাইছে। লাট মণ্ডল, চক্ৰ বিষয়া, এডিচি আমাৰ যেনেধৰণে এচ.ডি এল. এ. চি বহি settle দিব লাগে এইখিনি চাব লাগে। ভূ-মাফিয়াক আমি কোনো কাৰণতে সহ্য কৰা নহয়, ইয়াক কঠোৰ হাতেৰে দমন কৰিব চৰকাৰে। কেৱল তথ্যভিত্তিক প্ৰমাণ আমাৰ হাতত লাগে। ইতিমধ্যে এই ডাগ নং, পট্টা নং আমি যোগাৰ কৰিছো। আমি সকলোৱে জানো এতিয়া এই যিটো মাটিৰ কথা কৈ আছো ইয়াতে আমাৰ যি circle office ত তিনি ঠাইত মাটি আছে বৰমটৰীয়া, সৰুমটৰীয়া আৰু ৰুক্মিনী নগৰ। এই ঠাইডোখৰত এই ডাগটো কিন্তু তেওঁৰ সেই ডাগটো পোৱা নগ'ল। তেওঁ বেলেগ এটা গাওঁত হ'ব ডাগটো। সেই ডাগটো এই তিনিটা area ত নাই। আমাৰ যিজন বিষয়াক আমি ইতিমধ্যে নিযুক্তি দিম, ইয়াত ৬৫২ ডাগ, ৮২ পট্টা ৰিণি কাকতিৰ পট্টা ডাগ সেইটোত এই ডাগটো উল্লেখ নাই। মই কৈছো তেওঁৰ বেলেগ ডাগ আছে, তেখেতৰ ডাগ নং ৩৮৬, পট্টা নং ৭৫৫। ৰিণি কাকতি পট্টাদাৰ হিচাপে এই ডাগত আছে তেখেতৰ। কিন্তু ডাগ নং, পট্টা নং এনেকুৱা ধৰণৰ খেলি-মেলি হৈ থকাৰ কাৰণে আজি বাতৰিত হয়তো কথাটো অলপমান

ডাগ নং, পট্টা নং ভূলকৈ ওলাইছে। গতিকে এইখিনি আমি ৰিণি কাকতিৰ নামত ইতিমধ্যে এই যিটো ফাইলৰ কথা কৈছে ADC level ত থকা 830/22, এই ফাইলটো ইতিমধ্যে দুবাৰ hearing হৈ গৈছে আৰু final decision টো জিলা উপায়ুক্ত ডাঙৰীয়াই এইখিনি দিব। গতিকে ইয়াত কোনো ধৰণৰ land grabbing হ'বলৈ দিয়া নহ'ব আৰু আমি special এজন officer দি বিষয়টো তদন্ত কৰোৱাই সেই মহিলা গৰাকীক আমি ন্যায় দিম। লগতে অন্যান্য কৰোবাত যদি এনেকুৱা ধৰণৰ আছে, এইখিনি আমি সতৰ্ক হ'বৰ কাৰণে প্ৰশাসনৰ বিষয়া সকলক, লাট মণ্ডল সকলক সজাগ হ'ব কৈছো। Circle Officer, ADC revenue এই land settlement, allotment ৰ ক্ষেত্ৰত জড়িত যিসকল আমাৰ সন্মানীয় বিষয়া আছে, এই বিষয়াসকল সজাগ হৈ কামখিনি ন্যায়ভাৱে আন্তৰিকতাৰে ৰাইজক সেৱাৰ মনোভাৱেৰে কৰি চৰকাৰৰ খনৰ যি লক্ষ্য আছে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যেনেধৰণে কৈ আছে আৰু আমি সকলোৱে কৈ আছো মধ্যভোগী দালাল চক্ৰক উৎখাত কৰা হ'ব। এই উৎখাত কৰা কাৰ্য্যত সহযোগ কৰিব বুলি মই আশা ৰাখিছো ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়, যিহেতু বিধবা মহিলাৰ, আপুনি personally অলপ interest লৈ এই কেচটো নিজে চোৱা-চিতা কৰিব। Zero Hour is over. কাৰ্য্যসূচা নং -২ তাকৰীয়া প্ৰশ্নৰ সময়। অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনাৰ নিয়মাৱলীৰ ৪৮ নং নিয়মৰ অধীনত মাননীয় সদস্য শ্ৰীদেৱব্ৰত শইকীয়াৰ তিনিটা আৰু শ্ৰীআমিনুল ইছলাম (জেষ্ঠ) ৰ তিনিটা তাকৰীয়া প্ৰশ্নৰ সময় আছে। আপোনালোকে প্ৰশ্নখিনি উত্থাপন কৰিব।

**শ্ৰীআমিনুল ইছলাম, (জেষ্ঠ, ধিং) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ক প্ৰশ্ন কৰিব বিচাৰিছো যে তেখেতে অনুগ্ৰহ কৰি জনাবনে? যোৱা ২৩ মাৰ্চ, ২০২৩ তাৰিখে ওডালগুৰি জিলাৰ ৰৌতা থানাৰ অন্তৰ্গত ইকৰাবাৰীৰ বোমা বিস্ফোৰণৰ ঘটনা সংঘটিত হৈছিল নেকি? ঘটনাৰ সবিশেষ অৱগত কৰিব আৰু এই সংক্ৰান্তত অপৰাধীক কৰায়ত্ত কৰা হ'ল নে এই বিষয়ে জনাব।

**শ্ৰীৰকিবুল হুছেইন, (চামগুৰি) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, ইয়াত লে' কৰাটোকে আগে-পিছে ধৰে।

**শ্ৰীআমিনুল ইছলাম, (জেষ্ঠ,ধিং) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, এইটো প্ৰশ্নৰ উত্তৰৰ পাছত আৰু দুটা প্ৰশ্ন আছে।

**শ্ৰীৰকিবুল হুছেইন, (চামগুৰি) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, তাকৰীয়া প্ৰশ্নৰ উত্তৰ এনেকুৱা হয় যে আমি লে' কৰিলো কাৰণ যিহেতু উত্তৰ দিয়াই হৈছে ।

**শ্ৰীপীযুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** সন্মানীয় উপাধ্যক্ষ মহোদয়, সন্মানীয় সদস্য শ্ৰীআমিনুল ইছলাম ( জেষ্ঠ) ডাঙৰীয়াই অনা প্ৰশ্ৰৰ উত্তৰত যোৱা ২৩ মাৰ্চ, ২০২৩ তাৰিখে ওডালগুৰি জিলাৰ ৰৌতা থানাৰ অন্তৰ্গত ইকৰাবাৰীত বোমা বিস্ফোৰণৰ ঘটনা সংঘটিত হৈছিল। যোৱা ২৪ মাৰ্চ, ২০২৩ তাৰিখে এজাহাৰকাৰীৰ ৰৌতা ইকৰাবাৰীৰ নিবাসী শ্ৰী সুশান্ত দাসে ৰৌতা থানাত এখন এজাহাৰ দি জনাই যে যোৱা ২৩-০৩-২০২৩ তাৰিখে মাজৰাতি কোনো অচিনাক্ত দুবৃত্তই তেওঁক মৃত্যু ঘটোৱাৰ উদ্দেশ্য তেওঁৰ ঘৰলৈ এটা বোমা নিক্ষেপ কৰে। বোমা বিস্ফোৰণৰ শব্দ শুনি ওচৰ-চুবুৰীয়া মানুহ ওলাই অহাত দুৰ্বৃত্ত সকল ঘটনাস্থালীৰ পৰা পলাই যায়। দুৰ্বৃত্ত সকলক Kamtapur Liberartion Organisation উগ্ৰপন্থী বুলি সন্দেহ কৰা হৈছে যিহেতু তেওঁলোকে আঘাট আগতে এজাহাৰকাৰীৰ ভাতৃ পুস্পেন্দু দাসক WhatsApp no.

880187740266 ৰ জৰিয়তে ধন দাবীৰ পত্ৰ প্ৰেৰণ কৰিছিল। এই সংক্ৰান্তত মুঠ ১১ জন সন্দেহযুক্ত অপৰাধীক গ্ৰেপ্তাৰ কৰা হৈছে।

**শ্ৰী আমিনুল ইছলাম, (জ্যেষ্ঠ, ধিং) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মোৰ আৰু এটা তাকৰীয়া প্ৰশ্ন পশু পালন ও পশু চিকিৎসা বিভাগৰ মাননীয় মন্ত্ৰী ডাঙৰীয়ালৈ আছে। মাননীয় মন্ত্ৰী ডাঙৰীয়াই জনাবনে যে যোৱা ২৫ মাৰ্চ তাৰিখলৈ নগাঁৱৰ গো-শালাসমূহত কেইবাটাও পশুধনৰ মৃত্যু সম্পৰ্কত চৰকাৰ অৱগত নে? নগাওঁ জিলাৰ কোন কোন গো-শালাত এইকেইদিনত কিমান গো-ধনৰ মৃত্যু ঘটিছে আৰু ইয়াৰ কাৰণ কি? এই গো-শালা সমূহত এনেধৰণে কিয় গো ধনৰ মৃত্যু হৈছে, তাৰ তদন্ত চৰকাৰে কৰিব নে? ইয়াৰ ওপৰত কি পদক্ষেপ গ্ৰহণ কৰিব?

**মাননীয় উপাধ্যক্ষ** ঃ মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ দিব।

**শ্ৰী পিযুষ হাজৰিকা, (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি বিভাগ)** ঃ মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, যোৱা ইংৰাজী ২৪ ৰ পৰা ২৫ মাৰ্চৰ ভিতৰত নগাঁও জিলাৰ জ্যোতি গো-শালাত এটা পশুধনৰ মৃত্যু হৈছে আৰু এই বিষয়ে চৰকাৰ অৱগত। চলিত বৰ্ষৰ ১ মাৰ্চৰ পৰা ৩১ মাৰ্চ ভিতৰত নগাওঁ জিলাৰ কামধেনু গো-শালাত ২১ টা পশুধনৰ মৃত্যু হৈছে। উক্ত পশুধন সমূহ আঘাত প্ৰাপ্ত হোৱা বাবে মৃত্যু হোৱা বুলি ঠাৱৰ কৰা হৈছে। বিভাগে স্থিৰ কৰি দিয়া পশুচিকিৎসক সকলে গো-শালাসমূহ নিয়মিতভাৱে পৰিদৰ্শন কৰি আহিছে। পশুধনৰ পৰিপুষ্টিৰ লগতে পৰিৱেশৰ পৰিষ্কাৰ-পৰিচ্ছন্নতা বজাই ৰাখিবলৈ দিহা-পৰামৰ্শ আগবঢ়াই আহিছে আৰু লগতে প্ৰয়োজনীয় চিকিৎসা প্ৰদান কৰি থকা হৈছে। বিভাগে প্ৰায়োজন সাপেক্ষে বেমাৰ প্ৰতিৰোধৰ কাৰণে প্ৰতিশেধক, টিকাকৰণৰ ব্যৱস্থা কৰে। তদুপৰি ২০২৩-২৪ বিত্তীয় বৰ্ষত বিভাগে দুৰ্য্যোগ ব্যৱস্থাপনা আঁচনিৰ অধীনত ৰাজ্যৰ পাঁচখন গো-শালাত প্ৰতিখনকে ৫ লাখকৈ আৰ্থিক সাহাৰ্য্য প্ৰদানৰ ব্যৱস্থা কৰা হৈছে।

**শ্ৰী আমিনুল ইছলাম, (জ্যেষ্ঠ, ধিং) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে যে যোৱা ২৩-০৩-২০২৩ তাৰিখে নগাঁও জিলাৰ বৰঘাটৰ ভোগদৈ ধাবাৰ স্বত্বাধিকাৰী ৰাতুল হাজৰিকাক গ্ৰেপ্তাৰ কৰা কথাটো সঁচানে আৰু তেওঁক গ্ৰেপ্তাৰ কৰাৰ কাৰণটো কি? এই বিষয়ে চৰকাৰে সবিশেষ জনাব।

**শ্ৰী পিযুষ হাজৰিকা,(মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি বিভাগ)** ঃ মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, যোৱা ২৩-০৩-২০২৩ তাৰিখে নগাওঁ জিলাৰ বৰঘাটৰ ভোগদৈ ধাবাৰ স্বত্বাধিকাৰী ৰাতুল হাজৰিকাক নগাওঁ থানাৰ গোচৰ নং-302/23/UST370/374IPC/R/W/ Section3457 Immoral Traffic Prevention Act, ভাৰতীয় দণ্ডবিধি আইনৰ সংক্ৰান্তত গ্ৰেপ্তাৰ কৰাটো সত্য। গ্ৰেপ্তাৰৰ কাৰণ হ'ল যে ৰাতুল হাজৰিকাই নিজৰ ভোগদৈ ধাবা অসমৰ বিভিন্ন ঠাইৰ পৰা কিছুমান মহিলা আৰু ছোৱালী আনি অবৈধভাৱে নাৰীদেহ ব্যৱসায়ত লিপ্ত কৰোৱাৰ বহু প্ৰমাণ পোৱা যায়। তেওঁৰ উক্ত ধাবাত ২৩-০৩-২০২৩ তাৰিখে আবেলি ৬-১৫ ত অসংযত অৱস্থাত প্ৰায় পাঁচগৰাকী ছোৱালী আৰু মহিলা উদ্ধাৰ হয়। তাত যোল্ল জন পুৰুষক আটক কৰি পিছত গ্ৰেপ্তাৰ কৰি মহামান্য আদালতলৈ প্ৰেৰণ কৰে। ধাবা সমূহৰ আশে-পাশে নিতৌ আৰক্ষী টহলৰ ব্যৱস্থা আৰু ধাবাসমূহত আকস্মিক তালাচী অভিযান চলোৱা হয়, যাতে তেনে কাৰ্য্য-কলাপ হ'ব নোৱাৰে। এনে অনৈতিক কাৰ্য্য-কলাপ চলাই থকাৰ প্ৰমাণ পালে তেনে ধাবাৰ স্বত্বাধিকাৰী সকলৰ ওপৰত কঠোৰ আইনী ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

**মাননীয় উপাধ্যক্ষ** ঃ মাননীয় দেৱব্ৰত শইকীয়া দেৱৰ হস্তত‍াঁত আৰু বস্ত্ৰ শিল্প বিভাগ, কৃষি বিভাগ আৰু শিক্ষা বিভাগত তিনিটা প্ৰশ্ন উত্থাপন কৰিব আৰু মাননীয় মন্ত্ৰীসকলে উত্তৰ দিব।

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি,নাজিৰা)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মই প্ৰশ্নৰ উত্তৰ পাইছো। ইয়াত মোৰ কোনো পৰিপূৰক প্ৰশ্ন নাই।

**শ্ৰী ৰকিবুল হুছেইন, (চামগুৰি)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, সদায় আমি সমালোচনাই কৰো। কিন্তু আজি এটা ধন্যবাদ দিব বিচাৰিছো। আমি Rules of Procedure মতে চলাই আছো। কিন্তু মই এতিয়া দেখিলো এই যি তাকৰীয়া প্ৰশ্ন, ইমান দিনে আমি Lay কৰো আৰু Lay হৈছে বুলি কৈছিলো। মাননীয় মহোদয়ে এইক্ষেত্ৰত নিৰ্দ্দেশ দিছে আৰু Rules of Procedure ত স্পষ্টকৈ লিখা আছিল যে Short Notice Question ত the Member who has been given Notice of the Question shall be in his/her seat to read the Question when the call by the Speaker and Minister concern shall give reply immediately.. কিন্তু ইমান দিনে আমাৰ চকুত পৰা নাছিল। এইটো খুব ভাল কৰা হৈছে আৰু ইয়াৰ বাবে মই ধন্যবাদ জনাইছো, লগতে আৰু এটা আছে যে আমাৰ যেনেকৈ মৌখিক প্ৰশ্ন আছে তেনেকুৱা প্ৰভিজনো আছে। ইয়াত লিখা আছে-Provided further that the Member is who's name such Short Notice Question may ask two Supplimentary Questions only and other Member may ask one Supplimentary only if permitted by the Speaker. ইয়াত সাধাৰণ প্ৰশ্ন যেনেকৈ হয়, সেই প্ৰশ্নৰ নিচিনাকৈ ব্যৱস্থা আছে আৰু এই ব্যৱস্থা লোৱাৰ বাবে ধন্যবাদ জনাইছো।

**মাননীয় উপাধ্যক্ষ** ঃ সেইকাৰণে সকলোকে Rule Book খন পঢ়িবলৈ কৈছিলো।

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি, নাজিৰা)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মই কৃষি বিভাগৰ প্ৰশ্নৰ উত্তৰ পাইছো। কৃষকে আলুৰ উচিত মূল্য নোপোৱাৰ বাবে আলু কম দামত বিক্ৰী কৰি আছে। এইদৰে যিসকলৰ উচিত মূল্য নেপোৱাৰ বাবে ক্ষতি হৈছে, APEDA ৰ লগত যোগাযোগ কৰা হৈছে আৰু APEDA য়ে ইচ্ছুক কিনোতা পালে আগতীয়াকৈ জনাব বুলি কৈছে। যদিহে APEDA ই কোনো ক্ৰেতা নাপয়, তেন্তে তেখেত সকলক অন্তত খেতিৰ যিখিনি লাগন, সেইখিনি যাতে ৰিকোভাৰী কৰিব পাৰে তাৰ বাবে কিবা ইঞ্চুৰেঞ্চৰ ব্যৱস্থা কৰিব লাগে। যিসকল লোকৰ ধুমুহা আৰু অন্যান্য প্ৰাকৃতিক দুৰ্য্যোগৰ বাবে অলপ অসুবিধা হৈছিল, তেওঁলোকৰ বাবেও ইঞ্চুৰেঞ্চৰ ব্যৱস্থা চৰকাৰে কৰিলে তেওঁলোকক সকাহ দিব পৰা যাব। সেয়েহে খেতিয়কসকলৰ স্বাৰ্থত এনে কাম কৰিলে অতি ভাল হ'ব।

**মাননীয় উপাধ্যক্ষ** ঃ মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ দিয়ক।

**শ্ৰী পিযুষ হাজৰিকা, (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি বিভাগ)** ঃ মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, বিৰোধী দলৰ দলপতিয়ে যি পৰিপূৰক প্ৰশ্ন আনিছে, সেই বিষয়ে মই মাননীয় মন্ত্ৰী মহোদয়ৰ লগত আলোচনা কৰিম আৰু বিহীত ব্যৱস্থা ল'বৰ বাবে প্ৰচেষ্টা কৰিম।

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ।

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি, নাজিৰা)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মোৰ শ্ৰম বিভাগৰ ওপৰত পৰিপূৰক প্ৰশ্ন আছে। ইয়াত দেখা গৈছে যে তিনিচুকীয়া জিলাত কোম্পেনী আইনৰ অধীনত ১২৭ খন চাহ বাগিছা আছে। আজি বহু বছৰ হৈ গ'ল, তাৰে এখনতো চৰকাৰী বিদ্যালয় নাই। আমাৰো নিশ্চয় শাসক পক্ষ হিচাবে থাকোতে কিছু কৰিবলগীয়া থাকি গ'ল। এতিয়া এইখিনিৰ ক্ষেত্ৰত অতি সোনকালে ব্যৱস্থা ল'ব লাগে, লগতে বহু বাগানত শ্ৰমকি আইন উলংঘা হৈ আছে। এইখিনিৰো অতি সোনকালে কাৰ্য্যকৰী কৰাৰ ব্যৱস্থা কৰিব লাগে। মোৰ সমষ্টিৰ এখন বাগিছা

চৰাইদেউ পৰ্বত। এই তিনিটা প্ৰশ্ন মই একেলগে কৰিছো। ইয়াৰ উত্তৰ মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা বিচাৰিছো।

**মাননীয় উপাধ্যক্ষ** ঃ মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ দিব।

**শ্ৰীসঞ্জয় কিষাণ, (মন্ত্ৰী, শ্ৰম ইত্যাদি বিভাগ)** ঃ মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, তিনিচুকীয়া জিলাত ১২২ খন চাহ বাগিছা আছে। আমি দীৰ্ঘদিন ধৰি দেখিছো যে মালিক পক্ষই চাহ বাগিছাসমূহ চলাই আছে। সন্মানীয় প্ৰয়াত হিতেশ্বৰ শইকীয়াদেৱ মুখ্যমন্ত্ৰী থাকোতে কিছুমান জিলাত চাহ বাগিছা বিলাক চৰকাৰীকৰণ কৰা হৈছে। তাৰ পিছত আৰু হোৱা নাছিল। সেই হিচাপত যদি আমি চাওঁ, সমগ্ৰ অসমত প্ৰায় ৪২৮ খন চাহ বাগিছা এতিয়াও মালিকাধীন প্ৰাথমিক বিদ্যালয় আছে। মাননীয় মুখমন্ত্ৰী ডাঙৰীয়াই আজি কিছুদিন আগতে কেবিনেটত সিদ্ধান্ত গ্ৰহণ কৰিছে যে আমাৰ যিবিলাক প্ৰাথমিক বিদ্যালয় মালিকৰ অধীনত আছে আৰু উক্ত প্ৰাথমিক বিদ্যালয়বিলাকত দুজনকৈ টেট শিক্ষক আৰু লগতে অন্যান্য যিখিনি চৰকাৰী সা-সুবিধা দিব লাগে, যেনেকৈ শিক্ষক সকলক ট্ৰেইনিংৰ ব্যৱস্থা, মধ্যাহ্ন ভোজনৰ ব্যৱস্থা, ছাত্ৰ-ছাত্ৰী সকলৰ ইউনিফৰ্মৰ ব্যৱস্থা আদি সকলোখিনি কৰাৰ বাবে চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছে। মালিকাধীন বহু চাহ বাগিছাত ইতিমধ্যে সৰ্ব শিক্ষাৰ জৰিয়তে বিল্ডিং গ্ৰ্যাণ্ট দিয়া হৈছে। বহু বাগানত স্কুল নিৰ্মাণ কৰা হৈছে আৰু যিবিলাক বাগানত স্কুল নিৰ্মাণ কৰা হোৱা নাই সেইবিলাকতো চৰকাৰে বিল্ডিং গ্ৰ্যাণ্ট দিয়াৰ বিবেচনা কৰি আছে। মাননীয় উপাধ্যক্ষ মহোদয়, আজি দেৱব্ৰত শইকীয়া ডাঙৰীয়াৰ এটা প্ৰশ্ন আছিল। কিন্তু সময়ৰ অভাৱৰ বাবে আমি দিব নোৱাৰিলো। তেখেতে যিখিনি চাহ বাগিছাৰ কথা কৈছে আমি ইতিমধ্যে উত্তৰ আকাৰে তেখেতক দিছিলো। কিন্তু সময়ৰ অভাৱৰ বাবে মই গোটেইখিনি উত্তৰ দিব পৰা নাই। তেখেতে কেইখনমান চাহ বগিছাত আইন উলংঘনৰ কথা কৈছে, ইতিমধ্যে আমি উক্ত চাহ বাগিছসমূহত নোটিচ জাৰী কৰিছো আৰু ব্যৱস্থা গ্ৰহণ কৰিছো। তেখেতে বিশেষভাৱে তেখেতৰ যিখন চাহ বাগিছাৰ কথা কৈছে এই বিষয়ে মই আগতেও কৈছিলো যে তেখেতক লগত লৈ উক্ত চাহ বাগিছখনত যাম। তাত এটা সমস্যা হৈ আছে যে কিছু শ্ৰমিক আৰু কৰ্মচাৰীয়ে এজন মেনেজাৰক তাত থকাটো নিবিচৰাৰ বাবে বাগনখন অচল অৱস্থা হৈ আছে। বাগানখন এতিয়া খোলা হৈছে। কিন্তু কিছুমান মানুহে বিৰোধ কৰাৰ কাৰণে বাগিছাখনৰ এটা অংশত কাম বন হোৱা নাই আৰু দুটা অংশত কাম বন হৈ আছে, তেওঁলোকে দা-দৰমহাও পাই আছে। মই তেখেতৰ লগত গৈ তেওঁলোকক বুজনি দি মীমাংসালৈ অহাৰ বাবে চেষ্টা কৰিম।

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ। মই এটা কথা ক'ব বিচাৰিছো যে বাগান সমূহত স্কুলৰ বিল্ডিঙৰ ক্ষেত্ৰত NOC দিয়াত বহু খেলিমেলি কৰে আৰু NOC দিলেও এনেকুৱা ঠাইত দিয়ে য'ত খাল-বিল থাকে আৰু মাটি পুতি থাকিবলগীয়া হয়। এইক্ষেত্ৰত মন্ত্ৰী মহোদয়ে অলপ গুৰুত্ব দিব।

**শ্ৰীসঞ্জয় কিষাণ, (মন্ত্ৰী, শ্ৰম ইত্যাদি বিভাগ)** ঃ ঠিক আছে, মাননীয় উপাধ্যক্ষ মহোদয়। **মাননীয়**

**মাননীয় উপাধ্যক্ষ** ঃ এতিয়া কাৰ্য্যসূচী নং-৩। Rule-54. মাননীয় সদস্য ভাস্কৰজ্যোতি বৰুৱা ডাঙৰীয়াই কওঁক।

**শ্ৰী ভাস্কৰ জ্যোতি বৰুৱা, (তিতাবৰ)**ঃ মাননীয় উপাধ্যক্ষ মহোদয়, বিগত ২ মাৰ্চ তাৰিখে দৈনিক জনমভূমি কাকতত এটা বাতৰি প্ৰকাশিত হৈছিল যে- '৪ মাৰ্চত অসম চৰকাৰৰ উচ্চ পৰ্যায়ৰ বৈঠক, সংকটত যোৰহাট টোকলাই চাহ গৱেষণা প্ৰতিষ্ঠান।' আপোনালোক সকলোৱে জানে যে চাহ গৱেষণা প্ৰতিষ্ঠানটোৰ এটা বহুত পুৰণা ইতিহাস আছে। এতিয়া আমাৰ ২০০ বছৰীয়া চাহ বৰ্ষ চলি আছে। ইয়াৰ লগত সংগতি ৰাখি খুব উপযুক্ত সময়ত মই ক'বলৈ সুবিধা পালো।

ইয়াৰ বুৰঞ্জী মই অকণমান কৈ ল'ব লাগিব। এই প্ৰক্ৰিয়াটো আৰম্ভ হৈছিল ১৮৯৩ চনত। Indian Tea Associationয়ে ১৯০০ চনত Harold Hart Mann নামৰ এগৰাকী ব্ৰিটিছ বৈজ্ঞানিকক, Scientific Officer হিচাপে নিয়োগ কৰিছিল। তেওঁক নিয়োগ কৰাৰ পিছত তিতাবৰৰ শিলিখা Tea Estate, যাৰ এটা অংশ আমাৰ সন্মানীয় বিধায়ক ৰূপজ্যোতি কুৰ্মীৰ ফালে পৰে, এই বাগানখনত ফেক্টৰীৰ সেই চাহাবজনে এটা গৱেষণাগাৰ খুলিলে। তেওঁ তাত কাম কৰাৰ পিছত যেতিয়া দেখিলে যে ঠাইখিনি কম হৈছে, তেতিয়া তেওঁ ১৯০৪ চনৰ পিছত চিনামৰাৰ টোকলাইলৈ এই গৱেষণাগাৰটো উঠাই লৈ গ'ল আৰু তাত তেওঁ Tea Experimental Station হিচাপে আৰম্ভ কৰিলে। ১৯১১ চনৰ পৰা আমাৰ Indian Tea Association ৰ অধীনত এই গৱেষণাগাৰটো চলি আছিল আৰু চাহৰ ক্ষেত্ৰত আমাক বহুত আগুৱাই লৈ গৈছে। ইয়াৰ পিছত, ১৯৬৫ চনত এই গোটেই গৱেষণাগাৰটো CSIR ৰ ওচৰত গুছি গ'ল। CSIR ৰ ওচৰলৈ যোৱাৰ লগে লগে তেওঁলোকে ১০০% funding কৰি ১৯৮৯ লৈ তাত ভাল কাম কৰিছিল। Instant Tea ও তাত ওলাইছিল। এই সময়খিনি golden period আছিল। সেইটো সময়ত ময়ো চাহ খেতিৰ বাবে অনুপ্ৰাণিত হৈ তালৈ গৈছিলো। কিন্তু, ১৯৮৯ ৰ পিছত এইটোক Commerce Ministry আৰু Tea Board ক দি দিলে। Commerce Ministry আৰু Tea Boardক দিয়াৰ লগে লগে ইয়াৰ funding patternটো সলনি হৈ তাক Industries ৰ লগত সোমাই দি ৮০ঃ২০ হৈ চলিলে। অৰ্থাৎ ৮০% চৰকাৰে দিব, ২০% Industry য়ে দিব। Industry বোৰ ভালদৰে চলিয়েই আছিল, সকলোৰে পইচা দিছিল। কিন্তু, প্ৰত্যেকটো ব্যৱসায়তে কেতিয়াবা দুৰ্যোগ আহে। বৰ্তমান চাহৰ ক্ষেত্ৰত সেই দুৰ্যোগ চলি আছে। যা হওঁক, এইটো সদায় নাথাকে, আমি ভালকৈ কাম কৰিলে, নতুন নতুন টেক্‌ন'লজিৰে আগবাঢ়ি যাম। Society Act ত registration কৰি ইয়াক TRA কৰিলে আৰু TRA কৰাৰ পিছত CSIR য়ে ল'লে আৰু তাৰ পিছত ই ২০১৩ চনত Tocklai Tea Research Institute (TTRI) হৈ গ'ল। যেতিয়া Planning Commission টো গুছি গ'ল, ক্ৰমান্বয়ে ইয়াৰ funding কমি ৪৯ঃ৫১ হৈ গ'ল। ৪৯% চৰকাৰে আৰু ৫১% Industry য়ে দিয়া হৈ গ'ল। চাহৰ ব্যৱসায়টো আমাৰ আন্তঃৰাষ্ট্ৰীয় উদ্যোগ। এইটো Industryটো কেতিয়াবা তেনেকুৱা ধৰণে চলে। কিন্তু টোকলাইৰ অৱস্থা এতিয়া ইমানেই বেয়া হৈছে যে তাৰ কৰ্মচাৰীবোৰে বহুত টকা পাবলৈ আছে, প্ৰায় ১০.৫০ কোটি টকা। মই ইয়াত কথা কোৱাৰ আগতে এইটো খবৰ কৰিছিলো। কিন্তু, এটা কথা আপোনালোক সকলোৰে অকপটে স্বীকাৰ কৰিব যে আমাৰ মানৱ জাতিটোৰ যদি উন্নতি হ'ব লাগে, আমাৰ জীৱন শৈলীৰ যদি উন্নতি হ'ব লাগে, তেন্তে আমাক scientific research লাগিবই। আপোনালোক সকলোৰে জানে যে আজি আমেৰিকালৈ আমাৰ ছাত্ৰ-ছাত্ৰীবোৰ গৈছে, কি কৰিবলৈ গৈছে, সকলোৰে Research Institute ত সোমাই গৈছে। বাহিৰৰ দেশবোৰে research project বোৰ দিছে। তেওঁলোকে funding কৰিছে আৰু আমাৰ দেশৰ ল'ৰা-ছোৱালীবোৰে তাত গৈ কাম কৰি আছে। কিন্তু, টোকলাই এটা এনেকুৱা অনুষ্ঠান, যিটো অনুষ্ঠানে সেইটো কামো কৰিব পাৰে কাৰণ টোকলাইয়ে আজি চাহৰ ক্ষেত্ৰত যিখিনি অৱদান আগবঢ়ালে, সেই ক্ষেত্ৰত মই অধ্যয়ন কৰিছিলো আৰু আপোনালোকক জনাবলৈ পাই সুখী হৈছো যে টোকলাইৰ ১ হেক্টৰ মাটিত আগতে ক'লা চাহ ২৫০ কেজি হৈছিল আৰু আজি ২০০০ কেজি উৎপাদন হয়। আমাৰ কিমান উৎপাদন বাঢ়ি গ'ল! এতিয়া উৎপাদনক লৈ আমাৰ অসুবিধা নাই। কিন্তু, আমাক নতুন innovation লাগে। চাহপাতৰ factory বোৰ বিশাল বিশাল। এতিয়া আমাক mini

factory আৰু mega production লাগে। তাৰ বাবে আমাৰ technology ৰ advancement হ'ব লাগিব, research হ'ব লাগিব। মই সেইটো সময়ত যেতিয়া টোকলাইলৈ গৈছিলো, তাত tissue culture হৈ আছিল। এতিয়া চাব, বাংগালোৰৰ পৰা টাবত ৰুবৰ বাবে মৌচুমীৰ পুলিবোৰ আহিছে। এজোপা গছে ৭০ কেজিলৈ মৌচুমী দিয়ে। চাহ বাগান উঠাই যদি কোনোবাই অলপ মাটিত মৌচুমীৰ খেতি কৰে, তেন্তে বেছি পইচা পাব। এই tissue culture টো আমাৰ বন্ধ হৈ গ'ল। কালি মই খবৰ লৈছো- টোকলাইত এগৰাকী মহিলা বৈজ্ঞানিকে এই tissue culture টো কৰি আছে। মই নিজেই tissue cultureটো দেখিছিলো। সেইটো সময়ত চলি থাকোতে মই তেওঁক এই বিষয়ে সুধিছিলো আৰু তেতিয়া তেওঁ কৈছিল যে এইটো acclimatize হোৱা নাই, acclimatize হ'লে আপোনালোকে কৰিব পাৰিব .........Interruptions....

**মাননীয় উপাধ্যক্ষঃ** সময় হৈছে।

**শ্ৰী ভাস্কৰ জ্যোতি বৰুৱা, (তিতাবৰ )ঃ** মোক অকণমান সময় দিব, মই কথাখিনি কৈ আছো। ইয়াৰ লগতে, পৰিৱেশৰ লগত জড়িত আছে carbon credit......Interruptions.....

**মাননীয় উপাধ্যক্ষঃ** আপোনাৰ সময় হৈ গৈছে। টোকলাই গৱেষণা কেন্দ্ৰটো upliftment কৰিবৰ বাবে আপোনাৰ পৰামৰ্শখিনি কি, সেইখিনি দি দিয়ক।

**শ্ৰী ভাস্কৰ জ্যোতি বৰুৱা, (তিতাবৰ )ঃ** Upliftment কৰিবলৈ এইটোৱেই কৈছো যে প্ৰথমতে ইয়াত এটা comprehensive funding লাগে। দ্বিতীয়তে, ইয়াৰ Managementটো restructure কৰিব লাগে আৰু টোকলাইত আমাৰ যিটো Research Institute আছে সেইটোক International level লৈকে নিব লাগে। আজি আমাৰ যিটো Forest Research Institute .... .......Interruptions....

**মাননীয় উপাধ্যক্ষঃ** মাননীয় মন্ত্ৰী।

**শ্ৰী ভাস্কৰ জ্যোতি বৰুৱা, (তিতাবৰ )ঃ** উপাধ্যক্ষ মহোদয়, অলপ ক'বলৈ থাকি গ'ল। মই চমুকৈ ক'লোহেঁতেন। এইখিনি কথা আমাৰ মানৱ সমাজৰ কাৰণে কামত আহিব। এইবোৰ কথা ইয়াত কোনেও নকয়।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী (মৰিয়নী)** ঃ মই কথা এটা কওঁ নেকি ?

**মাননীয় উপাধ্যক্ষঃ** নালাগে। মন্ত্ৰীৰ চেম্বাৰত বহি বাকীখিনি কথা ক'ব।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি)ঃ** মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, সন্মানীয় সদস্যগৰাকীয়ে Rule 54 ৰ যোগেৰে এটা গুৰুত্বপূৰ্ণ বিষয় উপস্থাপন কৰিছে। এই সম্পৰ্কত মই অকণমান লিখিত তথ্য detailsত ক'ব ওলাইছো-

চাহ গৱেষণা কেন্দ্ৰ, যোৰহাটৰ পটভূমি ঃ ভাৰতীয় চাহ সন্থা, চমুকৈ I.T.A.য়ে ১৯১১ চনত টোকলাইত পৰীক্ষামূলক কেন্দ্ৰটো স্থাপন কৰে। টোকলাই চাহ গৱেষণা কেন্দ্ৰটো পৃথিৱীৰ প্ৰাচীনতম চাহ গৱেষণা কেন্দ্ৰ বুলি জনা যায়। গৱেষণা কেন্দ্ৰটো পৰিচালনা কৰিবলৈ আৰ্থিক দূৰৱস্থাৰ বাবে ১৯৬০ চনৰ প্ৰথম ভাগত I.T.A.য়ে ভাৰত চৰকাৰৰ লগত যোগাযোগ কৰে। ITAৰ প্ৰস্তাৱত সঁহাৰি জনাই বৈজ্ঞানিক উদ্যোগিক গৱেষণা পৰিষদে, চমুকৈ CSIR ৰ সহায়ত টোকলাইলৈ আৰ্থিক অনুদান যোগান ধৰে। ১৯৬৪ চনত ১৭ টা বৃহৎ চাহ কোম্পানী লগ হৈ চাহ গৱেষণা কেন্দ্ৰ, চমুকৈ T.R.A. গঠন কৰে আৰু West Bengal Society Act ৰ ভিতৰত অন্তৰ্ভুক্ত কৰে। টোকলাই চাহ গৱেষণা কেন্দ্ৰটো হৈছে গৱেষণাগাৰৰ মুখ্য কাৰ্যালয় আৰু ইয়াৰ

পঞ্জীয়ন কাৰ্যালয়টো কলকাতাত অৱস্থিত। টোকলাইৰ উপৰিও দাৰ্জিলিং, শিলিগুৰি, ৰঙাপাৰা, ডিকম, শিলচৰ আৰু আগৰতলাতো ইয়াৰ শাখা কাৰ্যালয় আছে। ২০১১ চনত টোকলাইৰ পৰীক্ষামূলক কেন্দ্ৰটোৰ নাম সলনি কৰি টোকলাহ চাহ গৱেষণা কেন্দ্ৰ, চমুকৈ T.T.R.I. ৰখা হ'ল। চাহ গৱেষণা কেন্দ্ৰ পৰিচালনা পৰিষদঃ অধ্যক্ষ আৰু উপাধ্যক্ষৰ উপৰিও চাহ গৱেষণা কেন্দ্ৰ পৰিচালনা পৰিষদখন চাহ উদ্যোগৰ পৰা নিৰ্বাচিত ১৫ জন সদস্যৰ দ্বাৰা গঠিত। অধ্যক্ষ আৰু উপাধ্যক্ষজনক ৩ বছৰৰ কাৰণে নিৰ্বাচিত কৰা হয়। তাৰোপৰি, পৰিষদলৈ ভাৰত চৰকাৰৰ বাণিজ্য মন্ত্ৰণালয়ৰ পৰা ৪ জন, চাহ বোৰ্ডৰ অধ্যক্ষ, চাহ বোৰ্ড্ৰ বিত্তীয় উপদেষ্টা আৰু মুখ্য হিচাপৰক্ষী বিষয়া আৰু লগতে, ভাৰতীয় চাহ সন্থাৰ এজন প্ৰতিনিধি মনোনীত কৰা হয়। বৈজ্ঞানিক উপদেষ্টা সমিতিখন বিভিন্ন বিশ্ববিদ্যালয়ৰ তথা বৈজ্ঞানিক প্ৰতিষ্ঠানৰ পৰা নিৰ্বাচিত প্ৰতিনিধিৰ দ্বাৰা নিৰ্দেশনাৰ তত্বাৱধান কৰে। চাহ গৱেষণা কেন্দ্ৰত সৰ্বমুঠ ১৩৫ গৰাকী কৰ্মচাৰী আছে। তাৰে ভিতৰত ১১১ জন বিজ্ঞানী, বৈজ্ঞানিক সহায়ক, টেক্‌নিচিয়ান আৰু ২৪ জন অকাৰিকৰী বিষয়া আছে। ১৯৬৪ চনৰ পৰা চাহ গৱেষণা কেন্দ্ৰই ভাৰত চৰকাৰৰ CSIR ৰ বেতন ক্ৰম আৰু সেৱা বিধিৰ অনুসৰি অনুসৰণ কৰি আহিছে। চাহ গৱেষণা কেন্দ্ৰই ২০১৮ চনৰ পৰা সপ্তম বেতন আয়োগ (7th Pay Commission ) ৰ নিৰিখত বেতন পৰিশোধ কৰি আহিছে। চাহ গৱেষণা কেন্দ্ৰৰ দুটা মুখ্য গৱেষণা স্থান হৈছে টোকলাই চাহ গৱেষণা প্ৰতিষ্ঠান, যোৰহাট আৰু উত্তৰ বংগ আঞ্চলিক গৱেষণা আৰু উন্নয়ন কেন্দ্ৰ, নাগ্ৰাকাটা পশ্চিমবংগ। ইয়াৰ উপৰিও চাহ গাৰষণা কেন্দ্ৰৰ মুঠ ৮ টা পৰামৰ্শ আৰু সম্প্ৰসাৰণ কেন্দ্ৰ আছে। ইয়াৰে ৮ টা ক্ৰমে অসমৰ ডিকম, ৰঙাপাৰা আৰু শিলচৰত অৱস্থিত। দুটা পশ্চিমবঙ্গত আৰু এটাকৈ ত্ৰিপুৰা, অৰুণাচল আৰু মেঘালয়ত অৱস্থিত। চাহ গৱেষণা কেন্দ্ৰই দিয়া তথ্য অনুসৰি প্ৰায় ১০৮৬ খন বাগান এই গৱেষণা কেন্দ্ৰৰ সদস্য। কিন্তু তেখেতসকলে জনাইছে যে বহুসংখ্যক চাহ বাগানে তেওঁলোকৰ সদস্য নৱীকৰণ কৰা নাই।

চাহ গৱেষণা কেন্দ্ৰই দিয়া তথ্য অনুসৰি মুঠ বাৰ্ষিক বাজেট তেখেতসকলৰ প্ৰায় ৩৩ কোটি টকা। ইয়াৰে ১৬ কোটি টকা সদস্যৰ বছৰেকীয়া মাছুলৰ পৰা আৰু ৩ কোটি টকা আভ্যন্তৰীণ ৰাজহ উৎপাদন হয়। বাণিজ্য বিভাগে চাহ বোৰ্ডৰ সহায়ত ৪৯ শতাংশ অনুমোদন হিচাপে ১০.৫০ কোটি টকা দৰমহা, ভৰিষ্যনিধি, gratuity, স্বাস্থ্য আৰু প্ৰশিক্ষণৰ বাবে দি আহিছে। চাহ গৱেষণা কেন্দ্ৰই দিয়া তথ্য মতে ২০১৮ চনত চাহ বোৰ্ডে ১০.৫০ কোটি টকা উৰ্দ্ধতম সীমাৰেখা নিৰ্দ্ধাৰণ কৰিছে। চাহ গৱেষণা কেন্দ্ৰই দিয়া তথ্য মতে চাহ বোৰ্ডে এই উৰ্দ্ধতম সীমাৰেখা আৰু সদস্য সকলৰ পৰা পাবলগীয়া অনাদায় মাচুলৰ বাবে প্ৰতিবছৰে ৩ ৰ পৰা ৪ কোটি টকা বাৰ্ষিক ঘাটি হৈ আছে। চাহ গৱেষণা কেন্দ্ৰটোৰ অন্তৰ্ভুক্ত যিসমূহ বাগান আছে, তেওঁলোকে নিয়মিতভাৱে যি পেমেন্ট দিব লাগে সেয়া দি থকা নাই। তাৰ কাৰণে ঘাটি হৈছে। ২০১৯-২০ চনত হোৱা চাহ উদ্যোগী সকলৰ সভাত ভাৰত চৰকাৰৰ বাণিজ্য বিভাগে জনাইছে যে চাহ গৱেষণা কেন্দ্ৰটো এটা বেচৰকাৰী অনুষ্ঠান আৰু চাহ উদ্যোগী সকলৰ দ্বাৰা গঠিত এটা ব্যক্তিগত গৱেষণা কেন্দ্ৰ। গতিকে সেইটো Government related নহয়। It is a private organization. সেইবাবে ২০২৫-২৬ লৈকেহে বিত্তীয় অনুদান আগবঢ়াব আৰু চাহ গৱেষণা সংস্থাক স্ব-নিৰ্ভৰশীল হ'বলৈ নিজাবৰীয়াকৈ পৰিকল্পনা প্ৰস্তুত কৰিবলৈ কোৱা হৈছে।

উপাধ্যক্ষ ডাঙৰীয়া, তেখেতে কোৱা ধৰণে অৱসৰপ্ৰাপ্ত কৰ্মচাৰীসকলৰ ১০.২২ কোটি টকা দিবলগীয়া আছে। মই আকৌ কৈছো যে It is a private organization, not run by the Government. গতিকে কেন্দ্ৰীয় চৰকাৰে হওঁক বা অসম চৰকাৰে হওঁক directly

not liable. তথাপিও অসম চৰকাৰে বিভিন্ন সময়ত আমি এই চাহ গৱেষণা কেন্দ্ৰটো অনুদান দিয়াৰ ব্যৱস্থা কৰিছো। ক্ষুদ্ৰ চাহ খেতিয়ক প্ৰশিক্ষণ আৰু গৱেষণা কেন্দ্ৰ স্থাপনৰ বাবে ২০১৭-১৮ বৰ্ষত ১৭কোটি টকা অনুদান আগবঢ়োৱা হৈছিল অসম চৰকাৰৰ পৰা। Organic Tea Hub স্থাপনৰ বাবে ২০২১ -২২ বিত্তীয় বৰ্ষত ৮০ লাখ টকা অনুমোদন দিয়া হৈছিল। তাৰোপৰি মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই টোকলাই চাহ গৱেষণা প্ৰতিষ্ঠানৰ পৰা পোৱা আবেদনৰ পিছত মাননীয় মুখ্য সচিবক বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে। তাৰ ওপৰত ভিত্তি কৰি মুখ্য সচিব ডাঙৰীয়াই তাৎক্ষণিকভাৱে উদ্যোগ আৰু বাণিজ্য বিভাগৰ বিষয়াসকলৰ লগতে কৃষি বিভাগ, বিত্ত বিভাগ আৰু ভাৰতীয় চাহ বোৰ্ডকে ধৰি সংশ্লিষ্ট বিভাগৰ বিষয়া সকলৰ লগত যোৱা ৪ মাৰ্চ, ২০২৩ তাৰিখে এখন আলোচনাত মিলিত হয় আৰু এই সভাতেই টোকলাই চাহ গৱেষণা কেন্দ্ৰৰ আয় বৃদ্ধি অৰ্থে আনুসাংগিক উন্নয়নৰ বাবে কিছু পদক্ষেপ লোৱাৰ চিন্তা কৰা হয়। আমি ইতিমধ্যে উল্লেখ কৰিছো যে যদিও টোকলাই চাহ গৱেষণা কেন্দ্ৰৰ অসম চৰকাৰৰ অধীনস্থ নহয়, তথাপিও আমাৰ চৰকাৰে গৌৰৱোজ্জ্বল এই অনুষ্ঠানৰ উন্নতিৰ বাবে আগতেও কাম কৰি গৈছে আৰু ভৱিষ্যতেও কৰি যাব।মাননীয় উপাধ্যক্ষ মহোদয়, মূল সমস্যা হৈছে, চাহ গৱেষণা কেন্দ্ৰই জনোৱা মতে বহু চাহ কোম্পানীয়ে দিবলগীয়া বছৰেকীয়া মাচুল পৰিশোধ কৰা নাই আৰু ইয়াৰ পৰিমাণ ২০২৩ চনলৈকে ৫,৮৫,১৫,২০৮ টকা উত্তৰ পূৰ্বাঞ্চলৰ পৰা আৰু উত্তৰবঙ্গৰ পৰা ৫,৩০, ১০,১৯১ টকা। মুঠ ১১,১৫,২৫,৩৯৫ টকা চাহ বাগানৰ কোম্পানীসমূহে দিবলৈ বাকী আছে। গতিকে এই প্ৰশ্নটোৰ যোগেদি মই তেওঁলোককো অনুৰোধ কৰিছো যাতে তেওঁলোকে চাহ গৱেষণা কেন্দ্ৰটোত এই টকাখিনি দিয়ে আৰু অসম চৰকাৰে আৰু যদি কিবা কৰিবলগা আছে বিহিত ব্যৱস্থা গ্ৰহণ কৰিম।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। Under Rule -301, কাৰ্য্যসূচী নং ৪। ---Interruption-

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, (মৰিয়নি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এটা সাধাৰণ পৰামৰ্শ দিব বিচাৰিছো। মই মাননীয় মন্ত্ৰী মহোদয়ক এটা আহ্বান জনাব বিচাৰিছো। আমাৰ অসম চৰকাৰৰ SITA আয়োগৰ ৰিপোৰ্টটো যদি অলপ কেন্দ্ৰীয় চৰকাৰৰ লগত বিবেচনা কৰি চায়, ভাল হ'ব।

**শ্ৰী ভাস্কৰজ্যোতি বৰুৱা, (তিতাবৰ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই এইটোৱে ক'ব খুজিছো যে আমাৰ মন্ত্ৰী ডাঙৰীয়াই যিটো ক'লে যে বেচৰকাৰী সংস্থা হ'লেও যিহেতু এইটো Research and Development ৰ কথা আৰু উজনি অসমত maximum employment এই বাগান সমূহে দিছে। বাগানসমূহ যদি নাথাকে তেতিয়া আমাৰ এটা ডাঙৰ সমস্যা হ'ব। গতিকে চৰকাৰে এইটো গুৰুত্ব সহকাৰে লৈ এইটো বেচৰকাৰী সংস্থা হিচাপে নলৈ Government Organization হিচাপে ল'ব লাগে কাৰণ এইটো Research and Development ৰ লগত জড়িত এটা পুৰণা প্ৰতিষ্ঠান।

**শ্ৰী ৰকিবুল ইছলাম, (চামগুৰি) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, তেখেতসকলৰ পৰা যিটো পইচা পায়, এখন Request Letter ও যদি দি দিয়ে চৰকাৰৰ পৰা ভাল হয়।

**মাননীয় উপাধ্যক্ষ ঃ** হ'ব মন্ত্ৰী ডাঙৰীয়াই উত্তৰত কথাটো ক'লেই। এতিয়া শ্ৰী জয়ন্ত বসুমতাৰী।

**শ্ৰী জয়ন্ত বসুমতাৰী, (চিদলী) ঃ** মই Rule 301 ৰ অধীনত অন্তৰ্গত মোৰ সমষ্টিৰ এটা গু ৰুত্বপূৰ্ণ বিষয় সদনৰ মজিয়াত বিভাগীয় মন্ত্ৰী, অসমৰ মুখ্যমন্ত্ৰী ডাঙৰীয়া যিহেতু ইয়াত উপস্থিত নাই হয়তো আন কোনো মন্ত্ৰী ডাঙৰীয়াই উত্তৰটো দিব। মোৰ বিষয়টো হ'ল যে মোৰ সমষ্টিৰ অন্তৰ্গত চালাকাটি, জিলা হিচাপে কোকৰাঝাৰ পৰে কিন্তু সমষ্টি হিচাপে চিডলি সমষ্টিত হয়। তাত বঙাইগাঁও

Thermal Power Project station  চলি আছে আৰু এই Power Project টো National Thermal Power Corporation (NTPC)  ৰ দ্বাৰা পৰিচালিত হৈছে। এই NTPC ৰ দ্বাৰা ৭৫০ মেগাৱাট পাৱাৰ জেনেৰেশ্যন হয় আৰু এই NTPC টোৱে কয়লাক main fuel  হিচাপে লৈ Power Generate  কৰে। আমাৰ সমস্যাটো হৈছে এতিয়া  তাত এখন fly over  ৰ  প্ৰয়োজন হৈছে। কাৰণ NTPC ৰ যিখন কয়লাৰ ট্ৰেইন এটা সময়তে দুখন দুখনকৈ আহে আৰু তাৰবাবে  ১০ মিনিটমান আগতেই ৰেল গেটখন বন্ধ কৰি দিয়া হয়। এই NTPC ৰ দ্বাৰা পৰিচালিত বঙাইগাঁও Thermal Power Project station ৰেল গেটটোৰ একেবাৰে কাষতে। ৪৫ মিনিট ধৰি গেটখন বন্ধ হৈ থাকে আৰু তাত emergency service কিছুমানৰ hamper হয়। ছাত্ৰ-ছাত্ৰী আৰু Security reason তো  hamper হয়। সেইকাৰণে এই Fly over খন তাত বহুত জৰুৰী হৈছে। সেইকাৰণে মই সংক্ষেপে আহ্বান জনাইছো। যিহেতু দেখা গৈছে বিভাগীয়ভাৱে যোৱা বাজেটৰ সময়তো বহুত ৰেল লাইনৰ ওপৰত Fly over বনোৱা হৈছিলে। এইটো অতিকৈ জৰুৰী। যাতে তাৰ ৰাইজ তথা  ছাত্ৰ-ছাত্ৰীক সকাহ দিব পৰা যায়। সেইকাৰণে এই Fly over খনৰ যাতে কৰাৰ ব্যৱস্থা কৰে, মই বিভাগীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, আমাৰ মাননীয় সদস্য গৰাকীয়ে যিটো প্ৰশ্ন ইয়াত উত্থাপন কৰিছে, আমাৰ বিভাগে স্বীকাৰ কৰে যে এই অঞ্চলটোত এইটো অতি প্ৰয়োজনীয় কথা। চালাকাটি ৰেলৰে গেটত এখন ৰেলৰে লেভেল ক্ৰছিংত ROB প্ৰয়োজন। আমাৰ বিভাগে এই কথাটো অনুভৱ কৰিছে। গতিকে পৰৱৰ্তী সময়ত এই কামটো যিমান সোনকালে পাৰি কৰিবলৈ প্ৰচেষ্টা চলোৱা হ'ব। তাৰকাৰণে জৰীপৰ প্ৰয়োজন হ'ব আৰু জৰীপ কৰাৰ পাছত Fund Sanction  দিব লাগিব আৰু কামটো কৰিবলৈ প্ৰচেষ্টা চলোৱা হ'ব।

**মাননীয় উপাধ্যক্ষ ঃ** শ্ৰী আব্দুৰ ৰহিম আহমেদ।

**শ্ৰীআব্দুৰ ৰহিম আহমেদ, (বৰপেটা ) ঃ** মাননীয় অধ্যক্ষ , মেট্ৰিকৰ প্ৰশ্নকাকত ফাদিলৰ মাজতে শিক্ষা বিভাগৰ  অন্য এক দায়িত্বহীন কাণ্ড পোহৰলৈ। তিনি বছৰে পতা নাই মুখ্যমন্ত্ৰীৰ বিশেষ বৃত্তি পৰীক্ষা । ১০১২  চনৰ পৰা  ২০২০  চনলৈ চলা বৃত্তি পৰীক্ষা আচম্বিতে  বন্ধ কৰি থ'লে শিক্ষা বিভাগে ।  গুণোৎসৱকে ধৰি বিভিন্ন আঁচনিৰে চমক দিয়া শিক্ষা বিভাগৰ কণ কণ শিক্ষাৰ্থীৰ কথা ভাবিবলৈ নাই আহৰি । বৃত্তি প্ৰাপক পঞ্চম- অষ্টম শ্ৰেণীৰ   ছাত্ৰ- ছাত্ৰীক পূৰ্ব্বে প্ৰদান কৰা হৈছিল ৫০০০  **fixed deposit** ,পূৰ্ব্বে বৃত্তি লাভ কৰা বহু শিক্ষাৰ্থীয়ে বেংকৰ কাৰিকৰী জটিলতাৰ বাবে এতিয়াও উলিয়াব পৰা নাই ধন  । গতিকে উপাধ্যক্ষ ডাঙৰীয়া আপোনালোকে জানে যে, আমাৰ ২০১২  চনৰ পৰাই এই বৃত্তি আৰম্ভ কৰা হৈছিলে  । মুখ্যমন্ত্ৰীৰ বিশেষ বৃত্তি মাননীয় প্ৰয়াত তৰুণ গগৈ ডাঙৰীয়াৰ নেতৃত্ব আৰম্ভ হৈছিল কিন্তু তাৰ পিচত ২০২০  চনলৈ  সুকলমে চলি আছিলে  । আপোনালোকে জানে যে এই বৃত্তিটো অকণমান আৰ্থিক সকাহ দিয়াৰ বাবে উদ্দেশ্য নহয়  । পঞ্চম- অষ্টম শ্ৰেণীৰ  ছাত্ৰ- ছাত্ৰীসকলৰ মনোবল বৃদ্ধি কৰাৰ বাবেও আৰু উৎসাহ দিয়াৰ বাবে এই পৰীক্ষাটোয়ে অবদান আগবঢ়াইছিল  । আমি  দেখিছো গাওঁ অঞ্চলত যিবিলাক সৰু সৰু লৰা- ছোৱালীয়ে বৃত্তি পায় সেই কণ কণ লৰা ছোৱালীক লৈ গোটেই গাওঁতে এটা উৎসৱমুখৰ পৰিৱেশ হয়  । আৰু তেতিয়া  কণ কণ লৰা ছোৱালীবিলাকৰ অভিভাৱকসকল অধিক সচেতন হয় , শিক্ষকসকলেও অধিক সচেতন হয়  । লগতে সেই  বৃত্তি পোৱা লৰা ছোৱালীবিলাকক গাওঁখনেও ভাল ষ্টুডেন্ট হিচাপে চিনাক্ত কৰি থয়  । গতিকে এনেধৰনৰ এটা ভাল আঁচনি কি কাৰণে তিনি বছৰ

ধৰি বন্ধ হৈ আছে আমি নুবুজিলো। আমাৰ প্ৰাথমিক শিক্ষা সন্মিলনিয়ে আমাৰ শিক্ষা মন্ত্ৰী ডাঙৰীয়াক কেইবাবাৰো সাক্ষাৎ কৰা বুলি আমি জানিবলৈ পাইছো । তেখেতে বাৰে বাৰে প্ৰতিশ্ৰুতি দিছে কিন্তু এতিয়ালৈ বৃত্তি পৰীক্ষাটো অনুষ্ঠিত কৰিব পৰা নাই । পূৰ্ব্বে যিসকলে ছাত্ৰ- ছাত্ৰীয়ে পাঁচ হাজাৰ টকা বৃত্তি পাইছে বেংকে ইটো সিটো জটিলতা দেখুৱাই এই বৃত্তিৰ টকা পোৱাৰ পৰা বঞ্চিত কৰাৰ কথা পোহৰলৈ আহিছে । বৰ পৰিতাপৰ বিষয় যে যিটো সময়ত গুণোৎসৱকে আদি কৰি বিভিন্ন ট্ৰেইনিঙ দি শিক্ষাৰ মানদণ্ড উন্নত কৰাৰ বাবে আমাৰ শিক্ষা বিভাগে চেষ্টা কৰি আছে সেই সময়ত এই বৃত্তিটো বন্ধ হৈ আছে । আজি **SEBA** কৰ্মকাণ্ড আনফালে একাংশ শিক্ষকৰ কৰ্মকাণ্ড আজি সংখ্যালঘু বৃত্তিৰ নামত কেলেংকাৰী ইত্যাদি কথাবিলাক পোহৰলৈ আহিছে। গতিকে এইবিলাকৰ প্ৰতি শিক্ষা বিভাগে মনোযোগ দিব লাগে । মাননীয় মন্ত্ৰী ডাঙৰীয়াক কঠোৰ হোৱাৰ বাবে আপোনাৰ জৰিয়তে আহ্বান জনাইছো আৰু অচিৰেই কণ কণ লৰা ছোৱালীখিনি পাবলগীয়া বৃত্তিৰ টকা আৰু সোনকালে বৃত্তি পৰীক্ষা অনুষ্ঠিত কৰিবলৈ মই আপোনাৰ জৰিয়তে আহ্বান জনালো ।

**মাননীয় উপাধ্যক্ষ ঃ** অনাৰেবল্ মিনিষ্টাৰ ।

**ডাঃ ৰণোজ পেগু, (মন্ত্ৰী, শিক্ষা ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপুনি এজন ডাক্টৰ আৰু মইও চিকিৎসা বিজ্ঞানৰ ছাত্ৰ আছিলো। কিন্তু আমি বাকী সকলো স্বাস্থ্য সম্পৰ্কে সজাগ- সচেতন হোৱা উচিত। এটা কথা মই মন কৰিছো যে ক'ভিড নামৰ মহামাৰী এটাই আমাৰ গোটেই পৃথিৱীকে এটা অদ্ভূত পৰিবেশৰ মাজত ঠেলি দিছিলে । লক ডাউনৰ নিছিনা পৰিবেশ এটাত আমি সোমালো আৰু তাৰ পৰা আমি বৰ্ত্তমান ওলাই আহিছো - এই কথাটো যেন খুব সোনকালে আমাৰ মনৰ মাজৰ পৰা নাইকীয়া হৈ গ'ল । এই ক'ভিডটো আমাৰ মেমোৰীৰ পৰা নাইকীয়া হৈ যোৱাটো এটা ভাল লক্ষণ নহয় । ক'ভিড হোৱাৰ বাবে মুখ্যমন্ত্ৰীৰ এই বিশেষ বৃত্তি পৰীক্ষা আমি অনুষ্ঠিত কৰিব নোৱাৰিলো । কণ কণ লৰা ছোৱালীৰ বৃত্তি পৰীক্ষা লক ডাউনৰ মাজত পতাটো তেতিয়াতো সম্ভৱ নাছিল। কিন্তু এতিয়া আমি এটা নৰ্মেলাইজেশ্যনৰ ফালে আহিছো আৰু এতিয়া আমি প্ৰাথমিক শিক্ষা কেন্দ্ৰত আন এটা কাম ধাৰাবাহিকভাবে কৰিবলৈ সিদ্ধান্ত কৰিছো আৰু সেইটো হৈছে গুণোৎসৱ। গুণোৎসৱৰ জৰিয়তে যিসমূহ বিদ্যালয় **A - Grade** পাইছে, এই বিদ্যালয়সমূহলৈ ইনচেন্টিভ হিচাপে আমি ২৫,০০০ টকাকৈ প্ৰদান কৰিম। গুণোৎসৱৰ মাজত মাজুলীৰ ভিতৰুৱা অঞ্চলৰ কেইখনমান বিদ্যালয়ত মই গৈছিলো । তাত প্ৰধান শিক্ষকে মোক দেখুৱাইছে যে গুণোৎসৱত লাভ কৰা টকাৰে টেলিভিজন কিনি - ডিজিটেল ডিভাইছৰ জৰিয়তে **SCRT** য়ে প্ৰস্তুত কৰা **Diksha Portal** ৰ জৰিয়তে ছাত্ৰ- ছাত্ৰীক শিক্ষা দান কৰিব। শিৱসাগৰৰ পাচশখন বিদ্যালয়ে টি. ভি কিনি পেলাইছে । এতিয়া আমি প্ৰথম পৰ্য্যায়ত গুণোৎসৱৰ জৰিয়তে বিদ্যালয়সমূহক প্ৰথমে ইনচেন্টিফাইড কৰিলো আৰু এতিয়া আমি পৰিকল্পনা কৰিছো যে গুণোৎসৱৰ জৰিয়তে আমাৰ যিটো মুখ্যমন্ত্ৰীৰ বিশেষ বৃত্তি পৰীক্ষা এই পৰীক্ষাটো একেলগে সংযোজিত কৰাৰ বাবে আমি পৰিকল্পনা কৰিছো । চলিত শিক্ষা বৰ্ষতে আমি গুণোৎসৱ আৰু **special merit scholarship examination** যিটো পৰীক্ষা এই দুয়োটা আমি সমন্বয় সাধন কৰিম লগতে অধ্যক্ষ মহোদয় আমি এইটোও সিদ্ধান্ত গ্ৰহণ কৰিছো যে শিক্ষাৰ অধিকাৰ আইন সংশোধনী ২০১৯ চনৰ যি সংশোধনী মতে আমি পাছ- ফেইল কৰা পৰীক্ষা পঞ্চম শ্ৰেণী আৰু অষ্টম শ্ৰেণীত অনুষ্ঠিত কৰিবলৈ সিদ্ধান্ত লৈছো সেইমতে ইতিমধ্যে পৰীক্ষা অনুষ্ঠিত হৈছে ইয়াতো আমি গুণোৎসৱৰ লগত লিংক কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছো । এতেকে মুখ্যমন্ত্ৰীৰ বৃত্তিৰ জৰিয়তে যেনেধৰনে

ছাত্ৰ- ছাত্ৰী লাভান্বিত হৈছিল এতিয়া গুণোৎসৱৰ জৰিয়তে ছাত্ৰ- ছাত্ৰীৰ এই বৃত্তীয় অনুদান বা উৎসাহ অব্যাহত থাকিব বুলি মই আশা কৰিছো - ধন্যবাদ ।

**শ্ৰীআব্দুৰ ৰহিম আহমেদ, (বৰপেটা ) ঃ** মাননীয় অধ্যক্ষ মহোদয় এটা কথা ক্লিয়েৰ নহ'ল- বেংকে যিটো টকাক কাৰিকৰী অসুবিধা বুলি দিয়া নাই ।

**ডাঃ ৰণোজ পেগু, (মন্ত্ৰী, শিক্ষা ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, কথাটো এনেকৈ ক'লে ব্যৱস্থা ল'বলৈ সমস্যা হয়। কোন কোন স্কুলৰ পৰা কোন কোন ছাত্ৰ- ছাত্ৰীয়ে পূৰ্ব্বৰ বৃত্তিৰ টকা পোৱা নাই আমাক নিৰ্দ্দিষ্টকৈ অভিযোগ দিলে আমি নিশ্চয় ব্যৱস্থা ল'ম।

**মাননীয় উপাধ্যক্ষ ঃ** আপুনি মন্ত্ৰী ডাঙৰীয়াক লগ কৰিব । এতিয়া মাননীয় সদস্য শ্ৰীৰূপেশ গোৱালা

**শ্ৰীৰূপেশ গোৱালা, (ডুমডুমা) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আমি সকলোৰে জানো যে অসমৰ অন্যতম বৃহৎ আৰু পিছপৰা জনগোষ্ঠীটো হৈছে - আদিবাসী চাহ জনগোষ্ঠী। আজিও এই জনগোষ্ঠীটো সামাজিকভাবে - অৰ্থনৈতিক ভাবে শৈক্ষিকভাবে অতি পিছপৰা । যোৱা পয়সত্তৰ বছৰে এই জনগোষ্ঠীটোৰ উত্তৰণৰ বাবে কোনো দিনে আন্তৰিকতাৰে কাম কৰা আমি দেখা নাই পোৱা । সেই কাৰণে এই জনগোষ্ঠীৰ বিভিন্ন দল সংগঠনে মাজে মাজে ৰাজপথত ওলায় । তেওলোকৰ সমস্যা- দাবীবিলাক দাঙি দৰে । আৰু এই দাবীবিলাকক লৈ আমি আইন সৃংখলাজনিত পৰিবেশ সৃষ্টি হোৱা আমি দেখা পাইছিলো । কিন্তু ২০১৬ চনৰ পিচত লাহে লাহে পৰিবেশ পৰিস্থিতি সলনি হ'বলৈ ধৰা আমি দেখা পালো । ২০২১ চনত যেতিয়া ভাৰতীয় জনতা পাৰ্টি আৰু মিত্ৰজোঁটৰ চৰকাৰ মাননীয় মুখ্যমন্ত্ৰী ডঃহিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত গঠন হ'ল তাৰ পৰৱৰ্ত্তী সময়ত এই জনগোষ্ঠীটোক আগবঢ়াই লৈ জোৱাৰ বাবে কিছুমান যুগান্তকাৰী আৰু উল্লেখযোগ্য সিদ্ধান্ত গ্ৰহণ কৰা হয় । এই সিদ্ধান্তবিলাকৰ যোগেদি এই জনগোষ্ঠীটোক আগবঢ়াই লৈ যাবৰ বাবে অহৰস প্ৰয়াস কৰা হৈছে । মই কিছুমান উল্লেখযোগ্য কথা এইখিনিতে ক'ব খুজিছো । চাহ বাগিছাৰ ৰাইজে মজুৰি বৃদ্ধিৰ কাৰণে বিভিন্ন সময়ত মাত মাতি আহিছিল । এই মজুৰিৰ বিষয়টো মীমাংসাৰ বাবে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে নিজেই উদ্যোগ গ্ৰহণ কৰি দুইবাৰ মিটিং কৰি অৰ্ন্তৱৰ্ত্তীকালীন মজুৰি বৃদ্ধি কৰাৰ বাবে ব্যৱস্থা লয় আৰু আজিৰ তাৰিখত এই মজুৰি ৩৩২ টকা হৈছে । মই আপোনাৰ যোগেদি মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাব খুজিছো যিহেতু অৰ্ন্তৱৰ্ত্তীকালীনভাবে মজুৰি দুইবাৰ বৃদ্ধি পাইছে এই মজুৰিৰ বৃদ্ধিটো আমি চুডান্তভাবে নিৰ্দ্ধাৰিণ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে । আৰু ইয়াক চুড়ান্ত ৰূপ দিয়াৰ বাবে মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো ।

অন্য এটা গুৰুত্বপূৰ্ণ কথা যিটো কথা হ'ল বিভিন্ন সময়ত আমি কৈ আহিছিলো যে অসমত থকা প্ৰায় ১,২,০০০০ যি ক্ষুদ্ৰ চাহ বাগিছা আছে সেই ১,২,০০০০ চাহ বাগিছাত প্ৰায় ৬ লাখৰো অধিক শ্ৰমিক সকলে কাম কৰি আছে। এই শ্ৰমিক সকলৰ কোনো দিনে কোনো মজুৰীৰ ব্যৱস্থা নাছিল। সৌ সিদিনা বিৰোধী দলৰ দলপতি ডাঙৰীয়াই এটা প্ৰাইভেদ বিল আনিছিল domestic worker ৰ কাৰণে। যিটো সময়ত আমি domestic worker ৰ কথা পাতিব খুজিছো সেই সময়ত কিন্তু অসমৰ এই ক্ষুদ্ৰ চাহ বাগিছাত কাম কৰা শ্ৰমিক সকলৰ কোনো ধৰণৰ মজুৰী নাছিল। কিন্তু এই চৰকাৰখনে যোৱা ২২ আগষ্ট তাৰিখে এই বাগিচা বোৰত কাম কৰা শ্ৰমিক সকলৰ কাৰণে মজুৰী নিৰ্দ্ধাৰণ কৰি এক অভিসূচনা জাৰি কৰিছিল। আৰু এই ক্ষুদ্ৰ বাগিছাৰ শ্ৰমিক সকলৰ মজুৰী ২৩২ টকালৈ নিৰ্দ্ধাৰণ কৰা হৈছে। এই মজুৰী আজি ঠিৰাং হ'ল কিন্তু দুৰ্ভাগ্যজনকভাৱে এটা কথা

ক'ব খুজিছো যে আজি এই মজুৰী বলবৎ হোৱা নাই গতিকে মই বিভাগীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাম, যে ক্ষুদ্ৰ চাহ বাগিছা বোৰত মজুৰী নিৰ্দ্ধাৰণৰ কাৰণে ব্যাৱস্থা কৰিব লাগে। এই জনগোষ্ঠীটোক আগবঢ়াই লৈ যোৱাৰ কাৰণে বিভিন্ন ধৰণৰ পদক্ষেপ এই চৰকাৰখনে গ্ৰহণ কৰিছে। মডেল হাইস্কুল, যিবিলাক প্ৰাথমিক বিদ্যালয় বাগিছা কৰ্তৃপক্ষৰ দ্বাৰা পৰিচালিত হৈ আছিল সেই বিদ্যালয় বিলাকত অতিৰিক্ত শিক্ষক আৰু পৰৱৰ্তী সময়ত সেই বিদ্যালয় বিলাক চৰকাৰী কৰণ কৰাৰ কাৰণে যিটো পদক্ষেপ চৰকাৰে গ্ৰহণ কৰিছে, বাগিছাৰ ৰাস্তা, জগন্নাথ মহাপ্ৰভু সমূহীয়া কেন্দ্ৰ, জে জে এমৰ যোগেদি পানী মডেল অংগনবাড়ী কেন্দ্ৰ বিভিন্ন ধৰণৰ  পদক্ষেপ এই চৰকাৰ খনে গ্ৰহণ কৰিছে। এই পিছপৰা জনগোষ্ঠীটোক আগবঢ়াই লৈ যাবৰ কাৰণে। আৰু এটা গুৰুত্ব পূৰ্ণ সিদ্ধান্ত এই চৰকাৰ খনে গ্ৰহণ কৰিছে সেয়া হ'ল চাহ নিগমৰ যি বাগিছা সেই বাগিছা বিলাকক লিজত দি সেই বাগিছাবোৰক পুনৰ জীৱিত কৰাৰ কাৰণে চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছে। আৰু এটা যুগান্তৰ সিদ্ধান্ত চৰকাৰ খনে গ্ৰহণ কৰিছে সেয়া হৈছে সেই জনগোষ্ঠীৰ পিছপৰা যি নিবনুৱা যুৱক-যুৱতী সকল আছে তেওঁলোকৰ কাৰণে চৰকাৰী চাকৰি সংৰক্ষণৰ ব্যৱস্থা কৰিছে। গতিকে মই এই গোটেইখিনি ব্যৱস্থাৰ কাৰণে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক আন্তৰিকতাৰে ধন্যবাদ দিয়াৰ লগতে এটা বিশেষ কথা সদনৰ লগতে মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰ কৰিব খুজিছো, যে চৰকাৰে যিটো সময়ত এই জনগোষ্ঠীটোক আগুৱাই লৈ যাবৰ কাৰণে এটাৰ পিছত এটা যুগান্তকাৰী সিদ্ধান্ত গ্ৰহণ কৰিছে আৰু লগতে এই উদ্যোগ খণ্ডত যাতে কোনো কাৰণতে তেওঁলোক আমি বিভিন্ন সময়ত কওঁ যে চাহ উদ্যোগটো বিপদত আছে বুলি কওঁ, এই বিপদত থকা উদ্যোগক পুনৰ জীৱিত কৰাৰ কাৰণে চৰকাৰে বিভিন্ন ধৰণৰ  ব্যৱস্থা গ্ৰহণ কৰিছে। কিন্তু এই ব্যৱস্থা বিলাক গ্ৰহণ কৰাৰ পিছতো সেই উদ্যোগ খণ্ডৰ যি সকল চাহ উদ্যোগী সকলে এই শ্ৰমিক সকলৰ কাৰণে বিশেষ ভাৱে চিন্তা কৰা আমি দেখা নাই।

**মাননীয় অধ্যক্ষ ঃ** হ'ব, ধন্যবাদ।

**শ্ৰীৰূপেশ গোৱালা, (ডুমডুমা) ঃ** অধ্যক্ষ মহোদয়, অকমান সময় দিয়ক। কথাটো অতি গুৰুত্ব পূৰ্ণ সেই কাৰণে মই কব খুজিছোঁ। এটা বিশেষ কথা মই সদনৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছোঁ, আজিৰ তাৰিখত আমি যদি বাগিছা বিলাকত চাবলৈ যাওঁ ৫০ শতাংশ বাগিছাত ডাক্তৰ নাই। বাগিছাৰ আইনখন সম্পূৰ্ণৰূপে বিভিন্ন বাগিছাই উলংঘা কৰিছে। গতিকে এই ক্ষেত্ৰত যদি আমি শ্ৰমবিভাগ কঠোৰ নহাওঁ তেন্তে এই অসাধু ব্যৱসায়ী সকলে বিভিন্ন সময়ত এনেধৰণৰ সুযোগ গ্ৰহণ কৰি থাকিব। গতিকে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাম যে বিশেষভাৱে এইটোত উদ্যোগ ল'ব লাগে। এই বাগিছাবোৰে বিভিন্ন সময়ত লোন লৈছে, লোন লৈ বিভিন্ন ব্যৱসায়ত তেওঁলোকে investment কৰিছে আৰু তাৰ ফলত বাগিছাবোৰ নিলাম হ'ব লগীয়া হৈছে, NCLT ত গৈছে আৰু যাৰ কাৰণে শ্ৰমিক সকল ভুক্তভোগী হ'ব লগীয়া হৈছে। গতিকে এই ক্ষেত্ৰতো আমৰ চৰকাৰে বিশেষ ভাৱে কিছুমান নীতিনিয়ম প্ৰনয়ন কৰিব লাগিব যাতে এই অসাধু ব্যৱসায় সকলে ডাঙৰ ডাঙৰ লোন লৈ, কাৰণ মাটি আমাৰ, অসমৰ মাটি, গতিকে আমাৰ অসমৰ মাটি তেওঁলোকে শ শ কোটি টকা লোন লৈছে। লোন লোৱাত আমাৰ আপত্তি নাই, কিন্তু এই ক্ষেত্ৰত এটা বিশেষ monitoring ৰ ব্যৱস্থা থাকিব লাগে যাতে তেওঁলোকে যিটো লোন বাগিছাৰ নামত লয় সেই লোন যাতে তেওঁলোকে বাগিছাতে investment কৰে, তাৰ কাৰণে এটা বিশেষ মনিটৰিঙৰ ব্যৱস্থা হ'ব লাগে। এই গোটেই কথাবিলাক যদি আমি সুনিশ্চিত নকৰো কিন্তু এদিন চাহ উদ্যোগটো নিশ্চয় লাহে লাহে বেয়াৰ ফালে যাব। আৰু সেইটো ৰক্ষা কৰিবলৈ হলে চৰকাৰে বিশেষ ভাৱে উদ্যোগ ল'ব লাগিব। গতিকে মই তাৰ বাবে পুনৰ মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰি মোৰ বক্তব্য সামৰণি মাৰিলোঁ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, Hon'ble Minister.

**শ্রীজাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী) ঃ** অধ্যক্ষ মহোদয়, এখেতে যিখিনি কথা উত্থাপন কৰিছে আমাৰ বিধায়িনী দলৰ পৰা আমি support কৰিছোঁ, তেওঁৰ পৰামৰ্শখিনি চৰকাৰে গ্ৰহণ কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে।

**শ্ৰীসঞ্জয় কিষাণ, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ধন্যবাদ জনাইছো ৰূপেশ গোৱালা ডাঙৰীয়াক, তেখেতে আজি চাহ শ্ৰমিক আদিবাসী জনগোষ্ঠীটোৰ সম্পৰ্কে আজি এই সন্মানীয় বিধান সভাত তেওঁৰ মন্তব্য আগবঢ়াইছে। মই সদনক জনাব বিচাৰো যে বৰ্তমান অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত সব কা সাথ, সব কা বিকাশ নিয়মৰে অসমত বসবাস কৰা প্ৰত্যেকটো জাতি জনগোষ্ঠীক সমান ভাৱে আগুৱাই লৈ যাবৰ কাৰণে প্ৰয়াস কৰা হৈছে আৰু সেয়েহে ইতিমধ্যে আমি সকলোৱে উপলব্ধি কৰিছোঁ। ৰূপেশ গোৱালা ডাঙৰীয়াই এই কথাটো কৈছে ইতিমধ্যে। যে দীৰ্ঘদিন ধৰি এই জনগোষ্ঠীটোৰ ওপৰত যি দৰে শোষন নীতি চলি গ'ল চাহ বাগিছা অঞ্চলত কোনো এটা চৰকাৰী আঁচনি পূৰ্বত কৰিব পৰা নাছিল। সৌভাগ্যবশত আমাৰ চৰকাৰ খন অহাৰ পাছত প্ৰথমবাৰৰ বাবে এই জনগোষ্ঠীটোক সৰ্বটো প্ৰকাৰে আগুৱাই লৈ যাবৰ কাৰণে এটাৰ পাছত এটা আঁচনি ইতিমধ্যে চাহ বাগিছা অঞ্চলত প্ৰৱেশ কৰিলে আৰু আমি জানে যে এটা জাতিক উন্নতিৰ দিশত আগুৱাই লৈ যাবলৈ হলে নিশ্চিত ভাৱে উক্ত জাতিৰ ল'ৰা-ছোৱালীখিনি শিক্ষিত হ'ব লাগিব। শিক্ষা খণ্ডত শক্তিশালী ৰূপত আগুৱাই লৈ যাব লাগিব আৰু যাৰ কাৰণে ইতিমধ্যে আমাৰ শৈক্ষিক ব্যৱস্থাটো শক্তিশালী কৰিবৰ কাৰণে চাহ জনজাতি কল্যাণ বিভাগৰ দ্বাৰা চাহ জনগোষ্ঠীৰ নৱম শ্ৰেণীৰ পৰা অধ্যয়ন কৰি থকা ছাত্ৰ-ছাত্ৰী সকলক উপকৃত কৰিবৰ বাবে ইতিমধ্যে আমি অনলাইনৰ জৰিয়তে আবেদন গ্ৰহণ কৰিছিলোঁ। তাত প্ৰৱেশিকা জলপানীৰ বাবে ইতিমধ্যে আমি ৩ হাজাৰ টকাকৈ প্ৰায় ৪,৯৯২ গৰাকী ছাত্ৰ-ছাত্ৰীক জলপানী দিছোঁ। চাহমান সিং হ'ৰ প্ৰৱেশিকাৰ বাবে ছাত্ৰ-ছাত্ৰী সকলে বিশেষ জলপানি প্ৰায় ১০ হাজাৰ টকাকৈ ৫,৮৩৫ গৰাকীক ইতিমধ্যে দিছোঁ। লগতে প্ৰৱেশ পত্ৰৰ জলপানিৰ বাবে ৫ হাজাৰ/৭ হাজাৰ টকাকৈ প্ৰায় ২০,৮৪৪ গৰাকীক ছাত্ৰ-ছাত্ৰীক ইতিমধ্যে আমি জলপানিৰ ব্যৱস্থা কৰিছোঁ। উচ্চ শিক্ষাৰ বাবে ইতিমধ্যে ২৫ হাজাৰ টকাকৈ আৰু ৩৫ হাজাৰ টকাকৈ প্ৰায় ১,৭২৯ গৰাকী ছাত্ৰ-ছাত্ৰীক আমি অনুদান আগবঢ়াইছোঁ। লগতে কাৰিকৰী শিক্ষাৰ ক্ষেত্ৰতো আমাৰ ছাত্ৰ-ছাত্ৰী সকলক আগুৱাই লৈ যাবৰ কাৰণে ANM, GNM nursing ৰ কাৰণে ইতিমধ্যে আমি ২০ হাজাৰ টকাকৈ প্ৰায় ২৩৩২ গৰাকী ছাত্ৰ-ছাত্ৰীক অনুদান আমি আগবঢ়াইছোঁ। উচ্চ শিক্ষা প্ৰশিক্ষণৰ বাবে ইতিমধ্যে চিকিৎসা শিক্ষা, অভিযান্ত্ৰিক শিক্ষা কৰ্মচাৰী বাচনি আদিত অন্তৰ্ভূক্ত হ'বলৈ প্ৰশিক্ষণৰ ব্যৱস্থা এই আঁচনিৰ জৰিয়তে আমি বিভিন্ন সময়ত আমাৰ ছাত্ৰ-ছাত্ৰী সকলক training ৰ ব্যৱস্থা আমি কৰিছোঁ। লগতে স্বাস্থ্য সম্পৰ্কীয় আঁচনি যেনেকৈ যক্ষ্মা, কৰ্কট অন্যান্য প্ৰাধন্যৰ ৰোগ বিলাকৰ কাৰণে আমি অনুদান আগবঢ়াইছোঁ। প্ৰত্যেকটো ক্ষেত্ৰতে আমাৰ বিশেষভাৱে এইবাৰ সাংস্কৃতিক দিশটোত সেই আদিবাসী চাহ জনগোষ্ঠী সমাজ খনক আগুৱাই লৈ যাবৰ কাৰণে ইতিমধ্যে অসম চাহ জনজাতি কল্যাণ লোক সকলৰ সাংস্কৃতিক সুৰক্ষাৰ বাবে চাহ জনজাতি কল্যাণ বিভাগে এখন চাহ জনগোষ্ঠী সমন্বয় কলাক্ষেত্ৰ নামেৰে এক কলাক্ষেত্ৰ নিৰ্মাণৰ বাবে ইতিমধ্যে আগবাঢ়িছে। উক্ত কলাক্ষেত্ৰটো চাহ জনগোষ্ঠী লোকসকলৰ ইতিহাস আৰু পৰম্পৰা প্ৰদৰ্শন কৰা এটা সংগ্ৰাহলয় জনজাতিৰ বিভিন্ন সাংস্কৃতিক উৎপাদনসমূহ প্ৰদৰ্শন কৰিবলৈ সাংস্কৃতিক কেন্দ্ৰ জনজাতিটোৰ গৱেষণা আৰু অন্যান্য কেন্দ্ৰ বিশেষ সা-সুবিধা থাকিব। উক্ত কেন্দ্ৰ কলাক্ষেত্ৰটো

গোলাঘাট জিলাৰ কাজিৰঙা সীমাত বোকাখাট ৰাজহচক্র অন্তর্গত হাতিকুলো চাহ বাগিচাৰ গাওঁত প্রস্তাৱ লোৱা হৈছে। ইতিমধ্যে চলিত মাহৰ ফেব্রুৱাৰী গোলাঘাট জিলাৰ বোকাখাট ৰাজহ চক্রৰ অন্তর্গত চক্র বিষয়াৰ পৰা ৩০ বিঘা মাটি ইতিমধ্যে আৱন্টন পাইছো। ইতিমধ্যে গড়কাপ্তানী বিভাগক মাটিৰ নথি-পত্র দিয়া হৈছে। তেওঁলোকে ইতিমধ্যে Boundary wall ৰ কাৰণে আগবাঢ়িছে। মহাপ্রভু জগন্নাথ কমিটিখন হ'ল আৰু তাত এখন আটক ধুনীয়া বিবাহ ভৱন হ'ব। তাত কাৰিকৰী শিক্ষা ব্যৱস্থাও থাকিব। একো একোটা জগন্নাথ ভৱন নির্মাণৰ বাবে ১৫০ কোটি টকাকৈ সর্বমুঠ ৭৫০ কোটি টকা এইবাৰ বাজেটত ধাৰ্য্য কৰা হৈছে। মই ভাবো চাহ বাগিচাৰ ৰাইজে উপকৃত হ'বলৈ সক্ষম হ'ব। আমি জনাব বিচাৰিছো যে, মাননীয় মুখ্যমন্ত্রীৰ নেতৃত্বত ৩ বাৰকৈ মজুৰি বৃদ্ধি কৰিছো। বর্তমান আৰু আলোচনা চলি আছে, আমাৰ শ্রমিক সন্থা আৰু চৰকাৰে আলোচনা কৰি মজুৰি বৃদ্ধি কৰা বিষয়টোত সিদ্ধান্ত লোৱা হয়। আমাৰ তৃপাক্ষীক আলোচনা হ'ব। ইতিমধ্যে কেন্দ্রীয় চৰকাৰে ভাৰতবর্ষৰ সকলো ৰাজ্যৰ বাবে শ্রমিক সকলৰ কাৰণে একে ধৰণৰ মজুৰিৰ বাবে Labour Board ৰ জৰিয়তে এটা প্রস্তাৱ আনি আছে। যদি তেনেকুৱা ধৰণৰ কিবা কেন্দ্রীয় চৰকাৰৰ নির্দেশনা পাওঁ তেতিয়া হ'লে এই নির্দেশনা অসমতো বলবৎ কৰিম। আমাৰ বহু শ্রমিক ক্ষুদ্র চাহ বাগিচাত কাম কৰে আমি ইতিমধ্যে কেইবাৰো আলোচনাত মিলিত হৈছে আৰু চৰকাৰৰ ফালৰ পৰা নির্দেশনা জাৰি কৰা হৈছে যে, অন্যান্য শ্রমিক সকলে যি মজুৰি পায়, সেই একে মজুৰি যেন প্রদান কৰে। আমাৰ পৰাও এইটো নির্দেশনা থাকিব। এই জনগোষ্ঠীটোক যাতে অন্যান্য জাতি-জনগোষ্ঠীৰ লগতে সমান ভাবে আগুৱাই লৈ যাব পাৰো তাৰ কাৰণে ইতিমধ্যে এইবাৰ আমাৰ চৰকাৰে বাজেটত পদক্ষেপ গ্রহণ কৰিছে। আমাৰ চাহ বাগিচাত যি বিলাক শ্রমিকৰ গৃহত বিদ্যুৎৰ ব্যৱস্থা আছিলে বহু বিলাক কাৰণত বিদ্যুৎ ৰ বিল নিদিয়াৰ কাৰণে বহু বিদ্যুৎ কর্তন হৈছিল। এই বিল সমূহ সম্পূর্ণ আদায় দিবৰ কাৰণে এইবাৰ বাজেটত আমাৰ চৰকাৰে প্রায় ১৫০ কোটি টকা ধাৰ্য্য কৰিছে যাতে এই বিদ্যুৎৰ কাৰণে শ্রমিক সকলৰ যি অসুবিধাৰ সৃষ্টি হৈছে, সেই অসুবিধা যাতে নাইকীয়া কৰিব পৰা যায়। সেই কাৰণে বাজেটত ১৫০ কোটি টকা ধাৰ্য্য কৰা হৈছে। চাহ বাগিচাৰ অসুবিধা সসূহ দূৰ কৰিবৰ বাবে। ছাত্রবাস, ছাত্রী নিবাসৰ বাবেও এইবাৰ আমি টকা পাবলৈ সক্ষম হৈছো। যি বিলাক ছাত্র-ছাত্রীয়ে হোষ্টেলত থাকি পঢ়া শুনা কৰিছিল তেওঁলোকৰ কাৰণে আমি হোষ্টেল নির্মাণৰ বাবেও চেষ্টা কৰা হৈছে। ৰাষ্ট্রীয় খাদ্য সুৰক্ষা আইন ২০১৩ ৰ অধীনত ৰেচম কার্ড প্রায় বিলাক চাহ বাগিচাৰ শ্রমিক সকলক প্রদান কৰা হৈছে। প্রতি মাহে ৩৫ কেজি চাউল পাবলৈ সক্ষম হৈছে। লগতে মহাত্মা গান্ধী এমজি এনৰেগাৰ জৰিয়তে প্রথমবাৰ আমাৰ চৰকাৰ অহাৰ পিছত চাহ বাগিচাৰ লাইন আৰু ৰাস্তা সমূহ এনৰেগাৰ জৰিয়তে ইতিমধ্যে কাম কৰিবলৈ সুবিধা প্রদান কৰা হৈছে, তাৰ বাবে চৰকাৰে ব্যৱস্থা গ্রহণ কৰিছে। চাহ শ্রমিক সকলৰ মাজৰ পৰা বৃদ্ধ পেন্সৰ ব্যৱস্থা কৰাৰ ফলত বহুত উপকৃত হৈছে। মুখ্যমন্ত্রী আৱাস যোজনা প্রথমবাৰৰ বাবে এই আঁচনি গ্রহণ কৰিছে আৰু চাহ বাগিচা অঞ্চলটো প্রায় ১০,০০০ টা ঘৰ নির্মাণ কৰিবৰ বাবে এইবাৰ চৰকাৰে ব্যৱস্থা গ্রহণ কৰিছে। লগতে মজুৰি ক্ষতি পূৰণ আঁচনি, অসমৰ চাহ বাগিচা অঞ্চলত গৰ্ভৱতী মহিলা সকলৰ বাবে আঁচনি সমূহ গ্রহণ কৰিছে। যোৱা বিগত সময়ছোৱাত বিশেষ ভাবে কংগ্রেছৰ চৰকাৰৰ দিনত যথেষ্ঠ গৰ্ভৱতী মহিলাৰ মৃত্যু হৈছিল। কিন্তু কোনো ধৰণৰ ব্যৱস্থা গ্রহণ কৰা হোৱা নাছিল। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** আপোনালোকে বহক, সকলোৱে বহক, আপোনালোকে যদি মেট্রিক পৰীক্ষাৰ খেলি মেলিৰ দৃষ্টি আর্কষণত আলোচনা নকৰে, মই বিললৈ গুছি যাম। এতিয়া আইটেম নং ৫। ৰুল

৫০ ত মাননীয় বিৰোধী দলৰ দলপতি।

**শ্ৰী দেৱব্ৰত শইকীয়া (বিৰোধী দলৰ দলপতি, নাজিৰা)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই ৰুল ৫০ৰ অধীনত আপুনি আজিৰ এটা গুৰুত্বপুৰ্ণ বিষয়ৰ আলোচনাৰ বাবে সুযোগ দিয়াৰ বাবে আপোনাক ধন্যবাদ জনাইছো। মহোদয়, এইক্ষেত্ৰত আমি ব্যক্তিগত ভাবে কাকো জগৰীয়া নকৰো। SEBA যিহেতু যথেষ্ট গুৰুত্বপুৰ্ণ। সেই গতিকে SEBA ক কেনেকৈ সংস্কাৰ কৰিব পাৰি এই বিষয়টো লৈ বহু খিনি আলোচনা এই সদনতে পূৰ্বতেও হৈছিল। সেই কাৰণে তাৰ ভিত্তি আমি আলোচনাখিনি কৰিব বিচাৰো আৰু এই ক্ষেত্ৰত আশা কৰো চৰকাৰৰ ফালৰ পৰা এটা সদ উত্তৰ পাম। মহোদয়, ১৯৫১-৫২ চনতে গোটেই ভাৰতবৰ্ষত শিক্ষা ব্যৱস্থা কেনে ধৰণে কৰা হ'ব, তাৰ বাবে মুদালিয়ৰ আয়োগ গঠন কৰা হৈছিল। এই আয়োগে কেইটামান সেই সময়ত থকা মাধ্যমিক শিক্ষা পদ্ধতিৰ দোষৰ প্ৰতি আঙুলিয়াই দেখুৱাইছিল। তাৰ ভিতৰত তেওঁলোকে প্ৰথম কৈছিল শিক্ষা ব্যৱস্থাৰ ত্ৰুটি ২য়তে কৈছিল, পাঠ্যপুথিৰ দোষ আৰু ৩য়তে প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষকৰ অভাৱ। মুদালিয়ৰ আয়োগত উল্লেখ থকা শিক্ষাৰ দুটা কথা হ'ল যে এটা গণতান্ত্ৰিক নাগৰিকত্বৰ বিকাশ সাধনৰ বাবে কাৰণ আমাৰ দেশখনৰ আগন্তুক সময়ত প্ৰতিজন নাগৰিকে কিছুমান প্ৰত্যাহ্বান গ্ৰহণ কৰিব লাগে। আৰু এই প্ৰত্যাহ্বান গ্ৰহণ কৰিবৰ বাবে চিন্তাৰ মুক্ততা আৰু নতুন ধ্যান ধাৰণাৰ গ্ৰহণ ক্ষমতা বিকাশাই তুলিব লাগে। ছাত্ৰ-ছাত্ৰীসকলৰ মাজত এক বিজ্ঞান ভিত্তিক আৰু বস্তুনিষ্ঠ মনোভাৱৰ গঢ় দি তুলিব লাগে যাতে তেওঁলোকে পুৰনি ৰীতি নীতি বিশ্বাস আদিৰ মাজত আৱদ্ধ হৈ নাথাকে। প্ৰতিজন লোকৰ মৰ্য্যদা আৰু মূল্যৰ ওপৰত ভিত্তি কৰি গণতন্ত্ৰ বৰ্তি থাকে। সেয়েহে প্ৰতিজন লোকৰ ব্যক্তিত্তৰ পুনৰ বিকাশ গণতান্ত্ৰিক দেশৰ সিক্ষাৰ লক্ষ্য হোৱা উচিত। গতিকে শিক্ষাই ব্যক্তিৰ প্ৰতিটো প্ৰয়োজন যেনে মনোবৈজ্ঞানিক, সামাজিক, আৱেগিক আৰু বাস্তবিক পুৰনৰ ব্যৱস্থা কৰিব লাগে। মহোদয় মাধ্যমিক শিক্ষাক ৰাষ্ট্ৰ গঢ়াৰ শিক্ষা বুলিও বিবেচনা কৰা হয়। মাধ্যমিক শিক্ষা হ'ল, প্ৰাথমিক শিক্ষা আৰু উচ্চ শিক্ষাৰ মাজৰ চাবিকাঠি। মাধ্যমিক শিক্ষা হ'ল এটা অতি গুৰুত্বপুৰ্ণ ক্ষেত্ৰ। এখন দেশৰ সামগ্ৰিক বিকাশত মাধ্যমিক শিক্ষা ব্যৱস্থাই গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। সেয়েহে মাধ্যমিক শিক্ষাক জাতি গঠনৰ শিক্ষা হিচাপে বিবেচনা কৰা হয়। প্ৰাথমিক আৰু উচ্চ শিক্ষাৰ লগত যোগসূত্ৰ ৰক্ষা কৰি এক স্বয়ং সম্পুৰ্ণ শিক্ষা ব্যৱস্থা গঢ়ি তোলাই মাধ্যমিক শিক্ষাৰ প্ৰধান লক্ষ্য। মহোদয়, আমি যেতিয়া SEBAৰ সংস্কাৰৰ কথা কওঁ আৰু এই কথা যে অকল কোনো আন্দোলনকাৰী বা বিৰোধী দলে সমালোচনা কৰিবলৈ কৰে এনে নহয়। অসম বিধান সভাৰ মজিয়াটো আমাৰ বৰ্তমানৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্ম্মা ডাঙৰীয়াই ২০০৮ চনত এই পবিত্ৰ সদনৰ মজিয়াত তেখেতে এটা পৰামৰ্শ আগবঢ়াইছিল। তেখেতে কৈছিল যে "To bring reform in the education sector, Sarma suggested constitution of the House Committee or a panel of academicians to examine the matter. Sarma was education Minister from 2011-13 in Chief Minister Tarun Gogoi's cabinet."মহোদয় সেই সময়ত আমাৰ শিক্ষা বিষয় আলোচনা হৈ আছিল, আৰু সেই আলোচনাৰ সময়ত ঠিক এনে ধৰণে আমাৰ বৰ্তমানৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছিল। আৰু তেখেত এই সন্দৰ্ভত টুইটো আছে য'ত তেখেতে কৈছে SEBA বাজেতৰ বক্তব্যটো আছিল যে SEBA ক আমি সংস্কাৰ কৰিব লাগিব। মহোদয় SEBA ক সংস্কাৰৰ কথা কেৱল ঘোষনা কৰিলে নহয়। প্ৰকৃততে যিহেতু SEBA Assam Secondary Education Act 1961 ৰ অধীনত গঠিত। গতিকে সেই আইনখনো সংশোধন হ'ব লাগিব। যদি আমি SEBA ক সংস্কাৰ কৰিব বিচাৰো, আৰু SEBA ক সংস্কাৰৰ

বাবে যোৱা সময়ছোৱাত ৩ খনকৈ কমিটিও গঠন হ'ল। প্ৰথম এখন কমিটি হৈছিল ২০১২ চনত। সেইখনৰ প্ৰতিবেদন দাখিল কৰিলে কৃষ্ণ কান্ত সন্দিকৈ মুক্ত বিশ্ব বিদ্যালয়ৰ সেই সময়ৰ vice chancellor শ্ৰীনাথ বৰুৱাৰ যোগেদি। ২য় এখন কমিটি হৈছিল, কটন কলেজৰ অৱসৰপ্ৰাপ্ত অধ্যাপক দিলীপ বৰুৱা ডাঙৰীয়াৰ যোগেদি, আৰু ৩য় কমিটি হৈছিল ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন vice chancellor অলক বড়াগোঁহাই আৰু এজন ব্যক্তিৰ যোগেদি। এই গোটেই বিলাক প্ৰতিবেদন যেতিয়া দাখিল কৰা হৈছিল, সেই সময়ত আমাৰ অসমৰ বৰ্তমানৰ মুখ্যমন্ত্ৰী সেই সময়ত শিক্ষা মন্ত্ৰী হৈ কাৰ্য্যনিৰ্বাহ কৰিছিল আৰু মহোদয় এই গোটেই বিলাক কৰা হৈছিল, সেই সময়ত ৰাইজৰ মাজত যি SEBA ক লৈ যি সমালোচনা হৈছিল। সেই সমালোচনাৰ প্ৰতিবাদৰ প্ৰত্যুত্তৰ হিচাপে এই পদক্ষেপখিনি গ্ৰহণ কৰিছিল। সেই গতিকে আমি বিধান সভাৰ পৱিত্ৰ মজিয়াত আমি এনেকৈ ল'ব নালাগে যে ৰাইজৰ ক্ষোভ আহিলে চৰকাৰে এটা কথা কৈ দিব। যাৰ কাৰণে সেই ক্ষোভ সাময়িক ভাবে প্ৰশমিত হ'ব। কিন্তু আমি পৰৱৰ্তী সময়ত সেই ক্ষোভ যি কাৰণে হৈছিল আৰু যি প্ৰতিশ্ৰুতি দিয়া হৈছিল সেই প্ৰতিশ্ৰুতিখিনি আমি পাহৰি সদনৰ সৰ্যদা আমি হানি কৰিব নালাগে। মহোদয় নবেম্বৰ ২০১৭ চনত Assam Education service ৰ বিষয়া ধনদেৱ মহন্তক অপসাৰণ কৰি সেই সময়ৰ আই এ এচ বিষয়া এজন, যি জনে বৰ্তমান চেয়াৰমেন হৈ আছে, অৱসৰৰ পিছত তেখেতক নিযুক্ত কৰা হৈছিল। এই কামটো মহোদয়, সেই সময়ত SEBA ৰ নীতি নিয়ম উলংঘা কৰি কৰা হৈছিল। কাৰণ SEBA ই এটা পৰীক্ষাৰ কাৰণে প্ৰস্তুতি কৰিব লাগে, আৰু সেই পৰীক্ষাৰ প্ৰস্তুতি তেখেত সকলৰ আৰম্ভ হয়, জুলাই মাহৰ আৰম্ভনিৰ পৰা ।SEBA ৰ অধ্যক্ষ অৰ্থবা সচিব আৰু শীৰ্ষ বিষয়া সকলক মেট্ৰিকৰ প্ৰস্তুতিৰ মাজত বদলি কৰা নহয়। কিন্তু এই গোটেইখিনি যিহেতু এনে কৰিলে SEBA ৰ গোপনীয়তা ভংগ হ'ব পাৰে আৰু মেট্ৰিক পৰীক্ষাৰ প্ৰস্তুতি জুলাইৰ পৰা আৰম্ভ হয়। কিন্তু নবেম্বৰ মাহত যেতিয়া বদলি কৰা হ'ল, তেতিয়া এই বিধি উলংঘা কৰা হ'ল। সেই গতিকে চৰকাৰী ভাবে SEBA ক কিছু শলঠেকত পেলোৱা হৈছে বিভিন্ন সময়ত। ২০১৩ চনত সদৌ অসম ছাত্ৰ সন্থাই প্ৰতিবাদ কৰিছিল আৰু অন্য সকলেও কৰিছিল। সেই সময়ত পৰীক্ষাৰ কিছু বেমেজালি হোৱাৰ বাবে সেই সময়ৰ অধ্যক্ষ এচ কে হাজৰিকা তেওঁক চৰকাৰে বোধ কৰো অপসাৰণ বা তেখেতে নিজে পদত্যাগ কৰিছিল। মোৰ সঠিককৈ মনত নাই। বৰ্তমানৰ শাসক পক্ষত থকা এগৰাকী বিধায়ক সেই সময়ৰ অসম সাহিত্য সভাৰ বিষয়ববীয়া আছিল। তেখেতেওঁ এই কথাখিনি সমৰ্থন কৰিছিল। যে SEBA ৰ সেই সময়ৰ অধ্যক্ষ জনক অপসাৰণ কৰিব লাগে। তেতিয়া দাবী আছিল যে চেয়াৰমেন জন এজন শিক্ষাবিদ হ'ব লাগে। মহোদয়, এতিয়াৰ যিজন অধ্যক্ষ, তেখেতৰ কাৰ্য্যকালত ২০১৬ চনত বিজ্ঞানৰ প্ৰশ্নৰ বেমেজালি হৈছিল। ২০১৭ চনত গণিতৰ পৰিবৰ্তে অসমীয়াৰ পেপাৰ বিতৰণ হোৱাৰ বাবে পৰীক্ষা নতুনকৈ পাতিব লগা হৈছিল। ২০১৮-১৯ চনত প্ৰশ্নকাকত পৰীক্ষাৰ দিনাখন পৰীক্ষাহলত আৰম্ভ হোৱাৰ ১৫ মিনিটৰ ভিতৰতে ফাদিল হৈছিল। ঠিক তেনেকৈ মহোদয়, ২০২২ চনত ২০২১ চনৰ প্ৰশ্নকাকত লৈ পৰীক্ষা সম্পন্ন কৰা হৈছিল। আৰু ২০২৩ চনৰ কথা আমি জানোৱেই যে বিজ্ঞান আৰু অসমীয়াৰ প্ৰশ্নকাকত ফাদিল হোৱাৰ তথ্য এতিয়া পোহৰলৈ আহিছে। মহোদয় আৰু এটা সময়ত ক'ভিডকালিন পৰিস্থিতিত যি এটা নিৰ্দেশনা দিয়া হৈছিল, তেনে ধৰণে উত্তীৰ্ণ কৰিব লাগে। বহু স্কুলৰ সেই ৰেকৰ্ড ননাকৈয়ে তেওঁলোকক উত্তীৰ্ণ কৰি দিয়া হ'ল বুলিও অভিযোগ উত্থাপন হৈছিল। মাননীয় অধ্যক্ষ মহোদয়, বৰ্তমান সময়ত গোগামুখ কলেজৰ অধ্যাপক শ্ৰী শশীন্দ্ৰ দলে ডাঙৰীয়াই "আমাৰ অসম" কাকতত এটা প্ৰবন্ধ লিখি এই বৰ্তমানৰ সময়ত যিখিনি প্ৰশ্নকাকত ফাদিলৰ

বিষয়টোত ভূমিকা ললে তাৰ বাবে মই তেখেতৰ শলাগ লৈছো। তেখেতে external হিচাবে বৰদলনি হাইস্কুলত প্ৰথম দিনাই কেইবাজনো ছাত্ৰক ইংৰাজী বিষয়ত নকল কৰাৰ অৱস্থাত ধৰা পেলাইছিল আৰু তাৰ পৰৱৰ্ত্তী সময়ত বজাৰত ভাইৰেল হোৱা উত্তৰৰ লগত সেই পৰীক্ষাৰ প্ৰশ্ন কাকতৰ নম্বৰ বিলাক আৰু উত্তৰ বিলাক একে হোৱা তেওঁ পাইছিল। ঠিক তেনেকৈ তাৰ পৰৱৰ্ত্তী সময়ত ১৩ মাৰ্চত বিজ্ঞানৰ পৰীক্ষা এদিনৰ পূৰ্বে ১২ মাৰ্চত প্ৰশ্নকাকত লিক হোৱা কথাটো তেখেতে নিশ্চিত হৈছিল আৰু তেওঁ নিজে সেই কথাখিনি জানিবৰ বাবে Google Pay ৰ যোগেদি প্ৰশ্নকাকত এখন কিনিছিল। তেখেতে লিখা মতে ডিব্ৰুগড়ৰ চল্টব্ৰুক স্কুলৰ এজন ছাত্ৰক তেওঁ Google Pay কৰিছিল। মাননীয় অধ্যক্ষ মহোদয়, তেখেতে এই বিষয়ে প্ৰাৰম্ভিক ভাৱেই ধেমাজিৰ শিক্ষা বিষয়াক জনাইছিল কিন্তু তেখেতে এইক্ষেত্ৰত যেনেধৰণে সঁহাৰি দিব লাগিছিল তেনেধৰণে সঁহাৰি পোৱা নাই বুলিও উল্লেখ কৰিছে। ১২ মাৰ্চৰ দিনা ধেমাজিৰ IS chairman, SEBA ৰ লগত তেখেতে যোগাযোগ কৰিছিল কিন্তু তেখেতে লিখামতে চেয়াৰমেনে এইক্ষেত্ৰত কোনো পদক্ষেপ নললে আৰু মই মাননীয় শিক্ষামন্ত্ৰী ডাক্তৰ ৰণোজ পেগু ডাঙৰীয়াৰ শলাগ ল'ব বিচাৰো যে তেখেতক যেতিয়া শশীন্দ্ৰ দলে জনালে তেতিয়া তাৎক্ষণিক ভাৱে ইয়াৰ ওপৰত ব্যৱস্থা লৈছিল আৰু সেইদিনাখন সেইবাবে SEBA ৰ পৰীক্ষা স্থগিত হ'ল। মাননীয় অধ্যক্ষ মহোদয়, লোহিত খাবলুলৈ SEBA ৰ বিজ্ঞানৰ ২৯ টা প্ৰশ্ন কাকতৰ টোপোলা পঠাব লাগে কিন্তু ২৮ টা প্ৰশ্ন কাকতৰ টোপোলা সমজি লোৱা হৈছিল আৰু এইখিনি থানাত থৈছিল। SEBA ই কমকৈ প্ৰশ্ন কাকতৰ টোপোলা চমজি লোৱাৰ বিষয়ে জনাৰ পিছতো কিয় এই বিসংগতিটোৰ বিষয়ে তদন্ত নহ'ল, SEBA ই কিয় এই বিষয়ত তাৎক্ষণিক ভাৱে একো নকৰিলে এই কথা বিলাক কিন্তু এতিয়াও তদন্তৰ আওঁতালৈ অহা নাই। যেতিয়া CID ক গোচৰটো দিয়া হ'ল তেতিয়া CID য়ে প্ৰশ্নকাকতৰ টোপোলা হৰলুকি হৈছে নেকি এইটো থানাক জনাবলৈ কোৱাৰ পিছতো এখন থানাই এই কথাটো CID ক নজনালে। গতিকে মাননীয় অধ্যক্ষ মহোদয়, কেৱল যে শিক্ষা বিভাগৰ লোকেই জড়িত আছে নে, অন্য কোনো লোক জড়িত আছে সেই কথাখিনিও জনাটো দৰকাৰ। যিহেতু SEBA ই তেওঁলোকৰ নিজৰ যিখিনি দায়িত্ব আছিল সেইখিনি ভালধৰণে পালন কৰা নাই বুলি মই কোৱা কথাখিনিৰ পৰা ওলাই পৰে, সেইকাৰণে SEBA ৰ অধ্যক্ষ যিজনৰ নিয়ম বৰ্হিভূত ভাৱে সময় বৃদ্ধি হৈছে, তেখেতক অপসাৰণটো যিহেতু বহুতেই দাবী কৰিছে, আজি প্ৰায় ৪-৫ দিন ধৰি Student Fedaration of India আৰু অন্যান্য ছাত্ৰ সংগঠন সমূহে অনশন ও কৰিছিল। তেখেতে বহু কেইটা যুক্তি সংগত দাবী কৰিছে আৰু এই ছাত্ৰ-ছাত্ৰী সকলৰ পৰীক্ষাৰ সময়ত পৰীক্ষা হঠাৎ বন্ধ হৈ যোৱাৰ ফলত যেনেধৰণৰ এটা মানসিক চাপ পৰিছিল ইয়াৰ প্ৰতিবাদ কৰিবলৈ যেতিয়া ছাত্ৰ-ছাত্ৰী সকল আহিছিল কিছু কিছু অঞ্চলত এই ছাত্ৰ-ছাত্ৰী সকলক পুলিচৰ দ্বাৰা মানসিক হাৰাশাস্তি কৰোৱা হৈছিল। যিটো ধেমাজি বা বিশ্বনাথ চাৰিআলি আদি জিলাৰ পৰা যোৱা সময়চোৱাত এনে তথ্য পোহৰলৈ আহিছে। মাননীয় অধ্যক্ষ মহোদয়, এইবছৰ ৪ লাখ ২২ হাজাৰ ১৭৪ জন ছাত্ৰ-ছাত্ৰীয়ে এই পৰীক্ষাত অৱতীৰ্ণ হৈছে যিটো তেখেত সকলৰ জীৱনৰ প্ৰথম ৰাজহুৱা পৰীক্ষা। তেনে সময়ত প্ৰথম দিনাৰ পৰাই সত্য নে অসত্য মই নাজানো কিন্তু প্ৰশ্ন ফাদিল হোৱা কথাখিনি ওলাই আহিছিল। SEBA ত যে বিসংগতি হয় এই কথাটো সঁচা। যোৱা বছৰ ছিপাঝাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ এজন ছাত্ৰ অভিনাশ শৰণীয়াই উচ্চ গণিতত ১০০ নম্বৰ আৰু সাধাৰণ গণিতত ৫৩ নম্বৰ পাইছিল। তাৰ পিছত যেতিয়া বহীখন পুনৰীক্ষণ কৰালে তেতিয়া তেখেতে সাধাৰণ গণিতত ৫৩ নম্বৰৰ পৰিৱৰ্তে ১০০ নম্বৰ পোৱা বুলি নতুনকৈ নম্বৰ দিব লগীয়া

হ'ল আৰু অসমৰ ভিতৰত দশম স্থান পাবলৈ সক্ষম হ'ল। সেইকাৰণে মাননীয় অধ্যক্ষ মহোদয়, অন্য কেতবোৰ কথাও বৰ্তমান আহি আছে যে SEBA ক এটা ষড়যন্ত্ৰ মূলক ভাৱে দূৰ্বল কৰি বেলেগ বোৰ্ডৰ ওপৰত জাপি দিয়াৰ বা আমাৰ নিজৰ শিক্ষা ব্যৱস্থাটো অন্য কিছুমান ৰাজ্যৰ শিক্ষা ব্যৱস্থাৰ নিচিনা কৰাৰ বা CBSE বোৰ্ডলৈ নিয়াৰ কথাবোৰ আহি আছে, এই ক্ষেত্ৰত SEBA ষড়যন্ত্ৰৰ অংশীদাৰ হৈছে নেকি এই কথাবিলাকো খুব ভালদৰে চিন্তা-চৰ্চ্চা কৰি চোৱাতো দৰকাৰ। যিহেতু যোৱা সময়চোৱাত ২০১২ চনত ৰাজ্য চৰকাৰৰ ওচৰত যি প্ৰতিবেদন দাখিল কৰা হৈছিল শ্ৰী নাথ কমিটি, এই কমিটিৰ প্ৰতিবেদনত থকা প্ৰধান পৰামৰ্শ সমূহৰ ভিতৰত SEBA ৰ কাম-কাজ বিকেন্দ্ৰীকৰণৰ উদ্দেশ্যে শিলচৰ, যোৰহাট, কোকৰাঝাৰ, লখিমপুৰ আদিত আঞ্চলিক কাৰ্য্যালয় স্থপন কৰা, এই কাৰ্য্যালয়ৰ বিষয়া-কৰ্মচাৰীক নিদিষ্ট সময়ৰ মূৰে মূৰে বদলিৰ ব্যৱস্থা কৰা, SEBA ৰ অধ্যক্ষৰ পদত বিশ্ব বিদ্যালয়ৰ উপাচাৰ্য্য বা সম পৰ্য্যায়ৰ ব্যক্তিক নিযুক্তি দিয়া, অধ্যক্ষৰ পদৰ ব্যক্তিজনক বাচনি কৰাৰ বাবে এখন বিশেষজ্ঞ কমিটি গঠন কৰা, SEBA ৰ অন্যান্য বিষয়া সকলৰ শিক্ষাগত অৰ্হতা সন্দৰ্ভত সমিতিয়ে নিৰ্দ্ধাৰণ কৰি দিয়া, শিক্ষাৰ্থী সকলৰ বাবে পৰৱৰ্ত্তী পৰিস্থিতিৰ লগত খাপ খোৱাই শিক্ষা লাভ কৰিব পৰাকৈ পাঠ্যক্ৰম প্ৰস্তুত কৰা, বিশেষকৈ বিজ্ঞান আৰু অংকৰ শিক্ষাৰ্থী সকলৰ বাবে পৃথক পাঠ্যক্ৰম প্ৰস্তুতেৰে বিষয় দুটা ছাত্ৰ-ছাত্ৰী সকলৰ মাজত জনপ্ৰিয় কৰি তোলা, কোনো বিষয়ত সৰ্ব্বাধিক নম্বৰ পোৱা শিক্ষাৰ্থীৰ উত্তৰ বহীখন সংৰক্ষণ কৰি তাৰ ফটোকপি অন্যান্য শিক্ষাৰ্থী সকলৰ মাজত বিতৰণ কৰা হওঁক যাতে তাৰ দ্বাৰা তেওঁলোক অনুপ্ৰাণিত হ'ব পাৰে। SEBA ই অনুষ্ঠিত কৰা HSLC পৰীক্ষা সুচাৰুৰূপে পৰিচালনা কৰিবৰ বাবে এটা full proof (পানী নসৰকা) পৰীক্ষা পৰিচালনা পদ্ধতিৰ ব্যৱস্থা কৰা ইত্যাদি ইত্যাদি আছিল। অৱশ্যে এই প্ৰতিবেদন চৰকাৰক দাখিল কৰা বহু আগৰে পৰাই অসম মাধ্যমিক পৰিষদে SEBA ৰ সংস্কাৰৰ বাবে বহুতদিনৰ পৰাই চেষ্টা কৰা আছিল। কিন্তু চৰকাৰৰ ইচ্ছা নাথাকিলে SEBA ই এইবিলাক কৰিব নোৱাৰে আৰু আমাৰ বৰ্তমানৰ মুখ্যমন্ত্ৰী মহোদয়ে বিধান সভাত নিজে কৈছিল যে প্ৰয়োজন সাপেক্ষে আমাৰ সদন কমিটি হ'ব লাগে বা ভাল expert কমিটিৰ যোগেদি SEBA ৰ কাম-কাজৰ পৰ্য্যালোচনা কৰি তাক ভাল কৰিব লাগে। এই পবিত্ৰ বিধান সভাত যি প্ৰতিশ্ৰুতি দিছিল তাৰ ভিত্তিত আজি মই এই কথাখিনি উত্থাপন কৰিছো। মই আশা কৰিছো যে আমি চৰকাৰৰ পৰা এটা ভাল উত্তৰ পাম যাৰ যোগেদি আগন্তুক সময়ত যাতে অসমত কোনো ধৰণৰ বেমেজালি নহয় আৰু আমি কেৱল SEBA ৰ কথা ক'লেই আমাৰ ভুল হ'ব কাৰণ তাত হাইয়াৰ চেকেণ্ডাৰী ব্যৱস্থাও আছে। গতিকে SEBA ৰ ক্ষেত্ৰত যিখিনি প্ৰযোজ্য হ'ব অনুৰূপ ধৰণৰ ব্যৱস্থা দ্বাদশ শ্ৰেণীৰ ক্ষেত্ৰতো হ'ব লাগে। যিহেতু যোৱা সময়চোৱাত অসম চৰকাৰৰ বিভিন্ন নিযুক্তি প্ৰক্ৰিয়াৰ মাজতো SEBA জড়িত হৈ আছে, গতিকে বহুতে এই ক্ষেত্ৰত সন্দেহৰ আঙুলি টোৱাবলৈ এটা থল পাইছে। গতিকে এনেধৰণৰ চৰকাৰৰ প্ৰতি যাতে কোনো ধৰণৰ আঙুলি টোৱাব নোৱাৰে তাৰ বাবে চৰকাৰে দৃঢ়তাৰে পদক্ষেপ লোৱা উচিত। বহুতে দাবী কৰাৰ নিচিনাকৈ SEBA ৰ পুনৰ গঠন আৰু SEBA ৰ সংস্কাৰৰ প্ৰয়োজনীয়তা আছে। আগতে এনেকুৱা পৰম্পৰা আছে যে SEBA ৰ অধ্যক্ষ গৰাকীক দায়বদ্ধতাৰ সৃষ্টি কৰি তেখেতক সেই কামৰ পৰা অব্যাহতি দিয়ে। বৰ্তমান সময়তো মই উল্লেখ কৰিছো যে প্ৰায় ২০১৬ চনৰ পৰা ইমানখিনি খেলিমেলি হৈ আছে আৰু তেখেতক যেন কোনেও ৰক্ষণা-বেক্ষণ দিয়াৰ ধাৰণা এটা নানে, এইখিনি কথা কৈ মই মোৰ বক্তব্য সামৰণি মাৰিলো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া যিখিনি প্ৰস্তাৱ আছে তাৰ বাবে আপোনালোকে নাম দিছে

আৰু তাৰ বাদেও মই সকলো দলকে এজন এজন কৈ সময়ৰ প্ৰতি লক্ষ্য ৰাখি দিব বিচাৰিছো। এতিয়া

শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ) ডাঙৰীয়া।

**শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ, ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়টো অতিকৈ স্পৰ্শকাতৰ আৰু অতি গুৰুত্বপূৰ্ণ। এই বিষয়টোৱে আমাৰ ভৱিষ্যতৰ প্ৰজন্মক আৰু আমাৰ অসমখনক ভৱিষ্যতে চলাই যাব। আমাৰ বিভিন্ন ক্ষেত্ৰত যিসকলে ভৱিষ্যতে চৰকাৰ চলোৱাৰ পৰা আৰম্ভ কৰি অন্যান্য ক্ষেত্ৰত ৰাজ্যখনৰ দায়িত্ব ল'ব তেওঁলোকক গঢ় দিয়াৰ যি অনুষ্ঠান আৰু এই শিক্ষা ব্যৱস্থাৰ বিশেষকৈ HSLC ৰ দৰে গুৰুত্বপূৰ্ণ এটা পৰীক্ষা পৰিচালনা কৰা SEBA ৰ প্ৰশ্নকাকত ফাদিল হোৱা ঘটনাটো কেৱল আমি এটা এংগলৰ পৰা বা এইটো কেৱল প্ৰশ্ন কাকত ফাদিল বা কোনোবা দুষ্ট চক্ৰই যি অৰ্থ সংগ্ৰহ কৰা এই দৃষ্টিকোণৰ পৰা চালেই নহ'ব, আমি এইক্ষেত্ৰত ইয়াৰ সুদুৰ প্ৰসাৰী যি ভয়ংকৰ পৰিণতি সেই বিষয়টো চাই শাসক-বিৰোধী সকলোৱে একেসুৰতে চিন্তা কৰি এনে সমস্যা যাতে আমাৰ অসমত নহয় তাৰ কাৰণে কিছু বাস্তৱ সন্মত পদক্ষেপ ল'ব লাগিব। মাননীয় অধ্যক্ষ মহোদয়, ইয়াৰ পূৰ্বেও আপোনাৰ নিশ্চয় মনত আছে ২০২১ চনৰ ১৯ জুলাই তাৰিখে cash for mark scam, SEBA ত এটা ভয়ঙ্কৰ জালিয়াতি হৈছিল। য'ত মাৰ্ক বঢ়াই দিয়াৰ কাৰণে cash দিয়াৰ এটা অভিযোগ পোৱা গৈছিল, এইটো কামৰূপ (মেট্ৰো) আৰু চাংচাৰি থানাত গোচৰ ৰুজু হৈছিল। তাত এখন কলেজৰ principal ৰ পৰা আৰম্ভ কৰি SEBA ৰ co-ordinator আৰু mark entry operator ৰ পৰা আৰম্ভ কৰি কেইবাজনোক গ্ৰেপ্তাৰ কৰা হৈছিল। য'ত গোপনে পইচা দি মাৰ্ক বঢ়াই লোৱাৰ কাৰবাৰটো চলোৱাত ধৰা পৰি গৈছিল। গতিকে এই কাণ্ড বিলাক যদি একাংশ বিষয়া কৰ্মচাৰীয়ে তলে তলে পইচা লৈ পেলাই মাৰ্ক কম- বেছি কৰি দিয়া বা এনেদৰে প্ৰশ্ন কাকত ফাদিল কৰি দিয়াৰ নিচিনা ঘটনা কৰি আমাৰ ভৱিষ্যত প্ৰজন্মৰ ভৱিষ্যত ধ্বংস কৰে, তেওঁলোকৰ মেধাক ধ্বংস কৰে, তেতিয়াহ'লে নিশ্চয় আমাৰ অসমৰ আৰ্থ -সামাজিক দিশত সকলো ফালৰ পৰা অৱনতি হ'ব।

আৰু এটা ভয়ঙ্কৰ কথা যে, কেৱল আমি ছেবাৰ কৰ্ম কাণ্ড চালেই নহ'ব। Assam Higher Secondary Education Council, তাতো এনেধৰণৰ কিছুমান কথা শুনিবলৈ পাঁও। কিছুদিন আগতে মিডিয়াত এটা কথা প্ৰচাৰ হৈছিল, যে অসমৰ পাঁচখন মান Higher Secondary School বা Jr. College, বাতৰিটো এনেধৰণে প্ৰকাশ পাইছিল যে পাঁচখন অনুষ্ঠানে, তেওঁলোকে Higher Secondary Education Council ৰ লগত গোপনে ৩০ লাখ টকা দি পেলাই higher secondary science ৰ কিছুমান প্ৰশ্ন কাকত আগতীয়াকৈ লৈ সেই higher secondary বা Jr College ৰ তেওঁলোকৰ কিছুমান হুselected ছাত্ৰক আগতীয়াকৈ দিয়ে, তেওঁলোকে ভালকৈ সেইটো prepared কৰি higher secondary science ত যেতিয়া তেওঁলোকে stand কৰে, position পাই, তেতিয়া গোটেই অসমতে এই higher secondary বা Jr. College ৰ নাম হয়। নাম হোৱাৰ পিছত পৰৱৰ্তী বছৰৰ পৰা সেই higher secondary বা Jr. College ত ছাত্ৰ- ছাত্ৰীৰ নামভৰ্তি কৰিবলৈ গোটেই অসমৰ পৰা হেতা ওপৰা লাগে। তাৰ মানে শিক্ষা ব্যক্তিগত খণ্ডত শিক্ষাৰ যেতিয়া বাণিজ্যকৰণ হ'ল, তেতিয়া সেই ব্যক্তিগত খণ্ডৰ কিছুমান শিক্ষানুষ্ঠানে এনেধৰণৰ কিছুমান অসৎ পন্থা লয়, যে আমি যদি অলপ পইচা দি পেলাই council ৰ পৰা আগতীয়াকৈ প্ৰশ্ন কাকত আনি ৮, ১০ জন মান ছাত্ৰক দি stand, position আনিব পৰা যায়, তেনেহ'লে পৰৱৰ্তী পৰ্য্যায়ত আমাৰ স্কুলত হাজাৰ হাজাৰ

ছাত্ৰ- ছাত্ৰী পাম আৰু ইয়াৰ বাবে ৰেটটোও বঢ়াই দিব পৰা যাব। সেই পাচঁখন higher secondary বা Jr. College এখন গোৱালাপাৰা, এখন শিলচৰ, এখন নগাঁও, এখন ডিব্ৰুগড় আৰু এখন নলবাৰী নে কৰ আছিল। এই পাঁচখনে মিলি পেলাই এটা চক্ৰ কৰিছিল, তেওঁলোকে ৩০ লাখ টকা দি কাউন্সিলৰ পৰা আগতীয়াকৈ প্ৰশ্ন আনি কেইজনমান ল'ৰা-ছোৱালীক স্কুলstand কৰায়। প্ৰত্যেক বছৰে যেতিয়া তেওঁলোকৰ পৰা ভালে সংখ্যক ল'ৰা -ছোৱালীয়ে stand কৰে, তেওঁলোকৰ সুনাম হয়। গতিকে এই কথা বিলাকৰ তদন্ত হ'ল নে কি, আমি নাজানো। কিন্তু এই কথাবিলাক সবিস্তাৰে সংবাদ মাধ্যমত প্ৰকাশ পাইছিল।

গতিকে আমি সেৱাৰ সমানে সমানে higher secondary council হওক বা অন্যান্য বোৰ্ড বিলাকৰ প্ৰতিও আমি তীক্ষ্ণ দৃষ্টি দিব লাগিব। আমি কেৱল বিৰোধী বুলি চৰকাৰক সমালোচনা কৰিম, বা চৰকাৰে তাৰে উত্তৰ দিব, এইটো কথা নহয়। ইয়াত আমাৰ প্ৰত্যেকজন প্ৰজন্মৰ ভৱিষ্যত জড়িত আছে, আমাৰ ৰাজ্যৰ ভৱিষ্যত জড়িত আছে।

গতিকে এই বিষয়টো আমি ভাৰো গুৰুত্বসহকাৰে লৈ SEBA বা Higher Secondary Council ৰ এনেকৈ cash for mark scam হওও, বা প্ৰশ্ন কাকত বাহিৰ হোৱাই হওক, বা আগতীয়াকৈ প্ৰশ্ন কাকত নি নিজৰ ল'ৰা-ছোৱালীক stand কৰাই, শৈক্ষিক ব্যৱসায় চলোৱা দৰে কু-চক্ৰ বিলাকৰ কাণ্ড হওক, সময়ে সময়ে যিবিলাক কথা প্ৰকাশ পাই, আমি শিক্ষা মন্ত্ৰী মহোদয় আৰু চৰকাৰক কৰযোৰে অনুৰোধ জনাম যে এই বিষয়টোত লাগিলে সকলোৰে সন্মিলিত ভাৱে এটা সিদ্ধান্ত লৈ যাতে কোনো ধৰণৰ leak out নাথাকে, আমি ভৱিষ্যত গঢ়িব লাগিব। এইখিনি কোৱাৰ সুবিধা দিয়াৰ বাবে মই আপোনাক ধন্যবাদ জনাই মই মোৰ বক্তব্য সামৰণি মাৰিছোঁ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া সন্মানীয় সদস্যা শ্ৰীমতী নন্দিতা দাস।

**শ্ৰীমতী নন্দিতা দাস, (বকো) ঃ** মাননীয় অধ্যক্ষ মহোদয়, SEBA ৰ ওপৰত যিখিনি বিষয় ইতিমধ্যে আমাৰ স্কুACLP leader য়ে যিখিনি কথা দাঙি ধৰিছে, মই শিক্ষা বিষয়ৰ ওপৰত এটা কথা যোগ কৰিব বিচাৰিছোঁ।

মাননীয় অধ্যক্ষ মহোদয়, বৰ্তমান অসমৰ যিটো শিক্ষাৰ ব্যৱস্থা, এই শিক্ষা ব্যৱস্থাত Right to Education Act,2009 বলবৎ হৈ আছে। ইয়াৰ দ্বাৰা যিসকল ল'ৰা-ছোৱালীৰ যেতিয়া স্কুল যোৱাৰ বয়স হয়, তেওঁলোকক স্কুললৈ আনিব লাগে। এই আইনে সিহঁতক এই অধিকাৰটো দিছে। তথাপিও বিভিন্ন  অসুবিধা দেখা পোৱা যায়, যাৰ ফলত আজি বহু ল'ৰা-ছোৱালীয়ে এতিয়া শিক্ষা ব্যৱস্থাৰ পৰা আঁতৰত আছে বা শিক্ষা গ্ৰহণ কৰিব পৰা নাই। ২০২২ চনৰ ১০ মাৰ্চলৈ এটা report ৰ তথ্য মতে আমাৰ অসমত drop out সংখ্যা যথেষ্ট বৃদ্ধি পাইছে। যদিওবা কিছু কমিছে এইকেইটা দিনৰ ভিতৰত। ৩১ শতাংশ আছিল, বৰ্তমান ২০.৩ শতাংশ হৈছে। অসমতে এইটো অত্যাধিক আছিল। হয়, মাননীয় মন্ত্ৰী মহোদয়ে কৈছিল যে কভিডৰ কাৰণত বিভাগত যিখিনি enrolment হ'ব লাগিছিল হোৱা নাই। যাৰ ফলত drop out ৰ সংখ্যা বাঢ়িছে।

কিন্তু ইয়াৰ বাহিৰেও বহু এনেকুৱা কাৰণ আছে, যিবিলাক হয়তো আমি ইয়াত আলোচনা কৰিবই লাগিব। আমাৰ এতিয়া অসমত ৩ হাজাৰ এল পি স্কুলৰ ভিতৰত এজন শিক্ষক হৈ আছে। ছাত্ৰ-ছাত্ৰীৰ অনুপাতে যিটো ৰেচিও থাকিব লাগে, সেইটো নাই। ইয়াৰ বাহিৰে ১২,৭৩৭ খন এল পি স্কুলত শিক্ষক নাই। প্ৰায় ১৪,৫০০ স্কুল এতিয়াও জৰাজীৰ্ণ অৱস্থাত আছে। ক'ৰবাত খোৱা পানীৰ অৱস্থা বেয়া, ক'ৰবাত বিদ্যুৎ সংযোগ বেয়া, ৰাস্তা ঘাটৰ ব্যৱস্থা নাই। এনেকুৱা এটা পৰিবেশ আমি শিক্ষাৰ ক্ষেত্ৰত দেখিবলৈ পাইছো।

ইয়াৰ বাহিৰেও যিহেতু অসমত বানপানী, গৰাখহনীয়া ইত্যাদি ডাঙৰ সমস্যা হিচাপে দেখা দি থাকে। যাৰ ফলত আমাৰ ছাত্ৰ-ছাত্ৰী সকলৰ ওপৰত আৰু লগতে শিক্ষানুষ্ঠানৰ ওপৰত ইয়াৰ যথেষ্ট প্ৰভাৱ পৰা দেখা গৈছে।

ঠিক তেনেদৰে ক'ব গলে যিবোৰ আমাৰ চৰ চাপৰি অঞ্চল আছে, সেই চৰ চাপৰি অঞ্চলবোৰত প্ৰায় গৰাখহনীয়া, বানপানীয়ে ক্ষতিগ্ৰস্ত কৰে আৰু আমি দেখিছো যে বহু শিক্ষানুষ্ঠান এল পি স্কুল, এম ই স্কুল নদীৰ পানীত জাহ গৈছে।

ঠিক তেনেদৰে আমাৰ সীমান্ত অঞ্চল আছে, সেই সীমান্ত অঞ্চলবোৰতো যিধৰণে শিক্ষা বিভাগে গুৰুত্ব দিব লাগিছিল, সেই ধৰণে গুৰুত্ব দিয়া হোৱা নাই। বহুত সীমান্ত এৰিয়াত এতিয়া এম ই স্কুল নাই, হাইস্কুল নাই, যাৰ ফলত চুবুৰীয়া ৰাজ্যবোৰে সেই অঞ্চলবোৰত তেওঁলোকে নিজাববীয়াকৈ স্কুল পাতি, অসমৰ লৰা -ছোৱালীবিলাকক সেই স্কুলসমূহত পঢ়াবলৈ বাধ্য হৈছে। সেই কাৰণে আমি বিচাৰো যে শিক্ষা বিভাগে যিবিলাক remote area গৰাখহনীয়া, বানপানী গ্ৰস্থ অঞ্চল, সেই অঞ্চলবিলাকত শিক্ষা ব্যৱস্থাৰ আন্তঃগাঁথনি এই সকলো কথাত গুৰুত্ব প্ৰদান কৰে। তেনেদৰে মই উদাহৰণ স্বৰূপে মোৰ সমষ্টিত সোমতলিৰ কাষতে মাতলি অঞ্চল আছে, সেই অঞ্চলত প্ৰায় ৭,৮ বছৰ নেৰা নেপেৰা গৰাখহনীয়াৰ ফলত ৬ খন স্কুল নদীত জাহ গৈছে। কিন্তু আজিলৈকে, সেই স্কুলবোৰৰ নিৰ্মাণৰ কাম হাতত লোৱা নাই। সেই অঞ্চলৰ ৰাইজে উপায়ন্তৰ হৈ কিছুমান মানুহে নিজৰ ঘৰৰ চোতালত স্কুলখন পাতিবলৈ হয়তো অকনমান ঠাই দিছে আৰু ক'ৰবাত হয়তো এতিয়াও ছাত্ৰ-ছাত্ৰীবিলাকে গছৰ তলত চালি এখন দি অস্থায়ীভাৱে পঢ়া শুনা কৰি আছে। এনেকুৱা এটা দুখজনক ছবি আমাৰ দৃষ্টিগোচৰ হয়।

এতিয়া চৰকাৰে সীমান্ত চুবুৰীয়া অঞ্চল বিলাকত স্কুল নিৰ্মাণ কৰিবলৈ, হাইস্কুল পাতিবলৈ, আমাৰ যিখন আইন আছে, আইনৰ অনুযায়ী ৰেচিও যিটো maintain কৰিব লাগে, মাননীয় শিক্ষা মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাইছো যে সেই অঞ্চলবিলাক শিথিল কৰি হলেও, এই ব্যৱস্থা কৰিব লাগে।

Fake Enrolment ৰ যিটো কথা মাননীয় মন্ত্ৰী মহোদয়ে নিজেও স্বীকাৰ কৰিছে যে বহুত স্কুলত fake enrolment চলি থাকে, বিভিন্ন কাৰণত চলে। কেতিয়াবা এই কাৰণত চলে যে স্কুলবোৰ মাৰ্চ কৰি দি শিক্ষক বিলাকে বেলেগ ছাত্ৰ -ছাত্ৰী enrolment show কৰে। কেতিয়াবা এই কাৰণে চলে যে স্কুলৰ নামত পইচা আহিব, হ্লmid-day meal ৰ নামত পইচা আহিব। কিবা আশাত সিহঁতে enrolment কৰে। সেই কাৰণে মই অনুৰোধ কৰিছো যে মাননীয় শিক্ষা মন্ত্ৰী ডাঙৰীয়াই যাতে ভালকৈ massive drive কৰি এই fake enrolment ক সঠিক কৰাৰ কাৰণে চেষ্টা কৰে।

লগতে Sports আৰু Yoga ৰ ওপৰত গুৰুত্ব দিব লাগে। এতিয়া অসমখন বিভিন্ন খেলা ধুলাত আগবাঢ়ি গৈছে। কিন্তু এতিয়াও বহুতো স্কুলত sports ৰ শিক্ষক নাই। মোৰ সমষ্টিত এখন স্কুলত প্ৰাক্তন ৰাজ্যপাল আহিছিল, তেখেতে নিজে কৈছে যে sports teacher ৰ যাতে নিযুক্তি দিয়ে, তাৰ কাৰণে অসম চৰকাৰক ক'ব। Science laboratory বোৰ একেবাৰে বেয়া অৱস্থাত আছে। Librarian post এতিয়াও খালী হৈ আছে। এই কথা বিলাক আমাৰ চৰকাৰে গুৰুত্ব সহকাৰে ল'ব লাগে। তাৰোপৰি আমি জানিব পাৰিছো যে আমাৰ ছাত্ৰ-ছাত্ৰী সকল গণিত আৰু বানান আদিত অত্যন্ত দুৰ্বল, সেইবাবে চৰকাৰে এই গণিত আৰু ভাষা ব্যাকৰণ বিষয়ত উপযুক্ত শিক্ষক নিযুক্তিৰ ব্যৱস্থা কৰিলে ভাল হয়। ধন্যবাদ।

**माननीय अध्यक्ष ঃ** ধন্যবাদ। শ্ৰী মনোৰঞ্জন তালুকদাৰ।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, (সৰভোগ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, চেবাৰ অধীনত হোৱা এইচ. এছ. এল. চি. যি পৰীক্ষা অনুস্থিত হৈছে এইটো এটা যথেষ্ট গুৰুত্বপূৰ্ণ বিষয় আৰু গোটেই ৰাজ্যখনৰ সকলো অংশৰ মানুহক এই বিষয়টোই বেয়াকৈ চুই গৈছে । বিশেষকৈ ছাত্ৰ-ছাত্ৰী, ছাত্ৰ সংগঠন বিলাকে ৰাস্তাত নামিছে । এই বিষয়টো গুৰুত্বপূৰ্ণ নহ'লে ৰাস্তাত নানামিলেহেঁতেন । তদন্তৰ ক্ষেত্ৰত অসম চৰকাৰে চি আই ডিক দিছে কেচটো সেইটো সাধাৰণতে এনেকুৱা হ'লে যিবিলাক বিষয়া যুক্ত থকাৰ সম্ভাৱনা থাকে তেওঁলোকক আসনৰ পৰাই আতৰাই নিৰপেক্ষভাৱে তদন্তটো সমাপন কৰাৰ সুবিধাটো কৰা যায়। কিন্তু এই ক্ষেত্ৰত চৰকাৰে চেবাৰ অধ্যক্ষ, পৰীক্ষা নিয়ন্ত্ৰক আৰু সচিবক ৰক্ষনাবেক্ষন দিয়াৰ কৰাণে বিভিন্ন সময়ত বিভিন্ন ষ্টেটমেণ্ট আমাৰ শিক্ষামন্ত্ৰীয়ে দিছে তেখেতক আশ্চৰ্য্য প্ৰকাশ কৰিছো। ২০১৭ চনতে যিজন আই. এ. এছ. বিষয়াক আনি অধ্যক্ষ পতা হৈছে আৰু আজিলৈকে তেওঁ অধ্যক্ষৰ আসনতে আছে। ছেবাৰ আগৰ যিটো পৰম্পৰা আছিল যে বিশিষ্ট বুদ্ধিজীৱি বা অৱসৰপ্ৰাপ্ত একাডেমিচিয়ানক অধ্যক্ষ কৰা হয়, এই পথৰ পৰা চৰকাৰ আঁতৰি গৈছে । এতিয়া কথাটো হৈছে যদি তদন্ত সঠিকভাবে আগবাঢ়িব লাগে মই অনুভৱ কৰো ছেবাৰ অধ্যক্ষ পৰীক্ষা নিয়ন্ত্ৰক আৰু সচিবক আঁতৰ কৰি পেলায় এই তদন্তটো কৰিব লাগে । তাত কিছু দোষী কৰায়ত্ব কৰা হৈছে পদক্ষেপটো মই বেয়া বুলি নকওঁ, চিহ্নিত হৈছে কোনো প্ৰশ্নকাকত ফাদিল কৰিছে । কিন্তু ছেবাৰ গাফিলতি নাই এই কথাটো মই মানি ল'ব নোৱাৰো । যদিও শিক্ষামন্ত্ৰীয়ে বাৰে বাৰে কৈছে ছেবাৰ গাফিলতি নাই মই এই ঘটনা হোৱা পিছত এটা পৰীক্ষা কেন্দ্ৰলৈ গৈছিলো, প্ৰশ্নকাকত বিলাক কেনেকৈ যায়। তেওঁলোকে এটা পেকেট কৰি চীল কৰি আগতীয়াকৈ পঠিয়াই দিয়ে । আৰু পুলিচৰ জিম্মাত থাকে আৰু পুলিচৰ জিম্মাত কেনেকৈ থাকে এইটো এটা যথেষ্ট সন্দেহজনক কথা। পুলিচে ৰুমটোত চাবিটো মাৰি থৈ দিয়ে আৰু যেতিয়া চেন্টাৰ ইনচাৰ্জজনে প্ৰশ্নকাকত আনিব যায় তেতিয়া তলাটো খুলি দি পুলিচ নোহোৱা হয় । ছেবাৰ এইচ. এছ. এল. চি. পৰীক্ষাত আৰু কাউঞ্চিলৰ পৰীক্ষাত দুয়োটাৰ মাজতে এটা প্ৰভেদ আমি দেখা পাইছো । যেতিয়া কাউঞ্চিলৰ পৰীক্ষাত ডাঙৰ পেকেট যিটো চীল কৰা থাকে আৰু প্ৰতিদিনৰ প্ৰশ্ন কাকতো চীল কৰা থাকে । কিন্তু মই শিক্ষামন্ত্ৰীৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো এইবাৰৰ মেট্ৰিকৰ পৰীক্ষাত যিটো মূল পেকেট সেইটো চীল কৰা হৈছে কিন্তু ভিতৰত যিবিলাক প্ৰতিটো বিষয়ৰ প্ৰশ্ন কাকত আছে সেইবিলাক চীল কৰা নাই আঠা লগাই থৈছে । আঠা যদি লগাই থয় কোনোবা এজন দুষ্ট ইনচাৰ্জে আজি হয়তো অসমীয়াৰ পৰীক্ষা আছে আৰু অসমীয়াৰ পেকেটতো অনাৰ পিছত তেওঁ ইংৰাজীৰ পেকেটটোৰ পৰা আঠাটো খুলি দি আৰু প্ৰশ্নকাকত এখন মোবাইলত ফটো তুলি অনা ইমান কঠিন কাম নহয় আৰু আঠাটো লগাই থব পাৰে। এই সম্ভাৱনাটো আছে। মই এতিয়া চৰকাৰৰ জৰিয়তে চি আই ডিৰো দৃষ্টিগোচৰ কৰিব বিচাৰিছো এই বিষয়টোত যাতে নজৰদাৰী কৰে । এই ঘটনা কিয় হব পাৰিলে? কাউঞ্চিলত যে নঘটিল, কাউঞ্চিলৰ যে ভিতৰৰ পেকেট বিলাক চীল আছিল আৰু চেবাই যিটো পৰীক্ষা চলালে সেই পৰীক্ষাত কিন্তু ভিতৰত পেকেট বিলাক চীল নাই । এইটো মই একেবাৰে দায়িত্বসহকাৰে কৈছে মই নিজে তদন্ত কৰি, কেন্দ্ৰৰ ইনচাৰ্জ জনৰ কথাপাতি । মই জানিছো যে তাত আঠা লগোৱা হৈছে । তাৰমানে চেবাৰ ওপৰতে কৰবাত এই ধৰণৰ এটা গাফিলতি আছে। মই সেইটো উদ্দেশ্য প্ৰানোদিত হয় নে নহয় মই নকওঁ। কিন্তু তেওঁলোকৰ ফালৰ পৰা এটা গাফিলতি আছে যে তেওঁলোকে এইটো কেজুৱেলি লৈছে। ইমান ডাঙৰ এটা পৰীক্ষা য'ত অসমৰ ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যত নিৰ্দ্ধাপিত হয় । আৰু যথেষ্ট আবেগ জৰিত হৈ আছে এই পৰীক্ষাৰ

লগত। যিহেতু প্ৰথম এটা পৰীক্ষা মেট্ৰিকৰ পৰীক্ষাটো । ছেবাৰ যিজন অধ্যক্ষ, সচিব বা পৰীক্ষা নিয়ন্ত্ৰক তেওঁলোকক আসনত বহুৱাই ৰাখিলে এই ঘটনাৰ কাৰণ পোহৰলৈ আহিব বুলি মই নাভাবো। বৰ্তমান চি আই ডি এ তদন্ত আৰম্ভ কৰিছে। পূৰ্বতেও আজিৰ মুখ্যমন্ত্ৰী শিক্ষামন্ত্ৰী হৈ থাকোতে তেখেতে কৈছিল যে হাইচ কমিটি গঠন কৰি এই কাম বিলাক কৰিবলাগে নাইবা বিশিষ্ট বুদ্ধিজীৱিৰ জৰিয়তে এটা পেনেল কৰি ছেবাক উন্নত কৰাৰ পক্ষত কৈছিল । ছেবা যিহেতু আমাৰ এটা জাতীয় অনুস্থান সেয়েহে ছেবাৰ বিৰুদ্ধে ষড়যন্ত্ৰ কৰি যদি এইবিলাক কাম কৰা হৈছে তেন্তে সেই বিলাক পোহৰলৈ অহা দৰকাৰ । যদি ছেবাক ধ্বংস কৰি চি বি এছ চি লৈ ৰূপান্তৰ কৰাৰ বাবে যদি কৰবাত কিবা কাম-কাম হৈছে সেইটো পোহৰলৈ অহা দৰকাৰ। ছেবাৰ বিৰূদ্ধে যি প্ৰতিবাদ চলিছে চৰকাৰে সেই প্ৰতিবাদ আওঁকাণ কৰা যেন অনুভৱ হৈছে। সৰু সৰু ছাত্ৰ-ছাত্ৰীয়ে ঢলপুৰত যেতিয়া প্ৰতিবাদ কৰিছিল তেতিয়া এজন পুলিচ বিষয়াই শিশু বিলাকক বাৰান্দাত আঁঠুকঢ়াই আৰু বিভিন্ন প্ৰশ্ন সুধি যি অত্যাচাৰ কৰিছিল সেইটো দেখি মই আচৰিত হৈছো । কিন্তু চৰকাৰে এই পুলিচ বিষয়াৰ ওপৰত কোনো ব্যৱস্থা গ্ৰহণ নকৰিলে । এতিয়া স্বাভাৱিকতে মোৰো অনুভৱ যে আন্দোলন কৰা উচিত আছিল নে নাছিল বা আন্দোলন এটা কৰিলেই তাৰ অধিকাৰ, এই অধিকাৰৰ প্ৰতি লক্ষ্য ৰাখি তাক বিচাৰ কৰিব লাগে । আৰু সেইটো মষিমূৰ কৰাৰ কাৰণে আৰু বিদ্ধস্থ কৰাৰ কাৰণে এই ধৰণৰ কৰ্মকাণ্ড যিজন ঢলপুৰৰ পুলিচ বিষয়াই কৰিলে এইটো সহ্য কৰাটো চৰকাৰৰ উচিত হোৱা নাই বুলি মই ভাবো আৰু তেওঁক শাস্তি দিয়াৰ ব্যৱস্থা কৰিব লাগে । ছেবাৰ অধ্যক্ষজন বহু বছৰ ধৰি অধ্যক্ষৰ আসনত বহি আছে। তেওঁ দায়িত্বশীল হয় নে নহয়, যদি নহয় তেওঁক তাৰ পৰা আঁতৰাই তদন্ত কৰিলে মই ভাল হ'ব বুলি ভাবো । মুঠতে ছেবাক বচাব লাগিব । ই আমাৰ আবেগ আৰু ই আমাৰ জাতীয় সম্পদ। ইয়াক উন্নত কৰাৰ কৰাণে শিক্ষামন্ত্ৰীয়ে দৃঢ় পদক্ষেপ ল'ব লাগে । আনহাতে শিক্ষামন্ত্ৰীয়ে ছেবাৰ বিষয়াসকলক বচোৱাৰ বাবে সময়ে সময়ে যি মন্তব্য দি আছে সেইটো উচিত হোৱা নাই বুলি ভাৱো ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য শ্ৰী কমলাক্ষ দে পুৰকায়স্থ।

**শ্ৰী কমলাক্ষ দে পুরকায়স্থ(উত্তর করিমগঞ্জ)ঃ**-মাননীয় অধ্যক্ষ মহোদয়, রুল ৫০ তে এই বিষয়টি উথাপন করার সুযোগ দেওয়ার জন্য ধন্যবাদ জ্ঞাপন করছি। অধ্যক্ষ মহোদয়, আমাদের শিক্ষা মন্ত্রী অত্যন্ত ভদ্রলোক কথাবার্তা বা সব ক্ষেত্রে আমার দেখা মতে একজন সজ্জন ব্যক্তি। সেটা আমরা অস্বীকার করতে পারি না। অধ্যক্ষ মহোদয়, আফ্রিকার নামকরা বিশ্ববিদ্যালয়, নাম হচ্ছে 'ইউনিভার্সিটি অফ সাউথ আফ্রিকা' যার সিংহদ্বারে লেখা ছিল কোন জাতিকে ধ্বংশ করার জন্য পরমানবিক হামলা কিংবা ক্ষেপনাস্ত্র নিক্ষেপের দরকার নেই। বরং সেই জাতিকে পরীক্ষার প্রতারনার সুযোগ দিলেই হবে। কারণ এইভাবে পরীক্ষার দ্বারা তৈরি হয় ডাক্তার, যার হতে রোগীর মৃত্যু হবে। অর্থনীতিবীদ যার হাতে অর্থনীতি দেওলিয়া হবে। এছাড়া, বিচারক যার হাতে বিচার ব্যবস্থা ধ্বংশ হবে। সুতরাং শিক্ষা ব্যবস্থাকে ভেঙে দিলে এই জাতির ধ্বংশ অনিবার্য। অধ্যক্ষ মহোদয়, আজ মাননীয় শিক্ষা মন্ত্রীকে একটি কথা বলতে চাই যখন পরীক্ষার প্রশ্ন লিক হল গোটা আসামে যখন বিভিষিকাময় পরিবেশ সৃষ্টি হল তখন আমাদের মনানীয় মন্ত্রীর একটি টুইট আমি দেখলাম SEBA has informed me that advice by hon'ble Chief Minister of Assam the examination of all MIL subject including english of HSLC scheduled for 18th march will be rescheduled. The new date will be announced tomorrow.অধ্যক্ষ মহোদয়, আমার প্রশ্ন হচ্ছে আমাদের শিক্ষামন্ত্রীকে

SEBA যদি জানায় যে রিসিডিউল হবে, মুখ্যমন্ত্রী জানেন কিন্তু আমাদের শিক্ষামন্ত্রী জানছেন না। উনি টুইট করতে পারতেন। এই SEBA তে আমরা সবাই পড়াশোনা করেছি। আমি মেট্রিক পাস করেছি এই SEBA থেকে। SEBA কার জন্য এবং SEBA র মেইন কাজ কি ? HSLC exam অনুষ্ঠিত করা। সেই SEBA র দ্বারা থার্ডগ্রেড, ফোর্থগ্রেড চাকুরি আপনারা অনুষ্ঠিত করছেন। SEBA র অন্য কোন কাজের দরকার নেই। SEBA, HSLC exam অনুষ্ঠিত করবে। এবং সেই ব্যপারে মনোনিবেশ দিতে হবে। একটি প্রতিষ্ঠান যখন বিভন্ন কাজ করবে, অল রুটেড হয়ে যাবে তখন এরকম একটি পরিবেশ হবেই। আজ একটি ছাত্র বা ছাত্রী পরীক্ষা দেওয়ার সময় যে চ্যায়ারে বসে সেই চ্যায়ারে সে শুধু একা বসে থাকে না। তার মা-বাবার স্বপ্ন, পরিবারের স্বপ্ন, সবার স্বপ্ন এখানে বসে থাকে। সেই ব্যাপারে আমি মনে করি SEBA র যে সংস্কারের কথা এখানে বলা হয়, মুখ্যমন্ত্রী বলেন SEBA র সংস্কারের কি দরকার। SEBA তো ভালোই চলছে। সংস্কার বলতে রং লাগানো নয়। SEBA র বর্তমানে যে পরিকাঠামো আছে সেটাকে আরো সুন্দর এবং সুষ্ঠ পরিবেশ সৃষ্টি করা। রাজনৈতিক উদ্দেশ্য নিয়ে বলছি না আমি। শিক্ষাকে রাজনীতিমুক্ত করতে হবে। শিক্ষা রাজনীতির সঙে ওতোপ্রোতোভাবে জড়িত হয়ে যাচ্ছে। SMDC যে তৈরি হয়, কাদের নিয়ে কিভাবে তৈরি হয় ?আমরা সবাই জানি। আপনাদের কাছে তালিকা আছে কারা স্টেট এওয়ার্ড পেয়েছে। ভালো শিক্ষক কারা। যাকে ইচ্ছা দিন আমরা কোন দিন বলিনি। কিন্তু SMDCর প্রেসিডেন্ট যাকে দেওয়া হয় তখন একটি রাজনীতির বাতবরন সৃষ্টি হয়। তাই আমি মনে করি যদি শিক্ষা ব্যবস্থাকে সুষ্ঠ এবং সুন্দর পরিবেশে পরিনত করতে হয় তাহলে সবচেয়ে বিশেষ দরকার হচ্ছে রাজনীতি মুক্ত করা। আমার সমষ্টির একটি উদাহরণ দিচ্ছি। আমি যে কলেজে পড়াশোনা করেছি সেই কলেজের প্ল্যাটিনাম জুবিলি হবে এই মাসের লাস্টে। সেখানে বলা হয়েছিল বিদ্যাঞ্জলি থেকে সাহায্য করব আমরা। আমি গেলাম প্ল্যাটিনাম জুবিলির গেট হবে। সবার দাবি। করিমগঞ্জ বাসীর দাবি। যখন বললাম গেটটি আমি বানিয়ে দেব তখন এই কলেজের প্রিন্সিপাল এতই রাজনীতির সাথে জড়িত উনি বলছেন না,আপনি না। অন্য কাউকে দিয়ে বানিয়ে নেব। বানিয়ে দিলে হয়তো সেখানে এমএলএ ফান্ডের নাম লেখা থাকবে। এই হচ্ছে রাজনীতি। অর্থাৎ শিক্ষা ব্যবস্থাকে রাজনীতি মুক্ত করতে হবে। যদি শিক্ষা এবং রাজনীতি এক হয়ে যায় তাহলে সমাজ ধ্বংশ হবে। তাই আমি মনে করি শিক্ষা এবং রাজনীতিকে আলাদা করতে হবে। ভোটানের শিক্ষা ব্যবস্থা আমাদের এনসিআরটি বইপত্র দিয়ে শিক্ষা ব্যবস্থা শুরু হয়েছিল। আজ ভোটানের শিক্ষা ব্যবস্থা এগিয়ে গিয়েছে। আমাদের শিক্ষা ব্যবস্থা এখনও পিছনে। তার কারণ কি ? ভোটানে প্রাইভেট স্কুল আছে, যারা সরকারি স্কুলে সুযোগ পায় না ওদের জন্য। কিন্তু আমাদের প্রথম অগ্রাধিকার হচ্ছে আমরা বেসরকারি স্কুলে ভর্তি হব। আজ আমি যে স্টেটাসেই থাকি। রিক্সাওয়ালা, ঠেলাওয়ালা সাধারন থেকে সাধারন মানুষের ফার্স্ট প্রেফারেন্স থাকে আমি প্রাইভেট স্কুলে ভর্তি করব। তাই আমাদের সরকারি স্কুলের অবস্থা একরম কেন সেটা আমাদের বুঝতে হবে। তাই আজাকের দিনে মন্ত্রী মহোদয়ের কাছে আমার অনুরোধ থাকবে যে অনেক ক্ষেত্রে আমাদের সংস্কারের খুবই প্রয়োজন আছে। শিক্ষামন্ত্রী সজ্জন ব্যক্তিত্ব। এবং শিক্ষার সঙে আমাদের কোন রাজনীতি নেই। শিক্ষার ক্ষেত্রে আমাদের যে ধরনের সহযোগীতা দরকার আমরা সহযোগীতা করব। কিন্তু শিক্ষা ব্যবস্থাকে যেভাবে অবহেলিত করা হচ্ছে আমি মনে করি এইভাবে যদি শিক্ষা ব্যবস্থাকে অবলম্বিত করা হয় তাহলে অনিবার্য আমাদের অবনতি হবেই হবে। তাই আমি এই ব্যাপারে শিক্ষামন্ত্রীর দৃষ্টি আকর্ষন করছি আমাদের মুখ্যমন্ত্রী বলেছিলেন পরীক্ষার প্রশ্ন যেগুলো

থানায় রাখা হয় সেগুলো প্রিন্সিপাল গিয়ে সেখান থেকে নিয়ে আসে।আমি মনে করি সার্কোল অফিসার তো থাকে আমার জানামতে সার্কোল অফিসার, ও সি, প্রিন্সিপাল তার সঙে আরও জড়িত করা হোক ভিডিওকে জড়িত করা হোক। আরও টিম করা হোক। তাই আমি মনে করি এই ক্ষেত্রে যদি আমরা কোন ব্যবস্থা নেই তাহলে শিক্ষা ব্যবস্থার পরিবর্তন হবে। শিক্ষা মন্ত্রী সজ্জন ব্যক্তিত্ব, ভালো ব্যক্তিত্ব, ভদ্রলোক এখনও বলছি আপনি শিক্ষাকে রাজনীতিমুক্ত করুন তখনই শিক্ষা ব্যবস্থা ভারতবর্ষের মধ্যে একটি সুন্দর পরিবেশ সৃষ্টি করবে। নমস্কার, ধন্যবাদ, জয় হিন্দ।

**মাননীয় অধ্যক্ষঃ** সন্মানীয় সদস্য শ্ৰী অখিল গগৈ।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)ঃ** শ্ৰদ্ধেয় অধ্যক্ষ মহোদয়, HSLC পৰীক্ষাত বিসংগতি। এই বিষয়টো মই প্ৰথমতে ছেবা সংস্কাৰৰ কেইটামান দিশ, যিবিলাক ছাত্ৰ সংগঠনবিলাকে কৈ আছে কৰিব লাগে বুলি, মই সেইকেইটা প্ৰথমতে পঢ়ি দিব খুজিছো। যিকেইটা সংস্কাৰ কৰিব লাগে বুলি সকলোৱে কয়।

১) ছেবাৰ অধ্যক্ষৰ কাৰ্য্যকাল নিৰ্দিষ্ট কৰা। ছেৱাৰ অধ্যক্ষৰ কাৰ্য্যকাল দুবাৰ হ'ব পাৰে, এতিয়া বোধহয় দুবাৰৰ ঠাইত তিনিবাৰলৈ extend কৰা হৈছে। যিটো আইনমতে কেতিয়াও সম্ভৱ নহয়। গতিকে সেইটো বন্ধ হ'ব লাগে। সেই কাৰণে ইমান যিহেতু বদনাম আহিছে, ইমান সমস্যা হৈছে, ইমান বিতৰ্ক হৈছে, গতিকে ছেৱাৰ অধ্যক্ষৰ কাৰ্য্যকাল যিহেতু দুবাৰ হ'ব পাৰে, এতিয়া তৃতীয় বাৰলৈ extent কৰা হৈছে। গতিকে অতি সোনকালে এই বিষয়টোৰ ওপৰত এটা সিদ্ধান্ত ল'ব লাগে।

২) ২০১২ চনত বিশিষ্ট শিক্ষাবিদ শ্ৰীনাথ বৰুৱাদেৰৰ নেতৃত্বত ছেৱাৰ সংস্কাৰৰ বাবে গঠন কৰা সমিতিৰ প্ৰতিবেদন আজিলৈকে কাৰ্য্যকৰীকৰণ কৰা নহ'ল। তেতিয়াৰ শিক্ষামন্ত্ৰীৰ দায়িত্বত থকা ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া এতিয়া মুখ্যমন্ত্ৰীৰ দায়িত্ব আছে। এতিয়াৰ মুখ্য সচিবজন সেই সময়ৰ শিক্ষা বিভাগৰ প্ৰধান সচিবৰ দায়িত্বত আছিল। গতিকে ছেবাৰ সংস্কাৰৰ বাবে শ্ৰীনাথ বৰুৱা সমিতিয়ে আগবঢ়োৱা পৰামৰ্শৰ কথাটো তেওঁলোকে নজনা নহয়, গতিকে অতি সোনকালে সেই সমিতিৰ পৰামৰ্শসমূহ কাৰ্য্যকৰী কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

৩) শ্ৰীনাথ বৰুৱাই আগবঢ়োৱা পৰামৰ্শ অনুসৰি সমগ্ৰ অসমত ছেৱাৰ অন্ততঃ ৫ টা আঞ্চলিক কাৰ্য্যালয় স্থাপন হ'ব লাগে। যাতে ছেবাৰ কামসমূহ বিকেন্দ্ৰীকৃতভাৱে হয়। কেৱল ছেবাৰ মুখ্য কাৰ্য্যালয়ত কামৰ অত্যাধিক চাপ যাতে নপৰে আৰু ছাত্ৰ-ছাত্ৰী সকলে যিকোনো কামৰ বাবে গুৱাহাটীলৈ অহাৰ সলনি আঞ্চলিক কাৰ্য্যালয় সমূহত নিজৰ কামসমূহ সম্পন্ন কৰিব পাৰে। ৫ টা অঞ্চলিক কাৰ্য্যালয় পৰিচালনাৰ বাবে ৫ জন সচিব নিয়োগ কৰিব লাগে। প্ৰস্তাৱমৰ্মে তাতে যিটো প্ৰস্তাৱ আছিল, আঞ্চলিক কাৰ্য্যালয় ৫ টা হ'ব লাগে। কোকৰাঝাৰ, শিলচৰ, কলিয়াবৰ, লক্ষীপুৰ আৰু শিৱসাগৰ।

৪) ছেৱাৰ সকলো বিষয়া কৰ্মচাৰীক প্ৰতি দুইবছৰৰ মূৰে মূৰে সাল-সলনি কৰা।

৫) মেট্ৰিক পৰীক্ষাৰ বাবে তিনিটাকৈ প্ৰশ্ন কাকতৰ চেট প্ৰস্তুত কৰা। এটা চেট পৰীক্ষা কেন্দ্ৰসমূহলৈ পঠিয়াই দিয়াৰ পিছত দ্বিতীয়টো চেট জিলা আৰু মহকুমাসমূহৰ কোষাগাৰত জমা কৰি ৰাখিব লাগে আৰু তৃতীয়টো চেট ছেৱাৰ কাৰ্য্যালয়ত ৰাখিব লাগে। যাতে যিকোনো ধৰণৰ বেমেজালি সমূহে বিকল্প প্ৰশ্ন কাকতসমূহৰ জৰিয়তে পৰীক্ষা অনুষ্ঠিত কৰিব পাৰি।

৬) মেট্ৰিক পৰীক্ষাৰ প্ৰশ্নকাকত প্ৰস্তুত কৰা কেন্দ্ৰসমূহলৈ নিয়ালৈকে যিসকল বিষয়া-কৰ্মচাৰী দায়িত্বত থাকে, তেওঁলোকক Mobile Phone ব্যৱহাৰ সম্পূৰ্ণৰূপে সেই সময়খিনিত নিষিদ্ধ

কৰিব লাগে।

৭) ছেৰোৰ প্ৰশ্নকাকত কঢ়িওৱা বাহনসমূহত GPS পদ্ধতিৰ ব্যৱহাৰ সুনিশ্চিত কৰাৰ লগতে বাহন সমূহত আৰক্ষীৰ escort প্ৰদান কৰিব লাগে।

৮) পৰীক্ষা কেন্দ্ৰত পেকেট খোলাৰ সময়ত বিদ্যালয় পৰিদৰ্শকৰ দ্বাৰা নিযুক্ত তিনি গৰাকীকৈ পৰ্য্যবেক্ষকৰ উপস্থিতিত সমগ্ৰ প্ৰক্ৰিয়াটো Video recording হ'ব লাগে বা CCTV camera ৰ তলত এইটো হ'ব লাগে। এইটো বিভিন্ন দল আৰু সংগঠনবিলাকে, বিশেষকৈ ছাত্ৰ সংগঠনবিলাকে আগবঢ়াই অহা পৰামৰ্শৰ ভিত্তিত কোৱা কথা ।

মাননীয় অধ্যক্ষ মহোদয়, SEBA ক লৈ যিধৰণৰ একেবাৰে অবাঞ্চিত কথা-বতৰা চলি আছে, সেই বিলাকৰ বিৰুদ্ধে বিভিন্ন ধৰণৰ আন্দোলন হৈছে আৰু সেইবিলাক লৈ এইবাৰ চৰকাৰে কি ধৰণে reaction কৰিছে, সেই বিষয়ে সন্মানীয় সদস্য মনোৰঞ্জন তালুকদাৰ ডাঙৰীয়াই কৈ গৈছে। তাত কেইবাটাও ছাত্ৰ-সংগঠন ISA, SFI, AISF, DUFI, AIF য়ে অনশন কৰিছিল। তেওঁলোকৰ মূলতঃ তিনিটা দাবী অনশনৰ কাৰ্য্যসূচীত উত্থাপন কৰিছিল। এজন অৱসৰ প্ৰাপ্ত ন্যায়াধীশৰ নেতৃত্বত গঠিত উচ্চ পৰ্য্যায়ৰ তদন্ত কমিটীৰ জৰিয়তে সমগ্ৰ তদন্ত কৰা, শিক্ষামন্ত্ৰী, SEBA ৰ সচিব, অধ্যক্ষ, পৰীক্ষা নিয়ন্ত্ৰকক অনতি বিলম্বে দায়িত্ব স্বীকাৰ কৰি পদত্যাগ কৰাৰ ব্যৱস্থা কৰা আৰু ওঠৰ বছৰৰ অনুৰ্দ্ধ প্ৰতিবাদী ছাত্ৰ-ছাত্ৰীসকলক মাৰপিট কৰা, ধলপুৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া জনক অতি শীঘ্ৰে নিলম্বন কৰা। ঠিক তেনেকৈ ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিয়ে কেইবাটাও আন্দোলনৰ জৰিয়তে একেখিনি দাবী উত্থাপন কৰিছিল। মাননীয় অধ্যক্ষ মহোদয়, যিখন চৰকাৰে এটা মেট্ৰিকৰ পৰীক্ষা সুকলমে অনুষ্ঠিত কৰিব নোৱাৰে, ইখনৰ পিছত সিখন প্ৰশ্ন কাকত এনেকৈ ফাদিল হৈ যায়, মই ভাৱো সেইখন চৰকাৰৰ * ...interruptions...

**মাননীয় অধ্যক্ষ ঃ** আপুনি যিখিনি বিষয়, সেইখিনি বিষয়ৰ ওপৰত Criticise কৰক। কিন্তু মাননীয় মন্ত্ৰী ডাঙৰীয়াক আপুনি accuse কৰিব নোৱাৰে। আপুনি সেইটো withdraw কৰি লওঁক। আপুনি যি কথা কৈছে, সেইটো আপুনি সদনত ক'ব নোৱাৰে। আপুনি এইখিনি কথা withdraw কৰি লওঁক।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো ক'ব নোৱাৰি বুলি মই নাজানো।

**মাননীয় অধ্যক্ষ ঃ** আপুনি নাজানে, সেই বাবেই মই কৈ আছো। আপুনি তেনেকৈ accuse কৰিব নাপায়। আপুনি argument ত আহিব নালাগে। মই আপোনাক যিখিনি কথা কৈছো, সেইখিনি withdraw কৰি লওঁক।

**শ্ৰী ভৰত চন্দ্ৰ নৰহ, (নাওঁবৈচা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰ বা মাননীয় মন্ত্ৰীক accuse কৰিব পাৰে। এইটো আন পাৰ্লিয়ামেণ্টৰী নহয়। আমি কথা কওঁতে সদায় চৰকাৰ তথা মাননীয় মন্ত্ৰীকে accuse কৰো।

**মাননীয় অধ্যক্ষ ঃ** কিন্তু accuse টো সেইধৰণে কৰিব নালাগে।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই ** বুলিহে কৈছো।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী, গাওঁ পঞ্চায়ত আৰু অসামৰিক যোগান ইত্যাদি বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ** কিয় হ'ব? আপুনি এইটো শব্দ expunge কৰি দিলেই হ'ল।

**মাননীয় অধ্যক্ষ ঃ** এইখিনি কথা expunge কৰি দিব আৰু এইখিনি expunge হ'ব। আপুনি বাকীখিনি কৈ যাওঁক।

**শ্ৰী অখিল গগৈ (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই নাজানো। কিন্তু মই ভাৱো যে.....

**মাননীয় অধ্যক্ষ ঃ** আপুনি নাজানে কাৰণে মই কৈছো। আপুনি এতিয়া কৈ যাওঁক। আপোনাক এক মিনিট সময় দিয়া হ'ল।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিসময়ত অপৰাধ কৰাৰ কাৰণে মানুহক এনকাউণ্টাৰ কৰি হত্যা কৰি থকা হৈছে, সেইখন অসমত প্ৰশ্ন কাকত ফাদিল হোৱাৰ দায়িত্ব নিশ্চিতভাৱে চৰকাৰৰ ।প্ৰশ্ন কাকত এইদৰে বাৰম্বাৰ ফাদিল হৈ থকাৰ দায়িত্ব নিশ্চিতভাৱে চৰকাৰৰ আছে আৰু সেইকাৰণে আমি সকলোৱে নিশ্চিতভাৱে এই ঘটনাটোক নিন্দা কৰা উচিত। ভৱিষ্যতে যাতে আৰু কেতিয়াও হ'ব নোৱাৰে, তাৰ বাবে বিধান সভাত সৰ্বসন্মতি ক্ৰমে সকলো দলে একেলগে প্ৰস্তাৱ গ্ৰহণ কৰা উচিত। মই পৰীক্ষাৰ বিসংগতিৰ লগত কেৱল এটা বাক্য শিক্ষা সম্পৰ্কে কৈ যাব খুজো। মই আগতে যেতিয়া এটা প্ৰশ্ন কৰিছিলো, তাৰ উত্তৰত কৈছিল যে অসমত ৩৭০০ খন এজনীয়া শিক্ষকৰ বিদ্যালয় আছে। মই সুযোগ পোৱা নাই বাবে আজিয়েই ক'ব বিচাৰিছো। যিহেতু আজি শিক্ষা সম্পৰ্কীয় আলোচনা কৰা হৈছে। এখন এল পি স্কুলত ক্লাছ আছে ৬টা আৰু ৬ টা ক্লাছত যদি কেৱল এজন মাত্ৰ শিক্ষক থাকে, তেনেহ'লে সেই স্কুলখনত কেনেদৰে ভাল শিক্ষা হ'ব পাৰে। অন্ততঃ পাঁচটা ক্লাছৰ কাৰণে মিনিমাম ছয় জন শিক্ষকৰ ব্যৱস্থা আমাৰ প্ৰত্যেকখন বিদ্যালয়ত কৰিব লাগে। মই ভাৱো যে যেতিয়ালৈকে এইটো কৰা নহয়, তেতিয়ালৈকে অসমৰ শিক্ষা ব্যৱস্থা ভাল হোৱাটো সম্ভৱ নহয়। আমি ব্যক্তিগত শিক্ষানুষ্ঠানসমূহে ভাল শিক্ষা দিয়া বুলি কওঁ আৰু চৰকাৰী বিদ্যালয়সমূহক সমালোচনা কৰো। চৰকাৰে সদায় কৈ আহিছে যে আমাৰ Proportionate শিক্ষক আছে। কিন্তু মই সদায় ভাৱি থাকো য'ত পাঁচটা ক্লাছৰ কাৰণে মিনিমাম পাঁচজন শিক্ষকৰ দৰকাৰ তাত আমাৰ ক'ৰবাত ক'ৰবাত এজন বা দুজন শিক্ষক আছে। এনেকৈ শিক্ষা ব্যৱস্থাটো উন্নত হোৱা সম্ভৱ নহয়। এই বিষয়টোক লৈ সমগ্ৰ বিধান সভাই এটা সিদ্ধান্ত লোৱা দৰকাৰ। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া ডাঃ আছিফ মোঃ নাজাৰ ডাঙৰীয়াই কওঁক।

**ডাঃ আছিফ মহম্মদ নাজাৰ, (লাহৰীঘাট) ঃ** মাননীয় অধ্যক্ষ মহোদয়, শিক্ষা অবিহনে এখন ৰাজ্যৰ কেতিয়াও উন্নতি নহয়। কেইদিনমান আগতে প্ৰশ্ন কাকত ফাদিল হোৱা বুলি বিভিন্ন প্ৰচাৰ মাধ্যমত পাইছিলো। তেতিয়া কিছুমান নিউজ চেনেলত দেখা গৈছে যে সৰু সৰু ল'ৰা-ছোৱালীয়ে মেট্ৰিক পৰীক্ষা দিবলৈ যাওঁতে যেতিয়া তেওঁলোকৰ প্ৰশ্ন কাকত ফাদিল হ'ল, তেওঁলোকৰ mentally কিমান harassment হৈছে। এই বিষয়েও আমি চিন্তা কৰিব লাগিব। আমি প্ৰত্যেকেই এটা সময়ত ছাত্ৰ আছিলো। আমি আমাৰ ভৱিষ্যতৰ কাৰণে নিজৰ মাক-দেউতাৰ পৰা বহু কথা শুনিবলগীয়া হৈছিল যে মেট্ৰিকত ষ্টেণ্ড কৰিলে, ষ্টাৰ মাৰ্ক পালে বা ভাল নম্বৰ পালেহে ভৱিষ্যতে আগুৱাই যাব পাৰিম। এনেকুৱাধৰণৰ বহু mental harassment ল'ৰা-ছোৱালীৰ ওপৰত আছে। আমি দেখিছো যে বহু ল'ৰা-ছোৱালীয়ে কান্দি কান্দি কৈছে যে আমি ঘৰৰ পৰা pressure পাই দিনে-ৰাতিয়ে পঢ়িছো। কিন্তু প্ৰশ্ন কাকত ফাদিল হোৱাৰ পিছত যিবোৰ ল'ৰা-ছোৱালীয়ে পঢ়া নাই, তেওঁলোকে ভাল নম্বৰ পাব আৰু আমি কম নম্বৰ পাম আৰু কি অৱস্থা হ'ব আমিও নাজানো। আমি mentally depress হৈ গৈছো। গতিকে মই মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে মাননীয় মন্ত্ৰী ডাঙৰীয়াক এই ক্ষেত্ৰত ব্যৱস্থা ল'বলৈ অনুৰোধ জনালো। সৰ্ব শিক্ষাৰ লগতে মই আৰু কেইটামান কথা ক'ব বিচাৰিছো, মোৰ সমষ্টি লাহৰীঘাটত ছাত্ৰ-ছাত্ৰীসকলে ভাল শিক্ষাৰ সুবিধা পোৱা নাই। ইয়াৰ একমাত্ৰ কাৰণ হৈছে মোৰ সমষ্টিত যিবোৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়,

মহাবিদ্যালয় আছে, এইবোৰত কলা শাখাৰ বাহিৰে বিজ্ঞান আৰু বাণিজ্যিক শাখা নাই। ইয়াৰ কাৰণে দুখীয়া ল'ৰা-ছোৱালীসকলে পঢ়িবৰ বাবে নগাওঁ, মৰিগাওঁ আদিত যাবলগীয়া হয়। কিন্তু সিহঁতৰ ওচৰত ইমানখিনি পইচাও নাথাকে যে হোষ্টেলত থাকি তেওঁলোকে শিক্ষা গ্ৰহণ কৰিব পাৰে। মোৰ সমষ্টিত যিবোৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়, মহাবিদ্যালয় আছে, এইবোৰত কলা শাখাৰ বাহিৰেও বিজ্ঞান আৰু বাণিজ্যিক শাখা খোলাৰ বাবে মাননীয় মন্ত্ৰী মহোদয়ক গুৰুত্ব দিবৰ বাবে অনুৰোধ কৰিলো। ইয়াৰ উপৰিও ক'ব বিচাৰো যে মোৰ সমষ্টিত যিখন ভোৰগাওঁ কলেজ আছে, তাত একমাত্ৰ কলা শাখাটোহে আছে। তাত বিজ্ঞান আৰু বাণিজ্য শাখা নাই। মাননীয় অধ্যক্ষ মহোদয়, মই নিজেও এজন চিকিৎসক । মই জানো যে বিজ্ঞান শাখাৰ চিকিৎসা বিজ্ঞান বা অন্য বিভাগত অধ্যয়ণ কৰিব লাগে, তেতিয়া বহুত পঢ়া-শুনা কৰিব লাগে। ইয়াৰ কাৰণে যদি আমি হাইয়াৰ চেকেণ্ডাৰীৰ পৰা ভালদৰে শিক্ষা লাভ নকৰো, তেতিয়া ভৱিষ্যতে এইবোৰ পদ পোৱাত অলপ অসুবিধা হয়। সেয়েহে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম যে মোৰ সমষ্টিত থকা একমাত্ৰ কলেজ ভোৰগাওঁ কলেজৰ ওপৰত যাতে গুৰুত্ব দিয়ে আৰু লগতে আন্তঃগাঁথনিৰ ওপৰতো যাতে গুৰুত্ব দিয়ে। ইয়ৰোপৰিও মোৰ সমষ্টিত যিবিলাক চৰ অঞ্চল আছে, মই বিধায়ক হোৱাৰ পিছত মই নিজে এক ৰাতি সেই চৰত আছিলো। ৰাতিপুৱা উঠি মই নিজে দেখিছিলো যে বিদ্যালয় বিলাকত শিক্ষক নাহে। কিছুমান বিদ্যালয়ত কেৱল এজন শিক্ষক আছে। শিক্ষকসকল নাঁৱেৰে দুপৰীয়া বাৰ মান বজাত আহি পায় আৰু কি পঢ়ায় নাজানো। কিন্তু এক মান বজাত পুনৰ গুছি যায়। এই এক ঘণ্টাত তেওঁলোকে কি পঢ়ায় তেওঁলোকেহে জানে। মই এজনী চতুৰ্থ শ্ৰেণীৰ ছোৱালীক নিজৰ নাম লিখিব দিলো, তাই নিজৰ নামটোৱেই লিখিব নাজানে। এজনী চতুৰ্থ শ্ৰেণীৰ ছোৱালীৰে নিজৰ নামটোৱেই লিখিব নাজানে আৰু আপোনালোকে বাল্য বিবাহৰ কথা কয়। তেনেক্ষেত্ৰত এজনী চতুৰ্থ শ্ৰেণীৰ ছোৱালীৰে যদি নিজৰ নামটোৱেই লিখিব নাজানে, আপোনালোকে চিন্তা কৰক, তাত শিক্ষাৰ কিমান অভাৱঙ্গ মই মাননীয় মন্ত্ৰী মহোদয়ক এই বিষয়ে চিন্তা কৰিবলৈ অনুৰোধ জনালো। ইয়াৰোপৰি মোৰ লাহৰীঘাট সমষ্টিত L.D.A আৰু U.D.A ৰ পদ বহু বছৰ ধৰি খালী হৈ আছে। এইবোৰৰ ওপৰতো যাতে মাননীয় মন্ত্ৰী মহোদয়ে গুৰুত্ব দিয়ে। বৰ্তমান যিটো অন লাইন বদলিকৰণৰ নিয়ম চলি আছে, তাত দেখা গৈছে যে কিছুমান criteria আছে যেনে- শিক্ষক জনে দহ বছৰ চাকৰি কৰা হ'ব লাগিব আৰু স্বামী বা স্ত্ৰী যিখন জিলাত থাকে তাত ট্ৰান্সফাৰ ল'ব পাৰিব। তেওঁলোকৰ যদি কোনো পৰিয়ালৰ লোকৰ ৰেমাৰ থাকে, তেন্তে তেওঁলোকে ট্ৰান্সফাৰ ল'ব পাৰিব। এইবোৰ নিয়ম থকা কাৰণে আমাৰ মৰিগাওঁ জিলাত মহিলা শিক্ষয়িত্ৰীৰ সংখ্যা ইমান বাঢ়িছে আৰু এইদৰে বঢ়াৰ কাৰণে বেছিভাগ মহিলা শিক্ষয়িত্ৰীয়ে ট্ৰান্সফাৰ লৈছে। যাৰ কাৰণে দেখা গৈছে যে মোৰ সমষ্টিকে ধৰি বিভিন্ন অঞ্চলত এতিয়া শিক্ষকৰ সংখ্যা কমি গৈছে। তাৰোপৰি, দেখা গৈছে এতিয়া ৮০০ আবেদনকাৰীয়ে transfer ৰ বাবে আবেদন কৰিছে। তাৰ বিপৰীতে মাত্ৰ ১০০ জনে মৰিগাওঁ জিলাত আহিবলৈ আবেদন জনাইছে। যদি মন্ত্ৰী মহোদয়ে এই ৮০০ খন আবেদন পাছ কৰি দিয়ে তেন্তে সেই শিক্ষকবোৰো লাহে লাহে নোহোৱা হৈ যাব। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ .....interruptions...

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, (পশ্চিম গুৱাহাটী)ঃ** চাৰ, এইটো Cut motion নে Rule 50 ৰ ওপৰত আলোচনা, মই বুজা নাই। যদি এইটো Cut motion, মইও ক'ম .....interruptions...

**মাননীয় অধ্যক্ষঃ** নালাগে, মন্ত্ৰীয়ে ক'ব।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, (পশ্চিম গুৱাহাটী)ঃ** কথাটো আপোনাৰ পৰা জানিব বিচাৰিছো .....interruptions...

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী)** ঃআপোনাৰ বিধান সভাত বহুত বছৰ হ'ল। আপোনাৰ অভিজ্ঞতা বহুত আছে। তেওঁ নতুন সদস্য।

**মাননীয় অধ্যক্ষঃ** হ'ব। শিক্ষাখণ্ডৰ ওপৰত আলোচনা হৈ থকাৰ বাবে তেওঁ কৈছে।

এতিয়া দিগন্ত বৰ্মন ডাঙৰীয়া।

**শ্ৰী দিগন্ত বৰ্মন, (বৰক্ষেত্ৰী)ঃ** অধ্যক্ষ মহোদয়, বেলেগ একো নাই। Rule 50 ত H.S.L.C.ৰ সম্পৰ্কত আছিল। তাৰ মাজতে মই সকলোৰে বাবে মন্ত্ৰী মহোদয়ক এটা অনুৰোধ জনাব বিচাৰিছো। বিভিন্ন সময়ত আমাৰ ছেৱা সম্পৰ্কে আলোচনা হৈয়েই আছে। মোৰ সমষ্ঠিত ৭ খন হায়াৰ ছেকেণ্ডাৰী স্কুল কৰাৰ বাবে মন্ত্ৰী মহোদয়ক মই ধন্যবাদ ও কৃতজ্ঞতা জনাইছো। হায়াৰ ছেকেণ্ডাৰী স্কুলবোৰত এটা ভাল Library বনাবলৈ, আমাৰ যিসকল Bachelor of Library Science আছে, তেওঁলোকক Librarian হিচাপে নিযুক্তিৰ ব্যৱস্থা কৰক। হায়াৰ ছেকেণ্ডাৰীবোৰত এই প্ৰপোজেলটো দিয়ক। এইটো কৰিলে আমাৰ ল'ৰা-ছোৱালীখিনিয়ে শিক্ষা ক্ষেত্ৰত যথেষ্টখিনি কাম পাব। মহোদয়, আপুনি অসমত যিখিনি হায়াৰ ছেকেণ্ডাৰী স্কুল কৰি দিলে তাৰ ক্ষেত্ৰত আপুনি কৈছে যে তাত যিখিনি sufficient staff আছে, সেইখিনিয়েই চলাব। কিন্তু, আমি দুখন হায়াৰ ছেকেণ্ডাৰী এবছৰমান চলালো। বাকী পাঁচখন এতিয়া দিছে, তাত কাম হ'ব। কিন্তু, এইখিনিৰ ক্ষেত্ৰত আপুনি নিযুক্তিৰ ব্যৱস্থা কৰিব লাগিব। বহু ল'ৰা-ছোৱালীয়ে ইতিমধ্যে যোৱাবাৰো admission লৈছে আৰু নতুনকৈও admission ল'ব। যদি subject teacher বা staff নাথাকে, তেন্তে যথেষ্ট অসুবিধা হ'ব। এই নতুন হায়াৰ ছেকেণ্ডাৰী কেইখনত অন্ততঃ subject allocation দি হ'লেও পৰৱৰ্তী সময়ত নিযুক্তিৰ ব্যৱস্থা কৰক। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। শ্ৰী জাকিৰ হুছেইন সিকদাৰ। দুই মিনিটত, অকল পৰীক্ষাৰ ওপৰত ক'ব।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী)** ঃ মাননীয় অধ্যক্ষ ডাঙৰীয়া, আপুনি সময় দিয়াৰ বাবে ধন্যবাদ জনাইছো। ইতিমধ্যে পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিল সম্পৰ্কত পৱিত্ৰ বিধান সভাত বিভিন্ন দিনত আলোচনা হৈছে। মই আশা কৰো মাননীয় শিক্ষা মন্ত্ৰী ডাঙৰীয়াই আহি থকা সময়ত অসমত আৰু যাতে দ্বিতীয়বাৰৰ বাবে কোনো প্ৰশ্নকাকত ফাদিল নহয় তাৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিব। মহোদয়, প্ৰশ্নকাকত কিয় ফাদিল হয়? পৰীক্ষাত অসৎ নীতি কিয় অৱলম্বন কৰে? এই কথাবোৰৰ ওপৰত আমি যেতিয়া পৰ্যালোচনা কৰিম, তেতিয়াহে আচল বেমাৰ ওলাব। সেই বেমাৰৰ ঔষধ দিয়াৰ পিছতহে তাৰ নিৰাময়ৰ ব্যৱস্থা হ'ব। প্ৰথম কথা হ'ল, কোনো এজন পৰীক্ষাৰ্থীয়ে পৰীক্ষাৰ বাবে যি ধৰণে সাজু হ'ব লাগে, বিভিন্ন পাঠ্যক্ৰমৰ বিষয়-বস্তুৰ ওপৰত যেনেকৈ জ্ঞান লাভ কৰিব লাগে, সেইটো নকৰি, বেছিভাগ ছাত্ৰ-ছাত্ৰীয়ে প্ৰশ্নকাকত ফাদিল হোৱাৰ পিছত টকা-পইচা দি কিনি লয় বা কিছুমানে নকলৰ জৰিয়তে পৰীক্ষাৰ বহীত প্ৰশ্নৰ উত্তৰ লিখে। তেনেকুৱা মানুহখিনিৰ বিষয়ে আমি যদি অলপ চিন্তা-চৰ্চা কৰো তেতিয়া দেখা পাম যে আমাৰ যিটো শিক্ষা নীতি, বিদ্যালয়ত চাৰ-বাইদেউ সকলে যি ধৰণে শিক্ষা দিয়ে বা ছাত্ৰ-ছাত্ৰীয়ে যি ধৰণে শিক্ষা গ্ৰহণ কৰে, এইখিনিৰ মাজত কৰ'বাত নহয় ক'ৰবাত কিবা ত্ৰুটি ৰৈ গৈছে। অধ্যক্ষ ডাঙৰীয়া, মাননীয় মুখ্যমন্ত্ৰীকে আৰম্ভ কৰি আমি সকলো বিধায়কে গুণোৎসৱত বিভিন্ন বিদ্যালয়লৈ গৈছো। গুণোৎসৱত যোৱাৰ পিছত এটা কথা সকলোৰে উপলব্ধি হৈছে যে Class IX, X ৰ

ছাত্ৰ-ছাত্ৰীসকলৰ যি পৰিমাণৰ জ্ঞান থাকিব লাগে, সেইখিনি তেওঁলোকৰ নাই। ঠিক তেনেদৰে, Class VII, VIII ৰ ছাত্ৰ-ছাত্ৰীসকলে Class V, VI, VII পাছ কৰি অহাৰ পিছত Class VIII, IX ত তেওঁলোকে যেতিয়া লিখা-পঢ়া কৰে, সেইখিনিৰ ওপৰত যিখিনি জ্ঞান তেওঁলোকৰ থাকিব লাগে, সেইখিনি তেওঁলোকৰ ক'ৰবাত নহয় ক'ৰবাত কম থাকে। আমি দেখো যে অংগনবাড়ী কেন্দ্ৰৰ পৰা আৰম্ভ কৰি Class I-VI, শিক্ষা ব্যৱস্থাত এটা শ্ৰেণীৰ পৰা আন এটা শ্ৰেণীলৈ পাছ হোৱাৰ বাবে পৰীক্ষা হয়। এই গোটেই শিক্ষাৰ পদ্ধতিত শিক্ষা বিভাগে নিয়ন্ত্ৰণ কৰাত ক'ৰবাত নহয় ক'ৰবাত ব্যৰ্থ হৈছে। মই তাৰ কাৰণে শিক্ষামন্ত্ৰী বা শিক্ষা বিভাগক জগৰীয়া কৰিব নোখোজো। কাৰণ এনেকুৱাও আছে আজিৰ তাৰিখত এইখন অসমতে যে Class VIII, IX ত পঢ়ে, অসমীয়াৰ কোনো এটা বিষয়ত reading কৰিব দিলে ভালকৈ উচ্চাৰণ কৰিব নোৱাৰে, Class V, VI ত এনেকুৱাও আছে যে বহুতে A ৰ পৰা Z লৈ ভালকৈ ক'ব নোৱাৰে। গতিকে, মোৰ কথা হ'ল যে প্ৰথমতে পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিল, নকল আদি অসৎ পদ্ধতিবোৰ বন্ধ কৰিবলৈ হ'লে প্ৰতিজন ছাত্ৰ-ছাত্ৰীক সু-শিক্ষা দিব লাগিব আৰু সেই সু-শিক্ষা দিবলৈ গ'লে শিক্ষা ব্যৱস্থাটো কেনেকুৱা হ'ব, পাঠ্যক্ৰম কেনেকুৱা হ'ব, শিক্ষক-শিক্ষয়িত্ৰীয়ে ভালদৰে শিক্ষা ব্যৱস্থা দিছে নে নাই, বিদ্যালয়ত ভালদৰে পাঠদান চলিছে নে নাই সেইসমূহৰ ওপৰত আমি লক্ষ্য ৰাখিব লাগিব। তাৰ লগে লগে শিক্ষা বিভাগে চাব লাগিব যে প্ৰতিখন বিদ্যালয়ত ছাত্ৰ-ছাত্ৰী অনুপাতে শিক্ষক নিয়োগ কৰা হৈছে নে নাই। প্ৰতিটো বিষয়ৰ শিক্ষক নিয়োগ কৰা হৈছে নে নাই এই বিষয়ত চকু দিব লাগিব। যদি চকু নিদিয়ে, তেতিয়াহ'লে তেওঁলোকে লিখা-পঢ়া ভালদৰে কৰাৰ সুযোগ নাপাই অসৎ উপায় অৱলম্বন কৰিবই। গতিকে, শিক্ষামন্ত্ৰী ডাঙৰীয়াক এই বিষয়সমূহৰ ওপৰত গুৰুত্ব দিবলৈ আৰু যোৱা হাইস্কুল শিক্ষান্ত পৰীক্ষাত যি প্ৰশ্নকাকত ফাদিল হ'ল, যিসকল দোষী, তেওঁলোকৰ ওপৰত কঠোৰৰ পৰা কঠোৰতম শাস্তি বিহিবলৈ অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। শ্ৰী ৰফিকুল ইছলাম।

**শ্ৰী ৰফিকুল ইছলাম, (জনীয়া)ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইবেলি আমাৰ HSLC ৰ যি পৰীক্ষা হ'ল, দুখন প্ৰশ্নকাকত ফাদিল হোৱা মানি লৈ পৰীক্ষা দুটা আকৌ reschedule কৰা হ'ল। তেনেকুৱা আৰু দুখনৰ কথা কিন্তু ওলাইছিল। বহুত শিক্ষাৰ্থীয়ে আহি কৈছিল যে ৮০-৯০% মিল আছে। যিয়েই নহওঁক, তাৰ ওপৰত সিমানখিনি গুৰুত্ব দিয়া হ'ল বা নহ'ল। পৰীক্ষা আৰম্ভ হোৱাৰ পিছত যি ধৰণে প্ৰশ্নকাকত ফাদিল হৈ আছিল, এনেকুৱা লাগিছিল যে এইবাৰ পৰীক্ষা শেষেই নহ'ব। যিয়েই নহওঁক, এতিয়া শেষ হ'ল। পৰীক্ষা এটা সঠিকভাৱে পাতিবলৈ হ'লে, top to bottom যিসকল ইয়াৰ লগত জড়িত আছে, সকলো pious হ'ব লাগিব। ইয়াৰ মাজত যদি দুই-চাৰিজনো অসৎ ব্যক্তি থাকে, তেতিয়া হ'লে এনেকুৱা ধৰণৰ ঘটনা ঘটি থাকিব। গতিকে, মই মন্ত্ৰী মহোদয়ক আপোনাৰ জৰিয়তে অনুৰোধ জনাম যে এই বিষয়টো যাতে বহুত seriously লয়। মই তেখেতক directly জগৰীয়া কৰিব বিচৰা নাই, মই কৈছোৰেই যে এইটো এটা ডাঙৰ chain, তাৰ মাজৰ পাঁচ-দহ জনে যদি এই অসৎ কামটো কৰে, তাক নিয়ন্ত্ৰণ কৰাটো অসম্ভৱ হ'ব। গতিকে, কি mechanism ল'লে পৰৱৰ্তী সময়ত এনে নহ'ব তেনেকুৱা ধৰণৰ চিন্তা-চৰ্চা যাতে কৰে। এনেদৰে আকৌ পৰীক্ষা পাতিবলগীয়া হ'লে ছাত্ৰ-ছাত্ৰীৰ কাৰণে এটা বোজা হৈ যায়, মানসিক অত্যাচাৰ হয় । মাননীয় অধ্যক্ষ মহোদয়, শিক্ষকসকল শ্ৰদ্ধেয়, পূজনীয় আৰু শিক্ষকৰ প্ৰতি আমাৰ শ্ৰদ্ধা আছিল, আছে বা থাকিব লাগিব। এই বৃত্তিটো বৰ পবিত্ৰ বৃত্তি। কিন্তু, কিছুমান বস্তু তেখেতসকলৰ লগত জড়িত কৰি, সকলো নহয়, কিছুমানক চাউল-দালিৰ হিচাপ, ইউনিফৰ্মৰ

হিচাপ ঠিকৈকে কৰিলে নে নাই, এই যিসকল বিষয়া আছে, সেই সকলো তাত জড়িত হৈ এই সৎ বৃত্তিটোৰ মাজত কিছু অসৎ কাম কিন্তু হৈ আছে। পইচাৰ কাৰণে বা নামৰ কাৰণে বা নম্বৰৰ কাৰণে হয়তো ফাদিল কৰি এই যিটো পবিত্ৰ বৃত্তি আছিল, সেইটো যাতে অপবিত্ৰ নহয়। তেওঁলোকে mid-day meal ৰ কাম কৰিব লাগে, ইউনিফৰ্মো দিব লাগে, I.S. খিনিয়ে চাব, DEEO, BEEO ই চাব, মাজত যাতে হাত নলগায়, top to bottom যিটো চলি আছে, এই বিষয়বোৰো কিন্তু চিন্তা কৰিবলগীয়া হৈছে, মাননীয় অধ্যক্ষ মহোদয়। গতি কে, মই কৈছো যে দুই-চাৰিজন অসৎ মানুহ যদি সোমাই থাকে, এইটো নিয়ন্ত্ৰণ কৰা কোনোপধ্যেই সম্ভৱ নহয়। আৰু এটা কথা কৈ মই শেষ কৰিম Specially যদি আমি চাঁও ক'ৰবাত নহয় কৰবাত শিক্ষক সকলৰ শাও এটা আমাৰ ওপৰত লাগিছে। আজি মই এই চেগতে প্ৰসঙ্গত কৈছো যে আমি quality শিক্ষাৰ কথা কৈ বহুত venture school বাদ দিলো। তেখেতসকলৰ পৰা ২০-২৫ বছৰৰ কাম ল'লো। যেতিয়া venture school সমূহ পাতিছিল, তেতিয়া কোনো condition নাছিল যে ১৫ জন বা ১৪ জন ছাত্ৰ -ছাত্ৰী যদি হয়, তেনেহ'লে সেই স্কুল লোৱা নহ'ব। এখন স্কুলত ৫ জন শিক্ষকৰ দ্বাৰা কাম ল'লো কিন্তু যেতিয়া provincialize কৰা হ'ল তেতিয়া ৩ জনক লৈ বাকী দুজনক dustbin ত পেলাই দিয়াৰ নিচিনাকৈ পেলাই দিয়া হ'ল। গতিকে এই সকলৰ লগত যি জুলুম কৰিছে সেয়া এই বিভাগে অলপ চিন্তা কৰিব লাগে। সেয়েহে এতিয়া পেপাৰ লিকৰ লগত সংগতি ৰাখি মই ক'ব বিচাৰিছো যে যিটো ২০১৭ ৰ Venture School Provincialization Act আছে, সেইটো amend কৰি যিসকল শিক্ষকক আমি justice দিব পৰা নাই, সেইসকলক যাতে justice দিয়া হয় আৰু এই পৰীক্ষাৰ কথা মই কৈছো যে top to bottom সকলোৱে যাতে ভালদৰে কাম কৰে তাৰবাবে বিহীত ব্যৱস্থা ল'ব লাগে। এইখিনিকে কৈ মই মোৰ বক্তব্য সামৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**ডাঃ ৰণোজ পেগু, (শিক্ষামন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, Rule 50 ৰ অধীনত উত্থাপিত ‘ছেবাৰ পৰীক্ষা আৰু প্ৰশ্নকাকত ফাদিল ’এই আলোচনাত মাননীয় বিৰোধী দলপতি শ্ৰী দেৱব্ৰত শইকীয়াৰ লগতে শ্ৰী আমিনুল ইছলাম(জ্যেষ্ঠ), শ্ৰী মতী নন্দিতা দাস ডাঙৰীয়ানী, শ্ৰী মনোৰঞ্জন তালুকদাৰ, শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, শ্ৰী অখিল গগৈ, ড° আছিফ নাজাৰ, শ্ৰী দিগন্ত বৰ্মন, শ্ৰী জাকিৰ হুছেইন সিকদাৰ, ড° ৰফিকুল ইছলাম, তেওঁলোকে বক্তব্য আগবঢ়ালে আৰু মই তেওঁলোকক ধন্যবাদ জ্ঞাপন কৰিছো। আমাৰ মেট্ৰিক পৰীক্ষা হোৱাৰ schedule আছিল ৩ মাৰ্চৰ পৰা ২০ মাৰ্চ আৰু পৰীক্ষা চলি থকাৰ মাজত যোৱা ১২ তাৰিখে ছেবাৰ হাতত তথ্য আহে যে ১৩ তাৰিখে অনুষ্ঠিত হ'বলগীয়া বিজ্ঞানৰ প্ৰশ্ন কাকতখন ফাদিল হৈছে আৰু মিডিয়াত প্ৰচাৰিত হৈছে। ১২ তাৰিখে মাজনিশা সিদ্ধান্ত লৈ ১৩ তাৰিখে হ'বলগীয়া বিজ্ঞানৰ পৰীক্ষা পিছুৱাই দিয়া হ'ল আৰু পিছদিনাখন নতুন দিন ঘোষণা কৰা হয় যে ১৩ তাৰিখে হ'বলগীয়া বিজ্ঞানৰ পৰীক্ষা ৩০ তাৰিখে অনুষ্ঠিত হ'ব। লগে লগে কি পৰিস্থিতত, কেনে ধৰণে এই প্ৰশ্ন কাকত ফাদিল হ'ল তাক তদন্ত কৰিবৰ কাৰণে ছেবাৰ তৰফৰ পৰা CID ত টো গোচৰ তৰা হয়। CID য়ে তদন্ত আৰম্ভ কৰি মাত্ৰ ৪৮ ঘন্টা সময়ৰ ভিতৰত প্ৰশ্ন কাকত ফাদিল হোৱা source টো ধৰা পেলাই আৰু দোষী ব্যক্তিক কৰায়ত্ব কৰে আৰু কৰায়ত্ব কৰাৰ সোধ পোছৰ সময়ত তেখেতে স্বীকাৰোক্তি দিয়ে যে বিজ্ঞানৰ প্ৰশ্ন কাকতখন লৈ যোৱা সময়ত তেওঁ অসমীয়াৰ প্ৰশ্নকাকত খনো লৈ গৈছিল। CID য়ে এই তথ্য আমাক জনোৱাৰ পাছত ১৮ তাৰিখে অনুষ্ঠিত হ'বলগীয়া MIL ৰ বিষয়সমূহৰ

পৰীক্ষাও পিছুৱাই দিয়া হয় আৰু তাৰ কাৰণেও বিকল্প প্ৰশ্ন কাকতৰ ব্যৱস্থা গ্ৰহণ কৰি ১ এপ্ৰিলৰ তাৰিখে দিন ঘোষণা কৰা হয়। ইতিমধ্যে এই দুয়োটা পৰীক্ষা সুকলমে অনুষ্ঠিত হৈ যোৱাৰ পাছত আমাৰ HSLC ৰ পৰীক্ষা সম্পূৰ্ণ হৈছে। বৰ্তমান মূল্যায়ন চলি আছে। পৰীক্ষা যদিও কেইদিনমান পিছুৱাই গ'ল আমি সময়মতে ফলাফল ঘোষণা কৰিম। ৯১২ টা চেন্টাৰত পৰীক্ষা অনুষ্ঠিত হৈছিল, ৩৯ টা চেন্টাৰত ইয়াৰ evaluation চলি আছে আৰু সময়মতে পৰীক্ষাৰ ফলাফল ছেবাই ঘোষণা কৰিব।

মই কেইটামান প্ৰথম স্পষ্টীকৰণ দিব বিচাৰো। মাননীয় সদস্য অখিল গগৈ ডাঙৰীয়াই উচ্চাৰণ কৰিছে এটা শব্দ যে প্ৰশ্নকাকত বাৰম্বাৰ ফাদিল হৈছে। এই কথাটো শুদ্ধ নহয়। প্ৰশ্নকাকত ফাদিল হোৱাৰ মাত্ৰ এটা incidence আমাৰ ঘটিছে। মই তেখেতক জনাব বিচাৰো প্ৰশ্নকাকত ফাদিল হোৱাৰ সমস্যাটো সৰ্বভাৰতীয়। ইয়াত বিভিন্ন দলৰ শাসিত ৰাজ্যত প্ৰশ্নকাকত ফাদিল হোৱাৰ ঘটনাটো ঘটিছে আৰু যোৱা ১০ টা বছৰত সৰ্বমুঠ ৭০ টা ঘটনা ঘটিছে আৰু এই যোৱা ১০ টা বছৰত এই বছৰটো ধৰি আমাৰ ছেবাৰ যদি প্ৰশ্নকাকত ফাদিল হোৱাৰ ঘটনা আমি চাওঁ, তেনেহ'লে এটা ঘটনা সংঘটিত হৈছিল ২০০৬ চনত আৰু দ্বিতীয়বাৰৰ বাবে এই ২০২৩ ত ঘটিছে আৰু এইবাৰৰ ক্ষেত্ৰতো বাৰম্বাৰ শব্দটো প্ৰযোজ্য নহয়। আপোনালোক কোনেও মোক তথ্য প্ৰমান দিব নোৱাৰে। এটাই incidence ঘটিছে লোহিত- খাবলু স্কুলৰ পৰীক্ষা কেন্দ্ৰৰ পৰা আৰু এই incident ত দুখন প্ৰশ্নকাকত ফাদিল হোৱাৰ তথ্য আহিছে। মিডিয়াত ক'ৰবাত কিবা বাতৰি ওলাইছে। কিন্তু তথ্য সহকাৰে প্ৰমাণ নাই। গতিকে বাৰম্বাৰ শব্দটো প্ৰযোজ্য নহয়।

মাননীয় সদস্য আমিনুল ইছলাম ডাঙৰীয়াই এটা অভিযোগ উত্থাপন কৰিছে যে ৫ খন ব্যক্তিগত স্কুলে Case for Question Paper ৰ নিচিনা ঘটনা কৰি আছে আৰু তেওঁলোকে আগতীয়াকৈ প্ৰশ্নকাকত পায়। ক'ৰবাত বাতৰি প্ৰকাশিত হয়,কোনোবাই মোকো কয় কিন্তু মই তেওঁলোকক কওঁ মোক ন্যূনতম তথ্য প্ৰমাণ দিলেও নিশ্চিতভাৱে আমি তদন্ত কৰিম। আমি তদন্ত কৰিছো। Question Paper ফাদিল হোৱা বা Question Paper বিক্ৰী হোৱা কোনো clue পোৱা নাই। মোক যদি তাৰ clue এটাও দিয়ে তেনেহ'লে এই ব্যক্তিগত স্কুললৈ Question Paper বিক্ৰী হোৱা বা ফাদিল হোৱা, আমি নিশ্চিতভাৱে ব্যৱস্থা গ্ৰহণ কৰিম। কিন্তু কোনোবা এখন বিদ্যালয়ৰ ফলাফল ভাল হৈছে, সেইকাৰণে আমি সন্দেহ কৰিছো যে তেওঁলোকে Question Paper আগতীয়াকৈ পাইছে। কোনোবাই stand কৰিছে, সেইবুলি আমি তেখেতক সন্দেহ কৰিম যে তেখেতে Question Paper আগতীয়াকৈ লৈছে। প্ৰশাসন, পুলিচ, চৰকাৰে সন্দেহৰ ওপৰত ভৰসা কৰিটো গ্ৰেপ্তাৰ কৰিব নোৱাৰে। যদি কাৰোবাৰ হাতত তেনেকুৱা কিবা clue আছে, সেইটো দিবলৈ মই অনুৰোধ কৰিছো।

এতিয়া মই দ্বিতীয় কথাটো লৈ আহো। এই Question Paper ফাদিল হোৱাৰ বাবে ছেবাৰ সংস্কাৰ কৰিব লাগে বুলি কৈছে। ছেবাৰ চেয়াৰমেনক অব্যাহতি দিব লাগে। মাননীয় বিৰোধী দলপতি দেৱব্ৰত শইকীয়া ডাঙৰীয়াই এটা কথা উল্লেখ কৰিছে যে এটা প্ৰক্ৰিয়া চলি থকাৰ সময়ত তাৰে চেয়াৰমেন জনক বদলি কৰাটো আপত্তিজনক বুলি কৈছে। পূৰ্বতে এজন বিষয়াক তেনেদৰে সলনি কৰা হৈছিল আৰু সেইটো বেয়া কথা আছিল। যদি সেইটো বেয়া কথা আছিল এতিয়া কেনেকৈ পৰীক্ষাৰ প্ৰক্ৰিয়া চলি থকাৰ মাজত চেয়াৰমেনজনক বদলি কৰাটো কেনেকৈ ভাল কথা হ'ব? যদি তেতিয়া বেয়া কথা আছিল তেনেহ'লে এইটো এতিয়াও বেয়া কথা। গতিকে সেই বেয়া পৰামৰ্শ দিয়াটো অনুচিত। এতিয়া আমি চাব লাগে যে প্ৰশ্ন কাকতটো

ছেৱাত ফাদিল হ'ল নে ক'ত হ'ল? ছেবাই প্ৰশ্নকাকত প্ৰস্তুত কৰে। সেই প্ৰশ্নকাকত প্ৰস্তুত কৰাৰ এটা নিখুঁত ব্যৱস্থা আছে, যি ব্যৱস্থাত সুন্দৰভাৱে প্ৰক্ৰিয়াটো চলি আহিছে। প্ৰশ্নকাকত প্ৰেছত ছপা হয়। তাৰ পিছত পেকেট কৈ ছেবাৰ কাৰ্য্যালয়লৈ আহে। ছেবাৰ কাৰ্য্যালয়ত প্ৰশ্নকাকতৰ পেকেট খোলা নহয়, কাৰণ কোন ঠাইত কিমান পেকেট যাব সেইবোৰ প্ৰেছৰ পৰাই পেকেট হৈ আহে আৰু তাৰ পাছত আমাৰ ৯১২ টা পৰীক্ষা কেন্দ্ৰলৈ যায়। কাৰণ কোন ডেষ্টিনেশ্যনত কিমান প্ৰশ্ন কাকত যাব সেইটো প্ৰেছৰ পৰাই পেক হৈ আহে । ইয়াৰ পিচত আমাৰ ৯১২ টা পৰীক্ষা কেন্দ্ৰৰ বাবে প্ৰশ্ন কাকতসমূহ যায় ৮৩৪ খন থানাত এই প্ৰশ্ন কাকতসমূহ জমা ৰখা হয় । তাৰ পৰা পৰীক্ষাৰ দিনাখন পৰীক্ষা ৰ **in-charge** থানাৰ পৰা লৈ গৈ শিক্ষক আৰু অতি কমেও দুইজন ছাত্ৰৰ সন্মুখত প্ৰশ্ন কাকতসমূহ খুলি বিতৰণ কৰিব লাগে । এইটোয়ে হৈছে নিয়ম । প্ৰশ্ন কাকতসমূহ থানালৈ যোৱাৰ পিচত এই দায়িত্বটো থানা আৰু পৰীক্ষা কেন্দ্ৰৰ । কিন্তু এইবাৰ নিয়াৰ পিচতহে প্ৰশ্ন কাকত লীক হৈছে । গতিকে মই **SEBA** কেনেকৈ জগৰীয়া কৰিম ? যদিহে **SEBA** কাৰ্য্যালয় বা প্ৰেছৰ পৰা বা থানাত গৈ পোৱাৰ আগতে প্ৰশ্ন কাকত **leak** হ'লহেতেঁন তেতিয়া মই চেবাক দায়বদ্ধ কৰিব পাৰো । গতিকে যি স্থানৰ পৰা প্ৰশ্ন কাকত লীক হৈছে তাত আমি কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগিব । আৰু এই বিষয়ে আমি ইতিমধ্যে প্ৰক্ৰিয়া আৰম্ভ কৰিছো , আপোনালোকৰ যদি কিবা পৰামৰ্শ থাকে তেন্তে আপোনালোকে ক'ব পাৰে । আমাৰ বহুতো পৰীক্ষা কেন্দ্ৰ আছে যিবিলাক দুৰনীবটীয়া অঞ্চলত আছে । সেই স্কুলৰ পৰা শিক্ষকসকল আহি কয় যে আমাৰ তিনিশ- চাৰিশ ছাত্ৰ- ছাত্ৰী আছে কিন্তু আমাৰ পৰীক্ষা কেন্দ্ৰ নাই গতিকে পৰীক্ষাৰ বাবে নদী বা ঘাট পাৰ হৈ যাব লাগে আৰু লোকৰ ঘৰত ভাড়া থাকি ছাত্ৰ ছাত্ৰীয়ে পৰীক্ষা দিব লাগে । কাৰণ চৰ চাপৰিৰ পৰা গৈ ন টা বজাত পৰীক্ষা কেন্দ্ৰ পাবগৈ নোৱাৰি । সেই বাবে আমি কিছু কিছু পৰীক্ষা কেন্দ্ৰ চৰ অঞ্চলত দিব লগা হৈছে । আৰু সেইবিলাকক প্ৰশ্ন কাকত আগতে গৈ পাব লাগিব। সেই বিষয়ে আৰু কিবা কৰিব লগা আছেনেকি আপোনালোকৰ পৰামৰ্শসমূহ আমাক জনাব । তাৰ বাবে আমি এটা নিকপকপীয়া ব্যৱস্থা গ্ৰহণ কৰিম । শিক্ষকে পৰীক্ষা কপাতে আৰু শিক্ষকে বহীও চায় । আমিতো এই পৰীক্ষাৰ বহীখিনি আন বিভাগৰ ডাক্টৰ ইঞ্জিনিয়াৰক চাব দিব নোৱাৰো । কিন্তু যেতিয়া শিক্ষকে গণ্ডোগোল কৰে তেন্তে আমিতো কঠোৰ ব্যৱস্থা ল'ব লাগিব । এইবাৰ আমি ক্লাছ এনেভেনৰ পৰীক্ষা পাতিছো । প্ৰশ্নকাকতখন আমাৰ উচ্চতৰ মাধ্যমিক সংসদে প্ৰস্তুত কৰিছে আৰু প্ৰশ্নকাকতসমূহ বিদ্যালয়তে ৰখা হৈছে । আমি থানালৈ পঠিওৱা নাই । কিন্তু এইবাৰ কোনো ধৰনৰ খেলিমেলিও হোৱা নাই । কিন্তু অহাবাৰলৈ আমি বেলেগ এটা কথা চিন্তা কৰিছো । গতিকে ৰক্ষকে যেতিয়া ভক্ষক হয় তেতিয়া আমাৰ কাৰণে খুৱ জটিল সমস্যা হৈ পৰে । গতিকে সকলো পৰামৰ্শখিনি আগবঢ়াব যাতে আমি প্ৰশ্ন কাকত লীক নোহোৱাকৈ পৰীক্ষাসমূহ পাতিব পাৰো । এই ক্ষেত্ৰত যিখিনি সুধৰণি কৰিব লগা আছে আমি কৰিম । দ্বিতীয় কথাটো হ'ল যে **SEBA** সংস্কাৰৰ কথা । শ্ৰীনাথ বৰুৱা কমিটিয়ে যি প্ৰতিবেদন দিছিলে সেই প্ৰতিবেদনৰ যিখিনি ব্যৱস্থা সেইখিনি চৰকাৰে গ্ৰহণ কৰিছে বা কৰিব । আৰু **SEBA** সেইখিনি ব্যৱস্থা গ্ৰহণ কৰিছে । **SEBA** চেয়াৰমেন জনৰ **term** ৰ কথা কোৱা হৈছে । ইউনিভাৰ্চিটি এখনৰ- **VICE Chancellor**- ৰ এটা টাৰ্ম থাকে । **REGISTER** জনৰ এটা টাৰ্ম থাকে । আজিকালি **UGC** গাইডলাইনমতে- আমাৰ কলেজবিলাকত প্ৰিঞ্চিপাল সকলৰ এটা পাঁচ বছৰীয়া টাৰ্ম থাকে । এইটো আইনতে ব্যৱস্থা কৰা আছে । কিন্তু এই টাৰ্মটো কিছু ক্ষেত্ৰত এক্সটেইন কৰিব পাৰি , কিন্তু এক্সটেশ্যনটো কি পদ্ধতিৰে কৰিব তাৰো ব্যৱস্থা আছে । এতিয়া কলেজ প্ৰিঞ্চিপালৰ

ক্ষেত্ৰত - কোৱা আছে **The principal will have to undergo a similar process of selection** এই ক্ষেত্ৰত আমি পোনপোটীয়া কৈ কৈ দিব নোৱাৰো যে প্ৰিঞ্চিপালজনে এক্সটেনশ্যন পাব বা পাব নোৱাৰে । পদ্ধতিটো হৈছে যে তেওঁ প্ৰথম অৱস্থাত যিটো প্ৰচেচত আহিছিল সেই একে প্ৰচেচতে চিলেকশ্যন হ'ব লাগিব। যিহেতু **SEBA** পৰিচালনা হৈ আছে এখন আইনৰ ওপৰত । কিন্তু ঠিক তেনেধৰনে ইউনিভাৰ্চিটি এখনৰো আইন আছে । এই আইনী ব্যৱস্থাৰ দ্বাৰাহে শিক্ষক আৰু ৰেজিষ্টাৰ এজনৰ টাৰ্ণটো এক্সটেনশ্যন কৰা হয় । আজি মই টুইট কৰিলো যে- **SEBA has informed me that as per advised of hon'ble Chief Minister SEBA** এই সিদ্ধান্ত ল'লে কিন্তু যেতিয়া এটা বিভাগ কথা আহে তেতিয়া মুখ্যমন্ত্ৰীয়ে ইনষ্ট্ৰাকশ্যন দিয়ে কিন্তু ইউনিভাৰ্চিটি এখনক মুখ্যমন্ত্ৰীয়ে আদেশ নিদিয়ে কাৰণ ইউনিভাচিৰ্টিখন এখন আইনৰ দ্বাৰা প্ৰতিষ্ঠিত স্বায়ত্বশাসিত প্ৰতিষ্ঠান । এই অটোনোমাচ বডিত মন্ত্ৰীয়ে কোনো আদেশো নিদিয়ে আৰু কোনো সিদ্ধান্তও নলওঁ । তেওলোকৰ যিখন বোৰ্ড আছে তেওলোকে সিদ্ধান্ত ল'ব। সেই কাৰণে মুখ্যমন্ত্ৰীয়েও কৈছে **I have a advised** মই পৰামৰ্শ দিছো। আপুনিও পৰামৰ্শ দিব । মইও পৰামৰ্শ দিব পাৰো কিন্তু সেবাই--- যি সিদ্ধান্ত ল'ব সেইটো তেওলোকৰ স্বতন্ত্ৰ সিদ্ধান্ত । সেবাই স্বতন্ত্ৰ সিদ্ধান্ত লৈছে আৰু এই সিদ্ধান্তটো আমি গ্ৰহণ কৰিলো বুলি মন্ত্ৰীক মানে মোক জনাইছে। আৰু অসমৰ ৰাইজক মই সেই কথাখিনি জনাই দিছো । মাননীয় অধ্যক্ষ মহোদয়, মোডালীয়া আয়োগৰ- কথা কোৱা হৈছে । আমি সকলোৰে জানো আমি মাধ্যমিক শিক্ষাক গুৰুত্ব দি কেনেকৈ আমি শিক্ষা ব্যৱস্থাক উন্নত কৰিব পাৰো সেইটো আমি ব্যৱস্থা গ্ৰহণ কৰিলো । পেপাৰ যদি পঢ়ে দেখিব যে আমাৰ ১ তাৰিখৰ পৰা আমাৰ বিদ্যালয়সমূহত উৎসৱ বিদ্যাৰম্ভ পৰ্ব চলি আছে নতুন নামভৰ্ত্তি পৰ্ব চলি আছে । প্ৰতি দিনে পেপাৰত এটা নিউজ আহি আছে যে অমুক চৰকাৰী বিদ্যালয়ত নামভৰ্ত্তিৰ বাবে দীঘলীয়া শাৰী ৰাইজে পাতি আছে । বিশ্বনাথ, নলবাৰী পৰা নিউজ আহিছে , যোৰহাটৰ পৰাও নিউজ আহিছে । চৰকাৰী শিক্ষানুষ্ঠানত নাম ভৰ্ত্তিৰ কাৰণে যে ভীৰ লাগিছে যদি আমাৰ শিক্ষা ব্যৱস্থাটোৰ উন্নতি হোৱাই নাই , মানুহৰ যদি আস্থাই অহা নাই তেন্তে দীঘলীয়া শাৰী কিয় হৈছে নাম ভৰ্ত্তিৰ বাবে । মোৰ সমষ্টিৰ ধেমাজী উচ্চতৰ বিদ্যালয়ত যিমান ছাত্ৰ ছাত্ৰীয়ে এপ্লাই কৰিছে এডমিশ্যনৰ বাবে সকলোকে ছীট দিব পৰা নাই । বজালীতো এনেকুৱা হৈছে । আমি চেকেণ্ডৰী শিক্ষাত কি কি সংস্কাৰ কৰিছো - প্ৰথম হ'ল , যদিও আমাৰ চেকেণ্ডৰী এডুকেশ্যন ক্লাচ নাইনৰ পৰা আৰম্ভ হয় আমাৰ অসমৰ ক্ষেত্ৰত আমি কৈছো আমি ক্লাছ ছিক্সৰ পৰা চেকেণ্ডৰী বুলি ধৰিম । আৰু এইটো কেবিনেট সিদ্ধান্তও হৈ গৈছে । ক্লাচ চি ক্স্সৰ পৰা ক্লাছ টুৱেলভ লৈকে আমি মাধ্যমিক শিক্ষা হিচাপে যাতে আমি বিশেষ ব্যৱস্থা আমি গ্ৰহণ কৰিব পাৰো । এইবাৰ বাজেটত চৰকাৰে বৃহৎ আঁচনি গ্ৰহণ কৰিছে যে আমি উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়সমূহক আন্তগাঁথনি উন্নয়ণৰ কাৰনে দুই হাজাৰ কোটি টকা খৰছ কৰি এই আন্তগাঁথনি উন্নয়ণৰ বাবে বৃহৎ আঁচনি গ্ৰহণ কৰা হৈছে । শিক্ষক নিযুক্তি প্ৰক্ৰিয়া চলি আছে । এশ টি গাৰ্ডেন মডেল স্কুল প্ৰতিষ্টা কৰাৰ সিদ্ধান্ত হৈছে। দিগন্ত বৰ্মন ডাঙৰীয়াই যিটো কথা উল্লেখ কৰিছে যে যিবোৰ হাই স্কুলক আমি হায়াৰ চেকেণ্ডৰীলৈ উন্নীত কৰিলো তাত যাতে শিক্ষক নিযুক্তি দিব পাৰো এই নিযুক্তিৰ দ্বাৰা আমি তাত শিক্ষক দিয়াৰ বাবে চেষ্টা কৰিম । তাৰ পিচত আমাৰ ৰেশ্যনেলাইজেশ্যনো হৈ আছে । ইয়াৰ পিচত যদি অতিৰিক্ত পোষ্ট ক্ৰিয়েশ্যনৰ বাবে প্ৰয়োজনীয়তা আহে তেন্তে আমি অতিৰিক্ত পোষ্ট ক্ৰিয়েশ্যনলৈ যাম । কিন্তু অতিৰিক্ত পোষ্ট ক্ৰিয়েশ্যনলৈ যোৱাৰ আগতে আমি শিক্ষকৰ ৰেশ্যনেলাইজেশ্যন আমি কৰিব লাগিব ।

ড° আচিফ মোহম্মদ নাজাৰ ডাঙৰীয়া, তেখেতৰ সমষ্টিত এখনেই কলেজ, বৰুৱা গাওঁ কলেজ। তেখেত এতিয়া সদনত উপস্থিত নাই, নাথাকিলেও মই সদনক জনাই দিওঁ যে তেখেতৰ সমষ্টিত লাহৰীঘাট এক সংখ্যালঘু অধ্যুষিত অঞ্চল। তাত আমি এখন মডেল ডিগ্ৰী কলেজ নিৰ্মাণ কৰি আছিলো, নিৰ্মাণ সম্পূৰ্ণ হৈছে, যোৱাকালি মাননীয় মুখ্যমন্ত্ৰীৰ লগত মই আলোচনা কৰিছো যে এই বছৰটোত এই মহাবিদ্যালয় খনত শ্ৰেণী আৰম্ভ কৰাৰ কাৰণে পোষ্ট ক্ৰিয়েচন কৰাৰ কাৰণে আমি প্ৰস্তাৱ গ্ৰহণ কৰিছোঁ, সিদ্ধান্ত গ্ৰহণ কৰিছোঁ। চামুগুৰিত এখন মডেল ডিগ্ৰী কলেজ নিৰ্মাণ সম্পূৰ্ণ হৈছে, চামুগুৰি আৰু লাহৰীঘাট এই দুয়োখন কলেজ ২০২৩ চনতে কাৰ্য্যক্ষম কৰি নামভৰ্তী কৰাৰ কাৰণে আমি ব্যৱস্থা গ্ৰহণ কৰিছো। একেধৰণে বৰপেটাৰ বাঘবৰত এখন কলেজ আছে মডেল ডিগ্ৰী কলেজ, ডিমাহাচাও জিলাত হাতিশালীত এখন কলেজ নিৰ্মাণ সম্পূৰ্ণ হৈছে, চাওঁক ডিমাহাচাও, বাঘবৰ, চামুগুৰি আৰু লাহৰীঘাট এই মহাবিদ্যালয় কেইখনত আমাৰ পাঠদানৰ কাৰণে নিযুক্তি আৰু নামভৰ্তিৰ প্ৰক্ৰিয়া আৰম্ভ হ'ব। আমাৰ কেইগৰাকীমান বিধায়ক যোৱা বছৰ যেতিয়া আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়া শিক্ষা মন্ত্ৰী আছিল সেই সময়ত এটা Signature Scheme লৈছিল, আমাৰ কেইগৰাকীমান বিধায়কে Signature Schemeত কলেজ নিৰ্মাণ কৰিছিল। ৰাতাবাৰীত এখন, পাথৰকান্দিত এখন আৰু এতিয়াৰ সাংসদ পল্লৱলোচন দাস ডাঙৰীয়া, তেখেতে ৰঙাপাৰাত এখন কলেজ নিৰ্মাণ কৰিছিল, সেইকেইখন কলেজৰো নিৰ্মাণ সম্পূৰ্ণ হৈছে আৰু সেই কলেজ কেইখনতো শিক্ষক নিযুক্তি আৰু নামভৰ্তীৰ প্ৰক্ৰিয়া আমি আৰম্ভ কৰিম। গতিকে SEBA আমাৰ অনুস্থান, চেবাক আমি direct recruitmentৰ পৰীক্ষা পাতিবলৈ দিছোঁ, সুকলমে পৰীক্ষা পাতিছে। Police recruitmentৰ পৰীক্ষা পাতিব দিছো, সুকলমে পৰীক্ষা পাতিছে। TET ৰ পৰীক্ষা পাতিবলৈ দিছোঁ, সুকলমে পৰীক্ষা পাতিছে। এখন ৰাজ্যত এনেধৰণৰ পৰীক্ষা পতাৰ expertise থকা এটা অনুস্থান লাগে। ৰাষ্ট্ৰীয়ভাৱে এনেকুৱা পৰীক্ষা সমূহ পতাৰ কাৰণে এটা অনুস্থান আছে National Testing Agency (NTA). NTAয়ে সৈনিক স্কুলৰো পৰীক্ষা পাতে, তেওঁলোকে বিভিন্ন পৰীক্ষা বিলাক এতিয়া কি কয় Common University Entrance Test, টেটৰ পৰীক্ষাও পাতে, কিন্তু আমাৰ অসমত আমি বেলেগ এটা আমাৰ STR প্ৰয়োজন নাই। বিশেষকৈ SEBA ই এইখিনি পৰীক্ষা পাতাৰ expertise আছে, সেই কাৰণে এই পৰীক্ষা সমূহ SEBA ক পাতিবলৈ দিয়া হৈছে। আৰু চেবাই এইখিনি যিহেতু expertise আছে তেওঁলোকৰ, তেওঁলোকৰ বিশেষ পাৰদৰ্শিতা আছে পৰীক্ষা conduct কৰাৰ ক্ষেত্ৰত তেওঁলোকে এই পৰীক্ষা সমূহ সুকলমে অনুষ্ঠিত কৰিছে আৰু ভৱিষ্যতেওঁ কৰিব বুলি মই অনুৰোধ জনাইছো, নিৰ্দিষ্ট ভাৱে SEBA ত কি সংস্কাৰ কৰিব লাগে, চেবাই দুটা কাম কৰে পাঠ্যপুথি প্ৰস্তুত কৰে আৰু পৰীক্ষা অনুষ্ঠিত কৰে। ইয়াত নিৰ্দিষ্টভাৱে ক'ত সংস্কাৰ লাগে মোক কৈ দিলে কাম কৰাত সুবিধা হয়। আইনখন যদি সংশোধন কৰিব লাগে কোনকেইটা দফাত সংশোধন কৰিব লাগে। চেবাৰ বোৰ্ডখন গঠন প্ৰক্ৰিয়াত যদি সংশোধন কৰিব লাগে কেনেধৰণে সংশোধন হ'ব লাগে আমি নিৰ্দিষ্ট ভাৱে পইন্ট কেইটা আনিলে আমাৰ আলোচনা কৰাতো সুবিধা হয়, গণতান্ত্ৰিক মতে কাৰ্য্য নিৰ্বাহ কৰো। কিন্তু , কেৱল যদি আমি কৈ থাকো SEBA ৰ Chairmanক বদলি কৰি দিব লাগে, সংস্কাৰ কৰিব লাগে, সংস্কাৰ অমূক, কি সংস্কাৰ, কিন্তু মই জানো যে এইবোৰ দিহা পৰামৰ্শ আপোনালোকৰ ওচৰত যদি আছে তেতিয়াহলে মই নিশ্চিতভাৱে গ্ৰহণ কৰিম। এতিয়া কোৱা হৈছে SEBA ৰ আঞ্চলিক office থাকিব লাগে। আঞ্চলিক অফিচ থাকিলে কেনেধৰণে সমস্যাটো সমধান হ'বঙ্গ আঞ্চলিকত যদি মই এতিয়া এটা ঠাইত সুৰক্ষা দিব লাগে, ৫ টা আঞ্চলিক কৰাৰ লগে লগে ৫ টা ঠাইত সুৰক্ষা দিব লাগিব। কি এনেকুৱা নিৰ্দিষ্ট সমস্যা

হৈছে যাৰ কাৰণে মই অসমত ৫ ঠাইত চেবাৰ কাৰ্য্যালয় খুলিব লাগেঙ্গ এই পৰামৰ্শ যদি আহিছে সেই পৰামৰ্শ আমাৰ কাৰণে আমি গ্ৰহণযোগ্য বুলি ভৰা নাই। গ্ৰহণযোগ্য বুলি ভৰা নাই কাৰণে আমি কৰা নাই। অন্য কিবা নতুন suggestion আছে আগবঢ়াওঁক আমি নিশ্চিতভাৱে এইখিনি আলোচনা কৰি বিহিত ব্যৱস্থা গ্ৰহণ কৰিম। মনত ৰাখিব SEBA আমাৰ অনুস্থান। চেবা ৰাজ্যখনৰ সম্পদ। চেবা যিহেতুকে ৰাজ্যখনৰ সম্পদ ইয়াৰ capacity ৰ ওপৰত নিৰ্ভৰ কৰি আজি বহুত ব্যৱস্থা আগবাঢ়ি গৈছে। ইয়াক কেনেকৈ strengthen কৰিব পৰা যায়, তাৰ কাৰণে দিহা পৰামৰ্শ দিবৰ কাৰণে মই অনুৰোধ জনালোঁ আৰু শেষত মই পুনৰ জনাওঁ Government বহুত serious. চেবা হওঁক, কাউন্সিল হওঁক, পৰীক্ষা সুকলমে অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত আমি বহুত serious. ইতিমধ্যে যি ব্যৱস্থা গ্ৰহণ কৰা হৈছে ইয়াতে আমি শান্ত নহয়, ইয়াতকৈ আমি কঠোৰতম ব্যৱস্থা গ্ৰহণ কৰিবৰ কাৰণে বদ্ধপৰিকৰ। এইকেইটা দিন আমি পৰীক্ষাটো সুকলমে অনুষ্ঠিত হোৱালৈ অপেক্ষা কৰিছোঁ। পৰীক্ষা সুকলমে হোৱাৰ পিছত আমি গোটেই ঘটনাটো postmortem কৰিম। কৰবাত আমাৰ weakness আছে নেকি, কৰবাত আমাৰ low fall আছে নেকি, সেইটো আমি পৰীক্ষা কৰি চাম। আৰু চাই সঠিক ব্যৱস্থা গ্ৰহণ কৰিম। এই আশ্বাস এই সদনৰ জৰিয়তে মই সকলোকে জনালো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰীদেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** আমি মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছোঁ কিন্তু এইখিনিতে আপোনাৰ যোগেদি আঙুলিয়াই দিব খোজো যে SEBA ৰ যি কেইটো প্ৰতিবেদন, সেই প্ৰতিবেদন কেইটা বিধান সভাৰ library তো বিচাৰিছোঁ, নাপালোঁ। আৰু বিভাগকো বিচাৰিছিলোঁ, আমাৰ অধ্যক্ষৰ সচিবৰ কাৰ্য্যালয়ৰ যোগেদি, আমাৰ হাতত নিদিলে, সেই গতিকে আমি specific কব পৰা নাই। তাৰ বাবে নিশ্চয় এইখিনি কথা পুনৰ আলোচনা হ'ব আৰু মুখ্যমন্ত্ৰী মহোদয়ে সদনত commitment দিছিল, সেই গতিকে এই কথাখিনি উল্লেখ কৰিছোঁ।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী।

**ডাঃ ৰনোজ পেগু, (শিক্ষা মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, report along with action taken report মই বিৰোধী দলপতিক দিব দিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, ইয়াত কোনো argument নাথাকে। House break নকৰি continue কৰি থাকিব লাগিবনে, লাগিব। ঠিক আছে। এতিয়া reposeling, Hon'ble Parliamentary Affairs Minister 6 No.

**শ্ৰীপিযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই ভাৰতৰ নিয়ন্ত্ৰক আৰু মহা হিচাপ পৰীক্ষকৰ ২০২১-২২ বছৰটোৰ বাবে অসম চৰকাৰৰ সম্পৰ্কীয় বিত্ত হিচাপ (খণ্ড নং ১ আৰু ২) ৰ লগতে ২০১৮-১৯, ২০১৯-২০ আৰু ২০২০-২১ চনৰ খতিয়ান (অসমীয়া সংস্কৰণ) সদনত উপস্থাপন কৰিলোঁ।

**মাননীয় অধ্যক্ষ ঃ** নং ৭, আছে।

**শ্ৰীপিযুষ হাজৰিকা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই ভাৰতৰ নিয়ন্ত্ৰক আৰু মহা হিচাপ পৰীক্ষকৰ ২০২২ চনৰ ৩১ মাৰ্চ পৰ্যন্ত বছৰটোৰ অসম চৰকাৰৰ সম্পৰ্কীয় ৰাজ্যিক বিত্তৰ হিচাপ পৰীক্ষাৰ (২০২৩ বৰ্ষৰ প্ৰতিবেদন নং -১) প্ৰতিবেদনখন সদনত উপস্থাপন কৰিলোঁ।

**মাননীয় অধ্যক্ষ ঃ** নং ৮, আছে।

**শ্ৰী পিযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই ভাৰতৰ নিয়ন্ত্ৰক আৰু মহা হিচাপ

পৰীক্ষকৰ ২০২১-২২ বছৰটোৰ বাবে অসম চৰকাৰৰ সম্পৰ্কীয় বিনিয়োজন হিচাপ পৰীক্ষাৰ প্ৰতিবেদন খন সদনত উপস্থাপন কৰিলোঁ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া কাৰ্যসূচী নং ৯। যোৱা কালি আমি আৰম্ভ কৰিছিলো "The Assam Public Safety (Measures) Enforcement Bill, 2023" এইটো আমি বিবেচনাৰ বাবে লোৱা হৈছিল, এতিয়া মই বিলখন সদনত দফাই দফাই বিবেচনাৰ বাবে লোৱা হ'ল। গতিকে দুই নং দফাত দুটা সংশোধনী আছে, মাননীয় মন্ত্ৰী ডাঙৰীয়াক সেই সংশোধনী প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ জনালোঁ, দুই নং দফাৰ amendment only.

**শ্ৰীঅশোক সিংঘল, (মন্ত্ৰী) ঃ** এইটো amendment কালি হৈ গ'ল।

**মাননীয় অধ্যক্ষ** ঃ কালি আমি motion লোৱা নাছিলো, আপুনি উত্থাপন কৰিছিল। আজি আকৌ উত্থাপন কৰিব লাগিব।

**শ্ৰী অশোক সিংহল, (মন্ত্ৰী )** ঃ মাননীয় অধ্যক্ষ মহোদয়, Section 2 (c), definitions to be replaced by Society means both registered and non-registered residence welfare Society or Housing Society, Raw Housing Society. Section 2 (d) the owners agent or trusty who is legally authorized to receipt such rent on behalf of the owner.

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটো হ'ল সংশোধনী দুটা উত্থাপন কৰাত সদনৰ অনুমতি আছে নে? যি সকল সদস্য/সদস্যা সপক্ষে আছে, তেখেত সকলে কওঁক হয়, যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক নহয়, মই ভাবো হয় সাপক্ষে, হয় সাপক্ষে, হয় সাপক্ষে, সংশোধনী দুটা গৃহীত হ'ল। এতিয়া ২ নং দফাত অখিল গগৈ ডাঙৰীয়াৰ সংশোধনী আছে। একেবাৰতে কৈ যাওঁক।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ )** ঃ মাননীয় অধ্যক্ষ মহোদয়, "The Assam Public Safety (Measures) Enforcement Bill, 2023" বিলখন অতি মাত্ৰা পুলিচ কেন্দ্ৰীক। এই বিলখন ঘৰ এটা, পৰিয়াল এটা, এপাৰ্ট মেন্ট এটা বা ৰেচিডিয়েন্সিল বিল্ডিং এটা যোৱাকালি Society শব্দটো সোমাইছে Society এটাৰ নিৰাপত্তাৰ নামত পুলিচৰ সৰ্বগ্ৰাসী নিয়ন্ত্ৰণ জাপি দিব খোজা হৈছে। পুলিচে ঘৰ এখনত চিচি টিভি সংস্থাপন হ'ল নে নাই, তাক পৰীক্ষা কৰাৰ নামত সম্পূৰ্ণ তালাচি অধিকাৰ লাভ কৰিছে। চিটি টিভিৰ দ্বাৰা ঘৰখনৰ ওপৰত অনবৰতে নিৰীক্ষণ ব্যৱস্থা কৰিব বিচাৰিছে। বিলখনে এখন পৰিয়ালৰ ব্যক্তিগত আৰু সামাজিক জীৱনৰ ওপৰত ৰাষ্ট্ৰৰ সম্পূৰ্ণ নিয়ন্ত্ৰণ জাপি দিব। বিধেয়কখনে পুলিচ ৰাজৰ ধাৰণাটো শক্তিশালী কৰিব। এজন পৰিদৰ্শকে, SDPO, DSP এ তালাচি কৰিব পাৰিব আৰু SP য়ে Appellate authority হিচাবে চাব পাৰিব। এইটো হ'লে পুলিচৰ টকা খোৱা পথ খুলি দিব। পুলিচৰ ব্লেক মেইলিং কৰাৰ সম্ভাৱনা থাকিব। কথাই কথাই নাগৰিক সকলে পুলিচ থানা বিলাকত দৌৰি থাকিব লাগিব। ব্যক্তিৰ স্বাধীনতা আৰু সামাজিক স্বাধীনতা বিঘ্নিত হ'ব। চিচিটিভি যে চাবলৈ যাব তাত পুলিচে নহয় দণ্ডাধীশৰ দ্বাৰা চোৱাৰ ব্যৱস্থা কৰিব লাগে। ধন্যবাদ।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, যিবিলাক গুৰুত্বপূৰ্ণ ঠাই আছে ,তাত চৰকাৰে চিচিটিভিৰ ব্যৱস্থা কৰিব লাগে। আজি যদি দিল্লী চৰকাৰক চোৱা যায়, তেওঁলোকে নিজৰ ফাণ্ডে ২ লাখ ৭৫ হাজাৰ চিচি কেমেৰা লগাই দিছে। টাৰ্গেট হৈছে ৪ লাখ ১৪ হাজাৰ। গুৱাহাটীৰ বাহিৰেও গোটেই কেইখন জিলাৰ টাউন অঞ্চলত চিচি টিভিৰ ব্যৱস্থা কৰিব লাগে। নহ'লে চুৰি ডকাইতিৰ ঘটনা বিলাক হৈ থাকে। তাৰ পিছত আপোনালোকে ধৰ্মীয় অনুষ্ঠান

বা বিদ্যালয় বিলাকত লগাই থাকিব। যাতে এই ব্যৱস্থাটো কাৰ্য্যকৰী হয়।

**মাননীয় উপাধ্যক্ষ** ঃ এতিয়া ৪ নং দফাত মাননীয় সদস্য হাফিজ বছিৰ আহমেদ আৰু তেখেতৰ ৭ গৰাকী সহযোগীৰ নামত এটা সংশোধনী আছে।

**শ্ৰী আমিনুল ইছলাম, (জ্যেষ্ঠ, ধিং)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি যিটো সংশোধনী দাখিল কৰিছিলো। তাত প্ৰত্যেক ৬ মাহৰ মূৰে মূৰে যিখিনি বিল্ডিং বা NGO বা সংগঠন আছে সেইবোৰৰ চিচিটিভি কেমেৰা বিলাক ঠিকে আছে নে নাই তাৰ গোটেই ৰিপোৰ্ট দিব লাগিব। ইয়াৰ বাবে বিভাগৰ ফালৰ পৰা এখন নোটিচ ৬ মাহৰ মূৰে মূৰে দিলে ভাল হয়।

**মাননীয় উপাধ্যক্ষ** ঃ এতিয়া ৬ নং দফাত দেৱব্ৰত শইকীয়াৰ লগতে তেখেতৰ ১৫ গৰাকী সদস্যৰ নামত ৪ টা আৰু অখিল গগৈৰ নামত ৫ টা মুঠ ৯ টা সংশোধনী আছে। আপোনালাকে সংশোধনী কেইটা উত্থাপন কৰক।

**শ্ৰী ভৰত চন্দ্ৰ নৰহ, (নাওবৈছা)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ অসম চৰকাৰৰ "The Assam Public Safety (Measures) Enforcement Bill, 2023" বিলখনৰ উদ্দেশ্যটো বেয়া নহয়। আমাৰ Publice ৰ Security ৰ কাৰণে কৰা হৈছে। বিলখনত কিছুমান deficiency আছে। এই বিলাক থাকিলে কিন্তু উদ্দেশ্যটো ফলপ্ৰসূ নহ'ব। ইয়াৰে Section 5 ত যিটো লিখিছে যে, The Inspector of police having jurisdiction over the area may at reasonable time with prior notice enter him to any establishment. চাৰ এই prior notice টো কি বুজাইছে। prior notice বুলি ক'লে মোৰ ঘৰলৈ পুলিচে ৫ মিনিটত আহি যাব। prior notice এইটো clear নহয়। পুলিচে এইটো অপ-ব্যৱহাৰ কৰিব। ইয়াত টাইমটো নিৰ্দিষ্ট কৰিব লাগে। তাৰ পিছত Section 6 ত কৈছে যে, Shall issuance a showcause notice to the owner or manager or person or the persons, who are running any such establishment given 15 days of time for compliance. ইয়াত ছাৰ, মই এইটো কৈছো যে Show cause Notice টোৰ কাৰণে আপুনি মোক কিমান সময় দিলে সেই কথাটো ইয়াত উল্লেখ নাই। আপুনি কৈছে যে আপোনাক Show cause Notice দিয়া হ'ব। আৰু ১৫ দিনৰ ভিতৰত আপুনি compliance কৰিব লাগিব। ১৫ দিনটো মোক compliance কৰিবৰ কাৰণে দিছে। কিন্তু Show cause Notice ৰ কাৰণে মোক কিমান সময় দিলে। আপুনি Show cause Notice মোক দিলে আৰু ১৫ দিনৰ ভিতৰত compliance কৰিব লাগিব। তাৰ মানে চি চি টিভি কেমেৰা যদি বেয়া হৈ আছে মই লগাব লাগিব। যদি লগোৱা নাই মই লগাব লাগিব। কিন্তু সময়টো আপোনালোকে কম দিছে। সেই কাৰণে এইটো ৩০ দিন হ'ব লাগে। Show cause Notice টোৰ উত্তৰ দিবলৈ ১৫ দিন আৰু compliance কৰিবৰ কাৰণে ১৫ দিন। ছাৰ ইয়াত Section - 6 ৰ Sub-section 2 যিখিনি কৈছে যদি Fails to comply with the direction of notice the concern Assistant Commissioner of Police or Deputy Superintendent Police or Sub-Divisional Police Officer as case may be levy a compound fee on the owner/manager/ society person. তাৰ মানে levy কৰিব পাৰিব। for the first month of default 5 thousand আৰু for the second month of default 10 thousand এইটো কৈছো কিয় আপুনি এই establishment বিলাকত CCTV কেমেৰা বিলাক লগাব বিচাৰিছে se-

curity ৰ কাৰণে। আৰু মানুহক সুৰক্ষা দিবৰ কাৰণে। কিন্তু এইটো levy কাৰণে নহয়। সেই কাৰণে এইটো আমি মিনিমাম কৰিব লাগে যে ৫ হাজাৰৰ ঠাইত ২ হাজাৰ ৫ শ কৰিব লাগে আৰু ১০ হাজাৰৰ ঠাইত ৫ হাজাৰ কৰিব লাগে। কাৰণ এনেকুৱা মানুহ থাকিব পাৰে যিয়ে ৫ হাজাৰ বা ১০ হাজাৰ তৎক্ষণাত দিবনোৱাৰে। এইটো এই কাৰণে ৫ হাজাৰৰ ঠাইত ২ হাজাৰ ৫ শ কৰিব লাগে আৰু ১০ হাজাৰৰ ঠাইত ৫ হাজাৰ কৰিব লাগে। ছাৰ ইয়াত Section - 6 ৰ Sub-section 3 যিখিনি কৈছে order টো যদি comply কৰিব নোৱাৰে within a period of 2 month the Inspector of Police having jurisdiction over the area seal the premises temporarily.আৰু কি কৰিব তেওঁ send a Report to the License Authority concern through the Assistant Commissioner of Police. ছাৰ এইটো seal ৰ ব্যৱস্থাটো কৰিলে পুলিচে দু ব্যঁৱহাৰ কৰিব। যদি seal কৰাৰ প্ৰভিজনটো ৰাখে। মোৰ দোকানখন seal কৰি দিলে মই CCTV কেমেৰা নলগোৱাৰ কাৰণে। বিভাগীয় বিষয়া কোন জি এম চি। তেওঁলোকে বিভাগীয় বিষয়া লৈ ৰিৰ্পট দিব। জি এম চি লৈ ৰিৰ্পট পঠিয়াই দিব তেতিয়া মানুহজনে জি এম চি লৈ গৈ থাকিব লাগিব, seal কৰাৰ কাৰণে। এইক্ষেত্ৰত মোৰ অপৰাধটো কি মইটো একো অপৰাধ কৰা নাই মাত্ৰ CCTV কেমেৰা লগোৱা নাই। CCTV কেমেৰা নলগোৱাৰ কাৰণেই মোৰ দোকানখন seal কৰিব পাৰিব। সেইটো ছাৰ শাস্তিটো বেছি হ'ব। তাতকৈ মই কওঁ যে তেওঁক এটা warning দিব লাগে। যে তুমি লগাব লাগে এইটো প্ৰটেকশ্যনৰ কাৰণে লাগে তোমাৰ কাৰণে লাগে তোমাৰ ওচৰ চুবুৰীয়াৰ কাৰণে লাগে। security ৰ কাৰণে লগাব লাগে। ছাৰ এইটো এটা বুজা পৰাৰ নিচিনা এইটো আপুনি জোৰ কৰি কৰা বস্তু নহয়। seal কৰাৰ পাছত যেতিয়া License Authority লৈ ৰিৰ্পট দিব, License Authority জি এম চি য়ে কি কৰিব তেওঁৰ ৰিৰ্পট দিব, তেওঁৰ License খন cancel কৰি দিব পাৰে। cancel কৰি দিলে ছাৰ তেওঁ appeal কৰিব লাগিব। প্ৰথম appeal ত যদি বিফল হয় ২য় appeal ত কৰিব লাগিব, সেইটো ছাৰ এটা শাস্তি হয়। কিয় জানে যোৱা ডিচেম্বৰ মাহত আপোনালোকৰ প্ৰায় ২৩ টা অসম চৰকাৰৰ Act amendment কৰা হৈছিল। আমাৰ সংসদীয় পৰিক্ৰমা মন্ত্ৰী আপোনাৰ মনত আছে হয়তো কাৰণ আপোনালোক জড়িত আছিল। তাত কি কৈছিল যে criminal offence বিলাকক economic offence লৈ যোৱা হৈছিল, কিহৰ কাৰণে is of doing business আৰু কিহৰ কাৰণে Business friendly environment এটা সৃষ্টি কৰিব কাৰণে। য'ত আমি ২৩ খন আইনৰ criminal offence বিলাকক economic offence লৈ গলো এইটো কাৰণে। এতিয়া ছাৰ আপুনি যদি seal কৰে appeal কৰিব লগা যদি হয়, পুলিচে এইটো দু ব্যৱহাৰ কৰিব। জি এম চি অফিচে মিচ ইউজ কৰিব। সেই কাৰণে আমি এইটো seal কৰাৰ প্ৰভিজন ৰাখিব নালাগে। section 8 এটা দিছিল যে no suit, prosecution or other legal proceeding shall lie against any Authority or Officer for anything done in good faith or intended to be done in personal under this Act or any Rule for order made ছাৰ ইয়াত আপুনি যদি প্ৰভিজন ৰাখে কোনো prosecution কৰিব নোৱাৰিব। legal proceeding ল'ব নোৱাৰিব। তেতিয়া পুলিচ বিলাকে মিচ ইউজ কৰিব। সেই কাৰণে ছাৰ to check the misuse of power বিশেষকৈ পুলিচকে বেছি পাৱাৰ দিয়া হৈছে। সেই কাৰণে আপুনি check and balance ৰ কাৰণে এই প্ৰভিজনটোৰ no টো আমি গুচাই দিব লাগে যে suit, prosecu-

tion legal proceeding থাকিব যিবিলাক অফিচাৰে মিচ ইউজ কৰে। সেইখিনি ছাৰ মই প্ৰপোজেল দিছো আপোনাৰ objective টো বৰ ভাল। সেইটো protection টো security ৰ কাৰণে অনা হৈছে। তাৰ পিছত Act খনত কিছুমান deficiency থাকে contradictory কিছুমান Section, Sub-section থাকে আমি objective টো full fill কৰিব নোৱাৰিম।

**মাননীয় উপাধ্যক্ষ** ঃ আপোনালোকৰ ৮ নং টো আছিল। অখিল গগৈ ৭ নং টো দুটা সংশোধনী আছিল। আপোনাৰ এটা কোৱা হ'ল।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)** ঃ মাননীয় উপাধ্যক্ষ মহোদয় আমাৰ ভৰত নৰহ ডাঙৰীয়াই তেখেতে যিটো কথা কৈছে, যে যদি কোনোবাই এবছৰৰ ভিতৰত চি চি টিভিৰ কেমেৰা নলগাই সেইটো seal কৰাৰ প্ৰভিজন ৰাখিছে সেইটো উঠাই ল'ব লাগ বুলি মই ভাবো। মই আৰু এটা কথা ক'ব খুজিছো যে এতিয়া মানে সেই চি চি টিভিৰ কেমেৰা লগাইছে নে নাইসেইটো চাব পুলিচ যাব পাৰিব তাৰ পৰিবৰ্তে মেজিষ্টেট যোৱাৰ ব্যৱস্থা কৰিব লাগে। আৰু ভৰত নৰহ ডাঙৰীয়াই যিটো কথা কৈছে সেইটো একেবাৰে সঠিক কথা কৈছে যে এনেকে বাধ্য কৰি যদি সঁচাকৈ চিকউৰিটিৰ কাৰণে কামটো কৰিছো আমি বাধ্য কিয় কৰিব লাগে? মানুহক সচেতন কৰিব লাগে সজাগ কৰিব লাগে মানুহক ক'ব লাগে, মানুহে নিজে নিজেই কৰিব। কিন্তু এনেকৈ বাধ্যতামুলক ভাবে চি চি টিভিৰ কেমেৰা লগাবলৈ যিটো ব্যৱস্থা কৰা হৈছে, সেইটো আইনখনত নাইকিয়া কৰি এইটো ইচ্ছাকৃত ভাবে আৰু সকলোকে জড়িত কৰি কৰোৱাৰ ব্যৱস্থা এটা কৰিব লাগে।

**মাননীয় উপাধ্যক্ষ** ঃ এতিয়া ৮ নং দফাত দেবব্ৰত শইকীয়া আৰু তেওঁৰ সহযোগী সকলৰ সংশোধনীৰ প্ৰস্তাৱ আছে এই প্ৰস্তাৱটো উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী ৰকিবুল হুছেইন, (চামগুৰি)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, The Assam public Safety (measures) Enforcement Bill, 2023. এই বিলখন মই ভাবো যে খুব সময় উপযোগী হৈছে। আমাৰ পৰিবৰ্তনৰ লগত খাপ খুৱাই আজি এইখন অনাৰ কাৰণে মই চৰকাৰক ধন্যবাদ দিছো। আৰু লগতে কেতিয়াবা বিল আনিলে এনেধৰণে আলোচনা হৈ বহুত ৰেৰ্কড আছে দুই এক যদি ক'ৰবাত বিৰোধী পক্ষয়ো কয়, আমি কেতিয়াবা অকণমান correction কৰি লওঁ। মই এই বিলখন খুব ভাল বুলি অভিহিত কৰিছো কাৰণ আজিৰ তাৰিখত ক্ৰাইম ধৰাৰ যি পদ্ধতি সেই বিলাক চি চি টিভি ৰ কেমেৰাৰ যোগেদি বহুত ফলৱতী হোৱা দেখা গৈছে। এতিয়া এটা কথা যে আপোনালোকে business establishment আৰু নিজৰ ঘৰৰ কথাটো অকণমান সুকীয়াকৈ ইয়াত দিছে। কেৱল পুলিচৰ ক্ষেত্ৰত যিটো কথা উত্থাপন হৈছে, সেই ক্ষেত্ৰত মই ক'ব বিচাৰিছো establishment ৰ ক্ষেত্ৰত আপোনালোকে category কৰিব লাগিব। যদি establishment খুব financially sound হয়। তেতিয়া তেওঁলোকে নিজৰ পইচাৰে লগাব পাৰিব। যদি কিবা কাৰণত তেওঁলোকৰ সামৰ্থ নাই তেতিয়া হলে category wise কিন্তু Municipality বা Corporation ত থাকে। category wise যদি কৰা যায় তেতিয়া মই ভাবো যে যিটো উদ্দেশ্যৰে কৰা গৈছে সেই উদ্দেশ্যটো সফল হ'ব। ২য়টো হ'ল মানুহৰ ঘৰ। চিচি টিভি ৰ ক্ষেত্ৰত মই যিমানদুৰ জানো কেমেৰা কেইটা থাকে কিন্তু recording কৰাটো কিন্তু bedroom ত থাকে। record য'ত হয় যিটো চাব পাৰি সেইটো bedroom ত থাকে। bedroom ৰ পৰা মানুহে এইখিনি চাই থাকে। গতিকে মই অনুৰোধ কৰিব বিচাৰিছো ঘৰত কিন্তু business establishment ত য'ত মালিক বহে তাত টিভি টো থাকে। সেইটো সুকীয়া কথা। কিন্তু ঘৰ

বিলাকত য'ত থাকে তাত পুলিচ যদি bedroom লৈকে অনুমতি নোলোৱাকৈ সোমাই যায় অকল CCTV চেক কৰিবৰ বাবে যায়, সেই কথাটো কিমান সমীচিন হ'ব সেইটো অকণমান চাই ল'ব। বাকী যিটো উদ্দ্যেশ্যত অনা গৈছে, মই ভাবো যে আমাৰ বহু ক্ষেত্ৰত আমাৰ যিটো ক্ৰাইম সেই ক্ৰাইমৰ ক্ষেত্ৰত অলপ ভাল হ'ব আৰু ভয়ো খাব। আমাৰ বাহিৰত যে লিখা থাকে যে এইটো আপোনাৰ CCTV Surveillance ৰ কাৰণে আছে সেই ক্ষেত্ৰত কিন্তু বহু ক্ৰাইম কমিব। গতিকে মই ভাবো যে সেইক্ষেত্ৰত আপোনালোকে চাওঁক যে বাহিৰতে যাতে লিখা পোৱা যায়। আমি কিছুমান দেখুৱাবও লাগিব যদি ক'ৰবাত CCTV কেমেৰা লগোৱা থাকে, বাহিৰত লগালেওঁ বহুত ক্ৰাইম কমিব। গতিকে এইখন যিখন আনিছে সৰু সুৱা যিখিনি lacuna আছে সেইখিনি যদি অকনমান ঠিক ঠাক কৰি চৰকাৰে সকলোকে লৈ কাম কৰে মই ভাবো যে এটা ভাল মেচেজ যাব আৰু ক্ৰাইমো যথেষ্ট কমিব আৰু যিটো কৈছে দুই তলাৰ ওপৰত বুলি কৈছে। মই অসমীয়া ভাষাত কৈছো যে। গ্ৰাউণ্ড ফ্ল'ৰটোত কি হ'ব? অকণমান চাবচোন। বহুতৰ হয়তো দুইতলা বনোৱাৰ ক্ষমতা নাথাকে যাৰ ফলত চোৰ হয়। তাতো কিবা এটা কৰিব পৰা যায় নেকি আপোনালোকক মই সুবিধাহে কৰি দিছো। এতিয়া আপোনালোকে G+2 লৈকে আনিছে। G+1 ৰটো কি হ'ব? তাতো আমাৰ বহু ধৰণৰ ক্ৰাইম হ'ব পাৰে। গতিকে G+1 ৰ ক্ষেত্ৰত অকনমান আজি ন'হলেও পিছত যদি অকণমান ভবা যায় কাৰণ তলতে বেছি ক্ৰাইম হয়। দুইতলাত উঠি চোৰ কৰাতকৈ কেতিয়াবা তলটো হয়। দুইতলাত উঠি পেলাই চোৰ কৰাতকৈ বা ক্ৰাইম কৰাতকৈ কেতিয়াবা তলতো হয়। Business Establishment বোধহয় তলৰ পৰাই আছে। বাকী complex বিলাকত G +1আছে। আমাৰ যদি গাড়ী চোৰ হয় তেতিয়া কি হ'ব? গতিকে G +1 ত কি হ'ব এই কথাটো চাব লাগে আৰু যিকেইটা আনিছো সেইকেইটা আপোনালোকে ভাৱে যে সমীচিন হ'ব অকনমান কাৰেকশ্যন কৰিলে, In principle এই বিলখনক মই সমৰ্থন কৰিছো।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া ১০ নং দফাত কোনো ধৰণৰ সংশোধনী প্ৰস্তাৱ নাই। প্ৰস্তাৱটো হ'ল ১০ নং দফাটো বিধেয়কখনৰ অংশ হ'ব। এতিয়া সংশোধনী প্ৰস্তাৱ ৩,৪,৫,৬,৭,৮,৯ আৰু ১১ ৰ উত্তৰ দিবলৈ মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো।

**শ্ৰী অশোক সিংহল, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Assam Public Safety(Measures) Enforcement Bill, 2023" ত বহুত কেইটা Amendment আহিছে। মই অলপ clearification টো কৰি দিব খুজিছো। সদস্য সকলে হয়তো বেলেগ লাইনত চিন্তা কৰিব পাৰে। কোনোবাই কৈছে পুলিচক বহুত অধিকাৰ দিয়া হৈছে, পুলিচে অত্যাচাৰ কৰিব, পুলিচে অন্যায় কৰিব। দুই-এগৰাকী সদস্যই যেনেকৈ ক'লে যে মোৰ এনে লাগিছে যেন পুলিচৰ ওপৰত দুই-এজন সদস্যই সম্পূৰ্ণ বিশ্বাস হেৰুৱাই পেলাইছে। আইনী সুৰক্ষাৰ যিটো ব্যৱস্থা, আৰক্ষীৰ যিটো ব্যৱস্থা তাৰ ওপৰত বিশ্বাস কৰিয়েই আমি সমাজ জীৱনটো চলাই ৰাখিছো। মাজত গুৱাহাটীত দুই-চাৰিটো ঘটনা একেৰাহে হ'ল আৰু মুখ্যমন্ত্ৰী ডাঙৰীয়াই পুলিচ আৰু Urban Affairs বিভাগৰ লগত এখন যুটীয়া বৈঠক কৰিলে যে crime বোৰ কিয় বাঢ়ি আছে আৰু সকলোৰে পৰা পৰামৰ্শ ল'লে যে jointly আমি কি কৰিব পাৰো। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই মিটিঙৰ শেষত তিনিটা সিদ্ধান্ত দিলে। প্ৰথম সিদ্ধান্ত আছিল যে অসম চৰকাৰে ২০০ কোটি টকা ব্যয় কৰি গুৱাহাটীৰ ভিতৰত গোটেই মহানগৰত চৰকাৰী খৰচত CC TV camera লগোৱা হ'ব।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়, আমি সদনৰ সময় বঢ়াই লৈছো।

**শ্ৰী অশোক সিংহল, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, গোটেই গুৱাহাটীত CC TV camera বোৰ লগোৱা হ'ব আৰু পুলিচে এই CC TV camera থাকিলে ক'ৰবাত যদি অপৰাধ হয়, অপৰাধীক চিনাক্তকৰণ কৰা, এই অপৰাধত ব্যৱহাৰ হোৱ গাড়ী বা মটৰ চাইকেলক চিনাক্তকৰণ কৰাত সুবিধা হ'ব। লগতে আৰু এটা প্ৰস্তাৱ আহিলে যে বহু ৰাজ্যত চৰকাৰে mandatory কৰিছে যে ব্যক্তিগত অনুষ্ঠান আৰু আবাস গৃহতো CC TV camera লগাব লাগে। ডাঙৰ apartment হ'লে apartment ৰ security ৰ বাবে society য়ে CC TV camera লগায়। এতিয়া সিদ্ধান্ত হ'ল যে G+2 ৰ পৰা আমি আৰম্ভ কৰো আৰু মাননীয় সদস্য ৰকিবুল হুছেইন ডাঙৰীয়াই যেনেকৈ ক'লে যে G+1 ত কিয় নহয়। আৰম্ভণী G+2 দি কৰো আৰু তাত যদি আমি দেখো যে ভাল ফলাফল ওলাই আছে, crime rat বোৰ কমি আহিছে পুলিচে ইয়াত এটা helping hand পাই আছে তেতিয়া আমি G+1 লৈয়ো যাব পাৰিম। ব্যৱসায়িক অনুষ্ঠান-প্ৰতিষ্ঠান, Residencial apartment, Residencial houses, above G+2 ত CC TV camera লগাব লাগে। Entry আৰু Exit ত লগাব লাগে আৰু বিল্ডিঙৰ যি চাৰিটা কৰ্ণাৰ আছে, এই চাৰিটা কৰ্ণাৰৰ চাৰিটা এংগলত লগাব পাৰে যে কোনোবাই যদি পিছফালৰ পৰা যদি কিবা অঘটন ঘটাব উঠিছে তেওঁলোকৰ চেহেৰা বিলাক তাত ৰেকডিং হয়। মই ভাবো যে মানুহে যেতিয়া গম পায় যে হুCC TV camera service আছে আমি নিজেও অলপ সাবধান হৈ যাঁও আৰু CC TV camera ৰ জৰিয়তে বহুত ঘটনাৰ অভিযুক্ত ধৰাৰ প্ৰমাণ আমাৰ হাতত আছে। মই ভাবো যে সময়ৰ পৰিবৰ্তন হৈছে, technology পৰিবৰ্তন হৈছে, পুলিচক অসম চৰকাৰে গৃহ বিভাগৰ ফালৰ পৰা বিভিন্ন ধৰণৰ ভাল ভাল equipment দি আছে য'ত পুলিচে ভালদৰে কাম কৰিব পাৰে। মই ভাবো যে আমি এটা civilised society ত থাকো আৰু এই civilised society ত যিমানেই অপৰাধ কমিব সিমানেই সমাজৰ কাৰণে মঙ্গল। এইবোৰৰ কাৰণে এই পলিচিখন অনা হৈছে। বহুতে কৈছে যে প্ৰথম মাহত ৫০০০ বেছি হৈছে আৰু দ্বিতীয় মাহত ১০০০০ বেছি হৈছে। এই ১০-৫ হাজাৰ টকা চৰকাৰে ল'ব খোজা নাই। আঁচল কথাটো হ'ল যে সকলোৱে CC TV camera installation কৰিব লাগে। চৰকাৰৰ ৫-১০ হাজাৰ টকা সংগ্ৰহ কৰাৰ উদ্দেশ্য নহয়। কোনোবাই যদি নামানে তেতিয়া কিবা এটা ব্যৱস্থা কৰিব লাগিব। এই ব্যৱস্থাটো deterrent হিচাপে থাকিব লাগে যে এই কামটো নকৰিলে জৰিমনা ভৰিব লাগিব। কিন্তু সময়মতে যদি কামখিনি কৰে তেতিয়াহ'লেটো ভৰিবই নালাগে। ৫-১০ হাজাৰ টকা দিব লাগিব আৰু এতিয়া প্ৰস্তাৱ আহিছে যে আঢ়ৈ হাজাৰ টকা কৰিব লাগে। যিসকলে আইন নামানে বা সভ্য সমাজত নিজকে চিনাকি দিব নোৱাৰে তেখেত সকলৰ ওপৰত ৰেহাই অনাৰ কাৰণে আমি কিয় প্ৰস্তাৱ আনিম? ৫ হাজাৰ, ১০ হাজাৰ বা ২০ হাজাৰ টকা বেছি হোৱা নাই। কাৰণ মোৰ ঘৰত যদি CC TV camera লগাব লাগিছিল কিন্তু সেই মানুহজনে CC TV camera লগোৱা নাই তেতিয়া হয়তো সেই ঘৰখনত এটা অঘটন ঘটি গ'ল আৰু তেতিয়া সেই ঘটনাৰ ফুটেজ ক'ৰ পৰা পাব। গুৱাহাটীত আজিকালি দেখা যায় যে ল'ৰা-ছোৱালী বোৰ কোনোবা বাহিৰত পঢ়িবলৈ যায় বা কোনোবাই চাকৰি কৰিবলৈ যায় ফলত বুঢ়া মাক-দেউতাক ঘৰত অকলে থাকে। মাজতে এনেকুৱা ধৰণৰ এটা ঘটনা ঘটিছে। তেনেক্ষেত্ৰত আমি ground floor ৰ ক্ষেত্ৰতো CC TV camera লগোৱাৰ প্ৰস্তাৱ হয়তো এটা সময়ত আনিম বা ৰুলত আনিম যে বয়সস্থ অভিভাৱক সকলে CC TV camera লগাব লাগে। This should work as a deterence to the criminal activites. অপৰাধ কৰা মানুহবোৰে জানিব লাগে যে

এইবোৰ থকাৰ পিছতো আমি যদি এই অপৰাধবোৰ কৰো তেতিয়াহ'লে পুলিচে আমাক ধৰিব আৰু এইক্ষেত্ৰত পুলিচেও সক্ৰিয় ভূমিকা ল'ব লাগিব। বহুতে কৈছে যে পুলিচক ইমান ক্ষমতা দিয়া হৈছে যে পুলিচে য'তে-ততে সোমাব, যেতিয়াই তেতিয়াই সোমাব, অপৰাধ এটা হৈ গ'ল , হত্যা এটা হৈ গ'ল তেতিয়া পুলিচেটো সোমাবই লাগিব। পুলিচে কি আবেদন দিব নেকি যে হত্যাকাণ্ড হৈছে মই সোমাম নে নোসোমাম। কৰ'বাত গুলীয়াগুলী হৈ গ'ল তেতিয়া আবেদন দিব নেকি যে আবেদন দিছো আপোনাৰ ঘৰত গুলীয়াগুলী হৈ আছে আপোনাৰ ঘৰত সোমাম নে নোসোমাম। আবেদন দি যদি পুলিচে সোমাব লাগে তেতিয়াহ'লে আবেদন দিয়াৰ পিছত যদি অনুমতি নিদিয়ে তেনেহ'লে পুলিচ সোমাব নালাগে।

**শ্ৰী ভৰত চন্দ্ৰ নৰহ, (নাওবৈচা) ঃ** ইয়াত আপুনি Incident ৰ কথা কোৱা নাই।

**শ্ৰী অশোক সিংহল, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আহি আছো। আবেদনৰ কথা যিটো মাননীয় বিধায়ক শ্ৰী অখিল গগৈ ডাঙৰীয়াই ক'লে যে পুলিচে আবেদন দি যাব লাগে মই তাৰ ওপৰতে কলো।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** আপুনি শুনাত ভুল শুনিছে। মই এইবিলাক কথা কোৱাই নাই। এনেই অখিল গগৈক খোচ এটা মাৰো বুলি ভাবিহে আপুনি এনেকৈ কৈ আছে।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী অশোক সিংহল, (মন্ত্ৰী গৃহ আৰু নগৰ পৰিক্ৰমা বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ভাল প্ৰস্তাৱ আহিলে গ্ৰহণ কৰিবলৈ কোনো আপত্তি নাই। সন্মানীয় সদস্য হুছেইন ডাঙৰীয়াই কৈছে যে সদনত এটা প্ৰস্তাৱ আহিলে আমি সকলোৱে মিলি আলোচনা কৰিম। আৰু আটাইতকৈ ভাল প্ৰস্তাৱ, মই মন্ত্ৰী বুলি ময়ে দিব পাৰো, এই অহংকাৰ মই কোনে দিনে নকৰো। কিন্তু বিৰোধী পক্ষৰ ফালৰ পৰা যদি কিবা ভাল প্ৰস্তাৱ আহে আমি গ্ৰহণ কৰিবলৈ সাজু আছো, তাত সমস্যা নাই। কিন্তু সদায় political point বনোৱাৰ কাৰণে সংবাদ মাধ্যমত high light লোৱাৰ কাৰণে যদি কথা কব খোজে, তাত আপত্তি থাকি যায়। তেতিয়া ভাল কথা কলেও মানুহে নুশুনে। মাননীয় অধ্যক্ষ মহোদয়, Failure to provide public safety measures ইয়াত লিখিছে The Assistant Commissioner of Police (ACP) or DCP or SDPO of the concerned area shall, on the receipt of report from concerned Inspector of Police having jurisdiction of the area under Section 5 shall issue a show cause notice to the owner or manager or person or persons who are running such establishment giving 15 days time for compliance. তাৰ অৰ্থটো হ'ল যে থানাৰ inspector যিজন আছে, তেওঁ প্ৰথম SDPO, DCP, ACP ক জনাব লাগিব যে মোৰ থানা এলেকাত বা দহ খন establishment য়ে CCTV কেমেৰা লগোৱা নাই। তাৰ অৰ্থটো হ'ল যে কোনোবাই গৈ চেক কৰিছে, যে CCTV লগাইছে নে লগোৱা নাই। 1st notice টো তাতে হৈ গ'ল যে পুলিচৰ মানুহে আহি চাই গৈছে যে CCTV কেমেৰা লগাইছে নে নাই। The First Notice is not a written notice but a verbal notice, it will be followed by a written notice from SDPO, DCP or ACP. আৰু ১৫ দিন সময় দিয়া হ'ব compliance ৰ কাৰণে। Compliance যদি নকৰে ১৫ দিনৰ ভিতৰত, যদি এক মাহ হৈ যায়, তেতিয়া ৫ হাজাৰ, আৰু দুই মাহ যদি হৈ যায় ১০ হাজাৰ জৰিমনা ভৰিব লাগিব। সন্মানীয় সদস্য ৰকিবুল হুছেইন ডাঙৰীয়াই কৈছে যে সময়টো কম হৈছে, তেখেতে ৩০

দিনৰ সময় বিচাৰিছে, আমি ইয়াৰ সময় ৩ সপ্তাহ কৰি ল'ব পাৰো।

আৰু এটা কথা ওলোৱা হৈছে যে CCTV কেমেৰাৰ visual মানুহে সচাৰচৰ bed room ত ৰাখে. Bed room ত ৰাখিব পাৰে, তাত কোনো আপত্তি নাই। CCTV কেমেৰাৰ recording যিটো হয়, Server ত হয়। Server generally bed room ত নাথাকে, বেলেগ ঠাইত থাকে। তাৰ পৰা টানি লৈ যায়, TV ত চলাব পাৰে, আৰু যদি Server টো bed room আছে, তাৰ পৰা recording টো technician য়ে লৈ ল'ব। কিন্তু bed room ত যদি আছে, মই নাভাৰো bed room এনেকুৱা ঠাই, কোনোবাই শুই আছে যদি তেতিয়া যাব নালাগে, উঠাইটো যাব পাৰে। তাত কি সমস্যা আছে। Prior information দিহে যাব। বিশেষকৈ তিনিটা সামৰিক কথা কৈ দিব খুজিছোঁ -

১) প্ৰথম চিন্তা কৰিব লাগিব যে আমি এখন সভ্য সমাজত থাকো।

২) আৰক্ষীৰ ওপৰত আমাৰ বিশ্বাস থাকিব লাগিব। কাৰণ তেখেত সকলে দিনে ৰাতি আমাৰ স্বাৰ্থত কাম কৰি থাকে।

৩) বিল এখন অনা হৈছে, নতুন experiment প্ৰথম বাৰৰ বাবে গুহাটীত কৰিবলৈ গৈ আছোঁ।

কিবা যদি পৰিবৰ্তন আনিব লাগে ৰাইজৰ স্বাৰ্থত, আমি আকৌ বিধানসভাত আনিম, আপোনালোকৰ অনুমতি লৈ সংশোধন কৰিম। গতিকে মই ভাৰো এই সংশোধনীৰ বাহিৰে যে ১৫ দিনক আমি ৩ সপ্তাহ কৰিলো, তাৰ বাহিৰে যিটো প্ৰস্তাৱ আহিছে, এই প্ৰস্তাৱটো গ্ৰহণ কৰিব লাগে বুলি মই আগ্ৰহ কৰিছোঁ। ধন্যবাদ।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া সকলো উঠাই ল'ব নে?

**শ্ৰী ৰকিবুল হুছেইন, (চামুগুৰি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, সভ্য সমাজত থাকো কাৰণে, in-principle আমিও একে কথাই কৈছো। আমি মানি লৈছো, কেৱল কৈছো যে সকলো পুলিচ ভাল। আমি পুলিচক দিয়াটো আপত্তি কৰা নাই। কিন্তু কৈছো যে আপুনি যিটো server ৰ কথা কলে, সেইটো কিন্তু TV ৰ লগতে থাকে। server আমাৰ ইয়াত বেলেগৈ নাথাকে। গতিকে bed room ত যোৱাৰ আগত অন্তত যাতে intimation টো দিয়ে, সেই কথাটোৱে কৈছো। আপুনি recording চাব বিচাৰিছে চাওঁক। কিন্তু অপমান নকৰাকৈ চাব লাগে, সেই কথাখিনি strictly থাকিলে ভাল। বাকীখিনি আমি আপোনাক সমৰ্থন কৰিছো।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ।

**শ্ৰী অশোক সিংহল, (মন্ত্ৰী গৃহ আৰু নগৰ পৰিক্ৰমা বিভাগ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, গোটেই ব্যৱস্থাটো এটা ভাল পৰিবেশ ৰচনা কৰাৰ কাৰণে হৈছে আৰু কৰবাত যদি কোনোবাই এই আইনৰ আওতাত বেয়া কাম কৰাৰ চেষ্টা কৰিছে, ঘৰৰ গৰাকী জনৰ সন্মান নষ্ট কৰাৰ চেষ্টা কৰিছে, তাৰ ওপৰতো ব্যৱস্থা লোৱাৰ কাৰণে IPC, CRPC আছে আৰু মই ভাৰো আৰম্ভ হওঁক, তাৰ পিছত চাম। গুৱহাটীত অপৰাধ কমিলে খুব ভাল এটা message যাব, যে অসমত অপৰাধৰ সংখ্যা কম আৰু মই ভাৰো যে মুখ্যমন্ত্ৰী ডাঙৰীয়াই এটা ব্যতিক্ৰমিক সিদ্ধান্ত লৈছে। এবাৰ আমি চেষ্টা কৰি চাওঁ, মই ভাৰো যে ভাল হ'ব।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ।

এতিয়া সকলো উঠাই ল'ব?

**শ্ৰী ভৰত চন্দ্ৰ নৰহ, (নাওঁবৈছা)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি আগতে কৈছো সমৰ্থন কৰিছো

বুলি, কিন্তু আপুনি আইনখন সংশোধন কৰোতে আমাৰ উপ-দলপতিয়ে যিটো কৈছে যে আমাৰ privacy ৰ লগত compromise কৰা নহয়। কাৰণ যদি privacy compromise কৰে তেতিয়া principle of natural justice ক violation কৰা হ'ব। সেই কাৰণে এইটো আপুনি চাব লাগে।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব খুজিছো যে গুৱাহাটী মহানগৰীত ২০০ কোটি টকাৰ CCTV কেমেৰা লগোৱা হ'ব। গুৱাহাটীত অপৰাধ কমিব ভালে কথা। কিন্তু ইয়াৰ লগতে অসমৰ Municipality area সমূহতো যাতে লগোৱা হয়, তাৰ কাৰণে অনুৰোধ জনাইছোঁ।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ।

**শ্ৰী অশোক সিংহল, (মন্ত্ৰী গৃহ আৰু নগৰ পৰিক্ৰমা বিভাগ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, গুৱাহাটীৰ বাহিৰেও বেলেগ বেলেগ নগৰ আৰু চহৰ অঞ্চলত এই ব্যৱস্থা কৰাৰ প্ৰস্তাৱ সন্মানীয় সদস্য শ্ৰী কমলাক্ষ দে পুৰকায়স্থ ডাঙৰীয়াৰ পৰা আহিছে। প্ৰথমতে গুৱাহাটীত আমি আৰম্ভ কৰো, গুৱাহাটীত সফলতাৰে ৰূপায়ন হোৱাৰ পিছত প্ৰয়োজন সাপেক্ষে আমি বিভিন্ন নগৰ আৰু চহৰত CCTV কেমেৰা লগোৱাৰ ব্যৱস্থা কৰিম।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ।

এতিয়া আপোনালোক সকলোয়ে সংশোধনীটো withdraw কৰিছে। এতিয়া ২ ৰ পৰা ১১ নং দফালৈকে সংশোধনীসহ বিধেয়কখনৰ অংশ হ'ব। যিসকল মাননীয় সদস্য/সদস্যা সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়' যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়' মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে ২ ৰ পৰা ১১ নং দফালৈকে সংশোধনীসহ বিধেয়কখনৰ অংশ হ'ল।

১ নং দফা, পৰিসৰ আৰু আৰম্ভণত কোনো সংশোধনীৰ প্ৰস্তাৱ নাই।
এতিয়া প্ৰশ্নটো হ'ল-
১ নং দফা, পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ব।
যিসকল মাননীয় সদস্য/সদস্যা সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়'
যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়'
মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে
১ নং দফা, পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ল।

এতিয়া মাননীয় মন্ত্ৰী শ্ৰীঅশোক সিংহল ডাঙৰীয়াই বিধেয়কখন পাৰিতকৰণৰ বাবে উত্থাপন কৰিব।

**শ্ৰী অশোক সিংহল, (মন্ত্ৰী গৃহ আৰু নগৰ পৰিক্ৰমা বিভাগ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, "The Assam Public Safety (Measures) Enforcement Bill, 2023" বিধেয়কখন সদনত পাৰিতকৰণৰ বাবে উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই "The Assam Public Safety (Measures) Enforcement Bill, 2023" বিধেয়কখন সদনত পাৰিতকৰণৰ বাবে দাঙি ধৰিলো।

যিসকল মাননীয় সদস্য/সদস্যা বিধেয়কখনৰ সপক্ষে আছে, তেখেতসকলে

কওঁক 'হয়'

যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়'

মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে

বিধেয়কখন পাৰিত হ'ল।

এতিয়া মাননীয়া মন্ত্ৰী শ্ৰীমতী নন্দিতা গাৰ্লোছা ডাঙৰীয়ানীয়ে "The Assam Electricity Control (Emergency Powers) (Repealing) Bill, 2023" বিধেয়কখন বিবেচনাৰ বাবে সদনত উত্থাপন কৰিব।

**শ্ৰীমতী নন্দিতা গৰ্লোছা, (শক্তি বিভাগৰ মন্ত্ৰী)** ঃ Hon'ble Speaker Sir, with your permission I,beg to move "The Assam Electricity Control (Emergency Powers) (Repealing) Bill, 2023" for consideration.

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটো হ'ল—

বিধেয়কখন বিবেচনা কৰাত সদনৰ সন্মতি আছেনে?

যিসকল সদস্য/সদস্যা সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়'

যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়'

মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,

প্ৰস্তাৱটো গৃহীত হ'ল।

এতিয়া বিধেয়কখন দফাই দফাই বিবেচনাৰ বাবে লোৱা হওঁক। ২ নং দফাত মাননীয় সদস্য শ্ৰীকমলাক্ষ দে পুৰকায়স্থৰ নামত ১ টা সংশোধনী আছে। আপুনি সশোধনীটো উত্থাপন কৰিবনে?

এতিয়া ২ নং দফাটো বিধেয়কখনৰ অংশ হ'ব। যিসকল মাননীয় সদস্য সদস্যা দফাটোৰ সপক্ষে আছে তেখেত সকলে কওঁক "হয়" যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক "নহয়", মই ভাৱো "হয়"ৰ সপক্ষে, "হয়ৰ সপক্ষে", "হয়ৰ সপক্ষে' মই ভাৱো ২ নং দফাটো বিধেয়কখনৰ অংশ হ'ল।১ নং দফাৰ পৰিসৰ আৰু আৰম্ভণৰ কোনো সংশোধনী প্ৰস্তাৱ নাই। এতিয়া প্ৰস্তাৱটো হ'ল ১ নং দফাৰ পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ব। যিসকল মাননীয় সদস্য সদস্যাই সপক্ষে আছে তেখেত সকলে কওঁক "হয়", যি সকল বিপক্ষে আছে

তেখেত সকলে কওঁক “নহয়”, মই ভাৱো “হয়ৰ সপক্ষে”, “হয়ৰ সপক্ষে”, “হয়ৰ সপক্ষে” মই ভাৱো ১ নং দফাৰ পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ’ল।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী।

**শ্ৰীমতী নন্দিতা গৰ্লোছা, (মন্ত্ৰী) ঃ** Hon'ble Speaker Sir, with the permission "The Assam Electricity Control (Emergency Powers) (Repealing) Bill, 2023" be passed.

**মাননীয় অধ্যক্ষ ঃ** মই "The Assam Electricity Control (Emergency Powers) (Repealing) Bill, 2023" বিধেয়কখন সদনত পাৰিতকৰণৰ বাবে সদনত দাঙি ধৰিলো। যিসকল মাননীয় সদস্য সদস্যাই বিধেয়কখনৰ সপক্ষে আছে, তেখেত সকলে কওঁক “হয়”, যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক “নহয়”, মই ভাৱো “হয়ৰ সপক্ষে”, “হয়ৰ সপক্ষে”, “হয়ৰ সপক্ষে”। বিধেয়কখন পাৰিত হ’ল।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় বিত্ত মন্ত্ৰীৰ হৈ মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী ডাঙৰীয়াই ২০০৫-০৬, ২০০৬-০৭, ২০০৭-০৮, ২০০৮-০৯, ২০০৯-১০,২০১০-১১, ২০১১-১২, ২০১২-১৩, ২০১৩-১৪, ২০১৪-১৫, ২০১৫-১৬, ২০১৬-১৭, ২০১৭-১৮ বৰ্ষৰ অতিৰিক্ত দাবীমঞ্জুৰী আৰু অতিৰিক্ত বিনিয়োজন সমূহ একেলগে সদনত দাঙি ধৰিব।

**শ্ৰী পীযুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই সন্মানীয় বিত্ত মন্ত্ৰী ডাঙৰীয়ানীৰ হৈ ২০০৫-০৬, ২০০৬-০৭, ২০০৭-০৮, ২০০৮-০৯, ২০০৯-১০,২০১০-১১, ২০১১-১২, ২০১২-১৩, ২০১৩-১৪, ২০১৪-১৫, ২০১৫-১৬, ২০১৬-১৭, ২০১৭-১৮ বৰ্ষৰ অতিৰিক্ত দাবী মঞ্জুৰী আৰু অতিৰিক্ত বিনিয়োজন সমূহ গৃহীতকৰণৰ বাবে সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** ২০০৫-০৬, ২০০৬-০৭, ২০০৭-০৮, ২০০৮-০৯, ২০০৯-১০,২০১০-১১, ২০১১-১২, ২০১২-১৩, ২০১৩-১৪, ২০১৪-১৫, ২০১৫-১৬, ২০১৬-১৭, ২০১৭-১৮ বৰ্ষৰ অতিৰিক্ত দাবী মঞ্জুৰী আৰু অতিৰিক্ত বিনিয়োজন সমূহ একেলগে সদনত দাঙি ধৰিলো। যিসকল মাননীয় সদস্য সদস্যাই অতিৰিক্ত দাবী মঞ্জুৰী আৰু অতিৰিক্ত বিনিয়োজনসমূহৰ সপক্ষে আছে তেখেত সকলে কওঁক “হয়”, যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক “নহয়”, মই ভাৱো “হয়ৰ সপক্ষে’, “হয়ৰ সপক্ষে’, “হয়ৰ সপক্ষে। ২০০৫-০৬, ২০০৬-০৭, ২০০৭-০৮, ২০০৮-০৯, ২০০৯-১০,২০১০-১১, ২০১১-১২, ২০১২-১৩, ২০১৩-১৪, ২০১৪-১৫, ২০১৫-১৬, ২০১৬-১৭, ২০১৭-১৮ বৰ্ষৰ অতিৰিক্ত দাবীমঞ্জুৰী আৰু অতিৰিক্ত বিনিয়োজন সমূহ গৃহীত কৰা হ’ল ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া "The Assam Appropriation (NoIII) Bill, 2023", "The Assam Appropriation (No.IV) Bill, 2023", "The Assam Appropriation (No.V) Bill, 2023", "The Assam Appropriation (No.VI) Bill, 2023", "The Assam Appropriation (No.VII) Bill, 2023", "The Assam Appropriation (No.VIII) Bill, 2023", "The Assam Appropriation (No.IX) Bill, 2023", "The Assam Appropriation (No.X) Bill, 2023", "The Assam Appropriation (No.XI) Bill, 2023", "The Assam Appropriation (No.XII) Bill, 2023", "The Assam Appropriation

(No.XIII) Bill, 2023", "The Assam Appropriation (No.XIV) Bill, 2023", "The Assam Appropriation (No.XV) Bill, 2023" ৰাজভৱনৰ পৰা এটা বাণী আছে, বাণীটো হ'ল-

Under the Provision of Article 207(1) of the Constitution of India, I, Shri Golab Chand Kataria, Governor of Assam recommed that introduction of the "The Assam Appropriation (NoIII) Bill, 2023", "The Assam Appropriation (No.IV) Bill, 2023", "The Assam Appropriation (No.V) Bill, 2023", "The Assam Appropriation (No.VI) Bill, 2023", "The Assam Appropriation (No.VII) Bill, 2023", "The Assam Appropriation (No.VIII) Bill, 2023", "The Assam Appropriation (No.IX) Bill, 2023", "The Assam Appropriation (No.X) Bill, 2023", "The Assam Appropriation (No.XI) Bill, 2023", "The Assam Appropriation (No.XII) Bill, 2023", "The Assam Appropriation (No.XIII) Bill, 2023" and "The Assam Appropriation (No.XIV) Bill, 2023", "The Assam Appropriation (No.XV) Bill, 2023" be taken into consideration in the Assam Legislative Assembly.

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় মন্ত্ৰী ডাঙৰীয়াক মই বিধেয়ক কেইখন "The Assam Appropriation (NoIII) Bill, 2023", "The Assam Appropriation (No.IV) Bill, 2023", "The Assam Appropriation (No.V) Bill, 2023", "The Assam Appropriation (No.VI) Bill, 2023", "The Assam Appropriation (No.VII) Bill, 2023", "The Assam Appropriation (No.VIII) Bill, 2023", "The Assam Appropriation (No.IX) Bill, 2023", "The Assam Appropriation (No.X) Bill, 2023", "The Assam Appropriation (No.XI) Bill, 2023", "The Assam Appropriation (No.XII) Bill, 2023", "The Assam Appropriation (No.XIII) Bill, 2023", "The Assam Appropriation (No.XIV) Bill, 2023", "The Assam Appropriation (No.XV) Bill, 2023" সদনত উত্থাপন কৰিবলৈ অনুৰোধ জনালো ।

**শ্ৰী পীযুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই সন্মানীয় বিত্ত মন্ত্ৰী ডাঙৰীয়ানীৰ হৈ "The Assam Appropriation (NoIII) Bill, 2023", "The Assam Appropriation (No.IV) Bill, 2023", "The Assam Appropriation (No.V) Bill, 2023", "The Assam Appropriation (No.VI) Bill, 2023", "The Assam Appropriation (No.VII) Bill, 2023", "The Assam Appropriation (No.VIII) Bill, 2023", "The Assam Appropriation (No.IX) Bill, 2023", "The Assam Appropriation (No.X) Bill, 2023", "The Assam Appropriation (No.XI) Bill, 2023", "The Assam Appropriation (No.XII) Bill, 2023", "The Assam Appropriation (No.XIII) Bill, 2023", "The Assam Appropriation (No.XIV) Bill,

2023", "The Assam Appropriation (No.XV) Bill, 2023" বিধেয়ককেইখন সদনত উত্থাপন কৰাৰ বাবে প্ৰস্তাৱ কৰিলো ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া বিধেয়ককেইখন উত্থাপন কৰাত সদনৰ সন্মতি আছে নে ? যিসকল মাননীয় সদস্য সদস্যাই সপক্ষে আছে তেখেত সকলে কওঁক "হয়" যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক "নহয়", মই ভাৱো "হয়ৰ সপক্ষে", "হয়ৰ সপক্ষে", "হয়ৰ সপক্ষে"। বিধেয়ক কেইখন উত্থাপন হ'ল ।

এতিয়া ৰাজভৱনৰ পৰা এটা বাণী আছে, বাণীটো হ'ল-

Under the Provision of Article 207(3) of the Constitution of India, I, Shri Golab Chand Kataria, Governor of Assam recommed that "The Assam Appropriation (NoIII) Bill, 2023", "The Assam Appropriation (No.IV) Bill, 2023", "The Assam Appropriation (No.V) Bill, 2023", "The Assam Appropriation (No.VI) Bill, 2023", "The Assam Appropriation (No.VII) Bill, 2023", "The Assam Appropriation (No.VIII) Bill, 2023", "The Assam Appropriation (No.IX) Bill, 2023", "The Assam Appropriation (No.X) Bill, 2023", "The Assam Appropriation (No.XI) Bill, 2023", "The Assam Appropriation (No.XII) Bill, 2023", "The Assam Appropriation (No.XIII) Bill, 2023" and "The Assam Appropriation (No.XIV) Bill, 2023", "The Assam Appropriation (No.XV) Bill, 2023" be taken into consideration in the Assam Legislative Assembly.

মাননীয় মন্ত্ৰী ডাঙৰীয়া ।

**শ্ৰী পীযুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই সন্মানীয় বিত্ত মন্ত্ৰী ডাঙৰীয়ানীৰ হৈ "The Assam Appropriation (NoIII) Bill, 2023", "The Assam Appropriation (No.IV) Bill, 2023", "The Assam Appropriation (No.V) Bill, 2023", "The Assam Appropriation (No.VI) Bill, 2023", "The Assam Appropriation (No.VII) Bill, 2023", "The Assam Appropriation (No.VIII) Bill, 2023", "The Assam Appropriation (No.IX) Bill, 2023", "The Assam Appropriation (No.X) Bill, 2023", "The Assam Appropriation (No.XI) Bill, 2023", "The Assam Appropriation (No.XII) Bill, 2023", "The Assam Appropriation (No.XIII) Bill, 2023" and "The Assam Appropriation (No.XIV) Bill, 2023", "The Assam Appropriation (No.XV) Bill, 2023" বিধেয়ক কেইখন বিবেচনাৰ বাবে প্ৰস্তাৱ কৰিলো ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া বিধেয়ক কেইখন সদনত বিবেচনাৰ বাবে প্ৰস্তাৱ দাঙি ধৰিলো । প্ৰশ্নটো হ'ল- বিধেয়ক কেইখন সদনত বিবেচনা কৰাৰ বাবে সন্মতি আছেনে ? যিসকল মাননীয় সদস্য সদস্যাই সপক্ষে আছে তেখেত সকলে কওঁক "হয়", যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক "নহয়",মই ভাৱো "হয়ৰ সপক্ষে", "হয়ৰ সপক্ষে", "হয়ৰ সপক্ষে" প্ৰস্তাৱটো গৃহীত

হ'ল ।এতিয়া বিধেয়ক কেইখন দফাই দফাই আলোচনা কৰাৰ বাবে লোৱা হ'ল। বিধেয়ক খনৰ ২নং, ৩ নং দফাৰ লগতে অনুসূচী কেইখনো বিধেয়ক কেইখনৰ অংশ হ'ব । যিসকল মাননীয় সদস্য সদস্যাই বিধেয়ক খনৰ ২নং, ৩ নং দফাৰ লগতে অনুসূচী কেইখনৰ সপক্ষে আছে তেখেত সকলে কওঁক "হয়", যিসকল বিপক্ষে আছে তেখেত সকলে কওঁক "নহয়", মই ভাৰো "হয়ৰ সপক্ষে", "হয়ৰ সপক্ষে", "হয়ৰ সপক্ষে' ২নং, ৩ নং দফাৰ লগতে অনুসূচীকেইখনো বিধেয়কৰ অংশ হ'ল । ১ নং দফাৰ পৰিসৰ আৰু আৰম্ভন বিধেয়ককেইখনৰ অংশ হ'ব । যিসকল মাননীয় সদস্য সদস্যাই সপক্ষে আছে

তেখেত সকলে কওঁক "হয়", যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক "নহয়", মই ভাৰো "হয়ৰ সপক্ষে", "হয়ৰ সপক্ষে", "হয়ৰ সপক্ষে" ১ নং দফাৰ পৰিসৰ আৰু আৰম্ভন বিধেয়ক কেইখনৰ অংশ হ'ল । এতিয়া মাননীয় বিত্তমন্ত্ৰীয়ে বিধেয়ক কেইখন পাৰিত কৰাৰ বাবে অনুৰোধ জনাব ।

**শ্ৰী পীযুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই সন্মানীয় বিত্ত মন্ত্ৰী ডাঙৰীয়ানীৰ হৈ "The Assam Appropriation (NoIII) Bill, 2023", "The Assam Appropriation (No.IV) Bill, 2023", "The Assam Appropriation (No.V) Bill, 2023", "The Assam Appropriation (No.VI) Bill, 2023", "The Assam Appropriation (No.VII) Bill, 2023", "The Assam Appropriation (No.VIII) Bill, 2023", "The Assam Appropriation (No.IX) Bill, 2023", "The Assam Appropriation (No.X) Bill, 2023", "The Assam Appropriation (No.XI) Bill, 2023", "The Assam Appropriation (No.XII) Bill, 2023", "The Assam Appropriation (No.XIII) Bill, 2023" and "The Assam Appropriation (No.XIV) Bill, 2023", "The Assam Appropriation (No.XV) Bill, 2023" বিধেয়ক কেইখন পাৰিতকৰণৰ বাবে প্ৰস্তাৱ কৰিলো ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই প্ৰস্তাৱটো সদনৰ অনুমোদনৰ বাবে দাঙি ধৰিলো । প্ৰস্তাৱটো হ'ল হ'ল- "The Assam Appropriation (NoIII) Bill, 2023", "The Assam Appropriation (No.IV) Bill, 2023", "The Assam Appropriation (No.V) Bill, 2023", "The Assam Appropriation (No.VI) Bill, 2023", "The Assam Appropriation (No.VII) Bill, 2023", "The Assam Appropriation (No.VIII) Bill, 2023", "The Assam Appropriation (No.IX) Bill, 2023", "The Assam Appropriation (No.X) Bill, 2023", "The Assam Appropriation (No.XI) Bill, 2023", "The Assam Appropriation (No.XII) Bill, 2023", "The Assam Appropriation (No.XIII) Bill, 2023" and "The Assam Appropriation (No.XIV) Bill, 2023", "The Assam Appropriation (No.XV) Bill, 2023" পাৰিত কৰা হওঁক ।

যিসকল মাননীয় সদস্য সদস্যাই প্ৰস্তাৱটোৰ সপক্ষে আছে তেখেত সকলে কওঁক "হয়",যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক "নহয়", মই ভাৰো "হয়ৰ সপক্ষে", "হয়ৰ সপক্ষে", "হয়ৰ সপক্ষে" প্ৰস্তাৱটো পাৰিত কৰা হ'ল আৰু বিধেয়ককেইখন পাৰিত কৰা হ'ল ।

## সামৰণি বক্তব্য

**মাননীয় অধ্যক্ষ ঃ** সন্মানীয় সদন যোৱা ১০ মাৰ্চ তাৰিখে অসমৰ মহামান্য ৰাজ্যপাল গোলাব চান্দ কাটাৰিয়া ডাঙৰীয়াৰ অভিভাষণেৰে আৰম্ভ হোৱা বাজেট অধিবেশন, ১৪ দিনীয় তথা চৰকাৰী তথা বে-চৰকাৰী কৰ্মসূচীৰে সম্পন্ন হোৱাৰ অন্তত আজি সামৰণি পৰিল ।

এই অধিবেশনৰ কালছোৱাত ২ খন নতুন বিধেয়কক ধৰি সৰ্বমুঠ ৬ খন গুৰুত্বপুৰ্ণ বিধেয়ক পাৰিত কৰা হয় । লগতে ৩ খনকৈ বে-চৰকাৰী বিধেয়কো সদনত উত্থাপন কৰি বিবেচনা কৰা হয় । বিধান সভাৰ নিয়মাৱলীৰ বিভিন্ন প্ৰক্ৰিয়াৰ অন্তত ৰাজ্যখনৰ জলন্ত সমস্যা সমূহকে ধৰি ভালেমান গুৰুত্বপুৰ্ণ বিষয়ৰ ওপৰত আলোচনা কৰা হয় ।

অধিবেশনৰ কালছোৱাত বিশ্ব মহিলা বক্সিং চেম্পিয়নশ্বিপত স্বৰ্ণ পদক বিজয়েৰে দেশলৈ সুনাম কঢ়িয়াই অনা লভলীনা বৰগোঁহাই ডাঙৰীয়ানীক সদনে অভিনন্দন জ্ঞাপন কৰে ।

বড়ো জনগোষ্ঠীৰ প্ৰবাদ পুৰুষ বডোফা উপেন্দ্ৰ নাথ ব্ৰহ্মক সন্মান প্ৰদৰ্শন কৰি অসম চৰকাৰে পালন কৰা ছাত্ৰ দিৱসৰ লগত সংগতি ৰাখি বিধান সভাই সুযোগ্য অসম সন্তান গৰাকীক তেখেতৰ জন্ম দিৱসত স্মৰণ কৰে আৰু দল-মত নিৰ্বিশেষে সকলো পক্ষৰ বিধায়কে ব্ৰহ্ম ডাঙৰীয়াৰ জীৱন আৰু কৰ্মৰাজীৰ ওপৰত গভীৰ আলোকপাত কৰে ।

এইবাৰৰ অধিবেশনত বৰ্তমান সময়ৰ অতিকৈ প্ৰাসংগিক বিষয় জি-২০ সন্দৰ্ভত সকলো পক্ষৰ অংশগ্ৰহণেৰে এক বিস্তৃত আলোচনা হয় ।

তাৰোপৰি অধ্যক্ষ উদ্যোগ শিতানত 'অসমত মাদক দ্ৰব্য সেৱন আৰু শিশু সৰবৰাহ নিবাৰণ' শিৰোনামেৰে সমাজ জীৱনৰ ভাবুকি স্বৰূপ হৈ পৰা গুৰুত্বপুৰ্ণ বিষয়টো বহুলভাবে নিৰ্মোহ আলোচনা কৰা হয় ।

মই সদনক অৱগত কৰিব বিচাৰিছো যে বিধান পালিকাৰ কাৰ্য্যপ্ৰণালী তথা দায়বদ্ধতা সম্পৰ্কে জনগণক অধিক সচেতন কৰাৰ লগতে জনসাধাৰণক আৰু অধিক ওচৰ চপাই অনাৰ উদ্দেশ্য অসম বিধান সভাৰ অধিৱেশন গুৱাহাটীৰ বাহিৰেও ৰাজ্যখনৰ অইন প্ৰান্তত অনুষ্ঠিত কৰাৰ বাবে চিন্তাচৰ্চা কৰা হৈছে। এইক্ষেত্ৰত অসমৰ মাননীয় মুখ্যমন্ত্ৰীয়েও পৰামৰ্শ আগবঢ়াইছে। সেই অনুসৰি, অসম বিধান সভাৰ এক অধিৱেশন বা বিশেষ অধিৱেশন কোকৰাঝাৰত অনুষ্ঠিত কৰা হ'ব।

শৰাইঘাট ৰণ জিকি অসমক মোগলৰ অধীনলৈ যোৱাৰ পৰা ৰক্ষা কৰা জাতীয় বীৰ লাচিত বৰফুকনৰ চাৰিশ বছৰীয়া জন্ম জয়ন্তী পালনৰ জৰিয়তে গিনিজ ৱৰ্ল্ড ৰেকৰ্ডছৰ স্বীকৃতি লাভ কৰাৰ বাবে অসম চৰকাৰ আৰু ইয়াত লগত জড়িত সকলোলৈকে অভিনন্দন জনাইছো।

অসম চৰকাৰৰ উদ্যোগত অহা ১৪ এপ্ৰিল তাৰিখে ভাৰতৰ প্ৰধান মন্ত্ৰীৰ উপস্থিতিত এঘাৰ হাজাৰ বিহুৱা-বিহুৱতীৰ দ্বাৰা গিনিজ ৰেকৰ্ডৰ বাবে বিহু প্ৰদৰ্শন কৰিব লোৱাটো প্ৰশংসাৰ বিষয়। এই অনুষ্ঠানৰ লগত জড়িত সকলোলৈ শুভেচ্ছা জনাইছো।

এই অধিৱেশনৰ সমাপনৰ মূহুৰ্তত সদনৰ কাম-কাজ সুকলমে পৰিচালনা কৰাৰ ক্ষেত্ৰত আগবঢ়োৱা সহযোগিতাৰ বাবে মাননীয় মুখ্যমন্ত্ৰীকে প্ৰমুখ্য কৰি মন্ত্ৰী পৰিষদৰ সকলো মাননীয় সদস্য, বিধান সভাৰ মাননীয় উপাধ্যক্ষ, বিৰোধী দলৰ দলপতিকে ধৰি সদনৰ সকলো মাননীয় সদস্যলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো।

সদৌ শেষত বিধান সভা অধিৱেশনৰ লগত জড়িত প্ৰচাৰ মাধ্যমৰ বন্ধুসকল, বিধান সভাৰ বিষয়া-কৰ্মচাৰীকে ধৰি চৰকাৰী বিষয়া-কৰ্মচাৰীকে আদি কৰি সকলো পক্ষলৈকে মোৰ ধন্যবাদ জ্ঞাপন কৰি অসমীয়া নৱবৰ্ষ আৰু ৰঙালী বিহুৰ লগতে আগন্তুক ঈদ-উল-ফিটৰৰ আন্তৰিক শুভেচ্ছা

জ্ঞাপন কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

ধন্যবাদ।

**শ্ৰী ৰকিবুল হুছেইন, (চামগুৰি) ঃ** মাননীয় অধ্যক্ষ অধ্যক্ষ মহোদয়, অলপমান মই এটা কথাৰ স্পষ্টিকৰণ বিচাৰিছো। আমি Rules মতে বিধান সভা চলাও। Rules of Procedure and Conduct of Business in Assam Legislative Assembly সেইখনৰ মতে আপুনি চলাব লাগে, সেই কাৰণে আপুনি আমাৰ বাজেট অধিৱেশনতে হওঁক, বিভিন্ন cut-motion তে হওঁক, আমাক Business Advisory Committee লৈ মাতে আৰু আমি সকলোৰে এটা সৌহাদ্যপূৰ্ণ পৰিৱেশত কাৰ কিমান সময়, সেইখিনি আপুনি নিৰ্ধাৰিত কৰে আৰু সেইখিনি আপুনি ইয়াত আহি approve কৰায়। মই কেৱল এটা record ৰ কাৰণে কৈছো যে আপুনি আমাক একমিনিটো extra কৈ নিদিয়ে। কাৰণ আমাৰ দলে যিমান পায়, সিমানে দিয়ে। মাননীয় সদস্য শ্ৰীশ্বেৰমান আলী আহমেদ ডাঙৰীয়াক আপুনি কোন দলৰ পৰা দিয়ে যে, বাজেট অধিৱেশনত তেওঁ propose কৰে, cut motion তো কয়। তেওঁ কোন দলৰ পৰা কয়,পিছত এটা record লাগিব। বি জে পি দলৰ সদস্যই কিবা এটা ক'লে সমৰ্থন কৰে, এ আই ইউ ডি এফ য়ে ক'লে কৰে। কাৰ পৰা দিছে, সেই কথাখিনি আমাক record ৰ কাৰণে লাগে। সেই কথাখিনি উপস্থাপন কৰিলো।

**শ্ৰীশ্বেৰমান আলী আহমেদ, (বাঘবৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ নাম লৈছে।

**মাননীয় অধ্যক্ষ ঃ** আপুনি বহকচোন। সন্মানীয় সদস্য আমি যিকোনো আলোচনাৰ ক্ষেত্ৰত BAC (Business Advisory Committee) ত সময় এটা ঠিক কৰি লওঁ আৰু সদনত সকলোৰে সমান। সকলো সমান কাৰণে সদস্য হিচাপে সময় আমি ভাগ কৰো। যিসকল দল আছে, দলে নিজৰ মাজত নিজৰ দলৰ সকলোতকৈ ভালকৈ ক'ব পাৰে বুলি ভবা ব্যক্তিক তেওঁলোকৰ সময় বাকী বিলাকৰ পৰা লৈ একেলগে ১০ মিনিট, ১৫ মিনিট, ২০ মিনিট ক'বলৈ দিয়া হয়। এইটো দলৰ অধিকাৰ আছে। গতিকে সেই হিচাপে প্ৰত্যেকজন সদস্যই নিজৰ সময় সকলোৰে পাবই আৰু সেইটোৰ ক্ষেত্ৰত সময় সাপেক্ষে আমি যেতিয়া বিধান সভাত কোনোবাই বক্তব্য ৰাখে, তেতিয়া তেখেতসকলৰ অনুৰোধত ১, ২, ৩, ৪ মিনিটকৈ দিয়া হয়। গতিকে তেনেকুৰা ধৰণৰ কৰো। সেই হিচাপত মাননীয় সদস্য শ্ৰীশ্বেৰমান আলী আহমেদ ডাঙৰীয়াই কেতিয়াবা তেনেকুৰা ভাগ্য হৈছে য'ত তেখেতক কেইমিনিটমান বেছিকৈ ক'বলৈ দিয়া হয়।

**শ্ৰী ৰকিবুল হুছেইন, (চামগুৰি) ঃ** মাননীয় অধ্যক্ষ অধ্যক্ষ মহোদয়, তেওঁ বাজেটত appropriation bill ৰ প্ৰস্তাৱ দিয়ে। এক দুই মিনিট আপুনি specially দিয়ে সেই কথাটো বেলেগ। Cut-motion ৰ কাৰণে তেওঁ propose কৰে আৰু আপুনি চাওঁক ইয়াত লিখা থাকে INC ৰ পৰা। পিছত দৰকাৰ হ'ব কাৰণে মই record ৰ কাৰণেহে কৈছো। মই সকলোকে ধন্যবাদ দিছো।

**মাননীয় অধ্যক্ষ ঃ** এজন speaker এ যেতিয়া allow কৰে, এইবোৰ প্ৰশ্ন আহিব নালাগে। যদি সকলো পাৰ্টীয়ে মোক ক্ষমতা প্ৰদান কৰে, মই সকলোকে সময়তে বহিবলৈ দিম। এটা শব্দও যাতে কোনোৰে বিদ্ৰোহ নকৰে।

**শ্ৰীপীযুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই সন্মানীয় অধ্যক্ষ ডাঙৰীয়া, সন্মানীয় সদস্যসকল, আমাৰ দীঘলীয়া বাজেট অধিৱেশনৰ আজি অন্ত পৰিব, মাননীয় অধ্যক্ষ ডাঙৰীয়াই বাজেট অধিৱেশনৰ সামৰণি ঘোষণা কৰিব। সন্মানীয় অধ্যক্ষ ডাঙৰীয়া, আপোনাক ধন্যবাদ জ্ঞাপন কৰিব খুজিছো। আমাৰ প্ৰত্যেকজন শাসকীয় সদস্য সৈতে যোৱা ১৪

দিনৰ বিধান সভা অনুষ্ঠিত কৰিলো। আমাক সকলোৱে ভালকৈ সহযোগিতা কৰিলে। আপোনাক প্ৰথমতে ধন্যবাদ জ্ঞাপন কৰিলো। বিৰোধীৰ মাননীয় সদস্যসকলকো ধন্যবাদ জ্ঞাপন কৰিলো। আমি খুব সুন্দৰ বাতাবৰণেৰে বিধান সভা চলাবলৈ সক্ষম হ'লো। দিহা-পৰামৰ্শ আপোনালোকৰ পৰা যথেষ্ট আমি পাইছো। পৰৱৰ্তী সময়ত এই দিহা-পৰামৰ্শ কাৰ্য্যত পৰিণত কৰিবলৈ চেষ্টা কৰিম। আমি পুনৰবাৰ সকলোকে ধন্যবাদ জ্ঞাপন কৰিছো।

**শ্ৰীদেৱব্ৰত শইকীয়া, (নাজিৰা, বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ফালৰ পৰা আপোনাক ধন্যবাদ জনাইছো। আমাক যিখিনি সুবিধা দিলে চৰকাৰৰ বিভিন্ন বিষয় দৃষ্টিগোচৰ কৰিবলৈ, চৰকাৰৰ ফালৰ পৰাও আশা কৰিছো যিসমূহ বিষয় ইয়াত হ'ল, সেইখিনি যাতে ৰূপায়ণ কৰি আমাক সহায় কৰে। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** পুনৰ সকলোকে ধন্যবাদ জনাই অনিৰ্দ্দিষ্ট কাললৈ সদন স্থগিত ৰখা হ'ল।

(জাতীয় সংগীত পৰিবেশন কৰি সদন অনিৰ্দিষ্ট কাললৈ স্থগিত ৰখা হ'ল বুলি ঘোষণা কৰে।)